মৃণাল কলিতা

বকুল ফুলৰ দৰে



সপ্তবিংশ মুদ্ৰণ

সাহিত্য অকাডেমিৰ শিশু সাহিত্য বঁটা(২০২১) প্ৰাপ্ত উপন্যাস

বকুল ফুলৰ দৰে

সাহিত্য অকাডেমিৰ শিশু সাহিত্য বঁটা (২০২১) প্ৰাপ্ত উপন্যাস

ড° মৃণাল কলিতা

বান্ধৱ

পাণবজাৰ, গুৱাহাটী -১

১.

অসীমৰ মনটো দুখেৰে ভৰি পৰিল। সি স্কুলৰ গে'টৰ কাষৰ বকুল গছজোপাৰ ছাঁত বহি আছে। অকলে। তাৰ কাষেৰেই লগৰ ল'ৰা-ছোৱালীবিলাক অহা-যোৱা কৰি আছে। কোনেও তাক মাত এষাৰ লগোৱাৰো প্ৰয়োজন অনুভৱ কৰা নাই। অৱশ্যে সিও কাকো মাতিবলৈ উৎসাহ অনুভৱ কৰা নাই। অকলে থাকিয়েই তাৰ ভাল লাগিছে। আজিকালি তাৰ এনেকৈ থাকিয়েই ভাল লাগে। কোনোবাই তাৰ লগত কথা পাতিবলৈ বিচাৰিলে বা ওচৰ চাপিলে সি বৰ অস্বস্তি অনুভৱ কৰে। যেন এডাল কেৰেলুৱা। চুই দিলেই কোঁচ খাই পৰি থাকিব নিশ্চল হৈ।

সিহঁতৰ আজি বছৰেকীয়া পৰীক্ষাৰ ৰিজাল্ট দিছে। সি ৰিজাল্ট লোৱাৰো কোনো আগ্ৰহ অনুভৱ কৰা নাই। পৰীক্ষা পাছ কৰিবনে ফেইল কৰিব সি নিজে খাটাং নহয়। পাছ কৰিলেও স্ফূৰ্তি কৰিব লগা একো নাই, ফেইল কৰিলেও দুখ কৰিব লগা বিশেষ একো নাই। যোৱা বছৰো সি কোনোমতেহে পাছ কৰিছিল। ক্ৰমান্বয়ে তাৰ পঢ়া বেয়া হৈ আহিছে। আচলতে দিনে দিনে তাৰ পঢ়াৰ আগ্ৰহ কমি আহিছে। বকুলজোপাৰ তলত বহি সি বেলেগ কথা এটাহে ভাবি আছে।

স্কুলত ল'ৰা-ছোৱালীৰ ভিৰ কমি আহিছে। দল বান্ধি বান্ধি হাই-উকমি কৰি তাৰ কাষেৰেই সিহঁত ঘৰাঘৰি যাবলৈ লাগিছে।

ৰ'দ ঢলি ঢলি গৈ আবেলিটোও যাওঁ যাওঁ হ'লগৈ। স্কুল চৌহদটো এসময়ত নিৰ্জন হৈ পৰিল। বহি বহি অসীমৰো আমনি লাগিছিল। উঠোঁ নুঠোঁকৈ সি উঠিল। তাৰ ৰিজাল্টটো সি চাবনে এবাৰ ভাবিলে। তাৰ পিছত যাওঁ নাযাওঁকৈ সি ৰিজাল্ট ওলোমাই থোৱা বোৰ্ডখনৰ ওচৰলৈ আগবাঢ়িল। যিমানেই আগবাঢ়িল সিমানেই তাৰ ভয় লাগিবলৈ ধৰিলে। ৰিজাল্ট ওলোমাই থোৱা বোৰ্ডখন অফিচ ৰুমৰ সন্মুখত। কিবাকৈ কোনোবা শিক্ষকৰ সৈতে ভেটাভেটি হৈ গ'লে সি গালি যে খাব সেয়া খাটাং। তাৰ বুকুখন ধপ্‌ধপাবলৈ ধৰিলে। খোজবোৰ থৰক্-বৰক্ হ'ল। ডিঙিটোও যেন শুকাই গ'ল।

এসময়ত সি বোৰ্ডখনৰ ওচৰ পালেগৈ। বোৰ্ডখনৰ ফালে চালে। নৱম শ্ৰেণীৰ ৰিজাল্ট বিচাৰিলে সি। নিৰ্মল এইবাৰো প্ৰথম হৈছে। বুকুত যেন অলপ বিষ অনুভৱ কৰিলে সি। এইবাৰ সি উত্তীৰ্ণৰ তালিকাৰ তলৰফাললৈ চালে। অহ্— পাছ কৰিছে সি, পাছ কৰিছে। অৱশ্যে সি পাছ কৰা একেবাৰে শেষৰজন ছাত্ৰ। এই ৰিজাল্টটোত তাৰ ভাল লাগিব লাগে নে বেয়া লাগিব লাগে সি নাজানে। সি যি কি নহওক, সি তাৰমানে দশম শ্ৰেণী পালে। কথাটো মনলৈ অহাৰ লগে লগে অলপ আগতে ভাবি থকা কথাটোৱে তাক আকৌ আমনি কৰিবলৈ ধৰিলে। এইবাৰ যেন আগতকৈও বেছিকৈ।

সি গে'টৰ ফালে আগবাঢ়িল।

হঠাতে এটা তীক্ষ্ণ স্বৰ তাৰ কাণলৈ আহিল—

'এইফালে আহ পাষণ্ড—'

অসীমে ঘূৰি চাই চঁক্ খাই উঠিল— মহেন্দ্ৰ মাষ্টৰ। ঘৰলৈ যাবলৈ অফিচ ৰুমৰ পৰা ওলাই আহিছে কিজানি। লগত এজন ডেকা মানুহ। অসীমে চিনি নাপালে। ভয় আৰু অস্বস্তিৰে তাৰ মনটো ভৰি পৰিল। মহেন্দ্ৰ মাষ্টৰ খুব কঢ়া শিক্ষক। তাক গালি পাৰিব— সি জানে। মহেন্দ্ৰ মাষ্টৰৰ গালি খোৱাত তাৰ আপত্তি নাই। তাৰ আজিকালি অভ্যাস হৈ গৈছে। কিন্তু অচিনাকি মানুহ এজনৰ সন্মুখত গালি খাব পৰাকৈ তাৰ মনটো এতিয়াও সাজু হ'ব পৰা নাই। হ'ব— এসময়ত এইখিনিও সহজ হৈ যাব।

সি মহেন্দ্ৰ মাষ্টৰৰ ওচৰ পালেগৈ। তলমূৰ কৰি হাত দুখন দুয়োফালে গাত লিপিট খুৱাই ধৰি সি কোঁচ-মোচ খাই থিয় দি ৰ'ল।

আচম্বিতে প্ৰচণ্ড কাণতলীয়া চৰ এটা তাৰ গালত পৰিল।

'তই অধঃপাতে গ'লি—'

গৰ্জি উঠিল মহেন্দ্ৰ মাষ্টৰ। তাৰ পিছত ডেকাজনৰ ফালে চাই ক'লে—

'এসময়ত ই ক্লাছৰ এক নম্বৰ ল'ৰা আছিল।'

সৰ্‌সৰকৈ এসোপা চকুপানী অসীমৰ দুগালেদি বৈ আহিল। অলপ পিছত কেইটোপালমান চকুপানী মাটিত সৰি পৰিল। ধুতিৰ আগটো খণ্ডেৰে জোকাৰি মহেন্দ্ৰ মাষ্টৰ গে'টৰ ফালে আগবাঢ়িল। ডেকা মানুহজন বৈ থাকিল। এইবাৰ অসীম অচিনাকি মানুহজনৰ সন্মুখত অকলশৰীয়া হৈ পৰিল। এসোপা লাজে তাক হেঁচা মাৰি ধৰিলে। মহেন্দ্ৰ মাষ্টৰে তাক গালি পাৰিব বুলি সি জানিছিল, কিন্তু অচিনাকি মানুহজনৰ সন্মুখতে এনেকৈ যে কাণতলীয়া চৰ শোধাব সি মুঠেই ভবা নাছিল। সি যাবলৈ বুলি মুখ ঘূৰালে। এনেতে ডেকাজনে তাক মাত লগালে—

'কি নাম তোমাৰ?'

'অ— অসীম।'— দুখ অপমানত ভাগি পৰা মাতেৰে সি ক'লে।

'বৰ ধুনীয়া নাম!'

দৌৰাদৌৰিকৈ মানুহজন এইবাৰ গে'টৰ ফালে আগবাঢ়িল। গে'টৰ বাহিৰত মহেন্দ্ৰ মাষ্টৰে তেওঁলৈ বৈ আছিল।

বুৰ্বকৰ দৰে নীৰৱ হৈ অসীমে ডেকাজন যোৱাৰ ফালে চাই ৰ'ল— নাই, মানুহজনে তাক কিজানি ঠাট্টা কৰা নাই।

অসীমে অলপ আগতে ভাবি থকা কথাটো আকৌ ভাবিলে। একধৰণৰ বিষাদেৰে তাৰ মনটো ভৰি পৰিল। স্কুলঘৰটো এবাৰ ভালকৈ চাওঁ বুলি সি মুখখন ঘূৰালে। সি দেখিলে— নিৰ্মল বেগাবেগিকৈ তাৰ ফালে আহি আছে। নিৰ্মল— এইবাৰো সি প্ৰথম হৈছে। একেৰাহে দুবাৰ প্ৰথম হ'ল। তাৰ আগলৈকে প্ৰথম আছিল অসীম। নিৰ্মল আছিল দ্বিতীয়। তাৰ পিছত যেন ক্ৰমান্বয়ে অসীমৰ অধঃপতন।

নিৰ্মলক দেখি অসীমৰ অস্বস্তি লাগিল। তাৰ ঠাই এতিয়া নিৰ্মলে দখল কৰিছে। নিৰ্মল ভাল চোকা ছাত্ৰ। আৰু সি এতিয়া অধঃপাতে যোৱা বেয়া ছাত্ৰ। নিৰ্মলৰ মুখামুখি কেনেদৰে হয় তাকে ভাবি অসীমে উচ্‌পিচাবলৈ ধৰিলে। এক ধৰণৰ হতাশা আৰু অলপ ঈৰ্ষাৰ ভাবেও যেন তাক দুৰ্বল আৰু অস্থিৰ কৰি পেলালে। ভিতৰি ভিতৰি অলপ খঙো যেন গুজৰি-গুমৰি উঠিল। কাৰ ওপৰত এই খং সি নিজেই নাজানে। এই সকলোৰে পৰা সি যেন দৌৰি পলাই গুচি যাব ক'ৰবালে। সি গে'টৰ ফালে বেগেৰে আগবাঢ়িল— যেন সি নিৰ্মলক দেখাই নাই—

'অ — সী — ম'

প্ৰকাণ্ড, নিৰ্জন চৌহদটোত নিৰ্মলৰ চিঞৰটো যেন প্ৰতিধ্বনিত হৈ অসীমৰ বুকুত লাহে লাহে মাৰ গ'ল। অসীম গে'টৰ ঠিক বাহিৰত বৈ গ'ল। নিৰ্মল দৌৰি গৈ অসীমৰ ওচৰ পালে। অসীমে যেন অভিনন্দন জনাবলৈকে নিৰ্মলৰ মুখলৈ চাই হাঁহিবলৈ চেষ্টা কৰিলে।

'তই এতিয়াও ঘৰলৈ যোৱা নাই নিৰ্মল?'

নিৰ্মলে অসীমক ক'ব নোৱাৰিলে যে তাক অলপ অকলশৰে লগ পাবৰ বাবেই সি ঘৰলৈ নোযোৱাকৈ বৈ আছে ইমান সময়। কি ক'ব, কেনেকৈ ক'ব একো ঠিক কৰিব নোৱাৰি নিৰ্মল নীৰৱে ৰ'ল। অসীমৰ অস্বস্তি লাগিছিল। সেইবাবে নিৰ্মলক প্ৰশংসা কৰিবলৈকে সি ক'লে—

'তোৰ ৰিজাল্ট বৰ ভাল হৈছে!'

অসীমৰ কথাত নিৰ্মল অলপো উৎসাহিত নহ'ল। বৰং ক্ষীণ শব্দেৰে সি ক'লে—

'ফাৰ্ষ্ট হৈ মোৰ ভাল লগা নাই অ'—'

অলপ বৈ নিৰ্মলে আকৌ ক'লে—

'এই পজিশ্যনটো মোৰ বাবে নাছিল অসীম—'

অসীম বাকৰুদ্ধ হৈ গ'ল। উমি উমি জ্বলিব খোজা ঈৰ্ষাৰ জুইকুৰা যেন নিমিষতে নুমাই গ'ল। সদায় দেখি থকা চিনাকি নিৰ্মলটোৰ ভিতৰত ইমান অচিনাকি ল'ৰা এটা লুকাই আছেনে? কিমান নিৰ্মল হ'লে কাৰোবাৰ পৰীক্ষাত ফাৰ্ষ্ট হ'লেও ভাল নালাগিব পাৰে? অসীমৰ নিজকে খুব সৰু, খুব ক্ষুদ্ৰ যেন লাগিল। তাৰ চকু দুটাত যেন পানী জমিবলৈ আৰম্ভ কৰিছে। সি বৰ অস্বস্তি পাবলৈ ধৰিছে। কাৰো মুখত শব্দ নাই। স্কুলৰ গে'টৰ বকুলজোপাত আন্ধাৰ অলপ থুপ খাবলৈ আৰম্ভ কৰিছে। নৈৰ পাৰৰ পৰা ঠাণ্ডা বতাহ এছাটিও বৈ আহিছে। সেই শীতল, আন্ধাৰ নীৰৱতাখিনিৰ ফাঁকে ফাঁকে নিৰ্মলৰ কোমল শব্দকেইটামান লাহে লাহে যেন সোমাই গ'ল—

'তোৰ কি হৈছে মোক ক'বি অসীম?'

বুকুৰ ভিতৰত নীৰৱে বৈ থকা নদীখন যেন হঠাতে পাৰ ভাঙি বৈ যাব। বুকুৰ ভিতৰৰ পৰা কিবা এটা উজাই আহি অসীমৰ ডিঙিত সোপা মাৰি ধৰিলে। তাৰ এনে লাগিল পিছ মুহূৰ্ততে সি যেন চিঞৰি চিঞৰি কান্দিব।

কি হ'ল জানো! নিৰ্মলৰ ওচৰৰ পৰা পলাবলৈ হঠাতে অসীমে দেখোন দৌৰিবলৈ আৰম্ভ কৰিলে। ক্ৰমে ক্ৰমে সি দূৰলৈ আঁতৰি গৈ থাকিল।

আৰু এসময়ত আন্ধাৰ কেঁকুৰি এটাত অসীম অদৃশ্য হৈ গ'ল—

২.

অসীমৰ অকণো টোপনি অহা নাই। সি বৰ অস্থিৰ অনুভৱ কৰিছে। বেৰৰ জলঙাৰে সৰকি অহা জোনাকবোৰ ইকৰাৰ বেৰখনত সিঁচৰতি হৈ পৰিছে। বেৰৰ ফুটাৰে সি আকাশখন দেখিছে। তৰাৰে ভৰি পৰিছে আকাশখন। তথাপি তাৰ অকণো ভাল নালাগিল। ঘৰৰ ভিতৰত অ'ত-ত'ত পৰি থকা জোনাকখিনিলৈও তাৰ মায়া ওপজা নাই। বেৰৰ ফুটাৰে দেখা তৰাভৰা আকাশ আৰু ভঙা বেৰৰ মাজেৰে সৰকি অহা জোনাকত কোনো সৌন্দৰ্য নাথাকে। জোনাকৰ টুকুৰাবোৰ যেন কুষ্ঠ ৰোগীৰ গলিত ঘা। এই চিন্তা মনলৈ অহাত সি চঁক খাই উঠে। সি কিজানি মানসিকভাৱে অসুস্থ হৈ পৰিছে।

আজি কেইবাদিন ধৰি একেখিনি কথাকে সি বাৰে বাৰে ভাবিছে-গুনিছে। সি সিদ্ধান্ত ল'ব পৰা নাই। তাৰ সৈতে একেখন খাটত শুই থকা বাপেকৰ মুখখনলৈ এবাৰ চালে। ওচৰৰ খাটখনত শুই থকা মাক আৰু ভনীয়েকৰ ফালেও চালে এবাৰ।

জোনাকৰ পোহৰত মাক আৰু ভনীয়েকৰ শুকান মুখ দুখন জিলিকি উঠিছে। মাক আৰু ভনীয়েকৰ শেঁতা মুখ দুখন দেখি সি এক ধৰণৰ দুখ অনুভৱ কৰিলে। বাপেকলৈ তাৰ দুখ লাগিব লাগে নে খং উঠিব লাগে সি ঠিক ধৰিব নোৱাৰে। মাক আৰু ভনীয়েকৰ প্ৰতি তাৰ অনুভূতিখিনি সহজ আৰু স্পষ্ট। কিন্তু বাপেকৰ প্ৰতি তাৰ অনুভূতিখিনি তেনে নহয়। সেইবাবে বাপেকৰ মুখামুখি হ'ব লগা হ'লেও একধৰণৰ অস্বস্তিৰ ভাবে তাক হেঁচা মাৰি ধৰে।

খাটৰ পৰা লাহেকৈ নামি আহিল অসীম। দৰ্জাৰ দাং খুলি বাহিৰলৈ ওলাই আহিল। কাঁথিখনতে বহি ল'লে সি। গোহালিৰ গৰুৰ ডিঙিৰ ঘণ্টাটো ঢং ঢংকৈ দুবাৰমান বাজি উঠিল। মাজে মাজে ক'ৰবাৰ পৰা ফেচাৰ চিঞৰ এটা ভাহি আহিছে। টোপ টোপকৈ নিয়ৰ সৰিছে। কুঁৱলীৰ ডাঠ আৱৰণ এখনে ঢাকি ধৰিছে চৌপাশ। ঠাণ্ডাত ঠক্‌ঠক্‌কৈ কঁপিছে সি। কাঁথিৰ পৰা নামি আহিল অসীম। গোহালিত মাকে ভাত ৰান্ধিবলৈ থোৱা খৰি এবোজা সি কাঁথিলৈ লৈ আহিল। তাৰ পিছত ঘৰৰ ভিতৰৰপৰা টিপ চাকিটো আনি জুই একুৰা ধৰাৰ চেষ্টা কৰিলে সি। কিছু সময়ৰ পিছত জুইকুৰা ভালকৈ জ্বলি উঠিল। জুইৰ উমত সি অলপ সকাহ পালে।

গোটেই কথাখিনি সি এইবাৰ ভালদৰে যুকিয়াই ল'বলৈ চেষ্টা কৰিলে। দশম শ্ৰেণীত নামভৰ্তিকে ধৰি কিতাপ-কাগজৰ নামত খৰচৰ বাবে তাৰ বেছ কিছু টকাৰ দৰকাৰ হ'ব। তদুপৰি কেইমাহমান পিছত মেট্ৰিকৰ ফৰ্ম ফিল-আপৰ বাবে আকৌ এসোপা টকাৰ দৰকাৰ হ'ব। আৰু কিবাকৈ মেট্ৰিকটো পাছ কৰিব পাৰিলেও কলেজত পঢ়াৰ কথা সি ভাবিবই নোৱাৰে। ভনীয়েক আজলী এইবাৰ সপ্তম শ্ৰেণীলৈ উঠিছে। ৮ম মানলৈ কিতাপখিনি বাৰু চৰকাৰেই যোগান ধৰে। ছোৱালী বাবে নামভৰ্তি মাচুলো সম্পূৰ্ণ ৰেহাই পায়। কিন্তু দুবছৰ পিছৰ পৰা তাইৰো কিতাপ-কাগজৰ খৰচৰ কথা আহি পৰিব। ইফালে, বাপেকৰ উপাৰ্জন নাই বুলিবই পাৰি। মাজে মাজে হাজিৰা কৰি অলপ টকা পায়। কিন্তু সেইখিনিও বাপেককে লাগে। এই মুহূৰ্তত বাপেকৰ কথা ভাবি সি মনটো বেছি বেয়া কৰিব নুখুজিলে। মাকলৈ তাৰ খুব বেয়া লাগে। মাকজনী দিনে দিনে বেমাৰী হৈ যাব লাগিছে। দিনটো ঘৰৰ জঞ্জাল মৰাৰ উপৰি ওচৰৰ দুই-তিনি ঘৰত কাম কৰিবলৈ ওলাই যায়। বিনিময়ত চাউল অকণমান বা আলু দুটামান পায়। এইবোৰৰ উপৰি গৰুজনীকো চাব লাগে মাকেই। সি পঢ়া-শুনা কৰে বাবে সিও যেন মাকৰ ওপৰত বোজাৰ দৰে হৈ পৰিছে। কথাবোৰ ভাবোঁতে ভাবোঁতে তাৰ মূৰটো গধুৰ গধুৰ লাগিল। কথাবোৰ আৰু বেছি ভাবি নাথাকি সি সিদ্ধান্তৰ ফালে আগবাঢ়িল।

সি ঠিক কৰিলে— সি আৰু স্কুললৈ নাযায়। পঢ়া-শুনা সি ইমানতে সামৰিব।

এনেয়েও তাৰ পঢ়া-শুনা বেয়া হৈছিলেই। এইটো গতিত গৈ থাকিলে সি মেট্ৰিক মুঠেও পাছ কৰিব নোৱাৰে। স্কুললৈ যোৱা বাদ দিলে মাকক সকাহ দিবলৈ তাৰ হাতলৈ বহুত সময় আহি যাব। কথাটো ভাবি তাৰ মনটো যেন অলপ ভাল লাগি গ'ল। তদুপৰি আজি ইমানদিনে একেখিনি কথাকে ভাবোঁতে ভাবোঁতে তাৰ গা-মন বেয়া হৈ গৈছিল। এতিয়া সিদ্ধান্তটো লোৱাৰ পিছত তাৰ মনটো পাতল পাতল লাগি গ'ল। এটা বৰ নোৰৰা বোজা যেন মূৰৰ পৰা নামি গ'ল।

এতিয়া কথা হ'ল— ঘৰত সিদ্ধান্তটো জনাব লাগিব। বাপেক কোনো সমস্যা নহয়। এনেয়েও সি কোন শ্ৰেণীত পঢ়ে বাপেকে সেই কথাকেই নাজানে। সমস্যা হ'ব মাকক লৈ। মাকে খুব আঘাত পাব। কান্দিব। অৱশ্যে এইবোৰ কন্দা-কটা, দুখ খুব বেছি দুই-তিনিদিন চলিব। এতিয়াতো ঘৰখন চলাবলৈ মাকে প্ৰতিদিন কান্দিব লাগে! হ'ব— মাককো সি বুজাব পাৰিব।

অসীমে অনুভৱ কৰিলে— তাৰ ঠাণ্ডা লাগিছে। জুইকুৰালৈ লক্ষ্য কৰিলে সি। জুইকুৰা নুমাই গৈছে। সি দেখি আছে জুইকুৰা, অথচ কেতিয়া যে নুমাই গ'ল তাৰ খেয়ালেই নাই। এতিয়া ধোঁৱাই আছে। ধোঁৱাবোৰ তাৰ নাকে-মুখে লাগিছে। চকুপানী ওলাই গৈছে তাৰ। বহাৰ পৰা সি উঠিল।

'তোৰ কি হৈছে মোক ক'বি অসীম?'

সি উচাপ খাই উঠিল। সি দেখিলে— দুৱাৰ-গড়িয়াত থিয় হৈ একেথিৰে তাৰ ফালে চাই আছে মাকে।

একেটা কথা তাক সিদিনা নিৰ্মলেও সুধিছিল।

তাৰ কি হৈছে সি কাকো ক'ব নোৱাৰে। কাকো।

৩.

যোৱা ছয়দিন ধৰি অসীম স্কুললৈ অহা নাই। কিয় জানো অসীমক নেদেখি নিৰ্মলৰ মনটো ভাল লগা নাই। যোৱা দুটামান বছৰত নিৰ্মলে অসীমৰ আচৰিত ধৰণৰ পৰিৱৰ্তন দেখিছে। ক্লাছত সমনীয়াবোৰে যেতিয়া খেল-ধেমালি কৰি হাঁহি-স্ফূৰ্তি কৰি থাকে, অসীমে তেতিয়া বকুলজোপাৰ তলত অকলে বহি থাকে। বহি বহি কিনো আকাশ-পাতাল ভাবি থাকে সিহে জানে। যিমানে ওপৰ শ্ৰেণীলৈ আহি আছে সিমানে তাৰ পঢ়া বেয়া হৈ আহি আছে। অথচ যেতিয়া সিহঁতে এইখন স্কুলত ৫ম মানত নাম লগাইছিল তেতিয়া সিহঁতৰ শ্ৰেণীটোৰ আটাইতকৈ চোকা ছাত্ৰজন আছিল অসীম। একেৰাহে তিনিটা বছৰ সি প্ৰথম হৈছিল। নিৰ্মল আছিল দ্বিতীয়। কিন্তু হঠাতে ৮ম

মানৰ পৰীক্ষাবোৰ আচৰিত ধৰণে বেয়া কৰিবলৈ ল'লে সি। বছৰেকীয়া পৰীক্ষাত ১ৰ পৰা গৈ ১৫ নম্বৰ হ'ল। আৰু এইবাৰ, নৱম মানৰ পৰীক্ষাত হ'লগৈ ৪৭। আটাইতকৈ শেষৰ ল'ৰাজন। পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিনা সেই খণ্ডতে মহেন্দ্ৰ মাষ্টৰে অসীমক চৰিয়াইছিল। দূৰৰ পৰা সেই দৃশ্য নিৰ্মলে দেখিছিল। কিন্তু অসীমক এই কথা যি কোনোপধ্যে জানিবলৈ দিয়া নাছিল। সেইদিনা নিৰ্মলে অসীমক অকলশৰীয়াকৈ লগ পাবলৈ বিচাৰিছিল। সেইবাবে সি স্কুলৰ পৰা লগৰীয়াসকল ঘৰলৈ যোৱালৈ ৰৈ আছিল। তেতিয়াই ঘটিছিল সেই ঘটনাটো। অথচ এসময়ত মহেন্দ্ৰ মাষ্টৰৰ আটাইতকৈ প্ৰিয় ছাত্ৰ আছিল অসীম। সেই অসীমকেই সিদিনা মহেন্দ্ৰ মাষ্টৰে নিৰ্দয়ভাৱে চৰিয়ালে। সেই চৰটোৱে যেন নিৰ্মলৰ বুকুখনতো আঘাত কৰিছিল। আজি মহেন্দ্ৰ মাষ্টৰৰ অতি মৰমৰ ছাত্ৰ নিৰ্মল। নিৰ্মলৰ এনে লাগে সি যেন মহেন্দ্ৰ মাষ্টৰৰ মৰমৰ ভাগখিনি অসীমৰ পৰা নিৰ্দয়ভাৱে কাঢ়ি লৈছে!

নিৰ্মলে জানে— অসীমৰ বুদ্ধি-বৃত্তি বেলেগ ধৰণৰ। তাৰ পৰীক্ষা কেতিয়াও ইমান বেয়া হ'বই নোৱাৰে। অসীমৰ নিশ্চয় কিবা এটা সমস্যা হৈছে। নিশ্চয় খুব ডাঙৰ সমস্যা। এনে সমস্যা— যাৰ বাবে ভালকৈ পঢ়িব নোৱাৰি, লগৰীয়াৰ লগত খেল-ধেমালি কৰিব নোৱাৰি, আনকি শ্ৰেণীত শিক্ষকে হাঁহি উঠা কথা ক'লে প্ৰাণ খুলি হাঁহিবও নোৱাৰি।

নিৰ্মলে জানিব লাগিব অসীমৰ কি হৈছে। সিদিনা সোধোঁতে কিয় জানো সি দৌৰি আঁতৰি গৈছিল। পলাইছিল সি। এতিয়া সুধিবলৈ নিৰ্মলে তাক লগ নোপোৱাই হ'ল। আজি ছয়দিন সি স্কুললৈ অহা নাই। তাক এনেকৈ পলাই থাকিবলৈ দিব নোৱাৰি। আজি গধূলিয়েই অসীমক বিচাৰি নিৰ্মল তাৰ ঘৰলৈ যাব। সি জানিব লাগিব— কি হৈছে অসীমৰ!

৪.

সোমবাৰৰ পৰা শনিবাৰ— আজি ছয়দিন পাৰ হৈ গ'ল। অসীম স্কুললৈ যোৱা নাই। মাকক যেতিয়া অসীমে স্কুল বাদ দিয়াৰ কথাটো কৈছিল মাক হতভম্ব হৈ গৈছিল। কান্দিছিল। তাক বুজাইছিল। কৈছিল— সি যদি যোৱাটো বছৰত কিতাপ-কাগজ কিনাত অসুবিধা পাইছিল তেনেহ'লে এই বছৰটোত মাকে নতুনকৈ দুখনমান ঘৰত কাম কৰি অলপ বেছিকৈ উপাৰ্জন কৰিবলৈ চেষ্টা কৰিব। কিন্তু নাই। অসীমৰ সংক্ষিপ্ত অথচ স্পষ্ট উত্তৰ— সি আৰু নপঢ়ে। তাৰ এই অভাৱনীয় সিদ্ধান্তৰ বাবে মাকে অসীমৰ দেউতাককে দোষী বুলি ধৰি লৈছিল। বাপেকক খুব গালি পাৰিছিল

মাকে। অসীমে কোনো মন্তব্য দিয়া নাছিল। তাৰ বাপেকে মাত্ৰ কৈছিল— 'নপঢ়ে যদি নালাগে পঢ়িব। পঢ়া-শুনা কৰি সিনো কি লাট চাহেবটো হ'ব?'

প্ৰায় স্বাভাৱিকভাৱেই, কোনো বিশেষ আলোড়ন নোহোৱাকৈ অসীমৰ ছাত্ৰ জীৱনৰ অকাল সমাপ্তি ঘটিল।

অসীমৰ হাতত এতিয়া বহুত সময়। স্কুল বাদ দি কি কৰিব সেয়াও সি ঠিক কৰি থৈছিল। যোৱা ছয়দিন ধৰি সিহঁতৰ গাঁৱৰে দিবাকৰ দাদাকৰ শিলৰ কুৱেৰীত সি শিল ভাঙিছে। মিঠাতেলৰ টিনেৰে এটিং শিল ভাঙিলে বিশ টকা পায়। ৰাতিপুৱা ৮ বজাতে সি পাহাৰখনৰ তলিলৈ যায়। লগত অলপ জলপান লৈ যায়। মাজতে সেইখিনি খাই গছৰ তলতে গামোচা এখন পাৰি লৈ দীঘল দি অলপ জিৰণি লয়। তাৰ পিছত সি আকৌ শিল ভঙা কামত লাগি যায়। গধূলি ৫ মান বজাত সি ঘৰলৈ ওভতে। দিনটোত সি মাত্ৰ তিনি টিনহে শিল ভাঙিব পাৰে। টিনে প্ৰতি বিশ টকাকৈ ষাঠি টকা তাৰ উপাৰ্জন হয়। ঘৰলৈ আহি টকাখিনি সি মাকৰ হাতত জমা দিয়ে। প্ৰতিদিনে মাকে দুখ কৰি কিবা এষাৰ কয়। পুতেকৰ কষ্ট দেখি মাকৰ বুকুখন ভাগি যাব খোজে। অসমীৰ মন কিন্তু একধৰণৰ সন্তুষ্টিৰ ভাবেৰে উপচি পৰে।

কষ্ট হয়। হাতুৰী দাঙি একেৰাহে কেইবাঘণ্টাজুৰি শিল ভঙা কামটো সুখৰ মুঠেই নহয়। গাত বল লাগে, মনত ধৈৰ্য লাগে। কেতিয়াবা ভাগৰত সি ফোঁপাই থাকে। কান্ধ বিষাই যায়। আঙুলিত জলা বান্ধে। গালে-মুখে-চকুৱে শিলৰ গুড়ি জোৰেৰে ছিটিকি পৰে। বুকুৰ বিষত ৰাতি টোপনি নাহে ভালকৈ। হাতৰ তলুৱাৰ কোমল ছালবোৰ ৰঙা পৰি পৰি ডাঠ হৈ গৈছে। পুৰণি ছাল এৰাই গৈছে। হাতখন খহটা হৈ গৈছে। কষ্ট হয়। বৰ কষ্ট হয়। একো নাই। অভ্যাস হ'লে এসময়ত সহজ হৈ যাব। অসীমে ভাবে।

আজি অসীমৰ ভাগৰটো অলপ বেছিকৈ লাগিছে। গাটো বেয়া লাগিছে। মূৰটো ঘূৰাইছে। হয়তো সেইবাবেই দুবাৰমান আঙুলিতো হাতুৰীৰ কোব পৰিছে। এটা আঙুলি ফাটি তেজ ওলাই গৈছে। হয়তো আজি অলপ খৰকৈ শিল ভাঙিব খুজিছিল। দুই হাতৰ তাল নিমিলাত কোব পৰিলগৈ বাঁওহাতৰ আঙুলিত। আগতে হাতত অলপ কটা-ছিঙা হৈ তেজ ওলালেই সি বৰ ভয় খাইছিল। আজি সি সিমান ভয় খোৱা নাই। টান টান শিলবোৰ ভাঙি তাৰ মনটোও তেনেহ'লে অলপ টান হৈছে— অসীমে ভাবে। কিন্তু থেতেলা খোৱা আঙুলিটো বৰকৈ বিষাইছিল। গতিকে সাতে-সোতৰই মিলি সি সোনকালে ঘৰলৈ উভতিল। সোনকালে মানে ৫ বজাৰ ঠাইত ৪ বজাত।

ঘৰত সোমায়েই সি টকা ষাঠিটা মাকৰ হাতত দিলে। লগে লগে মাকৰ চকু তাৰ বাঁওহাতৰ আঙুলিটোত পৰিল। মাকে হুলস্থূল লগাই দিলে—

'কি হ'ল তোৰ আঙুলিত?'

'একো হোৱা নাই।'— অসীমে লুকুৱাব খুজিলে। কিন্তু মাকক ফাঁকি দিয়া ইমান সহজ নাছিল। আঙুলিত বন্ধা ফটা কাপোৰখন তেজত তিতি আছিল। মাক ফেকুৰি উঠিল।

'ঠিক হৈ যাব। বন শেউলিৰ পাতৰ ৰস দিছো।'— অসীমে মাকক সান্ত্বনা দিবলৈ চেষ্টা কৰিলে।

'একো নহয় দে! কাইলৈকে শুকাই যাব।'— কৰ্কশ মাতেৰে নিৰ্দয়ভাৱে বাপেকে কৈ উঠে। অসীমৰ বুকুখন বিষাই উঠিব খোজে।

তীব্ৰ দৃষ্টিৰে মাকে বাপেকৰ চকুলৈ চাই থাকিল। এইবাৰ বাপেকে মাকলৈ চাই ক'লে—

'দে টকাকেইটা মোক দে—'

প্ৰচণ্ড ক্ৰোধৰ দৃষ্টিৰে মাকে বাপেকৰ ফালে একেথিৰে চায়েই থাকিল। তাঁলৈ ভ্ৰূক্ষেপকে নকৰি বাপেকে পুনৰ ক'লে— 'দে টকাকেইটা মোক দে—'

এইবাৰ মাকৰ ধৈৰ্যৰ বান্ধ খুলি গ'ল। খঙত মাক থক্‌থক্‌কৈ কঁপিছে। এসময়ত মাক গৰ্জি উঠিল—

'কিয় লাগে টকা আপোনাক? সেই মদসোপা গিলিবলৈ?'

'মদ খাওঁ, কি খাওঁ সেয়া মোৰ কথা'— চিঞৰি উঠিল বাপেক।

সমানেই চিঞৰি উঠিল মাক— 'সেই ল'ৰাটোৰে গাৰ তেজ-ঘাম মাটিত পেলাই অৰ্জা টকাকেইটাও আপোনাক মদ খাবলৈ দিব লাগে?'

'পেটৰ পোৱালিয়ে মাক-বাপেকক চায়েই'— নিৰ্লিপ্ত সুৰত কয় বাপেকে।

'আপোনাৰ কু-স্বভাৱৰ বাবেই সি পঢ়া এৰিলে। আৰু এতিয়া সি আপোনাক মদ খোৱাৰ টকাও দিব লাগিব?'

'আলবৎ দিব লাগিব।'

'লাজ নালাগে আপোনাৰ?'

অসীমক আচৰিত কৰি দি বাপেকে মাকক প্ৰচণ্ড চৰ এটা শোধাই দিলে। তাৰ পিছত এটা বন্য জন্তুৱে কেঁচা মাংস থাপ মাৰি কাঢ়ি লোৱাৰ দৰে বাপেকে মাকৰ হাতৰ পৰা টকাকেইটা চোঁ মাৰি কাঢ়ি লৈ গ'ল। হতবাক হৈ সেই দৃশ্য চাই ৰ'ল অসীমে।

খং, দুখ, লাজ আৰু অপমানত অস্থিৰ হৈ পৰিছিল অসীমৰ মাক। মাটিত বাগৰি বাগৰি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে মাকে। মাক-বাপেকৰ চিঞৰ-বাখৰ শুনি ভনীয়েক আজলী ইতিমধ্যে ক'ৰবাৰ পৰা দৌৰি আহিছিল। মাকক সেই ৰূপত দেখি তায়ো চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। ইপিনে বাপেকৰ জিভাই কেতিয়াবাই

লেকাম ছিঙিলে। অবাইচ মাতেৰে তেওঁ ঘৈণীয়েক আৰু অসীমকো গালি পাৰি থাকিল।

এনেকুৱা ঘটনা আজিয়েই প্ৰথম নহয়। অসীমৰ বাবে এই দৃশ্য তেনেই চিনাকি। প্ৰতিটো গধূলিতেই এই ঘটনা ঘটি আহিছে। মাকক ডকা-হকা দি, দৰকাৰ হ'লে মাৰপিট কৰি মাকৰ দিনটোৰ কষ্টৰ আৰ্জনখিনি বাপেকে এনেকৈ কঢ়ি লৈ যায়। সেই পইচাৰে ক'ৰবাত মদ এসোপা গিলি আহি ৰাতিলৈ আৰু এখন কুৰুক্ষেত্ৰ কৰিব। অসীমৰ কিতাপ-বহী দলিয়াব, মাকক মাৰিব। তৰ্জন-গৰ্জন কৰি এসময়ত ভাগৰত লবেজান হৈ খাটখনত দীঘল দি পৰি যাব। অলপ পিছত টোপনিত লালকাল দি মানুহজন শৱ দৰে লাং খাই পৰি থাকিব।

এনেকুৱা ঘটনাৰ সৃষ্টি হ'লে সি কি কৰিব লাগে অসীমে নাজানে। ভয় আৰু উত্তেজনাত কেতিয়াবা তাৰ উশাহ বন্ধ হৈ যাব খোজে। বুকুখনৰ ধপ্ ধপ্ শব্দ সি যেন নিজেই শুনিবলৈ পায়। তাৰ ভয় লাগে। দুখ লাগে। খং উঠে। বিৰক্তি লাগে। ক'ৰবালৈ গুচি যাবলৈ মন যায়। মুকলি মনেৰে দীঘলকৈ উশাহ ল'বলৈ মন যায়। এই দুখ-যন্ত্ৰণা আৰু বিৰক্তিৰ পৰা বহুত বহুত দূৰলৈ গুচি যাবলৈ তাৰ মন যায়। আজিও তেনে ইচ্ছাই হ'ল তাৰ।

ঘৰৰ বাহিৰ হৈ কাঁথিত ভৰি দিলে অসীমে। দেখিলে চোতালত গধূলিৰ আন্ধাৰত কোনোবা এজন থিয় হৈ আছে। ভালকৈ মন কৰি দেখিলে— নিৰ্মল। নিৰ্মলৰ কাষেৰেই প্ৰায় দৌৰাৰ দৰে অসীম গুচি গ'ল। নিৰ্মলক মাত এষাৰো নিদিয়াকৈ। নিৰ্মলেও অসীমৰ মুখৰ ফালে চাব নোৱাৰিলে। সি অসীমক লগ পাবলৈ আহিছিল। তাৰ লগত কথা পাতিবলৈ আহিছিল। জানিবলৈ আহিছিল— কি হৈছে অসীমৰ।

নিৰ্মলে জানিলে— কি হৈছে অসীমৰ।

অসীমে নোকোৱাকৈয়ে।

নিৰ্মলে মূৰটো ঘূৰাই পদূলিৰ ফালে চালে। ইতিমধ্যে অসীম পদূলিৰ আন্ধাৰৰ মাজত অদৃশ্য হৈ গৈছিল।

৫.

অসীমৰ আঙুলিৰ বিষটো অলপ কমিছে যদিও সম্পূৰ্ণকৈ ভাল পোৱা নাই। এতিয়াও আঙুলিটো ফুলি আছে। তথাপি আজিও সি শিল ভাঙিবলৈ ওলাইছে। তাৰ মনটো বৰ দুৰ্বল হৈ পৰিছে। মনটো দুৰ্বল হোৱা বাবেই চাগে শৰীৰটোও অৱশ অৱশ লাগিছে। কালিৰ ঘটনাটোৱে তাৰ মনৰ মাজত ক্ষীণকৈ হ'লেও জ্বলি থকা আশাৰ

চাকিগছি নুমুৱাই পেলাইছে। এক নিৰাশাৰ মাজতো অকণমান আশা সি বুকুত সাঁচি ৰাখিছিল। সি ভাবিছিল— সি স্কুল বাদ দিয়া কথাটোৱে বাপেকক অলপ হ'লেও পৰিৱৰ্তন কৰিব। পঢ়া-শুনা বাদ দি ঘৰখনৰ বাবে সি শিল ভঙা কথাটোৱে বাপেকৰ কঠিন অন্তৰখন অলপহ'লেও গলাই দিব। কিন্তু সেই সকলো আশাই মিছা হ'ল। সি স্কুল বাদ দিয়া কথাটো বাপেকে যেন ভালহে পাইছে। আৰু এতিয়া দিনটো কষ্ট কৰি শিল ভাঙি পোৱা পইচাখিনিও বাপেকক লগা হ'ল মদ খাই স্ফূৰ্তি কৰিবলৈ। শিল ভাঙি থাকিলে, যেতিয়া ভঙা শিলৰ দ'মটো ক্ৰমান্বয়ে ডাঙৰ হৈ গৈ থাকে তাৰ ভাগৰবোৰ বাঢ়ি গৈ থাকে, গাটো দুৰ্বল হৈ গৈ থাকে; কিন্তু মনটো ভাল লাগি গৈ থাকে। যিমানেই বেছি শিল ভাঙিব পাৰিব সিমানেই বেছি পইচা পাব। কিন্তু এতিয়া সেইখিনিও নিৰৰ্থক যেন হৈ পৰিল। বাপেকৰ এনেকুৱা অন্যায় দাবীত সি কি কৰা উচিত? ইমান দিনে সি নীৰৱেই আছে। ভয় আৰু ভক্তিত। কিন্তু সি বাপেকক ভয় কৰা বাবে, প্ৰতিবাদ নকৰা বাবে বাপেকৰ দাবীবোৰ বাঢ়ি গৈ আছে। মাকৰ ওপৰত জোৰ-জুলুম, মাৰপিট বাঢ়ি গৈ আছে। মাকক এই কষ্টৰ পৰা উদ্ধাৰ কৰাৰ বাবে সি প্ৰতিবাদ কৰাই ঠিক নহ'বনে? কিন্তু তেতিয়া বাপেকে নিৰ্ঘাত তাৰ ওপৰত হাত তুলিব। তেতিয়া সি কি কৰিব? দেউতাকৰ লগত মাৰপিট কৰিব? ছিঃ ছিঃ। সি এনে কথা কেনেকৈ ভাবিব পাৰিলে? তেনেহ'লে সি কি কৰিব? কথাবোৰ তাৰ জঁট লাগি যায়। তাৰ মূৰে কাম নকৰা হয়। নিজৰ বাপেকক অন্তৰেৰে শ্ৰদ্ধা কৰিব নোপোৱাটো সন্তানৰ বাবে এটা ডাঙৰ দুখ। অসীমে ভাবে। এই দুখৰ কথা কাকো ক'ব নোৱাৰি। মাককো। নিৰ্মলকো।

সঁচাকৈয়ে নিৰ্মলকো ক'ব নোৱাৰিনে! কালি গধূলি সি বাৰু কিয় তাৰ ঘৰলৈ আহিছিল? আগতেতো কেতিয়াও সি তাৰ ঘৰলৈ অহা নাই। আৰু যে সিদিনা সি তাক সুধিছিল— 'তোৰ কি হৈছে মোক ক'বি অসীম?' তাৰ খুব ক্ষীণ কণ্ঠেৰে অথচ গভীৰভাৱে কোৱা শব্দকেইটা এতিয়াও যেন তাৰ কাণত বাজি আছে। আপোন কাৰোবাক, অন্তৰংগ কাৰোবাকহে তেনেদৰে কথা ক'ব পাৰি। নিৰ্মলে তাক নিজৰ বুলি ভাবে? অথচ সিতো পঢ়াত তাৰ প্ৰতিদ্বন্দ্বী আছিল! সিদিনা সি নিৰ্মলৰ ওচৰৰ পৰা দৌৰি পলাইছিল। আনকি কালিও। অথচ নিৰ্মলৰ কথাযাৰ মনলৈ আহিলে সি যেন দুৰ্বল হৈ যাব খোজে। বুকুখনত আৱেগবোৰে যেন ঢৌ তুলি সংযমৰ পাৰ বাগৰি যাব খোজে। ডিঙিত কিবা এসোপাই হেঁচা মাৰি ধৰে। চকুদুটা তিতি আহিব খোজে। বুকুত জমা হৈ থকা, কাকো ক'ব নোৱৰা কথাবোৰ ওঁঠলৈ আহিব খোজে। বহুত, বহুত কথা ক'বলৈ মন যায়। কিন্তু কথাবোৰ কেনেকৈ ক'ব? এইবোৰ কথা কেনেকৈ ক'ব লাগে সি নাজানে। আম ফৰ্মুটিয়াবলৈ যোৱাৰ কথা, বৰশী বাবলৈ যোৱাৰ কথা বা পূজাত

যাত্ৰা পাৰ্টি চোৱাৰ কথা পাতিবলৈ সমস্যা নাই। কিন্তু এইবোৰ কথা?

কথাবোৰ ভাবি ভাবি আহি অসীমে কেতিয়া যে স্কুলৰ সন্মুখ পাইছে তাৰ খেয়ালেই নাছিল। সি স্কুলৰ গে'টৰ ওচৰত ৰ'ল। ল'ৰা-ছোৱালীবোৰ স্কুললৈ আহিবলৈ এতিয়াও বহুত সময় বাকী। সদায়েই সি যেতিয়া ৰাতিপুৱা শিল ভাঙিবলৈ যায়, স্কুল চৌহদটো নিৰ্জন হৈ থাকে। আৰু শিল ভাঙি অহালৈকে আন্ধাৰ হ'বলৈ আৰম্ভ কৰে। তেতিয়াও স্কুল চৌহদটো নিৰ্জন হৈ থাকে। সি নিজেও স্কুল আৰম্ভ হোৱাৰ আগত ঠাইখিনি পাৰ হৈ যাবলৈ বিচাৰে। আৰু শিল ভাঙি উভতি আহিব বিচাৰে স্কুল ছুটীৰ পিছত। সি লগৰ কাকো লগ পাবলৈ নিবিচাৰে। তাৰ লাজ লাগিব। মনটোও বেয়া লাগিব। কিন্তু তথাপি তাৰ মনটো বেয়া লাগেই। স্কুলৰ ওচৰ পালেই একধৰণৰ দুখৰ অনুভৱে তাক দুৰ্বল কৰি পেলায়। তাৰ খোজবোৰৰ বেগ কমি যায়।

গোটেই চৌহদটো অসীমে ভালকৈ চালে। চৌহদটো এতিয়াও কুঁৱলীয়ে আবৰি ৰাখিছে। অসীমে বকুলজোপালৈ চালে। খুব যেন অন্তৰঙ্গ বন্ধু এজনক সি স্কুলৰ ভিতৰত এৰি থৈ আহিল— এনে লাগিল তাৰ। সি নিজেই যেতিয়া সমনীয়াৰ সঙ্গৰপৰা আঁতৰি ফুৰিবলৈ আৰম্ভ কৰিছিল, এই বকুলজোপাই তাৰ আপোন হৈ পৰিছিল। বকুলজোপাৰ তলতে বহি বহি সি নিজৰ কথাবোৰ ভাবিছিল। আনকি পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ দিনাখনো এটা বেলা বকুলজোপাৰ তলতেই বহি বহি পাৰ কৰি দিছিল। বকুলজোপালৈ তাৰ বৰ দুখ লাগিল।

বহুত কথা তাৰ মনত পৰিল। সি পঞ্চম শ্ৰেণীত যেতিয়া নাম লগাইছিল, কেইদিনমানৰ ভিতৰতে সি সকলোৰে মন জয় কৰি পেলাইছিল। বিশেষকৈ গণিতত খুব চোকা বুলি সকলোৱে তাক প্ৰশংসা কৰিছিল। গণিতৰ শিক্ষক মহেন্দ্ৰ মাষ্টৰে এদিন সকলোৰে সন্মুখতে মৰমেৰে তাৰ পিঠিত চপৰিয়াই কৈছিল— 'জুৱেল— ই আমাৰ স্কুলৰ জুৱেল!' সি বুৰ্বকৰ দৰে মুখ মেলি মহেন্দ্ৰ মাষ্টৰৰ ফালে চাই ৰৈছিল। 'জুৱেল' শব্দৰ অৰ্থ সি নাজানিছিল। মহেন্দ্ৰ মাষ্টৰে হাঁহি মাৰি ধমক দি কৈছিল— 'জুৱেল মানে মুকুতা গাধ!' তাৰ লাজ লাগি গৈছিল। সেই মহেন্দ্ৰ মাষ্টৰেই সিদিনা তাক কাণতলীয়া চৰ এটা শোধাই চিঞৰি কৈছিল— 'তই অধঃপাতে গ'লি।' অসীমে অনুভৱ কৰিলে তাৰ চকুদুটা যেন সেমেকি উঠিব খুজিছে। এই যে চকুদুটা! বিৰক্তিৰে খুব জোৰেৰে চকুদুটা মোহাৰি দিলে অসীমে।

তাৰ পিছত পাহাৰৰ তলিলৈ বুলি সি দৌৰিবলৈ ধৰিলে।

৬.

অসীমৰ বহুত পলম হৈছিল। ইতিমধ্যেই শিল ভঙা সকলো ল'ৰা পাহাৰৰ তলি আহি পাইছিল। অসীম উপস্থিত হোৱাৰ লগে লগেই ৰমেনে তাক জোকালে—

'কি অ' অসীম? এদিন হাতৰ আঙুলিত হাতুৰীৰ কোব এটা পৰোঁতেই ইমান দেৰি কৰিলি?'

'বোপা ৰাজকোঁৱৰ! ইমান ঢিলা হ'লে শিল ভাঙিব নোৱাৰিবি।'— দীপকে যোগ দিলে।

'অ' হাতুৰীয়ে তোৰ আঙুলিহে ভাঙি গুড়ি কৰি দিব বেটা—' ৰতনে কথাষাৰ কৈ এটা অশ্লীল শব্দ উচ্চাৰণ কৰিলে। প্ৰথমতে এনে অবাইচ মাত শুনোতে অসীমৰ লাজত কাণ-মূৰ গৰম হৈ গৈছিল। আজি তাৰ তেনে হোৱা নাই। বৰং সিও ওলোটাই এটা অশ্লীল শব্দেৰে প্ৰত্যুত্তৰ দিলে। কিন্তু তেনে শব্দ উচ্চাৰণ কৰাৰ যি সুৰ আৰু ভঙ্গিমাৰ দৰকাৰ, সেয়া সি এতিয়াও আয়ত্ত কৰিব পৰা নাই। গতিকে শব্দটো শুনিবলৈ 'অদ্ভুত' লাগিল। শিল ভাঙি থকা গোটেইমখা ল'ৰা হাঁহিত ফাটি পৰিল। অসীম কিন্তু অকণো নাৰ্ভাছ নহ'ল। সিও হাঁহি দিলে।

'ই বেটাই সোনকালেই আমাৰ লাইনত খাবা হৈ যাব অ'।'— ৰতনে অসীমৰ তাৰিফ কৰিলে।

'জুৱেলতো!'— ৰমেনে মন্তব্য কৰিলে।

অসীম চঁক্ খাই উঠিল। হঠাৎ সি দমি গ'ল। ৰমেন তাৰ সহপাঠী আছিল। অংকত একদম গাধা আছিল সি। মহেন্দ্ৰ মাষ্টাৰৰ হাতত সি সদায়েই বাঁহৰ গধপা স্কেলৰ কোব খাব লগা হৈছিল। তিষ্ঠিব নোৱাৰি সি স্কুলেই বাদ দিছিল। বহুত বছৰ আগতেই, ষষ্ঠ শ্ৰেণীত থাকোঁতেই। তেতিয়া অসীম শ্ৰেণীটোৰ এক নম্বৰ আছিল। মহেন্দ্ৰ মাষ্টৰে অসীমক 'জুৱেল' বোলা কথাষাৰ তাৰমানে ৰমেনৰো এতিয়াও মনত আছে! অসীমৰ বৰ অশান্তি লাগিল। এইবোৰ কথা সি কাৰো মনত থকাটো নিবিচাৰে। নিজেও সি এইবোৰ কথা পাহৰি যাব খোজে।

বাকীবিলাকে ৰমেনৰ কথাৰ অৰ্থ বুজিব নোৱাৰি তাৰ ফালে চাইছিল। ৰমেনে সিহঁতক তাৰ কথাৰ অৰ্থটো বুজাই দিলে—

'মহেন্দ্ৰ তপাই অসীমক তাৰ স্কুলৰ জুৱেল বুলি কৈছিল। জুৱেল! মুকুতা! আৰু মোক কৈছিল বলধ। আৰু এতিয়া চাল্লা জুৱেলে বলধে একেলগে শিল ভাঙিব লাগিছো!'— এটা বিকৃত স্বৰত ৰমেনে হাঁহিবলৈ ধৰিলে।

মহেন্দ্ৰ তপা মানে মহেন্দ্ৰ মাষ্টৰ। মহেন্দ্ৰ মাষ্টৰৰ ওপৰত তাৰ খং তাৰমানে

এতিয়াও আছে। আৰু আজি যে সুযোগ বুজি সি অসীমক এইবোৰ কৈছে, তাৰমানে অসীমৰ প্ৰতিও তাৰ একপ্ৰকাৰৰ খং আছে। মহেন্দ্ৰ মাষ্টৰে তাক জুৱেল বুলি কৈ ৰমেনক বলধ বুলি কওঁতে ৰমেনৰ নিশ্চয় খুব বেয়া লাগিছিল। তেতিয়া অসীম সৰু আছিল, এইবোৰ কথা বুজি পোৱা নাছিল। আজি অসীমে নিজৰ অভিজ্ঞতাৰে এই কথাবোৰ অনুভৱ কৰিব পাৰে। ৰমেনলৈ তাৰ বৰ সংকোচ লাগিল। হ'ব— একেলগে আৰু কিছুদিন শিল ভাঙিলে ৰমেনে তাক সহজভাৱে ল'বলৈ আৰম্ভ কৰিব।

'দুদিন আগ-পিছ। মই আগতে স্কুল এৰিলো। তই জুৱেল আছিলি বাবে দুদিন পিছত এৰিলি। বচ্।'— ৰমেনৰ ভিতৰত অতদিনে সোমাই থকা ক্ষোভবোৰ যেন জোৰেৰে ওলাই আহিব লাগিছে।

অসীমে নিজৰ নিৰ্দিষ্ট ঠাইটুকুৰাত বহিল। ৰমেনক সি একো নক'লে। সিহঁত একেলগে সাতজন ল'ৰাই শিল ভাঙে। ৰমেনে যদি মহেন্দ্ৰ মাষ্টৰৰ মাৰ খাই স্কুল এৰিলে, দীপকে বা কাৰো মাৰ নোখোৱাকৈয়ে বাদ দিলে। ৰতনে আকৌ কোনোদিন স্কুলৰ মুখকে নেদেখিলে। সিহঁত গোটেইকেইটাৰ ঘৰৰ অৱস্থা বেয়া। শিলৰ দৰেই সিহঁতৰ জীৱনবোৰো কঠিন। মাত-কথাও কৰ্কশ। খাৰাংখাচ। এইখন এখন বেলেগ পৃথিৱী। কঠিন। শিলাময় পৃথিৱী। বেছি ভাবি, দুখ কৰি থকাৰ সময় ইয়াত নাই। অসীমে হাতুৰীটো তুলি লৈ প্ৰচণ্ড জোৰেৰে শিল এটাত কোব মাৰি দিলে। শিলটো দুটুকুৰা হৈ দুটা বিপৰীত দিশত ছিটিকি পৰিল।

বাকীবোৰ লগৰীয়া গ'লগৈ। শিলবোৰ মিঠাতেলৰ টিনেৰে হিচাপ কৰি দিবাকৰ বোলা মানুহজনে সকলোকে প্ৰাপ্য টকাখিনি দি দিলে। দিবাকৰক এই কুৱেৰীটোৰ মালিক পৰেশ বোলা মানুজনে চোৱা-চিতা কৰিবলৈ ৰাখিছে। মালিক সাধাৰণতে কুৱেৰীটোলৈ নাহে। দিবাকৰক কুৱেৰীটো চাবলৈ দি মালিকে নিশ্চিন্ত হৈ লৈছে। মালিকে ৰাস্তা-ঘাটৰ ঠিকাৰ কাম কৰে। কেইবাঠাইতো আন ব্যৱসায়ো আছে। অসীমে ইমানবোৰ খবৰ লোৱাৰ বাবে কোনো আগ্ৰহ অনুভৱ নকৰে। বহুত কথা সি বুজিও নাপায়। সি মাত্ৰ এটা কথাই জানে তাৰ মালিক এজন খুব টকা থকা মানুহ। ডাঙৰ মানুহ। মানুহবোৰে মালিকক খুব ভয় কৰে। বিহুৱে-পূজাই মানুহজনক কমিটীবোৰে আদৰ-সাদৰ কৰে, মঞ্চত গামোচা পিন্ধায়। অসীমহঁত সৰু ল'ৰা, সৰু কাম কৰে। মানুহজনৰ লগত মুখামুখি হোৱাৰ প্ৰয়োজন নহয়। সিহঁতৰ সম্পৰ্ক দিবাকৰ দাদাকৰ লগত।

অসীমে তাৰ পাব লগা টকাখিনি ল'লে। কিন্তু সি এতিয়াও ঘৰলৈ যোৱা নাই। যোৱাৰ কোনো ইচ্ছা হোৱা নাই তাৰ। এতিয়া ঘৰত বাপেকে নিশ্চয় তালৈ অপেক্ষা কৰি আছে। এতিয়াই ঘৰলৈ গ'লে তাৰ দিনটোৰ কষ্টৰ উপাৰ্জনখিনি পানীত পৰিব।

মদ খাবলৈ সেই পইচাখিনি বাপেকে গাৰ বলেৰে কাঢ়ি লৈ যাব। তাৰ বৰ ভাগৰ লাগিছে। ঘৰলৈ গৈ খাটত শুব পাৰিলে অলপ আৰাম পালেহেঁতেন। সেই আশা সদ্যহতে সি বাদ দিলে। এছটা বহল শিলত অসীম শুই পৰিল। অলপ অলপকৈ আন্ধাৰ জমিবলৈ আৰম্ভ কৰিছে। পাহাৰৰ খোৰোংবোৰত ইতিমধ্যে বেছিকৈয়ে আন্ধাৰ জমা হৈছে।

দেউতাক কিয় এনেকুৱা হ'ল? আগতে দেউতাকে মদ নাখাইছিল। আজি কেইবছৰমানৰ পৰাহে দেউতাকে মদ খাবলৈ লৈছে। গাঁৱত মদ খোৱা মানুহবোৰক কোনেও ভাল চকুৰে নাচায়। মদ খোৱা মানুহক সিও ভাল নাপায়। তেনেকুৱা মানুহক খুব ভয় কৰে সি। প্ৰথম যিদিনা ৰাতি মদ খাই দেউতাকে ঘৰ সোমাইছিল, তাৰ বৰ ভয় লাগিছিল। দেউতাকৰ মুখৰ পৰা সেইদিনা যেতিয়া অচিনাকি তীব্ৰ গোন্ধ এটা তাৰ নাকত লাগিছিল। তাৰ বমি বমি লাগি গৈছিল। দোৰোল খোৱা জিভাৰ শব্দবোৰ অস্পষ্ট হৈ ওলাইছিল। অকাৰণতে মানুহজনে উচ্চস্বৰে হাঁহিছিল। চিঞৰি চিঞৰি কান্দিছিল। লাগ-বান্ধ নোহোৱা কথা এসোপা মানুহজনে অন্তহীনভাৱে বকি গৈছিল। গোটেই দৃশ্যটো তাৰ বৰ আচহুৱা লাগিছিল। তাৰ বাপকো তাৰমানে মদপী হৈ গ'ল! তাকো তাৰমানে মানুহে এতিয়াৰ পৰা মদপীৰ পুতেক বুলি ক'ব? তাৰ বৰ দুখ লাগিছিল। তাৰ বাপেকে মদ খোৱা কথাটো গাঁৱত লাহে লাহে সকলোৱে গম পাব। তাৰ স্কুলৰ শিক্ষকবোৰেও গম পাব। লগৰীয়াবোৰেও গম পাব। কোনোবাদিনা হয়তো বাপেকে মদ খাই ৰাস্তাত লাং খাই পৰি থাকিব বা ৰাস্তাই ৰাস্তাই প্ৰলাপ বকি বকি বেসুৰা মাতেৰে গান গাই গাই ঢলং-পলংকৈ গৈ থাকিব। পিছে পিছে এজাক ল'ৰা-ছোৱালীয়ে কিৰিলি পাৰি গৈ থাকিব। জাকটোত হয়তো তাৰ সমনীয়াবোৰো থাকিব। কথাবোৰ ভাবি, অদূৰ ভৱিষ্যতে ঘটিবলগীয়া ঘটনাবোৰৰ কথা ভাবি সেইদিনা সি বৰ আতংকগ্ৰস্ত হৈ পৰিছিল। সি কান্দিবও পৰা নাছিল। অথচ তাৰ বিৰাট দুখ লাগিছিল। মাকে কান্দিছিল। মনে মনে। ওচৰ-চুবুৰীয়াই নুশুনাকৈ। মাকক কন্দা দেখি ভনীয়েক আজলীয়েও কান্দিছিল। প্ৰথমে লাহে লাহে। পিছত জোৰে জোৰে। বাপেকে খঙত তাইক গঁতা মাৰি দি চিঞৰি উঠিছিল— 'মনে মনে থাক।' প্ৰচণ্ড ত্ৰাসত মুহূৰ্ততে তাইৰ কান্দোন বন্ধ হৈ গৈছিল। কিন্তু দুখবোৰ পাতলি যোৱা নাছিল। বৰং নতুন দুখ এসোপা হুৰমূৰকৈ তাইৰ কণমানি বুকুখনত সোমাই গৈছিল। মাজে মাজে ডিঙিৰ পৰা হিকটিৰ দৰে শব্দ এটা বাহিৰ ওলাইছিল। খুব ঘনকৈ তাই ফোঁপাইছিল। বুকুখন খুব জোৰেৰে উঠা-নমা কৰিছিল। মুখখন নীলা পৰিছিল। তাইৰ অৱস্থা দেখি ভয়তে মাক চিঞৰি উঠিছিল। আৰু আজলী এসময়ত অচেতন হৈ পৰি গৈছিল।

মৰমিয়াল বাপেকৰ আচম্বিত পৰিৱৰ্তনে, প্ৰথমবাৰৰ বাবে বাপেকৰ পৰা পোৱা

কঠোৰ ব্যৱহাৰে বুকুত তোলা আৱেগৰ প্ৰচণ্ড ঢৌ চম্ভালিব নোৱাৰি আজলী অচেতন হৈ গৈছিল।

এসময়ত ঘৰখনত যেন মৃত্যুৰ পিছৰ অস্বাভাৱিক নীৰৱ পৰিৱেশ বিৰাজ কৰিছিল। কিহৰ মৃত্যু? কাৰ মৃত্যু? ভাবি ভাবি এসময়ত অসীমে উপলব্ধি কৰিছিল— সঁচাকৈয়ে সিহঁতৰ ঘৰত কাৰোবাৰ মৃত্যু হৈছে। সেই ৰাতিয়েই যেন সিহঁতৰ মৰমিয়াল বাপেকজন মৰি থাকিল। মৃত্যু শোকে নিৰ্বাক কৰিছিল তাক। মৃতকৰ ঘৰৰ চৌকাৰ জুই নজ্বলাৰ দৰে সিহঁতৰ ঘৰবো চৌকাৰ জুই জ্বলা নাছিল সেইদিনা। সকলো লঘোণে আছিল। আনকি কণমানি আজলীও।

ৰাতি দেউতাকৰ লগত একেখন খাটত শুবলৈ ভয় লাগিছিল তাৰ। বাপেকৰ টোপনি অহাৰ পিছত ভয়ে ভয়ে সি খাটত উঠিছিল। টিপচাকিৰ ম্লান পোহৰত সি দেউতাকৰ ঘুমন্ত মুখখন চাইছিল। মানুহজনক ম্লান পোহৰৰ দৰেই ৰহস্যময় যেন লাগিছিল। অচিনাকি লাগিছিল। অথচ মানুহজন তাৰ বাবে তেনেই চিনাকি আছিল। মানুহজনে তাৰ চকুৰ আগত পৃথিৱীখনৰেই ৰহস্যৰ দুৱাৰবোৰ এখন এখনকৈ খুলি দিছিল। খুব মৰমেৰে। বাপেকক তাৰ এজোপা অতিকায় গছ যেন লাগিছিল। বাপেকৰ ওচৰত খুব নিৰাপদ অনুভৱ কৰিছিল সি।

ঘটনাটো এটা ধুমুহাৰ দৰেই হঠাৎ আহিছিল। প্ৰচণ্ড শক্তি লৈ আহিছিল। মনে মনে আহিছিল।

অতিকায় গছজোপা মাটিৰ খামোচ এৰি বাগৰি পৰিছিল।

ওচৰৰ মানুহজন দূৰলৈ গুচি গৈছিল।

বহু দূৰলৈ।

সকলোৰে পৰা।

৭.

'অসীম!'

'অসীম?'

'হেই অসীম?'

চঁক খাই ধহমহাই অসীম শিলছটাত বহি পৰিছিল। গোটেই ঠাইখিনি আন্ধাৰে আৱৰি ধৰিছিল। অলপ আগতে কোৰ্হাল কৰি থকা চৰাইবোৰো নীৰৱ হৈ পৰিছিল। বিৰাট নীৰৱতাত 'অসীম' শব্দটো পাহাৰত ঠেকা খাই প্ৰতিধ্বনিত হৈ কঁপি উঠিছিল। শব্দটো ৰহস্যময় যেন লাগিছিল অসীমৰ। গাঁৱৰ এমূৰে থকা পাহাৰখনলৈ এই সময়ত

তাক বিচাৰি কোন আহিব পাৰে? চকুদুটা মোহাৰিলে সি।

'এই আন্ধাৰত পাহাৰৰ তলত এনেকৈ শুই থাকেনে? ঠাণ্ডা লগা নাই?'

নিৰ্মল!

'শিলছটাত পৰি থাকোতে টোপনি আহি গ'ল অ'। গমেই নাপালো।'

'বাঘে খাই থ'লে গম পাবি!'— নিৰ্মলে হাঁহি ক'লে।

'বাঘে তোকতো খাব পাৰে। এইখিনি সময়ত অকলে আহিবলৈ ভয় লগা নাই?'— অসীমে নিৰ্মলক ক'লে।

'আহিছোতো কেতিয়াবাই।'

'ক'ত আছিলি?'

'শিলছটাত বহি আছিলো। তোৰ কাষতে। তোক জগাব ভাল লগা নাছিল।'

অসীম নীৰৱ হৈ গ'ল।

'ইমান আন্ধাৰ হৈ আহিছিল! পৰিৱেশটো ইমান নিৰ্জন, ইমান নীৰৱ হৈ পৰিছিল! কিবা ভয় ভয় লাগিবলৈ ধৰিছিল। সেইবাবে তোক উঠাই দিলো।'

'তই যে এনেকৈ ইয়ালৈ আহিছ, ঘৰত তোক খং নকৰিব?' —অসীমে ভাল ঘৰৰ নিয়ম-নীতিবোৰ জানে।

'মোৰ মা-দেউতা ইমান বেয়া নহয় দে।'— নিৰ্মলৰ কথাষাৰ শুনি অসীম যেন ছট্‌ফটাই উঠিল। নিৰ্মলে বুজি পালে— দুখত ডুবি থকা মানুহবোৰ বৰ স্পৰ্শকাতৰ হৈ পৰে। কথা কওঁতে বহুত সাৱধান হ'ব লাগে। অসীমৰ মনটো পাতল কৰিবলৈ নিৰ্মলে ক'লে—

'ইমান নিৰ্জন। আন্ধাৰো। ক'তো একো শব্দ নাই। বতাহত জংঘলবোৰ মাজে মাজে কঁপি কঁপি উঠে। একদম কিতাপত পঢ়া ভূতৰ গল্পৰ দৰে পৰিৱেশ। তাতে তোৰ নাকৰ ঘোৰ্ঘৰণিটো বাঘৰ গোঁজৰণিৰ দৰে লাগিছিল। মানুহে শুনিলে দূৰতে বাঘ বুলি পলাব।'

নিৰ্মলৰ কথা শুনি অসীমে হাঁহিলে। নিৰ্মলক তাৰ ভাল লাগে। আগতে তাৰ প্ৰতি অসীমৰ মনত একধৰণৰ সংকোচৰ ভাব আছিল। হয়তো এক ধৰণৰ ঈৰ্ষাৰ ভাবেও পোখা মেলিব খুজিছিল। কিন্তু নাই, এতিয়া অলপো ঈৰ্ষাৰ ভাবে তাক আমনি নকৰে। বৰং নিৰ্মলৰ বহুত ভাল হোৱাটো সি বিচাৰে। ভাল হওক। নিৰ্মলৰ আৰু ভাল হওক। কেতিয়াবা ঘৰৰ অশান্তিবোৰৰ মাজত সোমাই গৈ গৈ এসময়ত তাৰ মূৰটো গধুৰ হৈ যায়, উশাহ বন্ধ হৈ যোৱা যেন লাগে। তেতিয়া নিৰ্মলৰ কথা মনত পৰিলে তাৰ মনটো ভাল লাগিব খোজে। আন্ধাৰ হৈ থকা বুকুখন পোহৰত উজলি উঠিব খোজে। তেতিয়া তাৰ নিৰ্মলক লগ ধৰিবলৈ মন যায়। তাৰ লগত কথা পাতিবলৈ মন যায়। কিবাকিবি কথা তাক ক'বলৈ মন যায়। বহুত কিবাকিবি। ৰাতি যেতিয়া খাটত সি পৰি থাকে,

টোপনি নধৰে চকুত, আন্ধাৰৰ মাজৰ পৰা নিৰ্মলৰ কেইটামান শব্দ যেন তাৰ বুকুৰ গভীৰলৈ সোমাই আহে— 'তোৰ কি হৈছে মোক ক'বি অসীম?'

তাৰ কি হৈছে নিৰ্মলক ক'বলৈ মন যায় অসীমৰ। কিন্তু এইবোৰ কথা কেনেকৈ আৰম্ভ কৰিব লাগে, কেনেকৈ ক'ব লাগে অসীমে নাজানে।

'কি ভাবি আছ?'— নিৰ্মলৰ মাতত উচাপ খাই উঠে অসীম। কথাবোৰ ভাবোঁতে ভাবোঁতে সি যে অকলে নাই, নিৰ্মলৰ লগতহে বহি আছে সেই কথাও সি পাহৰি গৈছিল। আজিকালি দেখোন কাৰোবাৰ ওচৰত থাকিলেও সি অকলশৰীয়া হৈ পৰে। কি যে হৈছে তাৰ!

'একো ভবা নাই। এনেয়ে।'— অসীমে কিবা এটা ক'ব লাগে বাবেহ ক'লে।

'স্কুললৈ যোৱা নাই কিয়?'— কথাটো সোধোঁতে নিৰ্মলৰ উশাহটো ঘন হৈ উঠে।

'কালি দেখিলিয়েই দেখোন?'— গহীন হৈ তলমূৰকৈ অসীমে উত্তৰ দিলে।

নিৰ্মলৰ মনত কালিৰ ঘটনাটো বেছ সজীৱ হৈ আছে। গতিকে সি অসীমৰ আওপকীয়া উত্তৰটো বুজি পালে। ধুৎ চাল্লা। প্ৰথম খোজতে উজুটি খালো— নিৰ্মলে মনে মনে নিজকে কয়। সিতো গম পাইছে অসীমে কিয় স্কুল বাদ দিছে। কথাখিনি আৰম্ভ কৰিবৰ বাবেহে সি প্ৰশ্নটো কৰিছে! সেইটো কথাও গাধটোৱে বুজি নাপায়নে? এইবিলাক কথা কেনেকৈ ক'ব লাগে, নিৰ্মলে নাজানে। এইবিলাক কথা পতাতকৈ খেদাখেদি, মাৰামাৰি কৰা বেছি সহজ। নিৰ্মলে ভাবে।

'কাইলৈৰ পৰা আকৌ স্কুললৈ যাবি?'— নিৰ্মলে কোমলকৈ সোধে।

'নাযাওঁ।'

'যাবি দে।'— নিৰ্মলৰ ধৈৰ্য কমি আহিছে।

'নাযাওঁ।'

'যাবি দে অ'।'— নিৰ্মলে অলপ জোৰেৰে ক'লে।

'নাযাওঁ অ'।'— অসীম গৰ্জি উঠিল।

ধুৎ। এই অসীমটোৱে আলোচনা কেনেকৈ কৰিব লাগে নাজানে। নিৰ্মলেতো নাজানেই, এই গাধটোৱে তাতকৈও বেছি নাজানে। স্কুললৈ নাযায় কাৰণে নহয়, আলোচনা কৰিবলৈ নাজানে বাবে নিৰ্মলৰ অসীমৰ ওপৰত খং উঠি যায়।

'কিয় নাযাব?'— নিৰ্মলৰ মাতটো অলপ টানকৈয়ে ওলাল।

'দেখা নাই?'— অসীমৰ মাতটো তাতকৈও টানকৈ ওলাল।

'দেখিছো— শিলছটাত নাক বজাই শুই আছিলি। সেই বাবে নাযাবা?'

'দিনটো শুইছো নেকি? গধূলিহে শুইছো।'

'ঠিক আছে। দিনত স্কুললৈ যাবি। গধূলি আহি শিলছটাত শুবি।'

'দিনত শিল ভাঙিম।'

'আৰু গধূলি ঘৰলৈ গৈ পইচাকেইটা বাপেৰক মদ খাবলৈ দিবি?'

এইবাৰ অসীম নীৰৱ হৈ পৰিল। সাহস পাই কেইছেকেণ্ডমান পিছত নিৰ্মলে আকৌ ক'লে— 'কি লাভ হৈছে কচোন? দিনটো কষ্ট কৰি শিল ভাঙ— গধূলি কষ্টৰ পইচাকেইটা দেউতাৰে কাঢ়ি লৈ যায়। তই শিল ভঙা আৰু নভঙাৰ মাজত পাৰ্থক্যটো ক'ত? তই শিল ভাঙিলেও ঘৰৰ একো লাভ নহয়। ক্ষতিহে হ'ব। পইচা পাই দেউতাৰৰ মদৰ পৰিমাণটো বাঢ়িব। বেছি মদ, বেছি উৎপাত।'— ইমানখিনি কথা একেৰাহে ক'ব পাৰি নিৰ্মলৰ উৎসাহ বাঢ়ি গৈছিল। এটা দীঘল উশাহ লৈ সি আকৌ আৰম্ভ কৰিলে—

'শিল নাভাঙিলে তোৰ বহুত লাভ। তই আকৌ স্কুললৈ যাব পাৰিবি। শিল নাভাঙিলে তোৰ দেহৰ কষ্ট কমিব। আৰু— ' — নিৰ্মল ৰৈ গ'ল।

'আৰু কি?'— অসীমে শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। নিৰ্মলৰ ভাল লাগি গ'ল। সি অসীমৰ থেতেলা খোৱা আঙুলিটোলৈ দেখুৱাই ক'লে—

'আৰু এইবিলাকো নহয়। কিবা ঔষধ খাইছ?'

অসীমে মূৰ জোকাৰিলে।

'বন শেউলিৰ ৰস দিছো। ঠিক হৈ যাব।'— অসীমে জনালে।

'কাইলৈৰ পৰা যাবি?'

'ক'লৈ?'— অসীমে বুৰ্বকৰ দৰে সোধে।

'স্কুললৈ আকৌ!'

অসীম নীৰৱে ৰয়। এইবাৰ অন্ততঃ পোনছাটেই নাযাওঁ বুলি কোৱা নাই— নিৰ্মলে ভাবে। নিৰ্মলে আকৌ সোধে—

'যাবি?'

'মোৰতো পঢ়া বহুত বেয়া হৈ গৈছে। আৰু ঘৰত ইমান সমস্যা— মই পঢ়ি জানো কিবা লাভ হ'ব?'

'চা অসীম— সমস্যাৰ পৰা পলালে সমস্যাৰ সমাধান নহয়।'— কথাষাৰ কৈ নিৰ্মলে কেইছেকেণ্ডমান তভক মাৰি ৰ'ল। সি মনত পেলাবলৈ চেষ্টা কৰিলে কথাষাৰ সি ক'ৰবাত পঢ়িছিল নেকি! তাৰ পিছত অলপ লেনিয়াই সি লাহেকৈ সুধিলে—

'যাবি?'

'ৰাতিটো ভাবি চাওঁ দে।'— অসীমে গহীনাই ক'লে।

হ'ব। আজিলৈ এইখিনি হ'লেও হ'ব। কিতাপত আছে নহয়— ভুকুতে কলটো নপকে।

ভালকৈয়ে আন্ধাৰ হৈছিল। সিহঁত বহাৰ পৰা উঠিল। বিজুলীবাতি আৰু লেম-চাকিৰ পোহৰত গাঁওখন ধুনীয়া দেখাইছিল। পাহাৰ তলিৰ আন্ধাৰৰ মাজৰ পৰা সিহঁতে দেখিছিল। সিহঁত গাঁৱৰ ফালে আগবাঢ়িল। কাৰো মুখত কথা নাই।

অসীমৰ ঘৰৰ পদূলিমুখত দুয়ো ৰ'ল। আন্ধাৰ। ইয়াতেই দুয়ো এৰা-এৰি হ'ব। নিৰ্মলে অসীমৰ হাত এখনত ধৰি লাহেকৈ ক'লে—

'কাইলৈ স্কুলত মই তোৰ বাবে ৰৈ থাকিম।'

অসীমে একো কোৱা নাই।

'তই যাবি। তোক ক্লাছত নেদেখিলে মোৰ বৰ বেয়া লাগে অ' অসীম।'

অসীমে একো কোৱা নাই।

'ৰৰকৈ মনত পৰে জান?'

অসীমে কান্দিছে।

নিৰ্মলে দেখা নাপালে।

আন্ধাৰ।

৮.

নিৰ্মলে আশা এৰি দিলে। সি খুব আশা কৰিছিল যে অসীম স্কুললৈ আহিব। কিন্তু নাহিল। স্কুলৰ প্ৰাৰ্থনা হৈ গ'ল। এতিয়া ক্লাছ আৰম্ভ হ'বৰে হৈ গ'ল। বাৰাণ্ডাৰ পৰা গে'টৰ ফালে বৰ আশাৰে চাই সি তাৰ বাবে ৰৈ আছিল। ইমান সময়ে আহি নাপালে যেতিয়া অহাৰ আৰু আশা নাই। স্কুলৰ ল'ৰা-ছোৱালীবোৰ প্ৰাৰ্থনাৰ বহুত আগতেই স্কুললৈ আহে। প্ৰাৰ্থনাৰ পিছত কেতিয়াও কোনো নাহে। নিৰ্মলৰ মনটো নিৰাশাৰে ভৰি পৰিল। নিৰ্মলে বুজাওঁতে অসীম আকৌ স্কুললৈ আহিব যেনেই লাগিছিল। নিৰ্মলে অসীমক তাৰ ঘৰৰ পদূলিত এৰি থৈ যোৱাৰ পিছত হয়তো অসীমৰ মনটো আকৌ ঘূৰি গ'ল। অসীমলৈ আৰু ৰৈ নাথাকি নিৰ্মলে ক্লাছত সোমোৱাটোকে ঠিক কৰিলে। সকলোৱে কেতিয়াবাই নিজৰ নিজৰ ঠাইত বহিছে। নিৰ্মলে তাৰ কাষতে অসীমৰ বাবেও ঠাই ৰাখি থৈছিল। প্ৰথম বেঞ্চতে। তাত কাকো বহিবলৈ দিয়া নাছিল। নিৰ্মলে ক্লাছত সোমাবলৈ ওলাল। এনেতে সি দেখিলে—

অসীম গে'টখনেৰে সোমাই আহিছে। স্ফূৰ্তিত নিৰ্মলৰ চিঞৰি দিবৰ মন গ'ল। নিৰ্মলে দেখিলে— বকুলজোপাৰ তলত অসীম অলপ পৰ ৰৈছে। বকুলজোপাৰ গাটো সি মৰম কৰাৰ দৰে হাতেৰে লাহেকৈ চুই দিছে। আৰু খুব লাহে লাহে গহীন খোজেৰে

সি নিৰ্মলৰ ফালে আগবাঢ়ি আহিছে।

লাজ লাজকৈ সি নিৰ্মলৰ ওচৰত ৰ'ল।

'আহিলি?'— নিৰ্মলে তাক মাত লগালে।

অসীমে নীৰৱে মূৰ দুপিয়ালে।

'ভাল কৰিলি।'

'বহুত দেৰি হ'ল অহাত।'

'একো নহয় দে। কাইলৈৰ পৰা সোনকালে আহিবি।'

'অ'।'

'এতিয়া ব'ল বহোঁগৈ।'

আগে আগে নিৰ্মল আৰু পাছে পাছে অসীম ভিতৰলৈ সোমাই গ'ল। ক্লাছৰ কোনেও অসীমে যে স্কুল এৰিছিল সেই কথা গম পোৱা নাই। কেতিয়াবা তেনেকৈ বহুতেই এসপ্তাহ স্কুললৈ নোযোৱাকৈ থাকে। সকলোৱে ভাবিছিল অসীমে চাগে ক'ৰবালৈ ফুৰিবলৈ গৈছে। সেয়ে অসীম ভিতৰলৈ সোমাই যাওঁতে কোনেও বেছি কৌতূহল দেখুওৱা নাই। কথাটোত নিৰ্মলে বৰ সকাহ পালে। তথাপি অসীমৰ অলপ অলপ লাজ লাগিল। অসীমে শেষ বেঞ্চৰ ফালে আগবাঢ়িব খুজিছিল, নিৰ্মলে তাক প্ৰথম বেঞ্চত ৰখা ঠাইখিনি দেখুৱাই দিলে। অসীমে আচৰিত হৈ ভেবা লাগি তাৰ ফালে চাই ৰ'ল।

'কি চাই আছ? বহ।'

'প্ৰথম বেঞ্চত?'— আজি দুবছৰ অসীমে প্ৰথম বেঞ্চত বহা নাই।

'অ'।'

বাধ্য হৈ অসীম প্ৰথম বেঞ্চতে বহিল। নিৰ্মলৰ কাষত।

'প্ৰথম ক্লাছটো সাহিত্যৰ। প্ৰফুল্ল ছাৰৰ।'— নিৰ্মলে অসীমক জনালে। অসীমে বৰ সকাহ পালে। প্ৰফুল্ল ছাৰক ভয় কৰিব লগা বিশেষ একো নাই।

'কিতাপ এখনো অনা নাই। মাত্ৰ বহী এখন আৰু কলমটো আনিব পাৰিছো।'— অসীমে নিৰ্মলক কয়।

'একো নহয় দে। কিতাপ-কাগজ অলপ লাহে লাহে গোটালেও হ'ব। মাজে মাজে মোৰ কিতাপকে ল'ব পাৰিবি।'— নিৰ্মলে তাক সকাহ দিবলৈ চেষ্টা কৰিলে।

প্ৰফুল্ল মাষ্টৰ ক্লাছলৈ সোমাই আহিল। সিহঁতৰ উপস্থিতি ল'লে। প্ৰথম ৰোল নম্বৰত নিৰ্মল আৰু শেষ নম্বৰত অসীমে উপস্থিতি দিলে। সেইখিনি সময়ত অলপ পৰৰ বাবে অসীমৰ মনটো অলপ বেয়া লাগিল। ক্লাছটো আৰম্ভ হোৱাৰ লগে লগে লাহে লাহে তাৰ মনটো ঠিক হৈ আহিল। আৰু এসময়ত তাৰ মনটো ভাল লাগি

আহিবলৈ ধৰিলে। আহিব। সি স্কুললৈ আহি থাকিব।

কালি ৰাতি সি বহুত দেৰিলৈ কথাবোৰ ভাবিছিল। নিৰ্মলে কোৱা কথাবোৰো ভাবিছিল। সি কোৱা কথাবোৰ তাৰ সঁচা যেনেই লাগিছিল। বহুত ভবাৰ অন্তত সি ঠিক কৰিছিল সি আকৌ স্কুললৈ যাব। স্কুল এৰি তাৰো ভাল লগা নাছিল। দিনক দিনে তাৰ মনটো বেয়াৰ পৰা আৰু বেয়া হৈ গৈ আছিল। মাত-কথা, স্বভাৱ-চৰিত্ৰও তাৰ বেয়া হ'বলৈ আৰম্ভ কৰিছিল। কথাটো সি নিজেই অনুভৱ কৰিছিল। আনকি তাৰ মুখত অশ্লীল শব্দও ওলাবলৈ আৰম্ভ কৰিছিল। প্ৰত্যেক ৰাতি শুবলৈ গৈ খাটত পৰি পৰি সি কথাবোৰ ভাবিছিল। সি গম পাইছিল যে সি লাহে লাহে বেয়া হ'বলৈ আৰম্ভ কৰিছে। জনাৰ পিছতো সলনিবোৰ হৈ গৈ আছিল। কথাবোৰত যেন তাৰ নিয়ন্ত্ৰণ নাছিল। হয়তো নিৰ্মলৰ বাবেই সি ধ্বংস হোৱাৰ পৰা ৰক্ষা পৰিব। হয়তো পঢ়াত ভাল কৰিব নোৱাৰিব। আগতে শিক্ষকসকলে কৰা মৰমবোৰৰ স্মৃতিয়ে এতিয়াও যেন তাক ভাল হৈ থাকিবলৈ সোঁৱৰাই দি থাকে।. গোপনে। অহৰহ। নিৰ্মলক তাৰ ভাল লাগে। খুব ভাল লাগে। তাক দেখিলে, তাক লগ পালে, তাৰ লগত কথা পাতিলে মনটো ফৰকাল হৈ যায়। দুখবোৰ পাতলি যায়। ভাল হৈ থাকিবলৈ মন যায়। আনকি পঢ়িবলৈও মন যায়। অন্ততঃ যিখিনি পাৰি। স্কুললৈ আহি থাকিলে সি নিৰ্মলক সদায় লগ পাব। কথা পাতিব পাৰিব। সকলোবোৰ কথা ভাবি এটা সময়ত অসীমে সিদ্ধান্ত লৈছিল— সি আকৌ স্কুললৈ যাব। দৰকাৰ হ'লে সি স্কুল ছুটীৰ পিছত দুঘণ্টামান শিল ভাঙিব। আৰু ৰবিবাৰে আগৰ দৰেই দিনটো শিল ভাঙিব। তথাপি সি স্কুললৈ যাব।

কিন্তু সমস্যা হ'ল— তাৰ দশম শ্ৰেণীৰ কিতাপ এখনো নাই। বহীৰ সমস্যাটো বাৰু সমাধান হ'ল। নৱম শ্ৰেণীৰ বহীবোৰৰ লিখিবলৈ বৈ যোৱা কাগজবোৰ লগ লগাই সি ৰাতিপুৱা বহীখন কৰি উলিয়ালে। কামটোত বেছ কিছু সময় গ'ল। সেইবাবেও তাৰ স্কুললৈ যাওঁতে দেৰি হৈছিল। অৱশ্যে ৰাতি বহুত দেৰিলৈকে কথাবোৰ ভাবি ভাবি টোপনি খতি হোৱা বাবে উঠোঁতেও অলপ পলম হৈছিল।

সি যেতিয়া বহীখন আৰু পেনটো হাতত লৈ স্কুললৈ যাবলৈ ওলাইছিল, মাক আচৰিত হৈ গৈছিল। সুধিছিল—

'ক'লৈ যাব?'

'স্কুললৈ।'

কথাটো শুনি মাকে কান্দি দিছিল। মানুহে বোলে স্ফূৰ্তি লাগিলেও কান্দে— সি কিতাপত পঢ়িছিল। মাকৰো কিজানি বৰ স্ফূৰ্তি লাগিছিল। মূৰত হাত বুলাই দি মাকে কৈছিল—

'ভাল কৰিলি বোপাই।'

সি বেগাবেগিকৈ মাকৰ ওচৰৰ পৰা গুচি আহিছিল— ডাঙৰ মানুহক কান্দিলে ইমান বেয়া দেখায়।

প্ৰথম ক্লাছটো ঠিকে-ঠাকে পাৰ হৈ গ'ল। অসীমে বৰ সকাহ পালে। নিৰ্মলৰো ভাল লাগিল— প্ৰফুল্ল মাষ্টৰে এসপ্তাহ খতি কৰা বাবে অসীমক অলপো বেয়াকৈ নক'লে। পিছে নিৰ্মলৰ চিন্তা হ'ল দ্বিতীয় ক্লাছটোৰ বাবে। কাৰণ সেইটো ক্লাছ মহেন্দ্ৰ মাষ্টৰৰ। কথাটো গম পায়েই অসীমে বহীখন হাতত লৈ শেষৰ বেঞ্চখনলৈ যাবলৈ ওলাল। নিৰ্মলে তাৰ হাতখনত থাপ মাৰি ধৰি ক'লে—

'নালাগে। ইয়াতে থাক।'

কিন্তু নিৰ্মলেও অনুভৱ কৰিলে— মহেন্দ্ৰ মাষ্টৰৰ ক্লাছটোত অসীম প্ৰথম বেঞ্চত নবহাটোৱেই ভাল হ'ব। অলপ পৰ ভাবি নিৰ্মলে অসীমক ক'লে—

'ব'ল।'

নিৰ্মলেও তাৰ বহী-কিতাপ হাতত তুলি ল'লে। আচৰিত হৈ অসীমে ক'লে—

'তয়ো যাবি?'

'অ'।'

অসীম অলপ পৰ তভক মাৰি ৰ'ল। নিৰ্মলে তাৰ বাঁহৰ স্কেলডালেৰে অসীমৰ পেটত খোঁচ মাৰি দি ক'লে—

'পলম নকৰিবি। ব'ল। ছাৰ আহি পাবই।'

দুয়ো দৌৰি গৈ শেষ বেঞ্চত বহিল। প্ৰায় লগে লগেই মহেন্দ্ৰ মাষ্টৰ ক্লাছলৈ সোমাই আহিল। শ্ৰেণীকোঠাটো কঁাহ পৰি জীন যোৱাৰ দৰে নীৰৱ হৈ পৰিল। আনকি কাৰো উশাহৰ শব্দও যেন শুনিবলৈ নোহোৱা হ'ল।

মহেন্দ্ৰ মাষ্টৰে গোটেই শ্ৰেণীটোত এবাৰ চকু ঘূৰালে। শেষ বেঞ্চত তেওঁৰ চকুযুৰি থৰ হৈ ৰৈ গ'ল। অসীমৰ ফালে চাই তেওঁ গহীনকৈ ক'লে—

'ধূমকেতু! এসপ্তাহৰ মূৰত আহিছ?'

নিৰ্মলৰ বুকুখন চিৰিংকৈ গ'ল। অসীমৰ বুকুখনো ধপ্‌ধপাবলৈ ধৰিলে। তাৰ যেন উশাহ বন্ধ হৈ যাব। এসপ্তাহ আগৰ কাণতলীয়া চৰটোলৈ তাৰ মনত পৰিবলৈ ধৰিলে।

মহেন্দ্ৰ মাষ্টৰে এইবাৰ নিৰ্মলৰ ফালে ঘোপাকৈ চাই ক'লে—

'তয়ো তাৰ লগ লাগিলি যে? শেষ বেঞ্চত বহিছ কিয়?'

ক'ব পৰাকৈ নিৰ্মলৰ হাতত কোনো উত্তৰ নাছিল। সি মনে মনে থাকিল। মহেন্দ্ৰ মাষ্টৰে মন্তব্য দিলে—

'ই নিজেতো অধঃপাতে গ'লেই, গোটেই ক্লাছটোকে এতিয়া অধঃপাতে নিব।'

নিৰ্মলৰ অসীমলৈ বৰ দুখ লাগিল। সি অসীমৰ মুখৰ ফালে চাব পৰা নাই। সি

তলমূৰকৈ ৰ'ল। অসীমো।

মহেন্দ্ৰ মাষ্টৰ বোৰ্ডখনৰ ফালে ঘূৰিল। তেওঁ বোৰ্ডখন মচিবলৈ আৰম্ভ কৰিলে। একেবাৰে চিকুণকৈ। সেই সুযোগতে নিৰ্মলে লাহেকৈ অসীমৰ পেটটোত হেঁচুকি দি ফুচফুচাই ক'লে—

'মন বেয়া নকৰিবি।'

তথাপি লাহে লাহে অসীমৰ মন হতাশা আৰু গ্লানিৰে ভৰি পৰিল। তাৰ মনটো লাহে লাহে যেন কোঁচ খাবলৈ আৰম্ভ কৰিলে। মূৰটো গধুৰ হ'বলৈ ধৰিলে। গাটো বেয়া লাগিবলৈ ধৰিলে। আৰু এসময়ত যেন যোৱা ৰাতিৰ টোপনিবোৰ তাৰ চকুৰ পতাত ভিৰ কৰিবলৈ ধৰিলে। মহেন্দ্ৰ মাষ্টৰে পঢ়োৱা কথাবোৰৰ এক বিন্দুও তাৰ মগজুৰ ভিতৰত নোসোমাল। গভীৰ অৱসাদেৰে তাৰ দেহ-মন ভৰি পৰিল। আৰু এসময়ত তাৰ চকুৰ পতা জাপ খাই আহিল।

আঁৰ চকুৰে চাই নিৰ্মলে দেখিলে— সৰ্বনাশ। আতংকিত হৈ সি অসীমৰ পেটটোত জোৰেৰে হেঁচুকি দিলে। অসীম খকমককৈ সাৰ পাই গ'ল। কেতিয়া যে তাৰ চকু জাপ খাই গৈছিল সি গমেই পোৱা নাছিল। সি জোৰকৈ চকু মেলি থাকিবলৈ চেষ্টা কৰিলে। মহেন্দ্ৰ মাষ্টৰে কিবাকৈ দেখা পাব লাগিলে সৰ্বনাশ হ'ব। সি মহেন্দ্ৰ মাষ্টৰৰ কথাবোৰ মন দি শুনিবলৈ চেষ্টা কৰিলে। কিন্তু তাৰ ভয় ভয় লাগিবলৈ ধৰিলে। সময়বোৰ যেন আগ নাবাঢ়িবই। ঘণ্টা কেতিয়া পৰিব? তাৰ চকুৰ পতা আকৌ গধুৰ হৈ আহিবলৈ ধৰিলে। আৰু এসময়ত চকুৰ পতা আকৌ জাপ খাই গ'ল। লগে লগেই নিৰ্মলে দেখিলে। অসীমৰ গাত হেঁচুকিবলৈ বুলি নিৰ্মলে হাতখন দাঙোতেই অসীম মহেন্দ্ৰ মাষ্টৰৰ শেন চকুত ধৰা পৰি গ'ল। মহেন্দ্ৰ মাষ্টৰে যেন সুযোগৰ অপেক্ষাতহে আছিল। তেওঁ 'ঐ পাষণ্ড' বুলি গৰ্জি উঠিল আৰু চোঁ মাৰি অসীমক খেদি আহিল। শেষ বেঞ্চৰ ওচৰলৈ আহি তেওঁ খঙত কঁপি উঠিল। তেওঁ দেখিলে— অসীমে এখনো কিতাপ অনা নাই!

'পাষণ্ড। বুৰ্বক। গাধ। এসপ্তাহৰ মূৰত স্কুলত ওলাইছ। তাকো আহিছ হাতত বহী এখন লৈ? কলেজীয়া ছাত্ৰ ওলাইছ?'

অসীমে থিয় দি তলমূৰকৈ থাকিল।

'টোপনিয়াইছ কিয়?'

অসীমে একো কোৱা নাই।

'কিতাপ অনা নাই কিয়?'

অসীমে একো কোৱা নাই।

'এসপ্তাহ ক'ত মৰিছিলি?'

অসীমে একো কোৱা নাই।

'ছাৰ'— নিৰ্মলে কিবা এটা ক'বলৈ মুখ মেলিলে। মহেন্দ্ৰ মাষ্টৰ গৰ্জি উঠিল—

'তই মনে মনে থাক।'

নিৰ্মল নিশ্চুপ হৈ গ'ল। মহেন্দ্ৰ মাষ্টৰে আকৌ অসীমক ধৰিলে—

'মুখেৰে নামাত কিয় পাষণ্ড?'

অসীমে একো কোৱা নাই।

'নিজেতো অধঃপাতে গ'লিয়েই, এতিয়া নিৰ্মলকো অধঃপাতে নিবলৈ ওলাইছ?'

অসীমে একো কোৱা নাই।

মহেন্দ্ৰ মাষ্টৰৰ খং বাঢ়ি গৈয়েই থাকিল। এইবাৰ তেওঁ ওচৰতে থকা নিৰ্মলৰ বাঁহৰ গধপা স্কেলডাল দেখা পাই হাতত তুলি ল'লে—

'হাত পাত।'

অসীমে সোঁহাতখন মেলি দিলে।

তাৰ বাঁওহাতৰ আঙুলি এটা দুদিন আগত হাতুৰীৰ কোবত থেতেলা খাই আছে।

মহেন্দ্ৰ মাষ্টৰে গাৰ জোৰেৰে চাট চাটকৈ পাঁচটা কোব অসীমৰ সোঁহাতৰ তলুৱাত শোধাই দিলে।

অসীমে কন্দা নাই।

অসীমে হাতখন কোঁচ খুৱায়ো নিয়া নাই। মহেন্দ্ৰ মাষ্টৰে নিজেই ক'লে—

'ইখন হাত পাত।'

অসীমে বাঁওহাতখন মেলি দিলে।

মহেন্দ্ৰ মাষ্টৰে গাৰ জোৰেৰে চাট চাটকৈ পাঁচটা কোব অসীমৰ বাঁওহাতৰ তলুৱাত শোধাই দিলে।

অসীমে কন্দা নাই।

অসীমে হাতখন কোঁচ খুৱাই নিয়া নাই।

অসীমৰ বাঁওহাতৰ থেতেলা খোৱা আঙুলিটো ফাটি গৈ তাৰ পৰা টোপ্ টোপকৈ তেজ সৰি পৰিব লাগিছে। মহেন্দ্ৰ মাষ্টৰে ভোৰভোৰাই বেগেৰে কোঠাটোৰ পৰা ওলাই গ'ল। তথাপি গোটেই শ্ৰেণীটো আতংকত নীৰৱ হৈ থাকিল।

অসীমে দেখিলে— নিৰ্মলৰ গণিতৰ কিতাপখনৰ দুটা পৃষ্ঠা তাৰ হাতৰ আঙুলিৰ পৰা তেজ পৰি ভিজি গৈছে।

সি নিৰ্মলৰ ফালে চাই ক'লে—

'তোৰ কিতাপখন নষ্ট হৈ গ'ল নিৰ্মল!'

নিৰ্মলে একো কোৱা নাই।

নির্মলে কান্দিছে।

অসীম বেঞ্চৰ পৰা বাহিৰ ওলাল। নির্মলে যেন কিবা বুজি পালে। সি অসীমক ক'লে—

'তই মোক বেয়া নাপাবি অসীম।'

নাপায়। সি নির্মলক বেয়া নাপায়। কেতিয়াও নাপায়। অসীমে মূৰ জোকাৰিলে। তাৰ পিছত হঠাৎ অসীমে দৌৰ মাৰি কোঠাটোৰ বাহিৰ ওলাল। সি তাৰ বহীখন আৰু কলমটো হাতত তুলি লোৱাৰো প্রয়োজন অনুভৱ নকৰিলে। দৌৰি এসয়মত সি গেটৰ বাহিৰ হৈ গ'ল। আনকি তাৰ মৰমৰ বকুলজোপাৰ ওচৰতো থমকি নৰ'ল।

নির্মলে অসীমে যিফালেৰে কোঠাটোৰ পৰা ওলাই গৈছিল, সেইফালে চালে। সি ওলাই যোৱা ঠাইখিনিত টোপাটোপে তেজ পৰি ৰৈছে। নির্মলৰ দৃষ্টি এইবাৰ সন্মুখৰ দুৱাৰমুখত থমকি ৰ'ল। আৰু সি হতভম্ব হৈ গ'ল।

৯.

গধূলি হৈছে। নির্মল পঢ়া মেজত বহিছে। তাৰ পঢ়াত অলপো মন বহা নাই। স্কুলৰ ঘটনাটোৰ কথা ভাবি তাৰ বৰ দুখ লাগি আছে। অসীমলৈ তাৰ বৰকৈ মনত পৰিছে। মহেন্দ্র মাষ্টৰে বাঁহৰ স্কেলডালেৰে কোবাওঁতে অসীমে কিমান দুখ পাব পাৰে নির্মলে সেই কথা অনুমান কৰিব পাৰে। অসীমৰ আনকি আঙুলি ফাটি তেজ ওলাই গৈছিল। তথাপি অসীমৰ মুখত যন্ত্রণাৰ অলপো চিন নির্মলে দেখা নাছিল। অসীমে কন্দাতো নাছিলেই। অসীম বহুত সলনি হৈ গ'ল। আচৰিত ধৰণে সলনি হৈ গ'ল। মানুহৰ গালি-শপনি, মাৰ-ধৰে তাক দুখ, যন্ত্রণা নিদিয়েনে? দিয়ে চাগৈ। দুখ লাগিলে মানুহে কান্দে, কিন্তু দুখবোৰ যেতিয়া বহুত বেছি হৈ যায় মানুহে চাগৈ নকন্দা হৈ যায়। নির্মলে দুখ লাগিলে মাক-দেউতাকৰ ওচৰত কান্দে; কিন্তু আনৰ ওচৰত সি কান্দিব নোৱাৰে। অসীমৰো তেনেকুৱা হয় কিজানি। অসীমে কিজানি আনকি মাক-দেউতাকৰ ওচৰতো কান্দিব নোৱাৰে। তাৰ কিজানি সকলো মানুহেই পৰ হৈ গ'ল। তাৰ নিজৰ বুলিবলৈ কোনো নাই।

অসীম হয়তো আৰু কোনোদিন স্কুললৈ নাহিব। নির্মলে বহুত বুজাই-মেলি তাক স্কুললৈ আনিছিল। সি স্কুললৈ অহা দেখি নির্মলৰ খুব ভাল লাগিছিল। কিন্তু মহেন্দ্র মাষ্টৰৰ দহটা কোবত সকলো আশা, সকলো ভাল লগা শেষ হৈ গ'ল। অসীমেও

নিশ্চয় সৰুকৈ হ'লেও আশা অলপ বুকুত বান্ধিয়েই আকৌ স্কুললৈ আহিছিল। তাৰ সেইকণ আশাও শেষ হৈ গ'ল।

ডাঙৰ মানুহবোৰ কিয় ইমান অবুজ হয়? অসীমহঁতৰ দুখবোৰ, সমস্যাবোৰ কিয় তেওঁলোকে বুজিবলৈ চেষ্টা নকৰে? অসীমৰ দৰে ভাল ল'ৰাটো পঢ়াত কিয় ইমান বেয়া হৈ গ'ল, সেই কথা মহেন্দ্ৰ মাষ্টৰহঁতে কিয় বুজিবলৈ চেষ্টা নকৰিলে? এসপ্তাহে অসীম কিয় স্কুললৈ যোৱা নাছিল, তাৰ যে কিবা কাৰণ থাকিব পাৰে সেই কথা তেওঁ কিয় নাভাবিলে? অসীমে কিতাপ কিয় নিয়া নাছিল সেইটো কথা বুজাটোও ইমান টাননে? জটিল জটিল অংকবোৰ নিমিষতে কৰিব পৰা, টান টান কথাবোৰ ভাবি উলিয়াব পৰা মানুহজনে ইমান সৰু সৰু কথাবোৰ কিয় ভাবি উলিয়াব নোৱাৰিলে?

নিৰ্মলৰ নিজকে বৰ দোষী দোষী লাগিল। তাৰ বাবেই অসীমে আজি আকৌ কষ্ট পাব লগা হ'ল। থেতেলা খাই ভাল হোৱা আঙুলিটো আকৌ ঘুণীয়া হ'ল। আঙুলিটো আকৌ ভাল হৈ যাব, কিন্তু অসীমে মনত পোৱা আঘাতথিনি বৰ সহজতে ভাল হ'বনে? অসীম-নিৰ্মলহঁতৰো যে মান-অভিমান থাকিব পাৰে সেই কথা মহেন্দ্ৰ মাষ্টৰহঁতে কিয় বুজি নাপায়? সমনীয়াৰ আগত বেয়াকৈ গালি পাৰিলে, মাৰ-পিট কৰিলে সিহঁতে যে লাজ পায় সেই কথাও তেওঁলোকে বুজি নাপায়নে? আজি যে মহেন্দ্ৰ মাষ্টৰে অসীমক পিটিলে তাৰ বাবে অসীমে শ্ৰেণীত টোপনি নমৰা হ'বনে? কিতাপ যোগাৰ কৰিব পাৰিবনে? অংক জনা হ'বনে? স্কুল খতি নকৰা হ'বনে? নহয়। এইবোৰ একো নহয়। বৰং এইবাৰ সি ভালকৈয়ে, একেবাৰেই স্কুল বাদ দিব। নিৰ্মলে বুজালেও সি আৰু কোনোদিন স্কুললৈ নাহে। নিৰ্মলৰো আকৌ তাক বুজাবলৈ মন নাযাব।

ঘূৰি ঘূৰি আকৌ একেটা কথাই তাৰ মনত খুন্দিয়াই থাকিল— ডাঙৰ মানুহবোৰে কিয় সৰু ল'ৰা-ছোৱালীবোৰৰ দুখবোৰ, সমস্যাবোৰ বুজি নাপায়? ডাঙৰবোৰে ভাবে সিহঁতে খেলিব লাগিব, পঢ়িব লাগিব আৰু হাঁহি থাকিব লাগিব। কেতিয়াবা যদি অসীমৰ দৰে কোনোবাই নেখেলা হয়, নপঢ়া হয়, নহঁহা হয় তেতিয়া ডাঙৰবোৰৰ মহেন্দ্ৰ মাষ্টৰৰ দৰে খং উঠি যায়।

নিৰ্মলে সন্মুখৰ গণিতৰ কিতাপখনলৈ চালে— কিতাপখনৰ পাত দুটাৰ তেজৰ দাগবোৰ শুকাইছে। দুয়োটা পৃষ্ঠাৰ তলৰ কেইবাটাও পৃষ্ঠাত তেজৰ দাগ বহিছে। দুয়োফালৰ ওপৰৰ পৃষ্ঠা দুটাৰ কেইটামান শাৰী তেজৰ দাগৰ বাবে পঢ়িব নোৱাৰা হৈ গৈছে। মহেন্দ্ৰ মাষ্টৰৰ মাৰ খাই অসীমে কন্দা নাছিল, আনকি উস্-আসো কৰা নাছিল। মাত্ৰ সি নিৰ্মলক কৈছিল—

'তোৰ কিতাপখন নষ্ট হৈ গ'ল নিৰ্মল!'

সঁচাই কিতাপখন নষ্ট হৈ গ'ল। এইখন কিতাপ সি নপঢ়ে। দেউতাকক কৈ সি এখন নতুন কিতাপ অনাই ল'ব। এইখন কিতাপ পঢ়িলে তেজৰ দাগবোৰে তাৰ মনটো নষ্ট কৰি পেলাব। আৰু মানুহৰ মনটো ইচ্ছা গ'লেই সলনি কৰিব পৰা কিতাপ নহয়। মানুহৰ মনটো কিজানি কেতিয়াও শেষ নোহোৱা এখন বহীৰ দৰে। দিনে দিনে তাত নতুন নতুন কথা লিখা হৈ গৈ থাকে। এই বহীখন কেতিয়াও সলনি কৰিব নোৱাৰি। মন গ'লেও নোৱাৰি। খুব বেছি কাট-কুট কৰিব পাৰি। কিন্তু কাট-কুটৰ চিনবোৰ তাত থাকি যায়। যেনেকৈ আজি অসীমৰ মনৰ বহীখনত এটা কাট-কুট হৈ গ'ল। যোৱা ৰাতি হয়তো উজাগৰে কটাই আশাৰে লিখা কথা এটা আজি ৰাতিপুৱা অসীমে কাটি পেলাব লগা হ'ল। এই কাট-কুটটো এটা লেতেৰা দাগৰ দৰে থাকি যাব বহীখনত।

এখন নতুন কিতাপ কিনি ল'লেও এই কিতাপখন নিৰ্মলে সাঁচি থৈ দিব— এটা পাহৰিব নোৱৰা দিনৰ স্মৃতি হিচাপে।

নিৰ্মলে কিতাপখন জপাই থলে। বৰ অস্থিৰ অনুভৱ কৰিছে সি। কথাবোৰ তাৰ কাৰোবাক ক'বলৈ মন গৈছে। কিন্তু কাক ক'ব সি? তাৰ মনৰ ভিতৰত যি ধুমুহা বলিছে সেই কথা সি কাৰো আগত ভালকৈ প্ৰকাশ কৰিব নোৱাৰিব। এটা বুজাব নোৱৰা খঙে তাক বিতত কৰি তুলিছে। সি উচ্‌পিচাবলৈ ধৰিছে। তাৰ কপালখন ঘামি উঠিছে। মুখটো বিষাইছে। এই ঠাণ্ডাতো গাটো গৰম গৰম লাগিছে। তাৰ সন্মুখত, মেজত বাঁহৰ গধপা স্কেলডাল পৰি আছে। এই স্কেলডাল সি নিজহাতে বৰ ধুনীয়াকৈ, মৰমেৰে মিহিকৈ বনাইছিল। আৰু তাৰ গাত সি লিখি দিছিল তাৰ নামটো। নিৰ্মল! এই মুহূৰ্তত তাৰ এই স্কেলপাটক একেবাৰে লেতেৰা আৰু খহটা যেন লাগিল। স্কেলডাল হাতত লৈ সি বাহিৰলৈ ওলাই আহিল।

বাৰাণ্ডাত তাৰ মাকে জুই পুঁৱাই আছিল। সি মাকৰ কাষত গৈ বহিল। হাতত থকা স্কেলপাট সি জুইত সুমুৱাই দিলে। মাকে জানে এই স্কেলপাট সি বৰ যত্নেৰে, বৰ মনযোগেৰে নিজহাতে বনাইছিল। সেয়ে মাকে আচৰিত হৈ ক'লে—

'ইমান ধুনীয়া স্কেলপাট জুইত সুমুৱালি কিয়?'

'ক'তনো ধুনীয়া? দেখা নাই তাত তেজৰ দাগ?'— গৰ্জি উঠিল নিৰ্মল।

হতবাক হৈ মাকে ভেবা লাগি তাৰ ফালে চাই ৰ'ল।

১০.

ক্ৰমে ক্ৰমে আন্ধাৰবোৰ ঘন হৈ আহিব লাগিছে। কুঁৱলীৰ পাতল চাদৰখনো ডাঠ হ'বলৈ আৰম্ভ কৰিছে। মাজে মাজে বৈ অহা বতাহজাকত গাটো হাড়লৈকে কঁপি উঠিছে। তথাপি অসীম কাঁথিতে বহি আছে। ঘৰৰ ভিতৰত সোমাবলৈ তাৰ মন যোৱা নাই। বাঁওহাতখনলৈ চালে সি। তেজ ওলাই থকা নাই। কিন্তু আঙুলিটো ফুলি প্ৰকাণ্ড হৈ উঠিছে। ঠাণ্ডা বঢ়াৰ লগে লগে বিষটোও বাঢ়ি আহিছে। আজি সি আঙুলিটোত বন শেউলিৰ ৰস লগোৱা নাই। কাপোৰেৰে বন্ধাও নাই। একো কৰিবলৈ তাৰ মন নগ'ল। এসময়ত নিজে নিজেই আঙুলিটোৰপৰা তেজ ওলোৱা বন্ধ হৈছিল। কাইলৈকে হয়তো আঙুলিটোও জামৰিবলৈ আৰম্ভ কৰিব। বিষো কমিব। যি হয় নিজে নিজেই হৈ থাকিব। তাৰ একো কৰিবলৈ মন নাই। এছটা কাঠৰ দৰে ক'ৰবাত এচুকত কাৰো চকুত নপৰাকৈ তাৰ পৰি থাকিবলৈ মন গৈছে।

তাৰ কি হৈছে সি নিজেই ক'ব নোৱাৰে। সি হাঁহিব নোৱাৰে, আনকি কান্দিবও নোৱাৰে। তাৰ মনটো ভালো নালাগে, বেয়াও নালাগে। একো নালাগে। একোৱেই সি অনুভৱ কৰিব নোৱাৰা হৈ গৈছে। পেৰালাইছিছ হ'লে বোলে গাটো লৰচৰ কৰিব নোৱাৰা হয়, একো অনুভৱ কৰিব নোৱাৰা হয়। তাৰ মনটোৱো পেৰালাইছিছ হৈ গ'ল নেকি?

সি দিনৰ কথাখিনি যুকিয়াই ল'বলৈ চেষ্টা কৰিলে। আজিৰ ঘটনাটোৰ পিছত আৰু স্কুললৈ যোৱাৰ প্ৰশ্ন নুঠে। আচলতে সি স্কুল বাদেই দিছিল। নিৰ্মলে বৰকৈ ধৰা বাবেহে সি আকৌ স্কুললৈ গৈছিল। বহুদিন, বহুৰাতি ভাবি-চিন্তি সি স্কুল বাদ দিয়াৰ সিদ্ধান্ত লৈছিল। আৰু আকৌ স্কুললৈ যোৱাৰ সিদ্ধান্তটো লৈছিল মাত্ৰ এটা ৰাতি ভাবি। নিৰ্মলৰ জোৰত। অৱশ্যে আজি স্কুললৈ গৈ এটা ফালেদি ভালেই হ'ল। আগতে স্কুলৰ সন্মুখেৰে শিল ভাঙিবলৈ গ'লে, স্কুলখন দেখিলেই তাৰ বুকুখনত কিবা এটা হৈছিল। বকুলজোপা দেখিলেই তাৰ গাটো চুই চাবলৈ সি উদ্বাউল হৈ পৰিছিল। গছজোপাৰ প্ৰতি এক বুজাব নোৱৰা টান অনুভৱ কৰে সি। লগৰীয়াবোৰে সিহঁতৰ নিজৰ নিজৰ নামবোৰ গছজোপাৰ গাত খোদিত কৰিব খুজিছিল। কাকো সেই কাম সি কৰিবলৈ দিয়া নাছিল। আনকি পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ দিনাখনো এই গছজোপাই তাৰ লগ আছিল। সি ক'ব নোৱাৰাকৈয়ে এই গছজোপাই, আনকি নিৰ্জীৱ স্কুলঘৰটোৱেও তাৰ মনৰ ঠাই দখল কৰি লৈছিল।

আজিৰ পৰা আৰু সেইবোৰ একো নহ'ব। মনৰ পৰা সেইবোৰ বাহিৰ কৰি দিবলৈ আজিৰ ঘটনাটোৰ দৰকাৰ আছিল। আঙুলি ফাটি ওলোৱা তেজখিনিয়ে তাৰ মনৰ

ভিতৰৰ হাহাকাৰখিনি কমাব।

ঘটনাটোৱে তাৰ স্কুল এৰাৰ কথাটোৰ এটা স্থায়ী ৰূপ দিলে। এতিয়া আৰু সংকোচ, দুখ— এইবোৰ একো অনুভৱ নহ'ব অসীমৰ। তাৰ মনটো অদ্ভুত ধৰণেৰে পাতল পাতল লাগিল। সি দীঘলকৈ উশাহ টানিলে।

'আজি শিল ভাঙি কেইটকা পালি?'

অসীমে মূৰ তুলি চালে। তাৰ সন্মুখত বাপেক। বাপেকৰ পৰা অলপ দূৰত ৰৈ মাক। মাকে বাপেকৰ ফালে চাই আছে।

'আজি শিল ভাঙিবলৈ যোৱা নাছিলো।'— অসীমে জনালে।

'কিয়?'— গৰ্জি উঠিল বাপেক। অসীমে মনে মনে থাকিল।

'মই সুধিছো শিল ভাঙিবলৈ নগ'লি কিয়?'— খঙত বাপেকে ফোঁপাবলৈ ধৰিছে। অসীমে একো কোৱা নাই। অসীমৰ হৈ মাকেই মাত দিলে—

'সি স্কুললৈ গৈছিল।'

'কি?'— আচৰিত হৈ বাপেকে চিৎকাৰ কৰি উঠিল।

মাকেও সমানে চিঞৰি উঠিল—

'অ'— সি সদায় স্কুললৈ যাব। আজিৰ পৰা আৰু সি শিল ভাঙিবলৈ নাযায়।'

প্ৰচণ্ড ক্ৰোধত মানুহজনে আৰ্তনাদ কৰি উঠিল। তেওঁৰ ধৈৰ্যৰ বান্ধ খুলি গ'ল। কাঁথিত পৰি থকা বাঁহৰ কামিছটা হাতত লৈ তেওঁ অসীমৰ উদং পিঠিত গাৰ বলেৰে কোব এটা মাৰি দিলে। চাট্‌কৈ শব্দ এটা বাহিৰ হ'ল। অসীমৰ পিঠিখন ফালি যোৱাৰ দৰে লাগি গ'ল। তথাপি সি একে ঠাইতে বহি থাকিল।

অসীমৰ মাক খঙত কঁপি উঠিছে।

অসীমৰ পিঠিত বাঁহৰ কামিৰ আৰু এটা কোব পৰিল। তাৰ পিঠিখন এইবাৰ ফালি ছিৰাছিৰ হৈ যোৱা যেন লাগিল। তথাপি সি কেঁত-কুত নকৰিলে। একে ঠাইতে সি বহি থাকিল।

অসীমৰ মাকে খঙত ফোঁপাই উঠিছে।

অসীমৰ বাপেকে তৃতীয়টো কোব মাৰিবলৈ কামিছটা ওপৰলৈ তুলিলে। মাকে দৌৰি আহি একেথাপে কামিছটা কাঢ়ি লৈ গ'ল। দুহাতেৰে কামিছটা ভাঁজ কৰিলে। ঠচ্‌কৈ শব্দ কৰি কামিছটা দুটুকুৰা হৈ গ'ল। গাৰ সমস্ত শক্তিৰে প্ৰচণ্ড খঙেৰে টুকুৰা দুটা তেওঁ চোতাললৈ দলিয়াই দিলে। তাৰ পিছত অসীমৰ বাপেকৰ সন্মুখত থিয় হৈ বাপেকৰ চকুলৈ চাই গৰ্জি উঠিল— 'অ' সি স্কুললৈ যাব। সি আৰু শিল নাভাঙে।'

মাকৰ ৰণচণ্ডী ৰূপ দেখি বাপেক হতভম্ব হৈ একে ঠাইতে থিয় দি থাকিল।

আন্ধাৰেৰে ভৰি পৰা, কুঁৰলীৰে আবৰা কাঁথিখন হঠাৎ নীৰৱ হৈ পৰিল। মাত্ৰ মাকৰ

উশাহৰ ঘন ঘন শব্দবোৰ শুনা গৈছে। মেকুৰী এটা নীৰৱে আহি কাঁথিখনতে সোমাই পাৰি ৰহিছে। ঠাণ্ডা বতাহ এছাটি কাঁথিখনলৈ বৈ আহিছে।

'মই আৰু স্কুললৈ নাযাওঁ। কাইলৈৰ পৰা আকৌ শিল ভাঙিবলৈ যাম।'— অসীমে লাহেকৈ তলমূৰকৈ থাকিয়েই কথাষাৰ ক'লে।

অসীমৰ মাতটোত খং নাই, দুখ নাই, ক্ষোভ নাই।

একো নাই। একো নাই।

১১.

নিৰ্মলৰ পঢ়া-শুনা ভালদৰেই চলিছে। এই বছৰ সি মেট্ৰিক দিব। গতিকে প্ৰথমৰ পৰাই সি ভালদৰে পঢ়িছে। আজিকালি সিহঁতৰ প্ৰতিমাহতে পৰীক্ষা হয়। এতিয়ালৈ দুমাহত দুটা পৰীক্ষা হৈ গ'ল। দুয়োটা পৰীক্ষাই সি ভাল কৰিছে। স্কুলৰ শিক্ষকবোৰে মেট্ৰিকত তাৰ পৰা ভাল ফল আশা কৰিছে। সিও কষ্ট কৰিছে।

মাজে মাজে নিৰ্মলৰ অসীমলৈ মনত পৰে। তেতিয়া তাৰ মনটো দুখ আৰু হতাশাৰে ভৰি পৰে। কিন্তু সি কৰিব পৰাখিনি কৰিও অসীমক সহায় কৰিব নোৱাৰিলে। গতিকে কথাবোৰ মনত পৰিলে নিৰ্মলে বৰ অসহায় অনুভৱ কৰে।

অসীমৰ শিল ভঙাত হাত আহি গৈছে। আজিকালি সি কম সময়তে বহুত শিল ভাঙিব পাৰে। গতিকে তাৰ উপাৰ্জন আগতকৈ বাঢ়িছে। ইফালে বাপেকৰো মদৰ পৰিমাণ আগতকৈ বাঢ়িছে। তৰ্জন-গৰ্জন, কাজিয়া-অশান্তিও সেই অনুপাতে বাঢ়ি গৈছে। অসীমৰ পৰা দাবী কৰা টকাৰ পৰিমাণো বাঢ়ি গৈছে। গতিকে অসীমৰ উপাৰ্জন বাঢ়িলেও ঘৰৰ অৱস্থা ভাললৈ অহা নাই। অৱস্থাটো ভাবিলে অসীমৰ বহুদিন আগতে কৰা চৌবাচ্চাৰ অংকটোৰ কথা মনত পৰে। সেই যে এটা চৌবাচ্চাৰ দুটা নলীৰ এটাৰে পানী সোমায় আৰু এটাৰে ওলাই যায়!

অসীমৰ মনত স্কুলৰ কথাবোৰ লাহে লাহে পুৰণি হৈ যাবলৈ ধৰিছে। কথাবোৰ আজিকালি তাৰ কমকৈ মনত পৰে। কেতিয়াবা মনলৈ আহিলেও সি কথাবোৰ মনৰ পৰা উলিয়াই দিবলৈ চেষ্টা কৰে। সি স্কুল এৰা কথাটো মাকেও এতিয়া গ্ৰহণ কৰি লৈছে। এই পৰিৱৰ্তনবোৰ সকলোৱে যেন মানি লৈছে। সি স্কুল বাদ দিয়া, শিল ভঙা, বাপেকে মদ খোৱা, ঘৰত অত্যাচাৰ কৰা— এই সকলোবোৰ কথা ঘৰৰ সকলোৰে বাবে চিনাকি, পুৰণি হৈ গ'ল।

কিন্তু এদিন এটা নতুন ঘটনা ঘটিল— ঘৰৰ কোনেও সহজে গ্ৰহণ কৰিব নোৱাৰা এটা ঘটনা।

১২.

শিল ভাঙি অসীম গধূলি পাহাৰৰ তলিৰ পৰা ঘৰলৈ বুলি আহি আছিল। লগত আছিল ৰতন আৰু ৰমেন। দূৰৈৰ পৰাই সিহঁতে দেখিছিল স্কুলৰ সন্মুখত মানুহৰ জুম। ৰতন আৰু ৰমেনে ৰোমাঞ্চকৰ কিবা এটা ঘটনা দেখাৰ আশাত পুলকিত হৈ পৰিছিল। সিহঁতে খোজৰ বেগ বঢ়াই দিছিল। অসীমৰ একোৰে প্ৰতি আগ্ৰহ নাইকিয়া হৈ গৈছিল। মাত্ৰ ৰতন আৰু ৰমেনৰ সৈতে তাল মিলাবলৈ সিও খোজৰ বেগ বঢ়াই দিছিল।

সিহঁতে স্কুলৰ সন্মুখ পাই দেখিলে— স্কুলৰ বকুলজোপাৰ তলত কিবা এটা ঘটিছে। মানুহবিলাক বকুলজোপাৰ তলত দুৰ্গা পূজাৰ প্ৰতিমাৰ সন্মুখত ভিৰ কৰাৰ দৰে ভিৰ কৰিছে। এক উৎসৱমুখৰ পৰিৱেশ দেখা গৈছে চৌদিশে। সকলোৰে হাঁহি-খিকিন্দালি, চিঞৰ-বাখৰেৰে পৰিৱেশটো উত্তাল কৰি তুলিছে।

অসীম যেতিয়া স্কুলৰ গে'টৰ সন্মুখত ৰ'ল, মানুহৰ চিঞৰ-বাখৰ কমিল, তাক আগবাঢ়িবলৈ সকলোৰে বাট এৰি দিলে। দুই-এজনে আনকি 'ঐ অসীমক যাবলৈ দে' বুলিও ক'লে। অসীম বৰ আচৰিত হ'ল। মানুহবোৰে তাক ইমান গুৰুত্ব দি বকুলজোপাৰ তললৈ যোৱাৰ বাট উলিয়াই দিছে কিয় ? অসীমৰ মনত পৰিল— গাঁৱৰ কাৰোবাৰ ঘৰত কোনোবা ঢুকালে ঘৰৰ বাহিৰত থকা কোনোবা আত্মীয় আহি পদূলিত উপস্থিত হ'লে এনেকুৱা হয়— মানুহৰ গুণগুণনি বন্ধ হয়, শৱ ওচৰলৈ যাবলৈ মানুহবোৰে বাট উলিয়াই দিয়ে। অসীমে কি হৈছে একো অনুমান কৰিব পৰা নাই। তথাপি তাৰ বৰ ভয় লাগিল। সি বকুলজোপাৰ তললৈ আগবাঢ়িল।

দৃশ্যটো দেখি অসীম চক্ খাই উঠিল। তাৰ উশাহ-নিশাহ বন্ধ হৈ যোৱাৰ দৰে লাগিল। বুকুখন খুব জোৰেৰে ধপ্ধপাবলৈ ধৰিলে। ভৰি দুখন কঁপিবলৈ ধৰিলে। মূৰটোও ঘূৰোৱাৰ দৰে লাগিল তাৰ। অসীমে দেখিলে— গাঁৱৰ মানুহবোৰে তাৰ বাপেকক বকুলজোপাৰ তলত কাণত ধৰাই আঁঠু কঢ়াই থৈছে। আৰু গাঁৱৰ নাপিতজনে বাপেকৰ চুলিবোৰ ঘপাঘপ কাটিবলৈ ধৰিছে। চুলি কাটি কাটি ইতিমধ্যে বাপেকক টকলা কৰি পেলাইছে। তেতিয়াও একোছা চুলি কাটিবলৈ বাকী আছিল। কাটিবলৈ বুলি নাপিতজনে বাঁওখন হাতেৰে চুলিকোছা মুঠি মাৰি ধৰিছে, এনেতে কোনোবাই ক'লে— 'ঐ পুতেৰ আহিছে চা।' নাই, বাপেকে মূৰ তোলা নাই। আন এজনে ধমক দি ক'লে— 'ঐ মূৰ তোল।' বাপেক তলমূৰকৈয়ে থাকিল। অধৈৰ্য মানুহবোৰৰ এজনে খঙতে বাপেকৰ পিঠিত গোৰ মাৰি দি ক'লে— 'চাল্লা মদপীৰ লাজটো চা।' অসীমৰ কান্দি দিবৰ মন গ'ল। এইবাৰ নাপিতজনে কাটিবলৈ লোৱা

চুলিকোছাত জোৰেৰে ধৰি বাপেকৰ মূৰটো ওপৰলৈ দাঙি দিলে। লগে লগে অসীম আৰু বাপেকৰ চকুৱে চকুৱে পৰিল। দুয়োটাই একেলগে মূৰ দুটা তললৈ নমাই দিলে।

অসীমে কাকো একো নক'লে। কি ক'ব লাগে, কাক ক'ব লাগে, কি কৰিব লাগে অসীমে একো নাজানে। সি একোৱেই নাজানে। আচলতে সি বহুদিনৰ পৰাই ঘটনাবোৰ মাথোঁ চাই গৈছে নীৰৱে। ঘটনাবোৰ নিয়ন্ত্ৰণ কৰিব পৰাৰ শক্তি, বুদ্ধি, অভিজ্ঞতা তাৰ নাই।

অসীমে বাপেকক বকুলজোপাৰ তলতে মানুহবোৰৰ হাতত এৰি থৈ আঁতৰি আহিল। তাৰ পিছত নীৰৱে, ধীৰ খোজেৰে সি ঘৰলৈ গুচি আহিল।

ঘৰলৈ আহি অসীমে দেখিলে— আজলীক বুকুত সাবটি মাক খাটত পৰি আছে। সাৰ-সুৰ নাই। যেন এটা মৃতদেহ। অসীমে বুজি পালে— কথাবোৰ ইতিমধ্যে মাকৰ কাণত পৰিছে। খঙত কাৰোবাক গালি পাৰিব পৰাকৈ, দুখত কান্দিব পৰাকৈ মাকৰ মনৰ শক্তি শেষ হৈ গৈছে। অসীমৰো তেনেকুৱাই হৈছে। অসীমো তাৰ খাটত শুই পৰিল।

আজি বহুত দিন ধৰি দেউতাকৰ লগত অসীমৰ একধৰণৰ দূৰত্বৰ সৃষ্টি হৈ গৈ আছে। দেউতাক অসীমৰ পৰা আঁতৰি গৈছেনে, অসীম দেউতাকৰ পৰা আঁতৰি গৈছে— সি নাজানে। মাথোঁ সি জানে— দেউতাকে মদ খাবলৈ আৰম্ভ কৰাৰ পৰাই সি দেউতাকৰ ওচৰত আগৰ দৰে সহজ অনুভৱ নকৰে। অথচ এসময়ত দেউতাক তাৰ বন্ধুৰ দৰে আছিল। দেউতাকে তাৰ লগত মন খুলি কথা পাতিছিল। একেলগে মাছ মাৰিবলৈ গৈছিল। শাক আৰু কবিৰ খেতি কৰিছিল। দেউতাকে তাক আৰু ভনীয়েক আজলীক পাহাৰৰ তলিলৈ প্ৰায়েই ফুৰাবলৈ নিছিল। উভতি আহোঁতে বজাৰত কেতিয়াবা সিহঁতক চিঙৰা-চাহো খুৱাইছিল। দেউতাকে কেতিয়াও সিহঁতৰ গাল-মূৰ পিহি হয়তো স্নেহ প্ৰদৰ্শন কৰা নাছিল; মৌ সৰা মাতেৰে বোপা, আইটি বুলি মতা নাছিল— তথাপি সিহঁতে বাপেকৰ মৰমখিনি ঠিকেই অনুভৱ কৰিব পাৰিছিল। এতিয়াৰ এই মানুহজনক দেখি আগৰ সেই মানুহজনৰ কথাবোৰ সপোন সপোন যেন লাগে। অতীতৰ সেই কথাবোৰ সঁচা আছিল বুলি কল্পনা কৰিবলৈও টান হয়। ঠিক কেতিয়া কেনেকৈ সেই মানুহজনক অসীমহঁতে হেৰুৱাবলৈ আৰম্ভ কৰিছিল অসীমে নাজানে।

কথাবোৰ কাৰোবাক ক'বলৈ অসীমৰ বৰ মন যায়। কাক ক'ব সি? কথাবাৰ ভবাৰ লগে লগেই তাৰ কাণত বাজি উঠে বুকুৰ ভিতৰত সযতনে সাঁচি থোৱা কেইটামান শব্দ—

'তোৰ কি হৈছে মোক ক'বি অসীম?'

তাৰ দুখবোৰৰ কথা যদি পৃথিৱীৰ কাৰোবাক ক'ব পাৰি সেইজন হৈছে নিৰ্মল। বহুদিন তাক দেখা নাই। স্কুলৰ সেই ঘটনাটোৰ দিনাখনৰ পৰা আৰু সিহঁত ক'তো মুখামুখি হোৱা নাই। অসীমৰ কথা এতিয়াও মনত পৰেনে নিৰ্মলৰ? তাক লগ পাবলৈ মন যায়নে নিৰ্মলৰ? অসীমৰ নিজৰ নিৰ্মলক লগ পাবলৈ মন যায়। বৰ মন যায়। আজি যে বাপেকক গাঁৱৰ মানুহবোৰে কাণত ধৰাই আঁঠু কঢ়াই থৈছে, মূৰৰ চুলি খুৰাই টকলা কৰি দিছে সেই খবৰ নিৰ্মলে পায়নে? কি ভাবিছে বাৰু নিৰ্মলে? তাক সান্ত্বনা দিব পৰাকৈ নিৰ্মলৰ কিবা কথা আছেনে?

দূৰৈৰ পৰা মানুহৰ চিঞৰ-বাখৰৰ শব্দ ভাহি আহিছে। সংকুচিত মনেৰে ভয়ে ভয়ে অসীমে কাণ উনাই থাকিল। শব্দবোৰ লাহে লাহে ডাঙৰ হৈ ওচৰ চাপি আহিবলৈ ধৰিছে। অসীমৰ বুকুখন আকৌ ধপ্‌ধপাবলৈ ধৰিছে। ইতিমধ্যে গধূলি ভাগি সন্ধিয়া হৈছে। আন্ধাৰবোৰ বাঢ়ি আহিবলৈ ধৰিছে। মাকে চাকিগছি জ্বলোৱা নাই। সিহঁতৰ ঘৰখন আন্ধাৰেৰে ভৰি পৰিছে। অসীমৰ এনে লাগিছে যে পৃথিৱীৰ যত যিমান আন্ধাৰ আছে গোটেইবোৰ আহি সিহঁতৰ ঘৰখন ভৰি পৰক! কোনেও দেখা নোপোৱাকৈ আন্ধাৰবোৰে লুকুৱাই ৰাখক সিহঁতক। অসীমে এইবাৰ স্পষ্টকৈ শুনিবলৈ পালে মানুহৰ হাহাকাৰ— হাঁহি-খিকিন্দালি-চিৎকাৰ। এটা যেন সমদল আগবাঢ়ি আহিছে— সেয়া এজনে চিঞৰি চিঞৰি কৈছে— 'মদপীৰ শাস্তি চাই লওক'। তাৰ পিছত বহুত মানুহে সমস্বৰে চিঞৰিছে— 'চাই লওক, চাই লওক।' অসীমে স্পষ্টকৈ বুজি পালে— সমদলটো সিহঁতৰ পদূলিত ৰৈছে আৰু মানুহবোৰে দুগুণ উৎসাহেৰে চিঞৰিছে। আন্ধাৰৰ মাজতো অসীমে লাজতে চকু দুটা বন্ধ কৰি দিলে।

হঠাৎ অসীমৰ এনেকুৱা লাগিল— মাকে কিজানি উচুপিবলৈ ধৰিছে। হয়, হয়— মাকে কান্দিছে। প্ৰথমে মনে মনে, লাহে লাহে। কোনেও গম পাব নোৱাৰাকৈ। আৰু এসময়ত সংযমৰ বান্ধ ভাঙি জোৰে জোৰে— বুকুত ভুকুৱাই, কপালত চপৰিয়াই। কান্দিবলৈ আৰম্ভ কৰিছে আজলীয়েও। চিঞৰি চিঞৰি।

অসীমে দুয়োকাণত ফটা কঁথাখন হেঁচা মাৰি ধৰিলে আৰু চকু দুটা বন্ধ কৰি পৰি থাকিল লৰচৰ নকৰাকৈ।

১৩.

বৰষুণ এজাক আহিছে। প্ৰথমে চিপ্‌চিপ্‌কৈ। পিছলৈ ধাৰাসাৰে। ইমান ঘন বৰষুণ যে অলপ দূৰত থকা ঘৰবোৰো ভালকৈ মনিব নোৱাৰি। নিৰ্মলে হাতত কিতাপ এখন লৈ বিছনাত উঠিছে। বিছনাত, খোলা খিৰিকীখনৰ কাষত সি বহি লৈছে। খিৰিকীৰে

চেঁচা বতাহ এছাটি বৈ আহিছে। বৰষুণৰ উলম্ব ৰেখাবোৰ শৰৰ দৰে মাটিত সৰি সৰি পৰিছে। লগে লগে বোকা-মাটি অকণ অকণ ছিটিকি পৰিছে। বহুদিনৰ মূৰত বৰষুণ এজাক আহিল। বতাহত মাটিৰ গোন্ধ এটা বিয়পি পৰিছে। এনেকুৱা বতৰত গাত কাপোৰ এখন লৈ খিৰিকীমুখত বহি বাহিৰা কিতাপ পঢ়িবলৈ বৰ মজা লাগে। আজি পিছে নিৰ্মলৰ বাহিৰা কিতাপ পঢ়িবলৈ মন নগ'ল। হাতৰ কিতাপখন সি বিছনাত থৈ দিলে। অসীমৰ কথা তাৰ মনলৈ আহিবলৈ ধৰিছে।

অসীমক নিৰ্মলে বহুদিন লগ পোৱা নাই। নিজে বিচাৰি নগ'লে যে এতিয়া আৰু অসীমক লগ পোৱা নাযাব সেই কথা নিৰ্মলে বুজি পায়। স্কুলৰ সেই ঘটনাটোৰ পিছৰ পৰা নিৰ্মলে এক ধৰণৰ অপৰাধবোধত ভুগি আছে। অসীমে মাত্ৰ তাৰ একান্ত জোৰতহে স্কুললৈ আহিছিল। মহেন্দ্ৰ মাষ্টৰে অসীমক গালি পাৰোঁতে নিৰ্মলে তেখেতক কিবা এটা ক'ব খুজিছিল। কিন্তু মহেন্দ্ৰ মাষ্টৰে নিৰ্মলক কথা কোৱাৰ কোনো সুযোগেই দিয়া নাছিল। সেইদিনা নিৰ্মলে আচলতে কি কৰিব লাগিছিল? মহেন্দ্ৰ মাষ্টৰৰ বাধা নামানি অসীমৰ ঘৰৰ কথাবোৰ ক'ব লাগিছিল? প্ৰতিবাদ কৰিব লাগিছিল? তাক হয়তো শিক্ষকৰ অবাধ্য হোৱা বুলি, স্বভাৱ-চৰিত্ৰ বেয়া হোৱা বুলি সকলোৱে ক'লেহেঁতেন, মাক-বাপেকৰ ওচৰলৈ তাৰ বিৰুদ্ধে অভিযোগ আহিলহেঁতেন; কিন্তু অসীমৰ জীৱনটোতো ধ্বংস হোৱাৰ পৰা বাচিলহেঁতেন! কথাবোৰ ভাবিলে নিৰ্মল বৰ অসহায় হৈ পৰে। কথাবোৰ এই ধৰণে ভাবি থাকিলে আন এটা অকল্পনীয় দৃশ্যই তাৰ গোটেই চিন্তাতেই জঁট লগাই দিয়ে।

আজি দুদিনমানৰ পৰা নিৰ্মলৰ মনলৈ অসীমৰ কথা বেছিকৈ আহি আছে। নিৰ্মলহঁতৰ স্কুলত এজন নতুন শিক্ষকে যোগদান কৰিছে। অনুভৱ মাষ্টৰ। শিক্ষকজনে স্কুলত যোগদান কৰাৰ দিনাই ঘটনা এটা ঘটিছিল—

হেড পণ্ডিতে শিক্ষকজনক নিৰ্মলহঁতৰ শ্ৰেণীলৈ আনি সিহঁতৰ ওচৰত পৰিচয় কৰাই দি কৈছিল— 'এয়া তহঁতৰ নতুন শিক্ষক। বহুত দূৰৰ এঠাইৰ পৰা তহঁতক পঢ়াবলৈকে ইয়ালৈ আহিছে। ছাৰক নমস্কাৰ কৰ।' নিৰ্মলহঁতে থিয় হৈ নমস্কাৰ কৰিছিল। ডেকা শিক্ষকজনে সকলোকে হাঁহি এটা মাৰিছিল। নিৰ্মলহঁতে অনুভৱ কৰিছিল যে হাঁহিটোত কিবা এটা আছে— যিটো হাঁহি দেখিলে মানুহজনৰ ওচৰত সহজ হ'ব পাৰি, মানুহজনক আপোন বুলি ভাবিব পাৰি। হেড মাষ্টৰে কৈছিল—

'আজি মাত্ৰ চিনাকি কৰাবলৈহে আনিছো। এতিয়াও ক্লাছবোৰ ভগাই দিয়া নাই। আজি তহঁতৰ লগত কথাহে পাতিব।'

শিক্ষকজনক শ্ৰেণীকোঠাত থৈ হেড মাষ্টৰ গুচি গৈছিল।

শিক্ষকজনে নিজে আকৌ নিজৰ পৰিচয় দি হাঁহি মাৰি কৈছিল— 'মই গণিতৰ শিক্ষক!'

নিৰ্মলহঁত আচৰিত হৈ গৈছিল। সিহঁত দশম শ্ৰেণী পালে। অত বছৰৰ মূৰত সিহঁতে এই প্ৰথম জানিলে যে গণিতৰ মাষ্টৰেও হাঁহে!

নিজৰ পৰিচয় দি উঠি শিক্ষকজনে ছাত্ৰ-ছাত্ৰীবোৰৰ পৰিচয় ল'বলৈ আৰম্ভ কৰিছিল। অকল নাম-ঠিকনাই নহয়, ছাত্ৰগৰাকীৰ পঢ়াত বাহিৰে আন কিহত ৰাপ আছে তাকো জানিবলৈ চেষ্টা কৰিছিল। সেই পৰিচয় পৰ্ব চলি থাকোঁতেই ঘটনাটো ঘটিছিল—

অফিচৰ কৰ্মচাৰী এজন শ্ৰেণীকোঠালৈ সোমাই আহিছিল। তেওঁৰ লগত ৬ষ্ঠ শ্ৰেণীৰ এজন ল'ৰা। তাৰ হাতত পৰীক্ষাৰ এখন বহী। ল'ৰাজন তলমূৰকৈ থিয় দি আছিল। কৰ্মচাৰীজনে ডেকা শিক্ষকজনৰ ফালে চাই কৈছিল—

'ছাৰ, যোৱা পৰীক্ষাত ই অসমীয়াৰ পৰীক্ষাত যি লিখিছে নহয়! শুনিলে হাঁহিত আপোনাৰ পেটৰ নাড়ি ডাল ডাল হৈ যাব।' ল'ৰাজন লাজতে কোঁচ-মোচ খাই গৈছিল। কৰ্মচাৰীজনে আকৌ আৰম্ভ কৰিছিল—

'অসমীয়াৰ ছাৰে ইয়াক শাস্তি হিচাপে প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগত সি লিখা উত্তৰটো নিজ মুখে পঢ়ি শুনাবলৈ দিছে। ইতিমধ্যে ই ৭ম, ৮ম আৰু ৯ম শ্ৰেণীত পঢ়ি শুনালে। সকলোৰে খুব ৰস পাইছে, এতিয়া ইয়াত পঢ়ি শুনাব।'

নিৰ্মলে দেখিছিল— তাৰ লগৰীয়াসকলৰ মুখত হাঁহিৰ আভা বিয়পি পৰিছে। সকলোৱে হাঁহিবলৈ সাজু হৈছিল। নিৰ্মলে ল'ৰাজনৰ মুখখনলৈ চাইছিল— লাজ, হতাশা আৰু আতংকত তাৰ মুখখন শুকাই গৈছিল। চেৰেঙকৈ তাৰ অসীমলৈ মনত পৰি গৈছিল। এই ল'ৰাজনৰো চাগে অসীমৰ দৰেই দশা হ'ব। ইমান অপমানৰ বোজা ইমান কম বয়সতে বেচেৰাই বব পাৰিবনে? সন্দেহ আৰু ভয়েৰে নিৰ্মলে নতুন শিক্ষকজনৰ ফালে চাইছিল। নিৰ্মলে দেখিছিল— মানুহজনে খুব মৰমেৰে ল'ৰাজনৰ ফালে চাই আছে। কৰ্মচাৰীজনে ভেকাহি মাৰি ল'ৰাজনক আদেশ দিছিল— 'পঢ় আকৌ।'

ল'ৰাজন পঢ়িবলৈ সাজু হৈছিল। শিক্ষকজনে তাক কোমলকৈ সুধিছিল—

'তোমাৰ নাম কি?'

ল'ৰাজনে তলমূৰকৈ থাকিয়েই উত্তৰ দিছিল— 'অতনু।'

'ধুনীয়া নাম।' অলপ ৰৈ তেওঁ আকৌ কৈছিল—

'অতনু, কোৱাচোন পৰীক্ষাৰ প্ৰশ্নটো কি আছিল?'

'তোমাৰ পাঠ্যপুথিৰ যিকোনো এটা সাধু তোমাৰ নিজৰ ভাষাত লিখা।'— অতনুৱে উত্তৰ দিছিল।

'এতিয়া তুমি কি লিখিলা পঢ়াচোন।'

অতনুৱে ইতস্ততঃ কৰিছিল। শিক্ষকজনে কোমলকৈ কৈছিল— 'পঢ়া আকৌ।'

অতনুৱে সি পৰীক্ষাত লিখা উত্তৰটো পঢ়িবলৈ আৰম্ভ কৰিছিল। ল'ৰাজনে গল্পটো সিহঁতে ঘৰত যি ভাষাত কথা পাতে সেইধৰণে লিখিছিল। কথিত ভাষাত লিখা দুটামান বাক্য শুনিয়েই শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীসকল আৰু কৰ্মচাৰীজন হাঁহিত ফাটি পৰিছিল। নিৰ্মলে মন কৰিছিল শিক্ষকজনে হঁহা নাছিল, বৰং তেওঁ গহীন হৈ পৰিছিল।

'নাহাঁহিবা। অতনু— তুমি পঢ়ি যোৱা।'— ল'ৰাবোৰৰ হাঁহি শুনি লাজত থমকি ৰোৱা অতনুক শিক্ষকজনে স্বাভাৱিক সুৰত কৈছিল। সকলোকে হঁহা দেখা পাই লাজ, অপমানত জৰ্জৰিত অতনুৰ দুচকুৰে পানী বৱলৈ আৰম্ভ কৰিছিল। এইবাৰ সি থোকাথুকি মাতেৰে গল্পটো পঢ়িবলৈ ধৰিছিল। শিক্ষকজনে খুব মনযোগেৰে শুনি গৈছিল। তেওঁক গহীন হৈ থকা দেখি সকলো ছাত্ৰ-ছাত্ৰীয়ে নীৰৱে গল্পটো শুনিবলৈ লৈছিল। নিৰ্মলে অনুভৱ কৰিছিল— ৬ষ্ঠ শ্ৰেণীত পঢ়ি অহা এই গল্পটো অতনুৰ মুখত কথিত ভাষাত শুনি সি এটা বেলেগ ৰস পাইছে। আচহুৱা, কিন্তু শুনি ভাল লাগিছিল। কি হৈছে নিৰ্মলে ধৰিব পৰা নাছিল। এসময়ত অতনুৰ গল্প পঢ়া শেষ হৈছিল। শিক্ষকজনে মন্তব্য কৰিছিল—

'খুব ভাল লিখিছা!'

অতনু তেতিয়াও তলমূৰকৈয়ে ৰৈছিল। কথাষাৰ সি বিশ্বাস কৰা নাছিল। নিৰ্মলহঁতৰ শ্ৰেণীটোৱো কোনেও বিশ্বাস কৰা নাছিল। সকলোৱে ভাবিছিল শিক্ষকজনে অতনুক ঠাট্টা কৰিছে। তেওঁ আকৌ কৈছিল—

'সঁচাই কৈছো— খুব ভাল লিখিছা। গল্পটো নিজৰ ভাষাত লিখিবলৈ দিছে। তুমি কিতাপত থকাৰ দৰে মুখস্থ নিলিখি নিজৰ ভাষাত লিখিছা।'

সকলোৱে, আনকি অতনুৱেও অবিশ্বাসৰ দৃষ্টিত নতুন মাষ্টৰজনলৈ চাইছিল। তেওঁ অলপ ৰৈ আকৌ কৈছিল—

'মই হ'লে তোমাক দহৰ ভিতৰত দহ নম্বৰ দিম।'

লাজ, অপমানত জৰ্জৰিত অতনুৱে শিক্ষকজনৰ প্ৰশংসা শুনি হঠাৎ ফেকুৰি ফেকুৰি কান্দিবলৈ ধৰিছিল। নিৰ্মলে দেখিছিল— অতনুৰ মুখলৈ চাই শিক্ষকজনৰ মুখখন অদ্ভুতভাৱে কোমল হৈ উঠিছিল। নিৰ্মলে যেতিয়া কান্দে তাৰ মাক-বাপেকৰ মুখ দুখনো এনে ধৰণেই কোমল হৈ উঠে। নিৰ্মলে দেখিছিল— শিক্ষকজনে অতনুৰ চকুপানীখিনি মচি দিছিল। শিক্ষকেও যে ছাত্ৰৰ চকুপানী মচি দিব পাৰে— সেই দৃশ্য নিৰ্মলহঁতে এই প্ৰথম দেখিছিল। আৰু অতনু গাধটোৱে চকুপানী মচি দিওঁতে দেখোন বেছিকৈহে কান্দিবলৈ ধৰিছিল। আৰু কি হৈছিল জানো— নিৰ্মলৰো দেখোন চকু দুটা—

কৰ্মচাৰীজনে শিক্ষকজনক জনাইছিল— 'অসমীয়াৰ ছাৰে অতনুক শূন্য দিছে।'

শিক্ষকজনে মাত্ৰ কৈছিল— 'মই তেখেতৰ লগত কথা পাতিম।'

তাৰ পিছত তেওঁ সকলোৰে ফালে চাই কৈছিল—

'কইলৈ আকৌ লগ পাম। বহুত কথা পাতিম।'

অতনুৰ হাতত ধৰি লৈ তাৰ লগত কথা পাতি পাতি শিক্ষকজন শ্ৰেণীকোঠাৰ বাহিৰ হৈ গৈছিল। বাক্‌ৰুদ্ধ হৈ সেই দৃশ্য চাই ৰৈছিল নিৰ্মলহঁতে।

সিদিনাৰ সেই ঘটনাটো মনত পেলাই নিৰ্মল এতিয়াও আৱেগিক হৈ উঠিছে। সি অনুভৱ কৰিলে আজিও সিদিনাৰ দৰেই তাৰ চকুদুটা সেমেকি উঠিছে। শিক্ষকৰ এই মৰমখিনিৰ অসীমকো দৰকাৰ আছিল, বৰ দৰকাৰ আছিল। উদাস মনেৰে নিৰ্মলে বাহিৰলৈ চাই থাকিল।

ৰৰষুণজাক বাঢ়ি আহিছে।

১৪.

ৰৰষুণজাক বাঢ়ি আহিছে। এই ৰৰষুণত আৰু শিল ভঙাটো সম্ভৱ নহয়— অসীমে ভাবে। সি গছজোপাৰ তলৰ পৰা উঠিল। তাৰ লগৰীয়াসকল ৰৰষুণ অলপ বাঢ়ি আহোঁতেই গুচি গৈছিল। ৰৈ গৈছিল অকল সি। ঘৰলৈ গৈনো কি কৰিব সি? ঘৰত অকণো ভাল নালাগে তাৰ। ঘৰখনত বৰ অদ্ভুত পৰিৱেশ। কোনেও কাৰো লগত আজিকালি ভালকৈ কথাই নাপাতে। দেউতাকক মদ খোৱাৰ বাবে মূৰ খুৰাই গোটেই গাঁওখন শোভাযাত্ৰা কৰি ঘূৰোৱাৰ পিছত ঘৰখন বহুত সলনি হৈ গ'ল। বাপেকে আজিকালি বৰ বিশেষ দৰকাৰ নহ'লৈ ঘৰত কাৰো লগত কথাই নকয়। মাকেও নীৰৱে ঘৰৰ কামবোৰ কৰি যায়। অসীমেও কাৰো লগত কথা পতাৰ উৎসাহ অনুভৱ নকৰে। ঘৰখনৰ পৰিৱেশটো হাস্পতালৰ ৰোগীৰ কোঠাৰ পৰিৱেশটোৰ দৰে হৈ পৰিছে— দেখাত খুব শান্ত, নীৰৱ; আচলতে কিন্তু খুব উদ্বিগ্নতাময়। এই পৰিৱেশটোত আটাইতকৈ বেছি কষ্ট পাইছে আজলীয়ে। তাই স্ফূৰ্তি-তামাচা কৰি চিঞৰ-বাখৰ কৰি থাকিবলৈ ভাল পায়। গহীন গহীন মুখবোৰ দেখি বাধ্য হৈ তায়ো গহীন হৈ থাকিব লগা হৈছে। তাইৰ বৰ কষ্ট হৈছে। আজলীক কেতিয়াবা তাৰ আন্ধাৰৰ চেঁচুকত গজা গছৰ পুলি যেন লাগে। আন্ধাৰ চেঁচুকত গজা গছৰ পুলিয়ে সূৰ্যৰ পোহৰ আৰু উত্তাপ বিচাৰি মুকলিৰ ফালে ভাঁজ লয়। গছজোপাৰ শৰীৰটো আৰু সৰল হৈ নাথাকে। আজলীৰ জীৱনটোও সৰল হৈ নাথাকিব? পোহৰ বিচাৰি, অকণমান উত্তাপ বিচাৰি

তায়ো আনফালে বাট পোনাব নেকি? সি নিজেও কি আন্ধাব চেঁচুকৰ গছপুলি?

আৰু বাপেক? বাপেকো আন্ধাৰ চেঁচুকৰ এজোপা গছ? পোহৰ নাপাই, উত্তাপ নাপাই, আনকি পোহৰ-উত্তাপৰ পথো বিচাৰি নাপাই ক্ৰমে ক্ৰমে ধ্বংস হৈ গৈ থকা এজোপা গছ? বাপেকৰ জীৱনৰ আন্ধাৰখিনি কি? সেই আন্ধাৰখিনি আঁতৰাবলৈ বাপেকে কিবা চেষ্টা কৰিছিলনে? নাজানে, অসীমে একো নাজানে।

বাপেকৰ সৈতে অসীমৰ দূৰত্ব বাঢ়ি গৈ আছিল। এটা নিৰ্দিষ্ট দূৰত্বত থকালৈকে কাৰোবাৰ প্ৰতি মৰম, ভালপোৱা অনুভৱ কৰিব পাৰি। আনকি খং, ৰাগ, বিতৃষ্ণা অনুভৱ কৰিবৰ বাবেও চাগৈ এটা নিৰ্দিষ্ট দূৰত্বৰ ভিতৰত থাকিব লাগে। কোনোবাজন এটা দূৰত্বৰ বাহিৰলৈ গুচি গ'লে মানুহে কিজানি সেইজনক আনকি খং, ৰাগো কৰিব নোৱাৰা হয়। বাপেকৰ প্ৰতি অসীমৰ সকলো অনুভৱেই নোহোৱা হৈ গৈছিল চাগৈ। কিন্তু অসীমে সিদিনা দেখিছিল— ঘৰত দুৰ্দান্ত প্ৰতাপ দেখুওৱা মানুহজন কেনেকৈ গাঁৱৰ মানুহৰ ওচৰত লেউসেউ হৈ পৰিছিল। মাক, অসীম আৰু আজলীক অত্যাচাৰ কৰা মানুহজন অসহায় হৈ, নিৰ্বাক হৈ আঁঠু কাঢ়ি ৰৈছিল বকুলজোপাৰ তলত। আৰু যেতিয়া তাৰ বাপেকৰ চকুৰে চকু পৰিছিল— কেইছেকেণ্ডমানৰ সেই সময়খিনিতে বাপেকৰ চকু দুটাত সি দেখিছিল অবৰ্ণনীয় অপমান আৰু লজ্জাৰ ছবি। হঠাৎ এক বিদ্যুৎ স্পৰ্শৰ দৰে অসীমে বাপেকৰ প্ৰতি অনুভৱ কৰিছিল অপাৰ কৰুণা।

প্ৰচণ্ড মানসিক অত্যাচাৰ আৰু শাৰীৰিক নিৰ্যাতনত ক্লান্ত-বিধ্বস্ত মানুহজনে সেইদিনা ৰাতি দোভাগত ঘৰ পাইছিলহি। ঘৰৰ কেঁচা কাঁথিখনত ওৰে ৰাতি মৃতৰ দৰে পৰি ৰৈছিল। মুখৰ সামান্য শব্দ বা শৰীৰৰ সামান্য লৰচৰেৰেও নিজৰ উপস্থিতি তেওঁ আনক জনাব খোজা নাছিল। তাৰ পিছতো তিনিদিন ধৰি বাপেকে ঘৰৰ চুক-কোণত কুঁচি-মুচি পৰি থাকিছিল। একোকে মুখত দিয়া নাছিল। মাতাল হৈ ঘৰলৈ ওভতা মানুহজনেও ৰাইজৰ শাস্তিত ভীষণভাৱে লজ্জিত হৈছিল। দৈনন্দিন সুৰাপান কৰি ঘৰত অশান্তি কৰা মানুহজনৰ ভিতৰত কিজানি অকণমান হ'লেও লাজ অৱশিষ্ট আছিলগৈ। ৰাইজৰ শাস্তিয়ে সেই অৱশিষ্ট লাজখিনিত আঘাত কৰিছিল। তিনিদিন নিশ্চুপ হৈ, ম্ৰিয়মাণ হৈ থকাৰ পিছত মানুহজনে সমস্ত লজ্জাবোধৰ পৰা মুক্তি পাইছিল। আৰু তিনিদিনৰ মূৰত মানুহজন ঘৰৰ পৰা ওলাই গৈছিল। দিন-দুপৰতে ডিঙিলৈকে মদ এসোপা ভৰাই বাপেকে চিঞৰি চিঞৰি অশ্লীল ভাষাত গাঁৱৰ মানুহক গালি পাৰি পাৰি ঘৰলৈ উভতিছিল। মানুহজনৰ চকু-মুখত অলপো লাজৰ ভাব নাছিল। আছিল জেদ— প্ৰচণ্ড, প্ৰচণ্ড জেদ। প্ৰচণ্ড জেদত মানুহজনৰ মুখখন অদ্ভুত ধৰণেৰে কঠোৰ হৈ পৰিছিল।

অসীমহঁতৰ ঘৰৰ সমস্যা বাঢ়ি গৈছিল। আগতে বাপেকে ৰাতি মদ খাইছিল।

এতিয়া দিনে-ৰাতিয়ে ২৪ ঘণ্টাই মানুহজন মাতাল হৈ থাকে। অক্ষম ক্ৰোধত গুজৰি-গুমৰি মৰে। প্ৰতিশোধ ল'ব নোৱাৰি অসীমৰ মাককে অত্যাচাৰ কৰে। গাৰ বিষ, কঁকালৰ বিষত ওৰে ৰাতি মানুহজনী কেঁকাই থাকে। আৰু যেন এটা দূৰত্বৰ পৰা নিৰাবেগ-নিৰুদ্বিগ্ন হৈ অসীমে দৃশ্যবোৰ দেখি থাকে। দেখি থাকে। কি হয়, কিয় হয় অসীমে নাজানে— ঘৰত অশান্তি বেছি হ'লে শিল ভাঙোতে তাৰ হাতুৰীৰ কোববোৰ ঘনকৈ পৰে, জোৰকৈ পৰে— ভঙা শিলৰ দ'মটো আনদিনতকৈ খৰত ওখ হৈ গৈ থাকে— গৈ থাকে—

হঠাৎ জংঘলৰ মাজেৰে কোনোবা দৌৰি অহাৰ দৰে এটা শব্দত চঁক্ খাই উঠিল অসীম। অসীমে দেখিলে এটা প্ৰকাণ্ড শিল পাহাৰৰ বুকুৰ পৰা খহি জংঘলৰ মাজেৰে প্ৰচণ্ড বেগেৰে ওপৰৰ পৰা নামি আহিব লাগিছে। নামি আহোঁতে শিলটোৱে বাটত সৰু-মজলীয়া আকাৰৰ গছবোৰ মহটিয়াই পেলাইছে। গছবোৰত থকা চৰাইৰ বাহবোৰ হয়তো ভাগি গৈছে। সেইবাবেই আতংকত চিঞৰি চিঞৰি এজাক চৰাই উৰিব লাগিছে। ধাৰাসাৰে পৰি থকা বৰষুণৰ বাবে সিহঁতে ভালকৈ উৰিবও পৰা নাই। প্ৰকাণ্ড শিলটো পাহাৰৰ নামনিত আহি স্থিৰ হৈ ৰ'ল। যেন মাকৰ বুকুৰ পৰা বিচ্ছিন্ন হৈ ছট্‌ফটাই ছট্‌ফটাই এসময়ত নিশ্চল হৈ যোৱা সন্তানৰ মৃতদেহ। অসীমে পাহাৰখনৰ ফালে চালে। তাৰ চকুৰ আগতে পাহাৰখন বহুত সলনি হৈ গ'ল। সি যেতিয়া সৰু আছিল, বাপেকে তাক প্ৰায়েই পাহাৰখনৰ নামনিলৈ ফুৰাবলৈ আনিছিল। শিল আৰু গছ-গছনিৰে পাহাৰখন ভৰি আছিল। ৰাতি ৰাতি হেনো মানুহে পাহাৰত বাঘৰ গোঁজৰণিও শুনিছিল। সেই ভৰুণ সেউজীয়া পাহাৰখন এতিয়া খালী হৈ পৰিল। গছ-গছনি কমি গ'ল। শিল কমি কমি পাহাৰখনৰ ঠায়ে ঠায়ে খোৰোং একোটাৰ সৃষ্টি হ'ল। সেইবাবে বৰষুণ আহিলে, পাহাৰৰ মাটিবোৰ ঢিলা হ'লে খোৰোঙৰ ওপৰত ওলমি থকা শিল একোটা বান্ধ হেৰুৱাই তললৈ খহি পৰে। অসীমে পাহাৰৰ নামনিৰ ৰাস্তাটোলৈ চালে। পাহাৰৰ পৰা নামি অহা ৰঙা মাটি মিহলি বৰষুণৰ পানীয়ে ৰাস্তাটো ৰঙাকৈ দৌৰাই পেলাইছে। যেন পাহাৰখনে তেজ-বমি কৰিছে। পাহাৰখনৰ অসুখ হৈছে নেকি? অসুখ?

অসীমৰ মাক-বাপেকৰ বুকু দুখনো মৰম আৰু হাঁহি-স্ফূৰ্তিৰে ভৰি আছিল। যেন সেউজীয়া, ভৰা পাহাৰ একোখন। সেই পাহাৰবো বান্ধ দুৰ্বল হ'ল। খহনীয়া হ'ল— মৰম আৰু হাঁহিবোৰ বুকুৰ পৰা অলপ অলপকৈ খহি খহি পৰিল— আৰু সময়ত খালী হৈ গ'ল— উকা হৈ গ'ল। মাক-বাপেকৰো অসুখ হৈছে? কি সেই অসুখ?

গছজোপাৰ তলৰ পৰা অসীম ওলাই আহিল। ধাৰাসাৰ বৰষুণজাকৰ মাজেৰে সি

খহি পৰা শিলটোৰ ওচৰলৈ আগবাঢ়িল। শিলটোৰ গাত সি মৰমেৰে আলফুলে হাত বোলাই দিলে। লাহে লাহে তাৰ এনেকুৱা লাগিবলৈ ধৰিলে— শিলটো যেন আজলী, শিলটো যেন সি নিজেই; পাহাৰখন যেন তাৰ বাপেক; আৰু নিৰাশ্ৰয় হৈ যেনিয়ে-তেনিয়ে অস্থিৰভাৱে উৰি ফুৰা চৰাইবোৰ যেন সিহঁতৰ হেৰাই যোৱা উচ্ছল হাঁহিবোৰ, মৰমবোৰ—

এখন পাহাৰৰ নামনিৰ নিৰ্জনতাত ধাৰাসাৰ বৰষুণ এজাকত তিতি থাকিল অসীম। অকলশৰে।

১৫.

নিৰ্মলে খিৰিকীখনেৰে দেখিলে বৰষুণত ভিজি ভিজি কোনোবা এজন সিহঁতৰ পদূলিৰে সোমাই আহিছে। হয়, হয়— সেয়া অসীম— অসীম আহিছে সিহঁতৰ ঘৰলৈ। বৰষুণত ভিজি ভিজি সিহঁতৰ চোতালত ভৰি থৈছে অসীমে। আনন্দ আৰু আৱেগত 'অসীম' বুলি চিএঞৰ এটা মাৰি নিৰ্মল একে জাঁপে বিছনাৰ পৰা নামিল আৰু দৌৰি গৈ বাৰাণ্ডাত উপস্থিত হ'ল।

'আহ আহ— বাৰাণ্ডাত উঠ— এনেকৈ বৰষুণত ভিজি আছ কিয়?'— একে উশাহতে নিৰ্মলে ক'লে।

অসীম লাহেকৈ নীৰৱে বাৰাণ্ডাত উঠিল। অসীমক ভালকৈ লক্ষ্য কৰি নিৰ্মল চক খাই উঠিল। অসীমক এবাৰ লগ পোৱাৰ আনন্দ, আৱেগ, উৎসাহ সকলো যেন জঁই পৰি গ'ল নিমিষতে। অসীমৰ গাৰ চোলা-পেণ্ট, মূৰৰ চুলি ভিজি গাত লিপিটি খাই পৰিছে। তাৰ চকু দুটা গাঁতলৈ সোমাই গৈছে। খুব খীণাইছে অসীম। দেখিলে এনেকুৱা লাগে যেন সি বহুদিন ধৰি খুব ডাঙৰ বেমাৰ এটাত ভুগি আছে। দেখাত, বয়সত যেন অসীম নিৰ্মলতকৈ বহুত ডাঙৰ, তেনেকুৱা লাগিল নিৰ্মলৰ। এইজন অসীম তাৰ অচিনাকি। স্কুলত লগ পোৱা অসীমজন এইজন নহয়। তিনি মাহতে অসীম বহুত সলনি হৈ গ'ল। অবাক হৈ নিৰ্মলে অসীমৰ ফালে চাই থাকিল একেথিৰে। অসীমৰ বৰ অস্বস্তি লাগিল। সেমেকা হাঁহি এটা মাৰি সি সুধিলে—

'কি চাইছ ইমানকৈ?'

থত্‌মত্ খাই নিৰ্মলে ক'লে—

'ব'ল ভিতৰলৈ।'

'নালাগে দে। ৰুমটো নষ্ট হৈ যাব। গোটেই গাটো পানীত ভিজি আছে।'

নিৰ্মলে বাৰাণ্ডাৰ ৰছীত থকা গামোচা এখন অসীমলৈ আগবঢ়াই দিলে। অসীমে

নল'লে। মাথোঁ ক'লে—

'নালাগে দে। নিজেই শুকাব।'

দুয়োটা নীৰৱ হৈ পৰিল। বৰষুণ কমা নাই। বতাহো বৈ আছে। কি ক'ব নিৰ্মলে? বহুত কথা ক'বলৈ আছে। বহুত কথা সুধিবলৈ আছে। কিন্তু একো কথাই তাৰ মুখেৰে নোলোৱা হৈছে। অস্বস্তি কমাবলৈকেই সি সুধিলে—

'কিয় আহিলি কচোন?'

অসীমে একো উত্তৰ দিব নোৱাৰিলে। সি কিয় আহিছে নিৰ্মলৰ ওচৰলৈ? নিৰ্মলক লগ পালে তাৰ মনটো ভাল লাগে বাবে? নিৰ্মলক লগ পালে তাৰ স্কুলৰ দিনবোৰ ঘূৰাই পোৱা যেন লাগে বাবে?

'তোৰ পঢ়া-শুনা কেনে চলিছে?'

অসীমৰ প্ৰশ্নটো শুনি নিৰ্মলৰ বুকুখনত যেন বিৰাট হাহাকাৰৰ সৃষ্টি হ'ল। তাৰ চকুদুটা জ্বলা-পোৰা কৰিবলৈ ধৰিলে।

'ভাল ৰিজাল্ট কৰিবি বুলি গাঁৱৰ সকলোৰে তোৰ ওপৰত বৰ আশা।'— অলপ বৈ তলমূৰকৈ থাকি অসীমে ক'লে—

'মোৰো।'

নিৰ্মলৰ চকু দুটা পানীৰে ভৰি পৰিল। অসীমৰ ওচৰত ধৰা নপৰিবলৈ বেলেগ ফালে চাই নিৰ্মলে ক'লে—

'নতুন ছাৰ এজন আহিছে।'

খবৰটোত নিৰ্মলে অসীমৰ একো উৎসাহ নেদেখিলে। সি আকৌ ক'লে—

'নতুন ছাৰ বহুত বেলেগ। আমাক সকলোকে বহুত মৰম কৰে।'

নিৰ্মলে আচৰিত হৈ দেখিলে— অসীমৰ মুখখন যেন কষ্টত বিকৃত হৈ পৰিছে, ওঁঠ দুটা সামান্য কঁপি উঠিছে। সি উচুপিচাবলৈ ধৰিছে, অস্থিৰ হৈছে। অলপ পিছত নিৰ্মলে আৰু দেখিলে— অসীমৰ দুগালেদি পানী বৈ আহিছে। চকুৰ পানী নে বৰষুণৰ পানী নিৰ্মলে গম নাপালে। অসীম বৰষুণত ভিজি আহিছে। নিৰ্মলৰো দুগালেদি পানী বৈ আহিছে। সেয়া চকুৰ পানী। খাটাং। নিৰ্মল বৰষুণত ভিজা নাই। অসীমে দেখিলে গম পাই যাব।

অসীমে আচৰিত হৈ দেখিলে— নিৰ্মল বাৰাণ্ডাৰ পৰা চোতালত নামিছে। আৰু সৰু ল'ৰা এটাৰ দৰে দুহাত মেলি বৰষুণত ভিজিব ধৰিছে। নিৰ্মলৰ আকৌ বৰষুণত ভিজিবলৈ হ'ল কি? '

অবাক হৈ সেই দৃশ্য চাই থাকিল অসীমে।

১৬.

অসীমে বৰষুণত ভিজি ভিজিয়ে ঘৰলৈ আগবাঢ়িল। অসীমহঁতে ছাতি কোনোদিন লৈ পোৱা নাই। অৱশ্যে ছাতি সিহঁতৰ নায়ো। প্ৰয়োজনৰ সময়ত ডাঙৰ কচুপাতেই সিহঁতৰ ছাটি হৈ পৰে। আজি অসীমৰ কচুপাত এটাও মূৰত ল'বলৈ মন যোৱা নাই। দবাপিটা বৰষুণজাকত সি বহুত ভিজিলে। কি জানো হৈছে তাৰ?— বৰষুণজাকত দেখোন ভিজিয়েই থাকিবৰ মন গৈছে, ভিজিয়েই থাকিবৰ মন গৈছে। এনেকৈয়ে যেন তাৰ অস্থিৰ, অশান্ত মনটো অলপ শাঁত পৰিছে।

ওলোটা ফালৰ পৰা যে মহেন্দ্ৰ মাষ্টৰ আহি আছিল অসীমৰ খেয়ালেই নাছিল। অৱশ্যে বৰষুণৰ বাবেও দূৰৰ ছবিবোৰ অস্পষ্ট হৈ পৰিছিল। অসীম মহেন্দ্ৰ মাষ্টৰৰ মুখামুখি হৈ গ'ল। বাধ্য হৈ অসীম ৰ'ব লগা হ'ল। সি বৰ অস্বস্তি পাবলৈ ধৰিলে। কৰ্কশ মাত এটাৰে মহেন্দ্ৰ মাষ্টৰে ক'লে—

'গৰুৰ দৰে এনেকৈ ৰাস্তাই ৰাস্তাই ভিজি মৰিছ কিয়?'

কথাখিনি কওঁতে মহেন্দ্ৰ মাষ্টৰে আঁৰ চকুৰে অসীমৰ বাঁও হাতখনৰ ফালে চালে। অসীমে গম নাপালে। সি তলমূৰকৈ আছে। মহেন্দ্ৰ মাষ্টৰে দেখিলে বুঢ়া আঙুলিটো ভাল হৈছে যদিও দাগ এটা ৰৈ গৈছে।

অসীমৰ অস্বস্তি লাগিছিল। ভীষণ অস্বস্তি। লাজো লাগিছিল খুব। হয়তো তিনি মাহৰ আগৰ ঘটনাটোত তাৰ আঙুলি ফাটি তেজ নোলোৱাহেঁতেন সি ইমান অস্বস্তি নাপালেহেঁতেন।

এ-হ— এয়াতো স্কুল নহয়, মহেন্দ্ৰ মাষ্টৰৰ আগত ৰৈ থাকিবলৈ। অসীমে এটা সিদ্ধান্ত ল'লে আৰু হঠাতে সি দৌৰিবলৈ আৰম্ভ কৰিলে। মহেন্দ্ৰ মাষ্টৰ হতভম্ব হৈ গ'ল। আৰু চাই থাকোঁতেই সি বহুদূৰ পালেগৈ। সম্বিৎ ঘূৰাই পাই সোঁহাতখন ওপৰলৈ তুলি মহেন্দ্ৰ মাষ্টৰে চিঞৰিলে—

'পিছল খাই পৰি যাবি গাধ!'

কথাষাৰ সি শুনা পালেনে নাই মহেন্দ্ৰ মাষ্টৰ নিশ্চিত নহ'ল। মেঘৰ গাজনি এটাই ঢাকি ধৰিছিল মাষ্টৰৰ চিঞৰ।

১৭.

অনুভৱে.বৰ অস্বস্তি পালে। নতুন স্কুলত যোগদান কৰাৰ এসপ্তাহৰ ভিতৰতে যে এনেকুৱা পৰিস্থিতিত সোমাই পৰিব লগা হ'ব সেই কথা তেওঁ কল্পনাও কৰা নাছিল।

তেওঁৰ অতনু বোলা ল'ৰাজনৰ মুখখন দেখি তালৈ বৰ মায়া উপজিছিল। অতনুৰ মুখখনত ফুটি উঠা লাজ, অপমান আৰু আতংকৰ ছায়া দেখি ল'ৰাজনক অলপমান সকাহ দিবলৈ তেওঁৰ বৰ মন গৈছিল। কিন্তু তাকে কৰিবলৈ যাওঁতে তেওঁতকৈ জ্যেষ্ঠ শিক্ষক এজনক অপদস্থ কৰাৰ তিলমানো অভিসন্ধি তেওঁৰ নাছিল। অৱশ্যে তেওঁ প্ৰশান্ত মাষ্টৰে অতনুক দিয়া শাস্তিখিনি মানি ল'ব পৰা নাছিল। আনকি অতনুক প্ৰশ্নটোত শূন্য নম্বৰ দিয়া কথাটোও তেওঁ সমৰ্থন কৰিব নোৱাৰে। কথাখিনি তেওঁ মনৰ ভিতৰত কোনো মলিনতা নৰখাকৈয়ে প্ৰশান্ত মাষ্টৰক ক'বলৈ ওলাইছিল। কিন্তু প্ৰশান্ত মাষ্টৰে কথাখিনি আলোচনা কৰাৰ বা শুনাৰ কোনো আগ্ৰহ নেদেখুৱালে। বৰং তেওঁৰ মুখখনত ফুটি উঠিল এক ধৰণৰ অস্বস্তি আৰু কঠোৰতাৰ ছাপ। তেওঁ সম্ভৱতঃ অতনুক শ্ৰেণীকোঠাবোৰলৈ লৈ যোৱা কৰ্মচাৰীজনৰ পৰাই কথাবোৰ জানি লোৱাটো ভাল বুলি ভাবিলে। কৰ্মচাৰীজনে ঘটনাটো কেনেকৈ বৰ্ণনা কৰিলে কোনে জানে? অৱশ্যে মুকলি মনেৰে গ্ৰহণ কৰিব নোৱাৰিলে যি ঘটিছে সঁচাসঁচিকৈ সেইখিনিকে জানিলেও প্ৰশান্ত মাষ্টৰে অস্বস্তি পোৱাটো অস্বাভাৱিক নহয়।

সম্ভৱতঃ ভিতৰি ভিতৰি কথাটো বৰ গহীন হৈ গৈছে। অলপ আগতে স্কুলখনৰ হেড মাষ্টৰ সনাতন পণ্ডিতে অনুভৱক স্কুল ছুটীৰ পিছত অলপ ৰ'বলৈ কৈছে। কিবা জৰুৰী আলোচনা থকা বুলি তেওঁক কৈছে। তাৰ আগতে মহেন্দ্ৰ মাষ্টৰে অকলে পাই অনুভৱক সুধিছিল— 'শনিবাৰে তোমাৰ ক্লাছত কি হৈছিল?'

অনুভৱে ঘটনাটো কৈছিল। মহেন্দ্ৰ মাষ্টৰে দুই-এটা আনুষংগিক প্ৰশ্ন সুধি মনোযোগেৰে কথাবোৰ শুনিছিল। তাৰ পিছত কোনো মন্তব্য নিদিয়াকৈ গহীন মুখেৰে আঁতৰি গৈছিল। অনুভৱে বুজি পাইছিল— মহেন্দ্ৰ মাষ্টৰে অকলশৰীয়াকৈ লগ ধৰি প্ৰশান্ত মাষ্টৰ আৰু কৰ্মচাৰীজনৰ পৰাও কথাখিনি শুনি ল'ব বা ইতিমধ্যে লৈছেই। মহেন্দ্ৰ মাষ্টৰক স্কুলৰ শিক্ষকসকলে শ্ৰদ্ধা কৰে, সমীহো কৰে। গাঁৱৰ মানুহবিলাকেও তেওঁক খুব ভক্তি কৰে। গণিতৰ শিক্ষক হিচাপে অঞ্চলটোত তেওঁৰ নাম আছে। সনাতন হেড মাষ্টৰেও তেওঁক খুব বিশ্বাস কৰে। বহু সিদ্ধান্ত মহেন্দ্ৰ মাষ্টৰৰ পৰামৰ্শতেই তেওঁ লয়। হয়তো হেড মাষ্টৰেই তেওঁক ঘটনাটোৰ অনুসন্ধানৰ দায়িত্ব দিছে। কথাটো তেওঁৰ ভালৰ বাবে হ'লনে বেয়াৰ বাবে হ'ল অনুভৱে ঠিক ধৰিব নোৱাৰিলে।

মহেন্দ্ৰ মাষ্টৰে অনুভৱক ভাল পায়। এই নতুন স্কুলখনত যোগদান কৰোঁতে ভাড়া ঘৰ বিচৰাৰ পৰা আৰম্ভ কৰি অনেক কামত তেওঁক মহেন্দ্ৰ মাষ্টৰে বহু সহায় কৰিছে। কিন্তু মহেন্দ্ৰ মাষ্টৰ এজন অত্যন্ত কঠোৰ আৰু নিয়মানুৱৰ্তী শিক্ষক। মহেন্দ্ৰ মাষ্টৰক প্ৰথম লগ পোৱাৰ দিনাৰ সেই দৃশ্যৰ কথা অনুভৱে কেনেকৈ পাহৰিব! মহেন্দ্ৰ মাষ্টৰক

ছাত্ৰ-ছাত্ৰীসকলে যিমান ভাল পায় তাতকৈ বেছি ভয় কৰে। অংক নোৱাৰিলে বা নিয়ম-অনুশাসন মানি নচলিলে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ শাস্তি প্ৰদান কৰে। গতিকে এই ঘটনাটোত মহেন্দ্ৰ মাষ্টৰে যে প্ৰশান্ত মাষ্টৰৰ সপক্ষেই ক'ব সেয়া প্ৰায় খাটাং। মহেন্দ্ৰ মাষ্টৰ কিয়, স্কুলখনৰ দহজন শিক্ষকৰ সকলোৱে যে অনুভৱৰ বিপক্ষেই মত দিব সেয়া নিশ্চিত। স্কুলখনত অনুভৱ নতুন। তেওঁ সকলোৰে লগত নতুনকৈ সম্পৰ্ক গঢ়িহে আছে। মাত্ৰ এসপ্তাহ হৈছে স্কুলখনলৈ অহাৰ। সম্পৰ্কবোৰ বন্ধুত্বৰ গভীৰতালৈ যাবলৈ এতিয়াও বহুত বাকী।

স্কুলখনত অনুভৱ এতিয়াও যেন এজন বহিৰাগত। হয়তো আজি স্কুল ছুটীৰ পিছৰ মিটিংখনৰ পিছত তেওঁ আৰু বেছি দূৰলৈ আঁতৰি পৰিব। এক ধৰণৰ হতাশাৰে তেওঁৰ মনটো ভৰি পৰিবলৈ ধৰিলে।

কথাটো আচলতে প্ৰশান্তৰ বিজয় নে অনুভৱৰ বিজয়— সেয়াও নহয়। এয়া আচলতে শিক্ষাদানৰ দুটা প্ৰক্ৰিয়াৰ সংঘাত। প্ৰশান্ত আৰু অনুভৱৰ ৰূপত শিক্ষা ব্যৱস্থাৰ দুটা চিন্তাধাৰাৰ সংঘাত হৈছে। প্ৰশান্ত মাষ্টৰে মোটামুটিভাৱে স্কুলখনত চলি থকা শিক্ষা ব্যৱস্থাটোক প্ৰতিফলিত কৰিছে। হয়তো আমাৰ সামগ্ৰিক শিক্ষা ব্যৱস্থাৰো সেয়া প্ৰতিফলন। অনুভৱে সেই শিক্ষা ব্যৱস্থাটোক কিজানি প্ৰত্যাহ্বান জনাইছে। তেওঁ শিক্ষা ব্যৱস্থা সম্পৰ্কে কিছু চিন্তা-ভাৱনা কৰে— আৰু তেওঁ শংকিত হয়। শিক্ষা সম্পৰ্কে তেওঁৰ কিছু নিজস্ব ধাৰণা আছে। তেওঁৰ সেই ধাৰণাবোৰো আনৰ চিন্তাৰ সৈতে সংঘাতলৈ অহাটো বিচাৰে। চিন্তাৰ সংঘৰ্ষ। সংঘাতেৰে তেওঁ নিজৰ ধাৰণাখিনি সংশোধন কৰি ল'ব বিচাৰে, আৰু বেছি পৰিষ্কাৰ কৰি ল'ব বিচাৰে। মিটিংখনত সকলো শিক্ষকেই থাকিব যেতিয়া হয়তো শিক্ষাদান সম্পৰ্কত আজিৰ মিটিঙত প্ৰতিষ্ঠিত ধাৰণাটোৰেই লাহে লাহে সকলোৱে গ্ৰহণ কৰিবলৈ ল'ব। মিটিংখন প্ৰশান্ত মাষ্টৰ আৰু অনুভৱৰ বাবে যিমান দৰকাৰী, স্কুলখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে, আনকি ভৱিষ্যতলৈ চামে চামে আহি থাকিব লগা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তাতকৈও বেছি দৰকাৰী। যিয়ে যিমানেই চেষ্টা নকৰক অনুভৱে কাজিয়াখন কেতিয়াও ব্যক্তিগত পৰ্যায়লৈ নমাই নিনিয়ে। নিজৰ চিন্তাবোৰ, ধাৰণাবোৰ তেওঁ অকপটভাৱে সকলোৰে সন্মুখত দাঙি ধৰিব। সততাৰে দাঙি ধৰিব। আন্তৰিকতাৰে দাঙি ধৰিব। সকলোৱে অন্ততঃ কথাবোৰ ভাবি চাব। সেয়াই হ'ব তেওঁৰ এক ধৰণৰ প্ৰাপ্তি। শিক্ষা ব্যৱস্থা সম্পৰ্কে তেওঁৰ মনৰ মাজত উক্মুকাই থকা কথাবোৰ, তেওঁক কষ্ট দি থকা কথাবোৰ, তেওঁক উদ্বিগ্ন কৰি ৰখা কথাবোৰ তেওঁ আজি সহকৰ্মীসকলক ক'ব। অন্ততঃ সকলোৱেতো শুনিব! তাৰ পিছত যি হয় হ'ব। ভাবি থাকি লাভ কি?

অনুভৱৰ গধুৰ হৈ থকা মনটো লাহে লাহে পাতল হৈ আহিল।

১৮.

স্কুল ছুটীৰ পিছত কমন ৰুমত এজন-দুজনকৈ সকলো শিক্ষক গোট খালে। সকলোৰে মুখবোৰ গহীন। কাৰো মুখত কথা নাই। অনুভৱৰ লগত কোনোবা শিক্ষকৰ চকুৱে চকুৱে পৰিলে শিক্ষকজনে হয় মুখখন ঘূৰাইছে নহ'লে হাঁহিবলৈ চেষ্টা কৰিছে। মনবোৰ ফৰকাল নহয় বাবে হাঁহিবোৰে মুখবোৰ পোহৰাব পৰা নাই। অনুভৱে বুজি পালে যে কথাবোৰ ইতিমধ্যে সকলোৱে গম পাইছে। কমন ৰুমটোত আগেয়ে নেদেখা অসহজ নীৰৱতা বিৰাজ কৰিছে।

সনাতন হেড মাষ্টৰে সকলোৰে ফালে চাই আৰম্ভ কৰিলে—

'আমাৰ প্ৰশান্তই আমাৰ অনুভৱৰ কিবা এটা কথাত অলপ বেয়া পাই মোৰ ওচৰত সৰুকৈ আপত্তি দৰ্শাইছে। মই ভাবিলো যে আমি সকলোৱে লগ হৈ কথাখিনি পাতো—'

অনুভৱে বুজি পালে হেড মাষ্টৰে কথাবোৰ সহজ কৰিবলৈ চেষ্টা কৰিছে। হেড মাষ্টৰে অলপ বৈ পুনৰ ক'লে—

'প্ৰথমে প্ৰশান্তই কওক তেওঁনো আমাৰ নতুন শিক্ষকজনক কি কথাত বেয়া পালে।'

প্ৰশান্ত মাষ্টৰ কথা ক'বলৈ থিয় দিলে। অনুভৱে মন কৰিলে— প্ৰশান্ত মাষ্টৰৰ নাকৰ পাহিদুটা বাৰে বাৰে ফুলি উঠিছে। খংটো হয়তো উজাই আহিছে। অপমানৰ ছায়া এটায়ো তেওঁৰ মুখখন বিবৰ্ণ কৰি তুলিছে। কথাবোৰ সকলোৱে জানে। তথাপি প্ৰশান্ত মাষ্টৰে কথাখিনি সনাতন হেড মাষ্টৰৰ নিৰ্দেশ মতে আকৌ এবাৰ বৰ্ণনা কৰিলে। তেওঁৰ কথাখিনি স্পষ্ট আৰু সংক্ষিপ্ত— অতনু নামৰ ক্লাছ ছিক্সৰ ল'ৰা এজনে পৰীক্ষাত সাধু এটা গাঁৱৰ কথিত ভাষাত লিখিছিল। প্ৰশান্ত মাষ্টৰে তাক শূন্য নম্বৰ দিছিল। এনে অদ্ভুত উত্তৰ লিখাৰ শাস্তি হিচাপে তেওঁ অতনুক পৰহি অৰ্থাৎ শনিবাৰে ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ প্ৰতিটো শ্ৰেণীতে ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত তাৰ উত্তৰটো পাঠ কৰিবলৈ দিছিল। অতনুৱে যেতিয়া দশম শ্ৰেণীত সোমাইছিল— তেতিয়া তাত আছিল এই নতুন শিক্ষকজন। তেওঁ হেনো সকলোৰে সন্মুখত অতনুক প্ৰশংসা কৰি ক'লে যে অতনুৱে খুব ভাল লিখিছে। তেওঁ হেনো অতনুক দহৰ ভিতৰত দহ নম্বৰেই দিলেহেঁতেন। শেষত প্ৰশান্ত মাষ্টৰে ক'লে— 'এনে ধৰণেৰে আচৰণ কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ আগত মোক অপদস্থ কৰিছে। তেওঁ এনেকুৱা দেখুৱাইছে যে শিক্ষক হিচাপে তেওঁ মোতকৈ বহুত ওপৰত। মই একো নাজানো। বুৰ্বক!' খঙত প্ৰশান্ত মাষ্টৰৰ মাতটো ডাঙৰকৈ ওলাল। তেওঁ ফোঁপাবলৈ ধৰিছে।

'মই লাজ পাইছো। ভীষণ লাজ পাইছো।'— কথা সামৰি প্ৰশান্ত মাষ্টৰ বহিল।

সনাতন মাষ্টৰে অনুভৱলৈ চাই সুধিলে—

'প্ৰশান্তই কোৱা কথাখিনি সঁচা?'

'সঁচা। সম্পূৰ্ণ সঁচা।'— অনুভৱে কোনো প্ৰতিবাদ নকৰি সহজভাৱে কথাটো স্বীকাৰ কৰি ল'লে।

'তুমি অতনুক উত্তৰটোৰ বাবে সঁচাকৈে দহৰ ভিতৰত দহ দিলাহেঁতেন নেকি?'— হেড মাষ্টৰে সুধিলে।

'নিদিলোহেঁতেন!'— অনুভৱৰ উত্তৰটোৱে যেন বিস্ফোৰণহে ঘটালে। শিক্ষকসকলৰ মাজত হাহাকাৰ লাগি গ'ল। প্ৰশান্ত মাষ্টৰে চিঞৰি চিঞৰি ক'লে—

'মোক অপদস্থ কৰিবলৈকে আপুনি দহ দিম বুলি ক'লে?'

সনাতন হেড মাষ্টৰৰো যেন নতুন শিক্ষকজনৰ ওপৰত খং উঠি গ'ল। তেওঁ বয়োজ্যেষ্ঠ শিক্ষক। অহা বছৰ তেওঁ অৱসৰ পাব। তেওঁ খং কৰিলে শোভা নাপায়। ভিতৰৰ খংটো জোৰকৈ দমাই থৈ তেওঁ সুধিলে— 'অতনুক তুমি কিমান দিলাহেঁতেন?' চেষ্টাৰ পিছতো হেড মাষ্টৰৰ মাতটো অলপ কঠিন হৈ ওলাল। অনুভৱে শান্ত স্বৰেৰে ক'লে—

'আঠ।'

সকলো কেইছেকেণ্ডমান যেন নীৰৱে ৰ'ল। নতুন শিক্ষকজনৰ উত্তৰটো হজম কৰিবলৈ সকলোৰে অলপ সময় লাগিল। অনুভৱৰ ৰহস্যপূৰ্ণ কথাত তভক মাৰি বৈ হেড মাষ্টৰেও যেন প্ৰশ্ন কৰিবলৈ পাহৰি গ'ল। তেওঁ মাথোঁ নতুন শিক্ষকজনৰ মুখলৈ চাই থাকিল। মহেন্দ্ৰ মাষ্টৰে অস্বস্তিকৰ নীৰৱতাখিনি ভাঙিলে—

'তুমি দিলাহেঁতেন আঠ! দিম বুলি ক'লা দহ! আৰু সেইটো উত্তৰত আঠেই বা কিয়?'

মহেন্দ্ৰ মাষ্টৰে সকলোৰে মনৰ কথাখিনিকে ক'লে। অনুভৱে শান্তভাৱে ক'বলৈ ধৰিলে— 'হয়, মই অতনুক সঁচাকৈয়ে আঠ দিলোহেঁতেন। কথিত ভাষাত লিখিলেও তাৰ বানান কিছুমান উচ্চাৰণ অনুসৰি হোৱা নাই। সেইবাবে দহ নিদিলোহেঁতেন। অৱশ্যে পঢ়োঁতে সি সুন্দৰকৈ কথিত ভাষাত গল্পটো পঢ়ি গৈছিল। শুনি বৰ ভাল পাইছিলো। তাক দহ বুলি ক'লো। কাৰণ লাজ, অপমানত সি ইতিমধ্যে ম্ৰিয়মাণ হৈ পৰিছিল। তাৰ শাস্তিটো তাৰ বয়সৰ ল'ৰাৰ বাবে খুব গধুৰ হৈছিল। ইমানসোপা ল'ৰা-ছোৱালীৰ আগত লাজ পাই তাৰ আত্মবিশ্বাস শূন্য হৈ গৈছিল। তাৰ থিয় হোৱাৰ ধৰণ, কথাৰ সুৰ, ভাব-ভংগী আদিত আত্মবিশ্বাসহীনতা স্পষ্টকৈ দেখা পাইছিলো। মোৰ খুব দুখ লাগিছিল।'

কমন ৰুমটো নীৰৱ হৈ পৰিছিল। হেড মাষ্টৰে অনুভৱক প্ৰশ্ন কৰিলে—

'কিন্তু তোমাৰ কামখিনিত প্ৰশান্তওতো অপমানিত হ'ল?'

'যদি তেখেতে অপমানিত অনুভৱ কৰিছে তাৰ বাবে ময়ো দুখ পাম। মই তেখেতৰ লগত বিষয়টো সন্দৰ্ভত নিজেই কথা পাতিবলৈ আগবাঢ়িছিলো যাতে তেখেতে মোক বেয়া নাপায় বা তেখেতে আঘাত নাপায়—'

সকলোৱে প্ৰশান্ত মাষ্টৰৰ ফালে চালে। তেওঁ মূৰ দুপিয়ালে— হয়, অনুভৱে কথা পাতিবলৈ বিচাৰিছিল। অনুভৱে দেখিলে প্ৰশান্ত মাষ্টৰৰ মুখমণ্ডলত ফুটি উঠা কঠোৰতা বহু পৰিমাণে কমি গৈছে। আন শিক্ষকসকলেও কথাবোৰ মন দি শুনিছে। কোনেও তেওঁক ইতিকিং কৰিবলৈ চেষ্টা কৰা নাই। অনুভৱে পুনৰ ক'বলৈ আৰম্ভ কৰিলে—

'তেখেতৰ ঠাইত মই হোৱা হ'লে হয়তো ময়ো অপমানিত হ'লোহেঁতেন। কিন্তু আমি বয়সত ডাঙৰবোৰে অভিমান বাদ দি কথাবোৰ মুকলিকৈ আলোচনা কৰি ঠিক কৰি ল'ব পাৰো। ভুল-শুদ্ধ বিচাৰ কৰি উলিয়াব পাৰো। বয়স বেছি বাবে আমাৰ অভিজ্ঞতা বেছি। আৰু সেইবাবেই আমি অপমানৰ যন্ত্ৰণাও নিজেই বহুত কমাই ল'ব পাৰো। কিন্তু অতনুহঁতৰ বয়স বহুত কম। অপমান, ধিক্কাৰে সিহঁতক কষ্ট বেছিকৈ দিয়ে। সেইদিনা অতনুৰ চকু-মুখত দুখ আৰু যন্ত্ৰণাৰ যি গভীৰ ছায়া দেখা পাইছিলো— সেই দুখ আৰু যন্ত্ৰণাৰ পৰা সি বৰ সহজতে মুক্তি নাপালেহেঁতেন। তাৰ আত্মবিশ্বাস যি ধৰণে ভাগি গৈছিল, আগৰ সেই আত্মবিশ্বাস তাৰ কোনোদিন ঘূৰি নাহিলহেঁতেন। বয়স বাঢ়ি গৈ এসময়ত সি দেশৰ নাগৰিক হ'ব। ভৱিষ্যতে সি হয়তো হৈ পৰিলহেঁতেন আত্মবিশ্বাসহীন এক নাগৰিক। তাৰ এই আত্মবিশ্বাসহীনতাৰ ছাপ তাৰ প্ৰতিটো কামতে ফুটি উঠিলহেঁতেন— দেশৰ নাগৰিক হিচাপে পালন কৰিব লগা দায়িত্বত, ঘৰৰ এজন সদস্য হিচাপে কৰিব লগা কামবোৰতো—'

'কি ঠিক হয়তো সি স্কুললৈ অহাই বাদ দিলেহেঁতেন...'

হঠাৎ মহেন্দ্ৰ মাষ্টৰে আপোনমনে কৈ উঠিল। অনুভৱে মহেন্দ্ৰ মাষ্টৰৰ ফালে চালে। মহেন্দ্ৰ মাষ্টৰে তলমূৰকৈ ধুতিখনৰ আগটো লিৰিকি-বিদাৰি চাই আছে। অনুভৱে হেড মাষ্টৰৰ ফালে চালে। তেওঁ দেখিলে— হেড মাষ্টৰে মহেন্দ্ৰ মাষ্টৰক গভীৰ মনোযোগেৰে নিৰীক্ষণ কৰি আছে। দুয়োজন বয়োজ্যেষ্ঠ শিক্ষকৰ মাজত গভীৰ বন্ধুত্ব আছে। ইজনে-সিজনৰ মনৰ ভিতৰত কি চলিছে বহুত কথা উমানতে ধৰিব পাৰে। সনাতন হেড মাষ্টৰেও যেন বহুত কথা বুজি পালে। অনুভৱে কৈ গ'ল—

'সেইবাবেই মই ভাবিলো— এই ৬ষ্ঠ শ্ৰেণীৰ মাত্ৰ ১০/১১ বছৰীয়া ল'ৰাজনে যি পৰিৱেশত যেনেকৈ যি পৰিমাণৰ অপমান পাইছে, সেই পৰিৱেশতে সেই মুহূৰ্ততে

সেই পৰিমাণৰেই মনোবল পোৱা দৰকাৰ। মই তাক বহুত প্ৰশংসা কৰিলো। প্ৰথমতে সি কোনো প্ৰতিক্ৰিয়া দেখুওৱা নাছিল। মোৰ প্ৰশংসাক সি বিশ্বাস কৰা নাছিল। হয়তো ভাবিছিল— এয়াও ইতিকিং কৰাৰ, অপমান কৰাৰ এটা ধৰণ। আৰু যেতিয়া তাৰ বিশ্বাস হ'ল যে তাক মই সঁচাকৈ প্ৰশংসা কৰিছোঁ— সঁচাকৈ প্ৰশংসা কৰিছোঁ— সি হুকহুকাই কান্দি উঠিল—'

ৰুমটো কাঁহ পৰি জীন যোৱাৰ দৰে নীৰৱ হৈ গ'ল। কাৰো মুখত মাত নাই। সনাতন হেড মাষ্টৰ আৰু অনুভৱে মন কৰিলে মহেন্দ্ৰ মাষ্টৰ কিবা কাৰণত যেন অস্থিৰ হৈ উঠিছে। 'কি জানো চকুত পৰিল' বুলি চকুদুটা মোহাৰি মোহাৰি তেওঁ থিয় দিলে। আৰু 'এই হৰিচৰণ— হৰিচৰণ' বুলি হৰিচৰণ নামৰ কৰ্মচাৰীজনক ডাঙৰকৈ চিঞৰি চিঞৰি ৰুমটোৰ পৰা ওলাই গুচি গ'ল। ৰুমটোৰ গধুৰ নীৰৱতাখিনিক মহেন্দ্ৰ মাষ্টৰৰ কঠিন কৰ্কশ শুকান কণ্ঠস্বৰে যেন থান-বান কৰি দিলে। সনাতন হেড মাষ্টৰে বৰ সকাহ পালে। তেওঁ প্ৰশান্ত মাষ্টৰলৈ চাই ক'লে—

'তুমি কিবা ক'বা?'

প্ৰশান্ত মাষ্টৰে ইতস্ততঃ কৰি ক'লে— 'অতনুৰ আমাৰ গাঁৱলীয়া কথিত ভাষাত লিখা উত্তৰটো সঁচাকৈ ভাল হৈছে জানো?'

প্ৰশান্ত মাষ্টৰৰ এই কথাষাৰত আগৰ দৰে খং বা অভিযোগৰ সুৰ নাছিল। তাত বহুত পৰিমাণে মুকলি মনেৰে কথাটো আলোচনা কৰাৰ ইচ্ছাহে ফুটি উঠিছিল। সনাতন হেড মাষ্টৰে বুজি পালে— তেওঁৰ কষ্ট কমিল। তেওঁৰ মুখত ঈষৎ হাঁহিৰ আভাস ফুটি উঠিল। তেওঁ সপ্ৰশ্ন দৃষ্টিৰে অনুভৱৰ ফালে চালে। অনুভৱৰ মুখতো হাঁহিৰ আভাস বিয়পি পৰিল। তেওঁ ক'বলৈ ধৰিলে—

'মই ভাবো অতনুৱে সঁচাকৈ ভাল লিখিছিল। সাধুকথা এটা নিজৰ ভাষাত লিখিবলৈ দিয়া হৈছিল। অনুমান কৰিব পাৰি— প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়ে কিতাপত যেনেকৈ আছে ঠিক তেনেকৈ সাধুটো মুখস্থ লিখিছে। দাড়ি, ক'মা, চেমিক'লন, হাইফেন পৰ্যন্ত মুখস্থ লিখাজনকে আমি হয়তো আটাইতকৈ ভাল লিখা বুলি কওঁ। কিন্তু তেনেকৈ লিখাজনেনো ক'ত নিজৰ ভাষাত লিখিলে? তেওঁতো আনৰ সাধুকথা এটা আনৰ ভাষাত লিখিলে। তাত নিজস্বতা ক'ত? সৃষ্টিশীলতা ক'ত? ব্যতিক্ৰম আছিল অতনু। সি সাধুকথাটো নিজৰ ভাষাত লিখিছিল। আপোনালোকে দেখিব— অসমীয়া সাহিত্যত উপ-ভাষাত লিখা গল্প কিছুমানক সমালোচকসকলে খুব প্ৰশংসা কৰিছে। আপোনালোকে জানেই চাগৈ সৌৰভ চলিহাৰ 'হাঁহিচম্পা' নামৰ গল্প এটা আছে। গল্পটো উপ-ভাষাত লিখিছিল সৌৰভ চলিহাই। আৰু 'হাঁহিচম্পা' নামৰ এই গল্পটো অসমীয়া ভাষাৰ অন্যতম শ্ৰেষ্ঠ গল্প।' অলপ ৰৈ অনুভৱে ক'লে— 'ডাঙৰে

কৰা কাম এটা আমাৰ অতনুৱে দহ বছৰতে কৰিবলৈ চেষ্টা কৰিছে!'

হঠাৎ ৰুমটো উৎসাহেৰে ভৰা গুণগুণনিৰে ভৰি পৰিল। অনুভৱে আৰু অলপ ক'বলৈ সাহস পালে—

'মই ভাবো আমাৰ শিক্ষা ব্যৱস্থাত সৃষ্টিশীলতাক গুৰুত্ব দিয়া নহয়। ছাত্ৰ-ছাত্ৰীক মৌলিক চিন্তা-চৰ্চাৰ বাবে উৎসাহিত কৰা নহয়। এনে ব্যৱস্থাৰে প্ৰতিপালিত ছাত্ৰৰ মেধাৰ বিকাশ আশানুৰূপ নহয়; বৰং ব্যতিক্ৰমী মেধাও এসময়ত মুজুৰা পৰি আহিবলৈ বাধ্য হয়। সেইবাবেই চাগৈ বিভিন্ন ক্ষেত্ৰত পৃথিৱীৰ আগশাৰীৰ প্ৰতিভাধৰ ব্যক্তিৰ তালিকাত আমাৰ মানুহৰ নাম পাবলৈ নাই।'

'এই কথাটোকে মই প্ৰায়েই ভাবো। আমাৰনো কিহৰ ইমান অভাৱ!'— জিলমিল নামৰ সপ্ৰতিভ ছোৱালীজনীয়ে মন্তব্য দিলে।

'অভাৱ আমাৰ মেধাৰ নহয়। আমাৰ মেধাৰ বিকাশহে বাধাগ্ৰস্ত হয় বিভিন্ন কাৰণত। মই ভাবো— আমাৰ পাঠ্যক্ৰমত গোলমাল আছে। শিক্ষাদানত গোলমাল আছে। পৰীক্ষা পদ্ধতিত গোলমাল আছে। আমাৰ শিক্ষা পদ্ধতি আকৌ পৰীক্ষাকেন্দ্ৰিক। পৰীক্ষাৰ নম্বৰক লৈয়েই আমি সকলো ব্যস্ত— ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক— সকলো।'— অনুভৱে ক'লে।

লাহে লাহে ইমান সময়ে নীৰৱে থকা শিক্ষকসকলৰ মুখবোৰ এখন এখনকৈ খোল খাবলৈ ধৰিলে। যোগেশ মাষ্টৰে মন্তব্য দিলে—

'এইবাৰ দিল্লী বিশ্ববিদ্যালয়ৰ কোনোবা এখন কলেজত নামভৰ্তিৰ কাট অফ মাৰ্ক ১০০% গৈছে!'

'অ' অ'— দিল্লী বিশ্ববিদ্যালয়ত পঢ়িবলৈ ছিট নাপাই মোৰ ভাগিনী এজনীয়ে ছুইচাইড কৰিলে অলপতে। তাই ৯৭% পাইছিল!'— চন্দন নামৰ ডেকা শিক্ষকজনে জনালে।

'যোৱাবাৰ আমাৰ ইউনিভাৰ্ছিটীখনৰ বি এ পৰীক্ষাত ফাৰ্ষ্ট ক্লাছ ৪৬৫জনে পাইছে!' অৰুণিমা নামৰ শিক্ষয়িত্ৰীজনীয়ে ক'লে।

'লাভনো কিটো হ'ল? ফাৰ্ষ্ট ক্লাছৰ মূল্যই নোহোৱা হ'ল।'— দেৱাশিস মাষ্টৰে মন্তব্য দিলে।

সকলোৱে কথা ক'বলৈ ধৰা দেখি অনুভৱৰ বৰ ভাল লাগিল। তেওঁ ক'লে—

'আচলতে হয় কি— পৰীক্ষাবোৰত একেখিনি প্ৰশ্নৰে পুনৰাবৃত্তি কৰা হয়। কেইবছৰমানৰ প্ৰশ্নকাকত চালেই পৰীক্ষাত কি কি প্ৰশ্ন আহিব অনুমান কৰিব পাৰি। গতিকে যান্ত্ৰিকভাৱে পঢ়িও, নুবুজাকৈ, নভবাকৈ ভাল নম্বৰ পাব পাৰি। গতিকে এই ভুল পৰীক্ষা ব্যৱস্থাই মৌলিক চিন্তা-চৰ্চা কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত

নকৰে। পৰীক্ষাৰ প্ৰশ্নবোৰে যদি ছাত্ৰ-ছাত্ৰীৰ মৌলিক চিন্তা-চৰ্চা আৰু সৃষ্টিশীলতাৰ পৰীক্ষা কৰিলেহেঁতেন তেতিয়াহ'লে নামভৰ্তিৰ কাট অফ মাৰ্ক ১০০% নহয়, প্ৰথম শ্ৰেণী পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও কমিব। কিন্তু তেতিয়া ৯৭% পাই আত্মহত্যা কৰিব লগা ঘটনা কমিব, প্ৰথম শ্ৰেণী নোপোৱাজনকো মানুহে নাহাঁহিব। অন্যহাতে শিক্ষা ব্যৱস্থাটোত মৌলিক চিন্তা-চৰ্চা আৰু সৃষ্টিশীলতাৰ ৰাস্তা মুকলি হ'ব।'

'তেতিয়াহ'লে ব'ৰ্ড বা ইউনিভাৰ্ছিটীবোৰে পৰীক্ষা পদ্ধতিৰ বা প্ৰশ্নকাকতৰ সংস্কাৰ নকৰে কিয়?'— অৱশেষত প্ৰশান্ত মাষ্টৰেও আলোচনাত অংশ ল'লে। কথাটোত কোনেও অযথা মনোযোগ নিদিলে। প্ৰশান্ত মাষ্টৰৰ প্ৰশ্নৰ উত্তৰ সনাতন হেড মাষ্টৰেই দিলে—

'সকলোৰে লক্ষ্য নিজৰ ছাত্ৰ-ছাত্ৰীক অধিক নম্বৰ দিয়া। তেতিয়াহে নিজৰ ব'ৰ্ড বা বিশ্ববিদ্যালয়লৈ অধিক ছাত্ৰ-ছাত্ৰী আহিব। গতিকে কোনে কিমান নম্বৰ দিব পাৰে তাৰে প্ৰতিযোগিতা।'

'একেবাৰে ঠিক কথা কৈছে ছাৰ। সেইবাবে এই পৰীক্ষা ব্যৱস্থাটোক কেন্দ্ৰীয়ভাৱে ক'ৰবাত কঠোৰভাৱে নিয়ন্ত্ৰণ কৰা দৰকাৰ। আৰু কলেজ বা ইউনিভাৰ্ছিটীত নামভৰ্তিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ নম্বৰবোৰ normalised কৰা দৰকাৰ। যাতে কোনো ব'ৰ্ড বা ইউনিভাৰ্ছিটীয়ে নিজৰ ছাত্ৰ-ছাত্ৰীক অধিক নম্বৰ দি নামভৰ্তিৰ ক্ষেত্ৰত অধিক সুবিধা দিব নোৱাৰে। নহ'লে দেখিব— কোনোবাখন ব'ৰ্ডত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে ৯৯% পাইছে, আনহাতে আন এখন ব'ৰ্ডৰ টপাৰজনেও পাইছে ৮৫%। এনেকুৱাতো হ'ব নোৱাৰে যে সিখন ব'ৰ্ডলৈ ভাল ভাল ছাত্ৰ-ছাত্ৰীখিনি গৈছে আৰু ইখন ব'ৰ্ডত বুৰ্বক গাধবোৰ বৈ গৈছে।'— অনুভৱে ক'লে।

'হয় হয়। আচলতে পৰীক্ষা পদ্ধতিৰ সংস্কাৰ হ'লে আমাৰ শিক্ষা ব্যৱস্থাৰ বহুত বেমাৰ নিজে নিজেই ভাল হৈ যাব।'— গাৰ্গী নামৰ কম বয়সীয়া ছোৱালীজনীয়ে ঘোষণা কৰিলে।

'যদি আমাৰ শিক্ষা ব্যৱস্থাটো ইমানেই ভুল, হতাশাৰে ভৰা, তেনেহ'লে এখন স্কুলৰ একোজন সাধাৰণ শিক্ষক হিচাপে আমাৰ দায়িত্ব কি হ'ব? ইমান বৃহৎ শিক্ষা ব্যৱস্থাটোত আমি গুৰুত্বহীন ক্ষুদ্ৰ অংশ মাত্ৰ। আমি কিয়েইবা কৰিব পাৰো?'— সকলোৰে ফালে চাই গধুৰ মনেৰে সনাতন হেড মাষ্টৰে ক'লে।

'হয় ছাৰ। খুব জটিল প্ৰশ্ন। তথাপি ছাৰ মই ভাবো— আমি অন্ততঃ আমাৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰাৰ চেষ্টাত ব্ৰতী হৈ থাকিব লাগিব। সিহঁতৰ মনত যাতে সৃষ্টিশীল চিন্তাই উকমুকাই থাকে তাৰ বাবে যত্ন কৰি যাব লাগিব। কথা

একোটা যুক্তিৰে চালি-জাৰি চাবলৈ শিকাব লাগিব। সিহঁতে যাতে মৌলিক চিন্তা-চৰ্চা কৰিব পাৰে তাৰ বাবে সিহঁতক উদ্বুদ্ধ কৰিবলৈ আমি যত্ন কৰি যাব লাগিব। সামগ্ৰিকভাৱে শিক্ষা ব্যৱস্থা পয়ালগা বুলি আমি হাত দাঙি দিলে নহ'ব। তেনে কৰিলে সমস্যা বাঢ়িবহে। তেতিয়া আমি শিক্ষকসকলো নিজেই একোটা সমস্যা হৈ পৰিম।'

ইতিমধ্যে গধূলি নামিছিল। সনাতন হেড মাষ্টৰে আলোচনা সামৰিবলৈ আগবাঢ়িল—

'আমাৰ আলোচনা গৈ বহুদূৰ পালেগৈ। তথাপি কথাবোৰ চিন্তা কৰিবলগীয়া। সি যি নহওক আমাৰ আলোচনাৰ মূল কথালৈ অহা যাওক। প্ৰশান্ত! অনুভৱে বহুত কথাই ক'লে। এতিয়া তোমাৰ মন্তব্য শুনিব খোজো— এতিয়াও তোমাৰ তেওঁৰ ওপৰত কিবা খং, অভিমান আছে নেকি?'

'ছাৰ— কথাবোৰ মই ভাবি চাওঁ।'— প্ৰশান্তই বিষয়টো লগে লগেই সামৰি থ'লে।

'ঠিক আছে— ভাবা। মোক পিছত ক'বা।' হঠাৎ কিবা মনত পৰাৰ দৰে খপ্-জপ্‌কৈ হেড মাষ্টৰে ক'লে—

'মহেন্দ্ৰ মাষ্টৰ উভতি নাহিল দেখোন! ক'লৈ গ'ল? অনুভৱ তুমি বাহিৰত চোৱাচোন।'

অনুভৱ বাৰাণ্ডালৈ ওলাই আহিল। মহেন্দ্ৰ মাষ্টৰ বাৰাণ্ডাত নাই। চৌপাশে চকু ঘূৰাই চালে অনুভৱে। দেখিলে— পদূলিমুখৰ বকুলজোপাৰ তলতে থিয় হৈ আছে মহেন্দ্ৰ মাষ্টৰ। অকলে। বকুলজোপাৰ তলৰ আন্ধাৰখিনি যেন বেছি ঘন। বকুলজোপা বেছ জোপোহা— সেইবাবে। বকুলজোপা দেখিবলৈ খুব ধুনীয়া। গছজোপাই স্কুল চৌহদটোৰেই সৌন্দৰ্য বঢ়াই তুলিছে। অনুভৱ মহেন্দ্ৰ মাষ্টৰৰ ওচৰলৈ আগবাঢ়ি গ'ল।

'ছাৰ?'

'অ' অনুভৱ!'— মহেন্দ্ৰ মাষ্টৰে দেখিলে অনুভৱ তেওঁৰ ওচৰত আহি ৰৈছে।

'এনেকৈ ইয়াত অকলে অকলে কিয় আছে ছাৰ?'

'বকুলজোপাকে চাই আছো ৰ'বা।'

'বকুলজোপা দেখিবলৈ বৰ ধুনীয়া।'

'অ'— বৰ ধুনীয়া।' অলপ ৰৈ মহেন্দ্ৰ মাষ্টৰে আকৌ ক'লে—

'গাধটোৱে গছজোপাক বৰ মৰম কৰিছিল!'

আচৰিত হৈ অনুভৱে স্বগতোক্তি কৰাৰ দৰে ক'লে—

'গাধই গছজোপাক মৰম কৰিছিল!'

'অসীমে!'— মহেন্দ্ৰ মাষ্টৰে জনালে।

১৯.

পিছদিনা স্কুলত উপস্থিত হোৱাৰ লগে লগে সনাতন হেড মাষ্টৰে অনুভৱক একাষৰীয়া কৰি কিবা এটা আলোচনা কৰিবলৈ মাতি লৈ গ'ল। কোনো পাতনি নোজোৰাকৈ হেড মাষ্টৰে পোনপটীয়াকৈ অনুভৱক ক'লে—

'দশম শ্ৰেণীক গণিত তুমি পঢ়ুৱাব লাগে।'

অনুভৱ জাঁপ মাৰি উঠিল। দশম শ্ৰেণীক গণিত মহেন্দ্ৰ মাষ্টৰে পঢ়ুৱাই আছে। অনুভৱে জানে মহেন্দ্ৰ মাষ্টৰ খুব নাম থকা শিক্ষক। তেনে ক্ষেত্ৰত ইমান অভিজ্ঞ শিক্ষকজনক গুচাই অনুভৱক পঢ়ুৱাবলৈ দিয়াটো ঠিক নহ'ব। অনুভৱে তীব্ৰভাৱে আপত্তি কৰিলে—

'নালাগে ছাৰ। এই বছৰটো সিহঁতৰ বাবে বৰ গুৰুত্বপূৰ্ণ।'

'অনুভৱ! তুমি না নকৰিবা।'

'ছাৰ— মহেন্দ্ৰ ছাৰ খুব ভাল শিক্ষক।'

'নিশ্চয়। আৰু মহেন্দ্ৰ মাষ্টৰেই মোক দশম শ্ৰেণীৰ গণিত তোমাক দিবলৈ কৈছে!'

অনুভৱ হতভম্ব হৈ গ'ল। মহেন্দ্ৰ মাষ্টৰে কি কাৰণত জানো অনুভৱক খুব ভাল পায়। তেওঁৰ ওপৰত খুব আস্থা মানুহজনৰ। দেখাত অত্যন্ত কঠোৰ-নিয়মানুৱৰ্তী, কৰ্কশ কণ্ঠৰ, যাঠিৰ ওচৰ চপা মানুহজনৰ প্ৰতি অনুভৱে এক ধৰণৰ আকৰ্ষণ অনুভৱ কৰে। মানুহজনৰ মনটোত অকণো মলিনতা নাই— কঠিন শিলৰ বুকুৰেইতো বৈ থাকে স্বচ্ছ আৰু নিৰ্মল নিজৰা।

'মহেন্দ্ৰ মাষ্টৰৰ সেয়া একান্ত ইচ্ছা।'— কথাষাৰ কৈ অনুভৱৰ উত্তৰলৈ বৈ নাথাকি সনাতন হেড মাষ্টৰ গুচি গ'ল।

দুপৰীয়া বিৰতিৰ সময়ত অকলশৰে পাই মহেন্দ্ৰ মাষ্টৰে অনুভৱক সুধিলে—

'তোমাক হেড মাষ্টৰে কথা এটা কৈছেনে?'

'কৈছে— কিন্তু ছাৰ—'

অনুভৱক বাক্যটো শেষ কৰিবলৈ কোনো সুযোগ নিদি মহেন্দ্ৰ মাষ্টৰে ক'লে—

'পলম কৰিব নালাগে— কাইলৈৰ পৰাই তুমি দশম শ্ৰেণীৰ ক্লাছ ল'বা। আজি মই সিহঁতৰ শেষ ক্লাছটো কৰি আহোঁ।'

কথাষাৰ কৈয়েই চক পেঞ্চিল আৰু ডাষ্টাৰপাট হাতত লৈ মহেন্দ্ৰ মাষ্টৰ ক্লাছ ল'বলৈ বুলি কমন ৰুমৰ বাহিৰ ওলাই গ'ল।

দশম শ্ৰেণীত মহেন্দ্ৰ মাষ্টৰৰ শেষ ক্লাছ। অনুভৱে মহেন্দ্ৰ মাষ্টৰ যোৱাৰ ফালে চাই ৰ'ল।

২০.

মহেন্দ্ৰ মাষ্টৰে দশম শ্ৰেণীৰ শেষ ক্লাছটো সামৰিলে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা বিদায় ল'বলৈ সাজু হ'ল। ছাত্ৰ-ছাত্ৰীসকলৰ মুখবোৰ এখন এখনকৈ খুব মনোযোগেৰে চালে। ইহঁতক তেওঁ আৰু পঢ়ুৱাবলৈ নাপায়। কাইলৈৰ পৰা ইহঁতক গণিত পঢ়ুৱাব অনুভৱ মাষ্টৰে। কেতিয়াবা অনুভৱৰ অনুপস্থিতিত এইটো ক্লাছলৈ আহিবলগীয়া হোৱাটো বেলেগ কথা।

ছাত্ৰ-ছাত্ৰীসকলৰ মুখবোৰ চাই চাই মহেন্দ্ৰ মাষ্টৰৰ মনটো বেয়া লাগিবলৈ ধৰিলে। খং কৰিলেও, গালি পাৰিলেও সিহঁতক চকুৰ আগত দেখিলে মহেন্দ্ৰ মাষ্টৰৰ মনটো শাঁত পৰা যেন লাগে। প্ৰতি বছৰৰ শেষৰ ফালে দশম শ্ৰেণীৰ ক্লাছ ল'বলৈ আহিলে তেওঁ মনটোত কিবা এটা বিষাদ অনুভৱ কৰে। কাৰণ দুদিনমান পিছত সিহঁত স্কুলখনৰ পৰা একেবাৰেই গুচি যায়গৈ। তাৰ পিছত ক'ৰবাত কেতিয়াবা লগ পায়। তেওঁৰ আপোন কাৰোবাক লগ পোৱাৰ দৰে লাগে। মনটো আৱেগত আপ্লুত হৈ পৰিব খোজে। কিন্তু সিহঁত যেন নিজেই এটা দূৰত্বত ৰৈ যায়! মহেন্দ্ৰ মাষ্টৰৰ বেছি ওচৰ চাপিব নোখোজে সিহঁতে। মহেন্দ্ৰ মাষ্টৰে মনটোত সৰুকৈ আঘাত অলপ পায়।

এই বছৰ তেওঁ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা বছৰটোৰ মাত্ৰ তিনিমাহ পাৰ হওঁতেই বিদায় ল'ব লগা হ'ল। বিদায় ল'ব লগা হ'ল মানে তেওঁ নিজেই ক্লাছটো অনুভৱক এৰি দিছে। কথাখিনি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক জনাবলৈ সাজু হ'ল—

'কচোন— তহঁতে নতুন ছাৰক কেনেকুৱা পাইছ?'

সকলোৱে প্ৰায় একেলগে চিঞৰিলে— ভাল। বৰ ভাল। মহেন্দ্ৰ মাষ্টৰে মিচিকিয়াই হাঁহিলে। অনুভৱে তাৰ মানে ইতিমধ্যে ইহঁতৰ মনবোৰ জয় কৰি থৈছে।

'অনুভৱ ভাল— বৰ ভাল। আৰু গাধহঁত মই হবলা বেয়া?'

মহেন্দ্ৰ মাষ্টৰৰ কথা শুনি ল'ৰা-ছোৱালীবোৰে মিচিক-মাচাককৈ হাঁহিবলৈ ধৰিলে। কিন্তু সিহঁতৰ হাঁহিবোৰ যেন চেপা। গীতালি নামৰ ছোৱালীজনীয়ে অলপ সাহস গোটাই ক'লে—

'আপুনিও ভাল ছাৰ।'

'হ'ব দে— মুখৰ আগত বেয়া বুলি ক'বিনে!'

নিৰ্মলৰ এনেকুৱা লাগিল— হাঁহি হাঁহি কোৱা কথাষাৰত যেন মহেন্দ্ৰ মাষ্টৰৰ

ভিতৰৰ দুখ অলপো মিহলি হৈ ওলাই আহিছে। মহেন্দ্ৰ মাষ্টৰৰ খঙাল ভয়াবহ ৰূপটিয়েই নিৰ্মলহঁতৰ মনৰ ভিতৰত স্থায়ী আৰু গভীৰ। কিন্তু কিছুদিন আগৰ সেই দৃশ্যটি মনত পৰিলে নিৰ্মলৰ মনৰ ভিতৰত মহেন্দ্ৰ মাষ্টৰৰ অন্য এটা ৰূপ ভুমুকি মাৰিব খোজে। এটা অকল্পনীয় ৰূপ। মহেন্দ্ৰ মাষ্টৰে সযতনে লুকাই ৰখা এটা ৰূপ ঃ

প্ৰায় তিনিমাহ আগৰ সেই ঘটনাটো। নিৰ্মলৰ বহু অনুৰোধৰ পিছত অসীম সেইদিনা আকৌ স্কুললৈ আহিছিল। প্ৰথমটো ক্লাছ ভালদৰেই পাৰ হৈছিল। দ্বিতীয়টো ক্লাছ আছিল মহেন্দ্ৰ মাষ্টৰৰ। ভয়তে অসীম শেষৰ শাৰীলৈ গুচি গৈছিল। অসীমক সঙ্গ দিবলৈ নিৰ্মলো পাছফাললৈ গুচি গৈছিল। ভাগৰত অসীমে টোপনিয়াইছিল। মহেন্দ্ৰ মাষ্টৰৰ চকুত সি ধৰা পৰি গৈছিল। তাৰ পিছত মহেন্দ্ৰ মাষ্টৰে তাক এসপ্তাহ স্কুল ক্ষতি কৰা বাবে, বহী-কিতাপ ননা বাবে বাঁহৰ গধপা স্কেলেৰে কোবাইছিল। দুয়োখন হাতত পাঁচ কোবকৈ। অসীমৰ বাঁওখন হাতৰ বুঢ়া আঙুলিটো ফাটি গৈছিল। ধাৰাসাৰে তেজ বৈছিল। টোপ টোপকৈ তেজবোৰ সৰিছিল। নিৰ্মলৰ গণিতৰ কিতাপখন তেজৰ টোপালেৰে ৰাঙলী হৈ গৈছিল। ভোৰভোৰাই মহেন্দ্ৰ মাষ্টৰ ক্লাছৰ পৰা ওলাই গুচি গৈছিল। অলপ পৰ তভক মাৰি ৰৈ অসীমে দৌৰ মাৰি ক্লাছৰ পৰা গুচি গৈছিল। তাৰ বহীখন আৰু কলমটোও লগত লৈ যোৱাৰ প্ৰয়োজন সি অনুভৱ কৰা নাছিল।

আতংকময় পৰিৱেশত শ্ৰেণীকোঠাটো কাঁহ পৰি জীন যোৱাৰ দৰে নীৰৱ হৈ পৰিছিল। কাৰো মুখত মাত নাছিল। কোনেও লৰচৰ কৰা নাছিল। আনকি ল'ৰা-ছোৱালীবোৰে যেন উশাহ ল'বলৈও পাহৰি গৈছিল। নিৰ্মলৰ মহেন্দ্ৰ মাষ্টৰৰ ওপৰত প্ৰচণ্ড অভিমান হৈছিল।

নিৰ্মলে অসীম যি ফালেৰে কোঠাটোৰ পৰা ওলাই গৈছিল, সেইফালে চাইছিল। অসীম ওলাই যোৱা পথটো তাৰ তেজৰ টোপেৰে চিনি পোৱা হৈ গৈছিল। সেই পথ অনুসৰণ কৰি কৰি নিৰ্মলৰ দৃষ্টি দুৱাৰমুখত থমকি ৰৈ গৈছিল। আৰু সি হতভম্ব হৈ গৈছিল—

সি দেখিছিল— দুৱাৰমুখত ৰৈ আছে মহেন্দ্ৰ মাষ্টৰ। সোঁহাতত ডেটলৰ বটল এটা আৰু বাঁওহাতত তুলা! মহেন্দ্ৰ মাষ্টৰে ইফালে-সিফালে চাই নিৰ্মলক সুধিছিল—

'গাধটো ক'লৈ গ'ল?'

সেই দৃশ্য অসীমে দেখা নাপালে।

সেই কথা নিৰ্মলে অসীমক কোনোদিন নক'লে। অসীমক যেন আৰু কষ্ট দিবলৈ মন নাযায় নিৰ্মলৰ।

তাৰ পিছতো মহেন্দ্ৰ মাষ্টৰে নিৰ্মলক কেইবাদিনো সুধিছিল—

'গৰুটোৰ খবৰ কি অ'?'

কিবা এক অভিমানত প্ৰতিবাৰেই নিৰ্মলে কৈছিল— 'নাজানো।'

'কাইলৈৰ পৰা তহঁতক গণিত শিকাব নতুন শিক্ষকজনে।'

উদ্ভিত যেন কিবা বাজি বৈছে মহেন্দ্ৰ মাষ্টৰৰ— ঢোক গিলি অলপ ৰৈ তেওঁ আকৌ কৈছে—

'তহঁতৰ এইটোৱেই মোৰ শেষ ক্লাছ। ভালকৈ পঢ়িবি গাধহঁত।'

হাতত চক, ডাষ্টাৰ লৈ মহেন্দ্ৰ মাষ্টৰে যাবলৈ খোজ পেলালে। দুৱাৰমুখত থমকি ৰৈ নিৰ্মলৰ ফালে চাই তেওঁ ক'লে—

'তোৰ লগৰ গৰুটোৱে এনেকৈ বৰষুণত ভিজি মৰে কিয় অ'?'

একো নুবুজি নিৰ্মলে মহেন্দ্ৰ মাষ্টৰৰ ফালে চাই থাকিল।

'অসীম গাধটোৰ কথা কৈছো অ'।'

নিৰ্মলৰ উত্তৰলৈ বৈ নাথাকি মহেন্দ্ৰ মাষ্টৰ কোঠাটোৰ পৰা ওলাই গুচি গ'ল— কোনোবা বৰষুণত ভিজি মৰিলে তেওঁৰ কি আহে যায়!

২১.

হেড মাষ্টৰ আৰু মহেন্দ্ৰ মাষ্টৰৰ প্ৰস্তাৱটোত অনুভৱে আনন্দও পাইছিল অস্বস্তিও পাইছিল। দুজনকৈ অভিজ্ঞ আৰু বয়োজ্যেষ্ঠ শিক্ষকে অনুভৱৰ ওপৰত দেখুওৱা আস্থাত তেওঁ অভিভূত হৈ পৰিছিল। আনপিনে মহেন্দ্ৰ মাষ্টৰৰ দৰে এগৰাকী নামজ্বলা শিক্ষকৰ ঠাইত গণিত পঢ়ুৱাব লগা কথাটোত তেওঁ বৰ অস্বস্তি পাইছিল। কিন্তু পিতৃসম বয়সৰ শিক্ষক দুগৰাকীয়ে কথাষাৰ একধৰণৰ মৰম মিহলি দাবীৰ সুৰতেই কৈছিল। তাত স্বাভাৱিকতে অনুভৱৰ ইচ্ছা-অনিচ্ছাৰ ঠাই নাছিল।

সেইবোৰ কথাকে ভাবি ভাবি অনুভৱে গে'টৰ বাহিৰ হৈ ৰাস্তাত ভৰি থৈছিল। দুখোজমান আগবাঢ়োঁতেই তেওঁক কোনোবাই মতা শুনিবলৈ পালে—

'অকণমান ৰ'বচোন।'

অনুভৱে ঘূৰি চালে। জিলমিল। অনুভৱৰ স্কুলখনৰে শিক্ষয়িত্ৰী। জিলমিলৰ মুখত হাঁহিৰ সামান্য আভাস।

'মোৰ ঘৰটোলৈ আপোনাৰ ভাড়া ঘৰৰ ৰাস্তাটোৰেও যাব পাৰি। অলপ ঘূৰি যাব লগা হয়। কোনো কথা নাই। ব'লক।'

জিলমিলে অনুভৱৰ লগত যাবলৈকেই ঘৰলৈ দীঘলীয়া ৰাস্তাৰে বাট বুলিছে। অনুভৱৰ অলপ অস্বস্তি লাগিল। অলপ পৰ নীৰৱে আগবঢ়াৰ পিছত জিলমিলে মুখ খুলিলে—

'গাঁওখনৰ মানুহবোৰৰ অৱস্থা বৰ ভাল নহয়। কিছুমান মাক-বাপেকৰ বাবে নিজৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰাটো মাত্ৰ সময় আৰু টকাৰ অপচয়। সেইবাবেই বহুতেই পঢ়া আধৰুৱা কৰে। মেট্ৰিক পাছ কৰাবোৰবো বহুতেই আৰু কলেজত নাম নলগায়। মাক-বাপেকক ঘৰ চলোৱা কামত সহায় কৰাত লাগি যায়। গাঁওখনৰ অৱস্থাও বৰ বেয়া। ৰাস্তা-ঘাটতো দেখিছেই। আমাৰ স্কুলখনেই একমাত্ৰ হাইস্কুল। তাৰো অৱস্থা জৰাজীৰ্ণ। শ্ৰেণীকোঠাত বিজুলীবাতি ফেনৰ কথা বাদ দিয়ক, আনকি ব্লেকবোৰ্ডবোৰৰেই অৱস্থা নাই। আপুনি মন কৰিছেই চাগে— আনকি টয়লেটৰো সু-ব্যৱস্থা নাই। তামোলৰ ঢকুৱা আৰু মৰাপাটৰ কাঁইৰে তৈয়াৰী অস্থায়ী টয়লেটৰ ব্যৱস্থা। টয়লেটৰ সু-ব্যৱস্থা নাই বাবেই ইচ্ছা থাকিলেও বহুত ছোৱালী পঢ়িবলৈ নাহে বা দুশ্ৰেণীমান পঢ়িয়েই পঢ়া বাদ দিয়ে। চহৰৰ দামী দামী স্কুল কিছুমান দেখিলে আমাৰ ল'ৰা-ছোৱালীবোৰলৈ খুব দুখ লাগে। তেনেকুৱা স্কুলৰ এজন ছাত্ৰৰ এবছৰৰ মাচুলেৰে আমাৰ স্কুলত পাঁচটামান টয়লেট বনাব পাৰিম!'

'আপুনি কথাবোৰ বৰ গভীৰভাৱে ভাবে।'— মুগ্ধ হৈ অনুভৱে ক'লে।

'নাভাবো। অৱশ্যে আগতে ভাবিছিলো। পিছলৈ ভৱা বাদ দিলো। চৰকাৰ আহে যায়। মানুহবোৰে লাইন পাতি পাতি ভোট দি যায়। গাঁওখন, স্কুলখন মোটামুটি একেই থাকি যায়।'

'স্থানীয় এমেলেবোৰে একো কাম নকৰে নেকি?'— অনুভৱে সুধিলে।

'কৰে অলপ-চলপ। কিন্তু সময়ৰ লগে লগে বস্তুবোৰো পুৰণি হৈ যায় নহয়! ৰাস্তা-ঘাটবোৰ ভাঙি-ছিঙি জৰাজীৰ্ণ হৈ যায়— স্কুলঘৰটো পুৰণি হৈ গৈ থাকে। চৰকাৰে কৰা সামান্য কামখিনিয়ে অৱস্থা আগতকৈ ভাল কৰিবতো নোৱাৰেই, মেৰামতিও অলপহে কৰিব পাৰে। গতিকে সকলো যোগ-বিয়োগ কৰাৰ পিছত গাঁওখনৰ সামগ্ৰিক অৱস্থাটো ক্ৰমান্বয়ে বেয়াৰ পৰা অধিক বেয়ালৈ গৈ আছে। অৱশ্যে তাৰ মাজতে ঠিকাদাৰ-দালালবোৰৰ অৱস্থা ভাল হৈছে। মন্ত্ৰী-এমেলেৰ কথাতো আৰু ক'বই নালাগে। বেছিভাগ আঁচনিৰ সৰহভাগ টকাই হৰলুকী হৈ যায়।'

'তাৰ পিছতো মানুহবোৰেতো তেনেকুৱা নেতাকেই ভোট দি জিকাই আছে।'

'হয়। কাৰণ— আমাৰ মনবোৰো দুৰ্নীতিগ্ৰস্ত। চৰকাৰী আঁচনিৰ নামত নেতাবোৰে কাম নকৰাকৈ ভাত এমুঠি খাব পৰাৰ ব্যৱস্থা কৰি দিছে। ভোটৰ আগত টকা দুশটা দিছে, কম্বল এখন দিছে— সপৰিয়ালে তেওঁকেই ভোটকেইটা দি আহিছো। মানুহবোৰৰ আৰ্জনো নাই জমাও নাই। গতিকে ঘৰৰ কাৰোবাৰ অলপ টান বেমাৰ হ'লেই খেতিৰ মাটি, বস্তিৰ মাটি বিক্ৰী কৰি দিব লগা হয়।'

'আচলতে চৰকাৰে মানুহবোৰক কাম কৰি উপাৰ্জন কৰিব পৰাৰ ব্যৱস্থা কৰি দিব লাগিছিল। তেতিয়া মানুহবোৰৰো লাভ হয়, দেশখনৰো অৰ্থনীতি মজবুত হয়। সেই যে এটা চীনা প্ৰবচন আছে— আপুনি মানুহ এজনক মাছ এটা দিয়ক, তেওঁ এদিন মাছ খাব; মানুহজনক মাছ মাৰিবলৈ শিকাওক, তেওঁ গোটেই জীৱন মাছ মাৰি খাব।'— অনুভৱে ক'লে।

'হয়। আৰু চৰকাৰবোৰে ৰাজহুৱা ধন আত্মসাৎ কৰি মাজে-সময়ে দুই-এটা মাছ ৰাইজৰ মাজলৈ দলিয়াই দি ভোটবোৰ কিনি থাকে। মানুহবোৰে নিজে মাছ মাৰি খাব পৰা হোৱাটো তেওঁলোকে নিবিচাৰে। কাৰণ মানুহবোৰ পেটৰ চিন্তাৰ পৰা মুক্ত হৈ গ'লেই ধুৰন্ধৰ নেতাবোৰৰ বিপদ। সিহঁতে বিচাৰে মানুহবোৰ সিহঁতৰ ওপৰত নিৰ্ভৰশীল হৈ থাকক। তেতিয়াহে টোপ দি বা ব্লেকমেইলিং কৰি ভোটবোৰ পাব পাৰি।'

'আপুনি কোৱা কথাখিনি সম্পূৰ্ণ সঁচা। তাৰ লগত হয়তো আৰু এটা কথা যোগ দিব পাৰি— প্ৰকৃতাৰ্থত জনহিতকৰ আঁচনি প্ৰস্তুত কৰিবলৈ আমাৰ নেতাসকলৰ যি ধৰণৰ অধ্যয়ন বা চিন্তাৰ গভীৰতাৰ দৰকাৰ সেইখিনি নাই।

'অধ্যয়নশীল, চিন্তা-চৰ্চা কৰা ভাল মানুহবোৰো ৰাজনীতিলৈ নাহে।'

'আৰু আমাৰ ৰাজনীতিৰ যি অৱস্থা আহিলেও জিকিব নোৱাৰে। কাৰণ ভাল মানুহৰ ক'লা টকা নাই। সৎভাৱে থকা মানুহৰ বহুত বেছি— অন্ততঃ নিৰ্বাচন জিকিব পৰাকৈ টকা নাই। আন খৰচ বাদ দিয়ক— নিউজ চেনেল এটাই দিয়া হিচাপ এটা চাওক— লোকসভাৰ একোটা সমষ্টিত প্ৰায় ২২০০টা প'লিং ষ্টেচন থাকে। নিৰ্বাচনৰ দিনা প্ৰতিটো প'লিং ষ্টেচনৰ বাহিৰত দলবোৰৰ তিনি-চাৰিজনকৈ ল'ৰাই টেবুল পাৰি বহি থাকে। সিহঁতৰ কাম হ'ল— সৰু কাগজ এটুকুৰাত ভোট দিবলৈ যোৱা মানুহবোৰৰ ভোটাৰ তালিকাত থকা ক্ৰমিক নং লিখি দিয়াটো। সেই তিনি-চাৰিজন ল'ৰাক চাহ-পানী বা হাত খৰচৰ নামত যদি পাঁচশ টকাকৈও দিয়ে বুলি ধৰা যায়, গোটেইকেইটা প'লিং ষ্টেচনৰ বাবে খৰচ হ'ব ২২০০ পূৰণ ৫০০ টকা অৰ্থাৎ প্ৰায় ১১ লাখ টকা। অৰ্থাৎ অকল নিৰ্বাচনৰ দিনা অকল এই কামটোতে খৰচ হ'ব ১১ লাখ টকা। বাকী দহদিন ধৰি, ঠায়ে ঠায়ে খোলা ৰখা নিৰ্বাচনী কাৰ্যালয়ৰ খৰচ আছে, নিৰ্বাচনী প্ৰচাৰৰ বাবে কৰা প্ৰচেশ্যনত যোৱা শ শ বাইক বা গাড়ীবোৰত তেল ভৰাই দিয়াৰ খৰচ আছে। মদৰ বটল, কম্বল বিলোৱাৰ খৰচ আছে। এই গোটেইবোৰ খৰচতো দলে নকৰে। গতিকে কোটি কোটি টকা নথকা মানুহে আজিকালি নিৰ্বাচন জিকাৰ কথা ভাবিবই নোৱাৰে। হাৰিবলৈনো কোনে নিৰ্বাচন খেলিব? আৰু সৎভাৱে কোটি কোটি টকা উপাৰ্জন কৰা মানুহ বৰ কম। গতিকে টকা থকা অসৎ বদমাচ ধুৰন্ধৰবোৰেই

সাধাৰণতে নিৰ্বাচন জিকি থাকে। সেইসকলে দেশৰ বাবে, মানুহৰ বাবে কি কৰিব? যি কৰে নিজৰ বাবেই কৰিব। নিৰ্বাচনত যদি এক কোটি খৰচ কৰিছে, পাঁচ বছৰত দহ কোটি আত্মসাৎ কৰিবলৈ চেষ্টা কৰিছে। নিৰ্বাচনটো এক ধৰণৰ ব্যৱসায়ৰ দৰে হৈ পৰিছে।'

কথাখিনি কৈ অনুভৱে দীঘলকৈ উশাহ এটা ল'লে।

জিলমিলে মন্তব্য কৰিলে—

'আচলতে আমাৰ দুৰৱস্থাৰ বাবে আমিয়েই দায়ী। আমি প্ৰলোভনৰ পৰা নিজকে মুক্ত কৰি যেতিয়ালৈকে ভোট নিদিম, তেতিয়ালৈকে এই ধুৰন্ধৰ বদমাচসোপাই নিৰ্বাচন জিকি থাকিব।'

'আমি সৎ মানুহবোৰক নিৰ্বাচনত উঠিব পৰা, জিকিব পৰা পৰিৱেশৰ সৃষ্টি কৰিব লাগিব। ধুৰন্ধৰ ৰাজনীতিবিদবোৰক বাধা দিবৰ বাবে আমাৰ সাধাৰণ মানুহৰ হাতত এটাই অস্ত্ৰ— ভোটাধিকাৰ! এই অধিকাৰ আমি সততাৰে সাব্যস্ত কৰিবই লাগিব।'

দুয়ো কিছু সময় নীৰৱে আগবাঢ়িল। আচলতে দুয়ো আপোনমনে কথাবোৰ ভাবি গৈ আছিল। হঠাতে তীব্ৰ বেগত ধূলি উৰুৱাই গোঁ গোঁৱাই মটৰ বাইক এখন কেঁকুৰি এটাত অদৃশ্য হৈ গ'ল। তাকে দেখি জিলমিলে নীৰৱতা ভাঙিলে—

'গাঁওখনত মটৰ চাইকেল বহুত হ'ল। কেইখনমান চাৰিচকীয়াও হ'ল। ঘৰত ভাল পায়খানা নথকা মানুহবোৰৰো হাতে হাতে মোবাইল ফোন আহিল। বাহ্যিক জাকজমকতা বাঢ়িল। বিহু বা দুৰ্গা পূজাৰ ৰাতিৰ ফাংশ্যনবোৰৰো জিকমিকনি বাঢ়িল। কিন্তু ভিতৰখন দিনকদিনে ফোঁপোলা হৈ যাব লাগিছে। শিক্ষা-সাহিত্য-সংস্কৃতি অধঃপাতে যাবলৈ ধৰিছে। মদ, জুৱা বাঢ়িল। ডেকাবোৰৰ মুখে মুখে অবাইচ মাত আখৈ ফুটাদি ফুটে।'

'আপুনি আপোনাৰ গাঁওখনৰ কথা বৰকৈ ভাবে!'— অনুভৱে মন্তব্য কৰিলে।

'নাই নাভাবো। আপোনাক কৈছোৱেই। অৱশ্যে আগতে ভাবিছিলো। আজিকালি নাভাবো। বাদ দিলো। চাকৰি কৰিছো দৰমহা পাইছো। খাইছো, শুইছো। সুখত আছোঁ। বছ—'

অলপ ৰৈ জিলমিলে পুনৰ ক'বলৈ ধৰিলে— 'বাহ্যিকভাৱে আপুনি হয়তো দেখিব— গাঁওখন অনবৰতে দলদোপ-হেন্দোলদোপ হৈ আছে। পিছে মিছা। আচলতে কাৰো চকুত আপুনি সপোন দেখিবলৈ নাপাব। কথাটো কেনেকুৱা জানে? আমাৰ গাঁৱত এজন ল'ৰা আছিল। মহা স্ফূৰ্তিবাজ। নাটক-গীত-মাত, বিহু-পূজা, বিয়া-সবাহ সকলোতে সি আগত থাকিছিল। য'তে থাকে হুলস্থূল এখন কৰি পৰিৱেশটো উৎসৱমুখৰ কৰি তুলিছিল। কিন্তু সকলোকে আচৰিত কৰি দি এদিন ৰাতি ল'ৰাটোৱে

আত্মহত্যা কৰি পেলালে। হয়তো সি ভিতৰি ভিতৰি চূড়ান্ত হতাশাত ভুগিছিল।'

পুনৰ কিছু সময় দুয়ো নীৰৱ হৈ পৰিল। অনুভৱে বুজি পালে— জিলমিলে তেওঁৰ মনত থুপ খাই থকা বহুত কথা তেওঁৰ আগত উজাৰি দিব খুজিছে। অনুভৱে শুনিলে জিলমিলে পুনৰ ক'বলৈ ধৰিছে—

'আমাৰ গাঁওখনৰ অৱস্থাও ঠিক সেই ল'ৰাজনৰ দৰে। বাৰ মাহত তেৰটা উৎসৱ পাতি দলদোপ-হেন্দোলদোপ হৈ থকা গাঁওখনো চূড়ান্ত হতাশাত বুৰি আছে। কি বুলি ক'ম কথাটো? mass depression? গণ হতাশা?'

'গণ হতাশা?'

'এৰা গণ হতাশা। ময়ো এই হতাশাৰ অংশ। এটা মেচিন হৈ গৈছো। কথাবোৰ ভাবিবলৈ বাদ দিছিলো। কিন্তু—'

কিন্তু বুলি কৈ জিলমিল বৈ গ'ল। অনুভৱে তেওঁৰ ফালে চাই ৰ'ল।

'আপোনাক লগ পাই কথাবোৰ আকৌ ভাবিবলৈ মন গৈছে—'

জিলমিলৰ কথাষাৰ শুনি অনুভৱ চঁক খাই উঠিল। তেওঁ জিলমিলৰ চকুৰ ফালে চালে— তিৰবিৰাই থকা চকুযুৰিত যেন হাজাৰ সপোনে ভিৰ কৰিব ধৰিছে! অনুভৱে তেনেকৈ চাই থকা দেখি জিলমিলে হাঃ হাঃ হাকৈ জোৰেৰে হাঁহি দিলে।

২২.

ফোনৰ শব্দত সাৰ পাই গ'ল অনুভৱ। আন্ধাৰৰ মাজেৰেই আঁঠুৱাৰ বাহিৰলৈ হাতখন উলিয়াই মোবাইল ফোনটো তুলি ল'লে।

'হেল্লো— সৌৰভ চলিহাৰ হাঁহিচম্পা পঢ়িলো। দুবাৰ। কি চমৎকাৰ লিখিছে হে! ইমান ভাল লাগিছে যে মনটো ভৰি গৈছে। আপোনাক জনাবলৈ খুউব মন গ'ল। সেইবাবে এই ৰাতিয়েই ফোন কৰিলো। আপুনি চাগৈ শুইছিলেই। আৰু এটা কথা কি জানে? আমাৰ অতনুৱেও ভাল লিখিছিল। খুব ভাল লিখিছিল। হেল্লো! আপুনি শুনি আছেনে? হেল্লো— হেৰি— আপোনাৰ টোপনি আহি গ'ল নেকি? আপুনি একো নকয় কিয়?...'

এইটোৱেই অনুভৱৰ সমস্যা। বৰ সহজতে চকু দুটা ভিজি যায়।

প্ৰশান্ত মাষ্টৰৰ কথাখিনি শুনি অনুভৱৰ আকৌ এবাৰ অনুভৱ হ'ল— সততা আৰু আন্তৰিকতাৰে মানুহৰ মুখামুখি হ'লে মানুহে সততা আৰু আন্তৰিকতাৰেই সঁহাৰি দিয়ে।

যিটো ঘটনাই অনুভৱক সহকৰ্মী শিক্ষকসকলৰ পৰা বহু দূৰলৈ আঁতৰাই লৈ যাব লাগিছিল, সেইটো ঘটনাই তেওঁক সহকৰ্মীসকলৰ বহুত ওচৰলৈহে লৈ আহিল।

২৩.

দশম শ্ৰেণীৰ ল'ৰা-ছোৱালীবোৰৰ উপস্থিতি লৈ লৈ শেষ ৰোল নম্বৰটোত অনুভৱ ৰৈ গ'ল। অসীম! ল'ৰাজন একেৰাহে তিনিমাহমান স্কুললৈ অহা নাই। অনুভৱে উপস্থিত লোৱা বহীখন জপাই থৈ ছাত্ৰ-ছাত্ৰীসকলৰ ফালে চাই সুধিলে—

'আচ্ছা, অসীম বোলা ল'ৰাজনৰ হ'ল কি? বহুদিন স্কুললৈ অহা নাই যে?'

নিৰ্মলে অনুভৱ মাষ্টৰৰ প্ৰশ্নটোত নভবাকৈয়ে আশাৰ পোহৰ অকণমান দেখা পালে। থিয় হৈ সি ক'লে—

'ছাৰ, অসীমে স্কুল এৰিলে।'

অনুভৱ কেইছেকেণ্ডমান তভক মাৰি ৰ'ল। কিবা এষাৰ ক'বলৈ ওলায়ো নক'লে। তেওঁ মাত্ৰ নিৰ্মলক ক'লে—

'আজি স্কুল ছুটীৰ পিছত তুমি মোক এবাৰ লগ ধৰিবাচোন।'

অলপ পৰ ৰৈ অনুভৱে ক'লে— 'আজিৰ পৰা তোমালোকক গণিত মই পঢ়ুৱাম। ইয়াৰ আগতে মই এদিন তোমালোকৰ শ্ৰেণীলৈ আহিছিলো। আজিৰ পৰা মই নিয়মিত তোমালোকৰ শ্ৰেণীলৈ আহি থাকিম। আজি মই তোমালোকক কিতাপৰ পৰা একো নপঢ়ুৱাওঁ। তোমালোকৰ লগত কথা পাতিম আৰু কেইটামান মই দৰকাৰী বুলি ভবা কথা ক'ম। আচ্ছা কোৱাচোন— তোমালোকৰ কোনে কোনে গণিত ভাল পোৱা?'

অনুভৱে দেখিলে— মাত্ৰ তিনিজনৰ হাত ওপৰলৈ উঠিছে। কথাটোত অনুভৱ অকণো আচৰিত নহ'ল। তেওঁ হাঁহি মাৰি ক'লে—

'বাকীবোৰে তাৰমানে গণিত বেয়া পোৱা? গতিকে গণিত টানো পোৱা!'

'নহয় ছাৰ— টান পাওঁ বাবেহে গণিত বেয়া পাওঁ।'— সীমান্তই থিয় হৈ ক'লে।

শিক্ষকৰ লগত সীমান্তহঁতে সমানে সমানে এনেকৈ কথা পাতি পোৱা নাই। গতিকে কথাষাৰ কওঁতে তাৰ উশাহ বন্ধ হৈ যোৱাৰ দৰে হ'ল। অনুভৱ মাষ্টৰক দেখিহে সি কথাষাৰ ক'বলৈ সাহস কৰিছিল। অনুভৱে সীমান্তৰ ফালে চাই ক'লে—

'এ— হয় নেকি! অ' কিবা এটা বেয়া পালে, বেয়া পোৱাৰতো কাৰণ এটা নিশ্চয় থাকিব! এ ৰ'বা— তোমালোকে বেয়া পোৱা গণিত পঢ়ুৱালে মোকো বেয়া পোৱা হৈ যাবা নেকি?'

সকলোৱে সমস্বৰে চিঞৰি উঠিল— 'নাপাওঁ, নাপাওঁ।' নাপায়। অনুভৱক কোনেও বেয়া নাপায়। সীমান্ত-নিৰ্মলহঁতে নিজৰ সমস্বৰৰ শব্দত নিজেই উচাপ খাই উঠিল। গণিত কি, কোনো শ্ৰেণীতে সিহঁতে ইমান মুকলিকৈ কথা ক'ব নোৱাৰে।

অনুভৱে বুকুত হাত দি দীঘলকৈ উশাহ টানি ক'লে—

'উস্ ৰক্ষা।'

অনুভৱ মাষ্টৰৰ ভংগী দেখি সকলোৰে হাঁহি উঠি গ'ল। অনুভৱ মাষ্টৰে সীমান্তৰ ফালে চাই ক'লে—

'গণিত টান পোৱা বাবে গণিত বেয়া পোৱা। তাৰ পিছত গণিত আৰু বেছি টান পোৱা হৈ গ'লা নহয়নে। বেছি টান পোৱা বাবে গণিতক আৰু বেছি বেয়া পোৱা হৈ গ'লা নহয়নে?'

সীমান্তই মূৰ জোকাৰিলে— হয়, কথাটো হয়। আচৰিত এই নতুন মাষ্টৰটো। তাৰ ভিতৰৰ এই কথাটো অনুভৱ মাষ্টৰে কেনেকৈ গম পালে? যিমানেই গণিত সি বেয়া পায় সিমানেই সি গণিত কমকৈ পঢ়ে। মাক-দেউতাকে কথাটো গম নাপায়। মাক-দেউতাকক সি গণিত খুব পঢ়ে বুলি ফাঁকি মাৰি থাকে। যিমানে ওপৰ শ্ৰেণীলৈ আহি আছে, সিমানেই সি গণিত টান আৰু বেয়া পোৱা হৈ আহি আছে।

অনুভৱ মাষ্টৰে গভীৰ দুখৰ হুমুনিয়াহ এটা এৰি ক'লে—

'কি কৰিবা! গণিত বেচেৰাটো এনেকুৱাই। তাক যিমানেই বেয়া পাবা সি সিমানেই ভয়ংকৰ দুৰ্দান্ত অবাধ্য বদমাচ হৈ পৰিব। আৰু যিমানেই তাক মৰম কৰিবা সি সিমানেই বাধ্য ছাত্ৰৰ দৰে হৈ পৰিব।'

এ— কথাটো তেনেকুৱাও হ'ব পাৰে নেকি! এই প্ৰথম সীমান্তহঁতৰ গণিতলৈ দুখ লাগিল। দুখ মানে? বৰ দুখ লাগিল। শহা পহুৰ দৰে কাণ থিয় কৰি সিহঁতে অনুভৱ মাষ্টৰৰ প্ৰতিটো শব্দ শুনি যাবলৈ ধৰিলে—

'তোমালোকৰ দৰে অৱস্থা মহাত্মা গান্ধীৰো হৈছিল। 'মোৰ সত্য অন্বেষণৰ কাহিনী' নামৰ আত্মজীৱনীত তেওঁ এই কথা লিখি থৈ গৈছে। মহাত্মা গান্ধীয়ে জ্যামিতি খুব টান পাইছিল। এদিন এটা উপপাদ্য পঢ়ি থাকোতে তেওঁ উপলব্ধি কৰিলে যে যিটো বিষয়ত যুক্তিৰ ব্যৱহাৰহে লাগে সেই বিষয়টো কেতিয়াও টান হ'ব নোৱাৰে। মহাত্মা গান্ধীয়ে লিখিছিল— তেতিয়াৰে পৰা হেনো বিষয়টো তেওঁৰ বাবে উজু হৈ পৰে।'

অলপ ৰৈ অনুভৱে পুনৰ ক'বলৈ ধৰিলে—

'আচলতে হয় কি— তোমালোকে সূত্ৰবোৰ মুখস্থ কৰা, তাৰ পিছত শিক্ষকে কৰি দিয়া অংক এটা চাই চাই নিজে একে ধৰণৰ আৰু পাঁচটা অংক কৰা। তাকেই তোমালোকে 'অংক কৰা' বুলি কোৱা। তোমালোকে নিজাকৈ ভবাৰ কোনো চেষ্টাই নকৰা। আমি শিক্ষকসকলেও হয়তো তোমালোকক সেই সুযোগ নিদিওঁ। ফলত সকলো সূত্ৰ জনাৰ পিছতো শিক্ষকে 'আগতে কৰি নিদিয়া ধৰণৰ— তোমালোকৰ ভাষাত শিক্ষকে আগতে কৰি নিদিয়া নিয়মৰ অংক' দেখিলে তোমালোকে কলম

কামুৰি বহি থাকা। অলপো আগুৱাব নোৱাৰা। সাঁতুৰিব নজনা মানুহে পানীত পৰাৰ দৰে অৱস্থা হয়। হয়নে?'

এইবাৰ মুখেৰে কোনেও শব্দ নকৰিলে। শব্দ কৰিলেই যেন কিবা এটা— কিবা এটা নষ্ট হৈ যাব— সকলোৰে তেনেকুৱা লাগিল। সকলোৱে নীৰৱে মূৰ দুপিয়ালে— হয়, হয়— সিহঁতৰ তেনেকুৱাই হয়।

'এই যে শিক্ষকে কৰি নিদিয়া ধৰণৰ অংক তোমালোকে নকৰা, কৰিবলৈ বেয়া পোৱা, আমি কৰিবলৈ নিদিওঁ— তাৰ ফলত তোমালোকৰ কথাবোৰ চিন্তা কৰাৰ, বিশ্লেষণ কৰাৰ অভ্যাস গঢ়ি নুঠে। সেইবাবে তোমালোকে গণিতত দুৰ্বল হ'বা বা পৰীক্ষাত নতুন ধৰণৰ অংক আহিলে কৰিব নোৱাৰিবা, নম্বৰ কম পাবা। তোমালোকৰ নিজৰ অলপ ক্ষতি হ'ব। কিন্তু এই যে চিন্তা কৰিবলৈ চেষ্টা নকৰা, ইচ্ছা নকৰা ছাত্ৰ-ছাত্ৰী স্কুলবোৰৰ পৰা বছৰি বছৰি ওলাই গৈ থাকিব— এই কথাটোৰ পৰা কোনেও নেদেখাকৈ সমাজৰ বহুত ক্ষতি হৈ যায়। কথাবোৰ গভীৰকৈ ভাবিবলৈ নিশিকা কোনোবায়েইতো ৰাস্তাত গুণ্ডামি কৰি ঘূৰি ফুৰিব, ক'ৰবাত বোমা দিব, মানুহ মাৰিব! মানুহবোৰে নিজৰ ফালৰ পৰা কথাবোৰ ভাবিলে সমাজৰ বহুত সমস্যা আধা-আধি নিজে নিজেই নোহোৱা হৈ যাব। শিক্ষাৰ লগততো এনেকুৱা কথাও জড়িত হৈ থাকে! পৰীক্ষাত ভাল নম্বৰ পাই ভাল চাকৰি এটা যোগাৰ কৰাটোৱেইতো আৰু শিক্ষাৰ উদ্দেশ্য নহয়!'

কথাবোৰ দশম শ্ৰেণীৰ ছাত্ৰৰ বাবে খুব টান হ'ল নেকি অনুভৱে এবাৰ বৈ ভাবিলে। ল'ৰা-ছোৱালীবোৰৰ মুখবোৰ তেওঁ এবাৰ চালে। সিহঁতলৈ অনুভৱৰ বৰ মৰম লাগিল। বৰ মনযোগেৰে সিহঁতে বুজা-নুবুজা কথাবোৰ শুনি গৈছে। হ'ব, সকলো কথা নুবুজিলেও একো ক্ষতি নাই। কিবা এটাত চকু পৰিলে নিজেই বস্তুটো চোৱাৰ ইচ্ছাটো বহুতোৰেই হয়! সেইবাবেই অনুভৱে আৰু কিছু কথা কোৱাটোকে ঠিক কৰিলে—

'আমি হয়তো তোমালোকক মুখস্থ কৰাৰ ওপৰত বেছি জোৰ দিওঁ। উদাহৰণ হিচাপে— পূৰণৰ নেওতাৰ কথাকে চোৱাচোন। মই ভাবো পূৰণৰ ২, ৩, ৪, ৫, ৬, ৭, ৮ আৰু ৯ এই ভাগকেইটা জানিলেই হৈ যায়। ইয়াৰে ৫ৰ ভাগটো মুখস্থ কৰিব লগা একোৱেই নাই। বাকী থকা সাতটা ভাগো মনত ৰখাটো বিশেষ টান নহয়। কিন্তু আমি তোমালোকক ১ৰপৰা ২০লৈ ২০টাভাগ মুখস্থ কৰিবলৈ দিওঁ। আগতেতো মুখস্থ দিব নোৱাৰিলে শিক্ষকে চেকনিৰে কোবাইছিল। মই নিজেই পূৰণৰ নেওতা মুখস্থ দিব নোৱাৰি চেকনিৰ কোবৰ ভয়ত স্কুল বাদ দিছিলো। বহুতদিন স্কুললৈ যোৱা নাছিলো। শেষত দেউতাই গৈ মোৰ স্কুলৰ শিক্ষকক কথাবোৰ ক'লে। আৰু শিক্ষকেও দেউতাক কথা দিলে যে মোক আৰু কেতিয়াও নোকোবায়। তেতিয়াহে মই আকৌ স্কুললৈ

যোৱা কৰিলো। আৰু এতিয়া চোৱাচোন— মই গণিতৰেই শিক্ষক হ'লো। দেউতাই যদি সেইখিনি কাম নকৰিলেহেঁতেন তেতিয়াহ'লে দ্বিতীয়-তৃতীয় শ্ৰেণীতে মোৰ পঢ়া শেষ হৈ গ'লহেঁতেন।'

গোটেই শ্ৰেণীটোতে গুণগুণনিৰ সৃষ্টি হ'ল। সিহঁতৰ নতুন শিক্ষকজনো তাৰ মানে সিহঁতৰ দৰেই! আস্— এইটোতো বৰ ভাল কথা হ'ল! সিহঁতৰ নতুন শিক্ষকজনক নিজৰ আপোন কোনোবা যেন লাগিবলৈ ধৰিলে। সিহঁতেও নেওতা মুখস্থ কৰিবলৈ কম কষ্ট কৰিছিলনে! সিহঁতৰ বহুতেই কিমান যে গালি খাইছিল! আনকি অনুভৱ মাষ্টৰে কোৱাৰ দৰে স্কেলৰ কোবো খাইছিল। সিহঁতৰ লগৰ দুজনে নেওতা মুখস্থ কৰিব নোৱাৰি মাৰ খোৱাৰ ভয়ত স্কুলেই এৰিছিল। সিহঁতৰো গণিত বিষয়টো তেতিয়াৰ পৰাই অলপ অলপকৈ বেয়া লাগিবলৈ, আনকি বিষয়টোক ভয় লাগিবলৈও আৰম্ভ কৰিছিল। সিহঁতে শুনিলে অনুভৱ মাষ্টৰে আকৌ ক'বলৈ আৰম্ভ কৰিছে—

'মোক যদি এতিয়াই সোধা— 'ছাৰ, ১৯×৭ কিমান কওকচোন।' মই তৎক্ষণাৎ উত্তৰটো দিব নোৱাৰিম। হয়তো নিৰ্মলেই মোতকৈ আগতে উত্তৰটো দিব। কিন্তু কেইছেকেণ্ডমান পলমকৈ হ'লেও ময়ো উত্তৰটো দিম। শুদ্ধকৈ দিম। ২০×৭ উলিওৱাটো সহজ। ২×৭, ১৪; গতিকে ২০×৭, ১৪০। কিন্তু মোক লাগে ১৯×৭; অৰ্থাৎ ১৯টা সাত, ২০টা নহয়। এটা কম। গতিকে মই ১৪০ৰ পৰা ৭ কমাম। গতিকে ১৯×৭ৰ উত্তৰটো হ'ব ১৩৩। এইখিনি হিচাপ কৰোঁতে মোৰ কেইছেকেণ্ডমান নিশ্চয় লাগিব। কিন্তু মুখস্থ কৰাৰ বিৰক্তিখিনি মোৰ নাই। আকৌ ধৰা— তুমি পাচলি বজাৰলৈ গৈছা। ধৰি লোৱা তুমি কিবা এবিধ পাচলি প্ৰতি কেজি ১৭ টকাকৈ ২২ কেজি কিনিছা। তুমি মুঠতে কিমান টকা দিব লাগিব? তুমি হয়তো বেপাৰীক পইচা দিবলৈ ওলাই ভাবি আছা ভাবি আছা— পাচলি বেপাৰীজনে কৈ উঠিছে— ৩৭৪ টকা। কেনেকৈ ক'লে? তেওঁ প্ৰথমে ২০ কেজি পাঁচলিৰ দাম উলিয়াই লৈছে— ৩৪০ টকা। তুমি ২২ কেজি কিনিছা, গতিকে আৰু ২ কেজিৰ দাম অৰ্থাৎ ৩৪ টকা যোগ দিব লাগিব। মই আৰু পাচলি বেপাৰীজনে উত্তৰটো পাবলৈ একেটা কামেই কৰিছে। পাচলি বেপাৰীজনে কি কৰিছে চোৱা—'

অনুভৱ মাষ্টৰে চক পেঞ্চিল এডাল হাতত লৈ ব'ৰ্ডত লিখিবলৈ ধৰিলে—

$$
\begin{aligned}
২২\times১৭ &= (২০+২)\times১৭ \\
&= ২০\times১৭ + ২\times১৭ \quad (??) \\
&= ২\times১৭\times১০ + ২\times১৭ \\
&= ৩৪\times১০+৩৪ \\
&= ৩৪০+৩৪ \\
&= ৩৭৪
\end{aligned}
$$

'আৰু মই কি কৰিছো চোৱা—'

অনুভৱ মাষ্টৰে আকৌ লিখিবলৈ আৰম্ভ কৰিলে—

১৯×৭ = (২০-১)×৭

= ২০×৭-১×৭ (??)

= ২×৭×১০-৭

= ১৪০-৭

= ১৩৩

ল'ৰা-ছোৱালীবোৰে মন কৰিলে অনুভৱ মাষ্টৰে দুঠাইত দুডালকৈ প্ৰশ্নবোধক চিন দিছে। সিহঁতৰ ফালে চাই অনুভৱ মাষ্টৰে সুধিলে—

'মই দুঠাইত দুডালকৈ প্ৰশ্নবোধক চিন দিছো। তাত গণিতৰ কি বিধিৰ প্ৰয়োগ হৈছে ক'ব পাৰিবানে?'

কাৰো পৰা সঁহাৰি নাহিল। অলপ অপেক্ষা কৰি তেওঁ আকৌ সুধিলে—

'অলপ ভাবি চোৱাচোন।'

অনুভৱ মাষ্টৰে আকৌ অপেক্ষা কৰিলে। ওহোঁ। এইবাৰো সঁহাৰি নাহিল।

'তোমালোকে বাৰু বিতৰণ বিধিৰ নাম শুনিছানে?'

এইবাৰ কেইবাজনেও উৎসাহেৰে চিঞৰিলে। সিহঁতে একে উশাহতে ক'লে—

$$a.(b+c) = a.b + a.c$$

আৰু $(a+b).c = a.c + b.c$

অনুভৱ মাষ্টৰে মিচিকিয়াই হাঁহিলে।

'অ' অ'— প্ৰথমটো বাঁও বিতৰণ বিধি আৰু পিছৰটো সোঁ বিতৰণ বিধি। মই আৰু পাচলি বেপাৰীজনে আচলতে বিতৰণ বিধি ব্যৱহাৰ কৰি হিচাপ দুটা মুখে মুখেই কৰি পেলাইছো। কি ঠিক পাচলি বেপাৰীৰ বহুতেই হয়তো বিতৰণ বিধিৰ নামেই শুনা নাই!'

ল'ৰা-ছোৱালীবোৰে মন কৰিলে নতুন মাষ্টৰে কথাখিনি কওঁতে পাচলি বেপাৰীক অকণো ইতিকিং কৰা নাই। বৰং প্ৰশংসাহে কৰিছে।

অনুভৱে বিতৰণ বিধিটো কেনেদৰে প্ৰয়োগ হৈছে বুজাই দিলে। এইবাৰ তেওঁ ব'ৰ্ডত তিনিটা বিন্দু আঁকিলে—

A
.

B.

.C

ল'ৰা-ছোৱালীবোৰে খুব মনোযোগ দি উৎকণ্ঠাৰে ব'ৰ্ডৰ ফালে চাই ৰ'ল। সিহঁতে আজি নতুন ধৰণৰ ৰস পাইছে। অনুভৱ মাষ্টৰে সিহঁতক ক'লে—

'ধৰি লোৱা A, B, C তিনিখন ঠাই। ধৰা, তুমি Aৰ পৰা Cলৈ যাব লাগে। তুমি AC ৰাস্তাটোৰে যাবানে AB ৰাস্তাটোৰে গৈ আকৌ BC ৰাস্তাৰে যাবা?'

অনুভৱে ছবিখন সম্পূৰ্ণ কৰিলে—



ল'ৰা-ছোৱালীবোৰে প্ৰায় একেলগে চিঞৰি উঠিল— 'AC ৰাস্তাৰে ছাৰ!'

'হয়। AC ৰাস্তাৰে। দুয়োটা ৰাস্তা যদি সমানে ভাল বা সমানে বেয়া তুমি নিশ্চয় AC ৰাস্তাৰেই যাবা। কিন্তু কিয়?'— অনুভৱে সুধিলে।

আনন্দ নামৰ উৎপতীয়া ল'ৰাজনে ক'লে— 'সেইফালেদিয়ে শ্বৰ্ট কাট হ'ব ছাৰ!'

অনুভৱে হাঁহিলে।

'এৰা শ্বৰ্ট কাট। পঢ়া-শুনা নকৰা যিকোনো মানুহেও ক'ব যে AC ৰাস্তাটোৰে গ'লে কম সময় লাগিব। ইয়াত আচলতে জ্যামিতিৰ ধুনীয়া উপপাদ্য এটাৰ ব্যৱহাৰ হৈছে। কি ক'ব পাৰিবানে?

সকলো নিৰুত্তৰ হৈ ৰ'ল। অলপ বৈ অনুভৱে ইঙ্গিত এটা দিলে—

'ABC— এইটো কি?'

এইবাৰ কেইবাজনেও চিঞৰিলে— 'ত্ৰিভুজ!'

অনুভৱে উত্তৰটো কৈ নিদি আকৌ সুধিলে— 'এইবাৰ ক'ব পাৰিবানে কি উপপাদ্যৰ ব্যৱহাৰ হৈছে?'

নিৰ্মলে উৎসাহেৰে ক'লে— 'ত্ৰিভুজৰ দুটা বাহুৰ সমষ্টি তৃতীয় বাহুতকৈ ডাঙৰ।'

'এৰা এৰা। তুমি ঠিকেই কৈছা।'

অনুভৱে নিৰ্মলক প্ৰশংসা কৰিলে। অনুভৱে মন কৰিলে নিৰ্মলৰ চকু দুটা তিৰবিৰাই উঠিছে। আৱিষ্কাৰৰ উত্তেজনা আৰু আনন্দত।

'চোৱাচোন আমি নজনাকৈয়ে কেনেদৰে ত্ৰিভুজৰ এই উপপাদ্যটো বা বিতৰণ বিধিটো আমাৰ দৈনন্দিন কামত ব্যৱহাৰ কৰি আছো!'

অলপ বৈ অনুভৱে ল'ৰা-ছোৱালীবোৰক নিৰীক্ষণ কৰিলে। এটা আনন্দৰ ঢৌ যেন

সিহঁতৰ মাজেৰে বাগৰি ফুৰিছে।

'মই কৈছিলো যে আমি মুখস্থৰ ওপৰত বেছি জোৰ দিওঁ। সাহিত্যতে চোৱাচোন— তলৰ শ্ৰেণীৰ পৰীক্ষাত সদায়েই কোনো কবিতাৰ প্ৰথম আঠশাৰী মুখস্থ লিখিবলৈ দিয়া হয়। তোমাৰ কবিতাটো ভাল নালাগিলেও মুখস্থ কৰিব লাগিব। নহ'লে পৰীক্ষাত নম্বৰখিনি হেৰুৱাবা। মুখস্থ কৰাৰ কি দৰকাৰ কোৱাচোন? কবিতাটো বুজি পোৱাটোহে দৰকাৰী কথা। কবিতাটো বুজা, পাৰা যদি নিজেও লিখা। মুখস্থ কিয় কৰিব লাগে? অ', তোমাৰ কিবা কবিতা ভাল লাগি পঢ়োঁতে পঢ়োঁতে যদি মনত থাকি যায়, সেয়া বেলেগ কথা। গণিতৰ সূত্ৰবোৰো বুজি পালে নিজে নিজেই মনত থাকি যায়। তুমি নুবুজাকৈ যদি সূত্ৰবোৰ মুখস্থ কৰি গৈ থাকা, যিমানেই ওপৰলৈ গৈ থাকিবা জমা হোৱা সূত্ৰৰ হেঁচাই তোমাৰ মূৰত জঁট লগাবলৈ আৰম্ভ কৰিব। কথাবোৰ খেলিমেলি হ'ব। মনত নপৰা হ'ব— ঠিক কম্পিউটাৰৰ দৰে। কম্পিউটাৰত যেতিয়া বহুত বেছি ফাইল ছেভ কৰি থ'বা— কম্পিউটাৰটো লেহেমীয়া হ'ব। মাজে মাজে হেং হ'ব। তোমালোকে বাৰু আমনি পাইছা নেকি?'

'নাই পোৱা ছাৰ।'— ল'ৰা-ছোৱালীবোৰে লগে লগে জনালে।

'তেতিয়াহ'লে শুনা। এবাৰ আইনষ্টাইনক এজন মানুহে পদাৰ্থ বিজ্ঞানৰ কিবা এটা সৰু কথা সুধিলে। আইনষ্টাইনে নম্ৰভাৱে জনালে যে তেওঁ নাজানে। তেতিয়া মানুহজন আচৰিত হৈ ক'লে— 'আপুনি ইমান ডাঙৰ বিজ্ঞানী হৈ এই কথাটোও নাজানে!' উত্তৰত আইনষ্টাইনে কি কৈছিল জানানে? তেওঁ কৈছিল— 'যিবোৰ কথা মই কিতাপখন মেলিলেই সহজতে পাওঁ, সেইবোৰ মই মগজুত ভৰাই কঢ়িয়াই লৈ নুফুৰো।' '

'কিন্তু ছাৰ— পৰীক্ষাৰ বাবে আমিতো কিছুমান কথা মনত ৰাখিব লাগিবই'!— আনন্দই ক'লে।

'নিশ্চয় লাগিব। কিন্তু যিমান পাৰি কমকৈ। তোমালোকে কথাবোৰ বুজাৰ ওপৰতহে আটাইতকৈ বেছি গুৰুত্ব দিব লাগিব। তেতিয়াহে তোমালোকে পঢ়া কামটো উপভোগ কৰিব পাৰিবা। কোনেও আগতে শিকাই নিদিয়া ধৰণৰ এটা অংক যদি তুমি নিজেই কৰিব পাৰিছা, তেতিয়া তুমি তাতে কিবা এটা সৃষ্টি কৰাৰ সমানেই আনন্দ পাবা। পোৱা উচিত। এইবোৰ কথা মই তোমালোকক মোৰ প্ৰথম ক্লাছটোতে কৈছো। তোমালোকে এই ধৰণৰ মন এটা লৈয়ে মোৰ ক্লাছটোলৈ আহিবা। মই যিমান পাৰো সহজকৈ কথাবোৰ বুজাবলৈ চেষ্টা কৰিম। কিন্তু তোমালোকে আশা কৰাৰ দৰে গণিতৰ সকলো কথাকে পানী পানী কৰি বুজাই দিব পাৰিম বুলি নাভাবিবা। মই গণিতৰ বিভিন্ন ধাৰণাৰ আচল কথাবোৰ বাদ নিদিয়াকৈ বুজাবলৈ চেষ্টা কৰিম। তাৰে

কিছুমান কথা তোমালোকৰ যদি টানো লাগে তাৰ মাজতে সেইবোৰৰ সৌন্দৰ্যখিনি উপভোগ কৰিবলৈ চেষ্টা কৰিবা। সহজ কৰিবলৈ গৈ কথাবোৰ ভুলকৈ বুজোৱাটো বা আচল কথাবোৰ বাদ দি বুজোৱাটো শুদ্ধ কথা নহয়। ধৰি লোৱা, তুমি এটা আঁকোৰা-পকোৰা ৰাস্তাৰে চাইকেল চলাইছা। ৰাস্তাটো আঁকোৰা-পকোৰা বুলি যদি তুমি চিধাকৈ চাইকেল চলাবলৈ যোৱা তুমি খালে-ডোঙে নপৰিবা জানো? বা গছ এডালৰ কথাকে ভাবাচোন। তাৰ ডালবোৰ যেনি-তেনি ওলাই গৈছে। সেই গছডাল তুমি সৰল বা চিধা কৰিবলৈ যদি ডালবোৰ কাটি লঠঙা কৰি পেলোৱা, গছডাল বাৰু সৰল হ'ব— কিন্তু গছডালৰ সৌন্দৰ্য থাকিবনে? আচল গছজোপা থাকিবনে?'

অনুভৱে অলপ জিৰণি ল'লে। তাৰ পিছত আকৌ আৰম্ভ কৰিলে—

'তোমালোকৰ বহুতেই হয়তো আগলৈ গণিত বিষয়টো নপঢ়িবা। সেই বুলি গণিত বিষয়টো অৱহেলা নকৰিবা। আমাৰ সমাজত কথাবোৰ যুক্তিৰে ভবা মানুহ বৰ কম। গণিতে আমাক কথাবোৰ যুক্তিৰে বিচাৰ কৰিবলৈ শিকায়। এখন সমাজ ঠিকে থাকিবলৈ হ'লে গণিত, বিজ্ঞান কেৱল স্কুল-কলেজত পঢ়া বিষয় হৈ থাকিলে নহ'ব। গতিকে পঢ়া-শুনা কৰোঁতে কেৱল পৰীক্ষাৰ কথা ভাবি থাকিলেই নহ'ব, এইবোৰ কথাও ভাবিবা। এতিয়াৰ পৰাই ভাবিবা। মনত ৰাখিবা— ক্ৰিকেটত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয় হ'লে ফটকা-বোমা ফুটাই দেশপ্ৰেমিক হোৱাটো সহজ, কিন্তু এইবোৰ কথা ভাবি কাম কৰি যোৱাটোহে প্ৰকৃত দেশপ্ৰেম।'

ঘণ্টা পৰিবৰ সময় হৈছিল। অনুভৱে ক্লাছটো সামৰিবলৈ সাজু হ'ল—

'মই এতিয়া তোমালোকক তিনিটা প্ৰশ্ন দিম। তোমালোকে যি কিতাপেই চোৱা চাব পাৰিবা। নিজৰ মাজতো আলোচনা কৰিব পাৰিবা। তোমালোকক মই সাত দিন সময় দিছোঁ। এতিয়া প্ৰশ্ন তিনিটা লোৱা— প্ৰথম প্ৰশ্ন ঃ ১ৰ পৰা ৯লৈ অংককেইটাৰ প্ৰতিটো অংক এবাৰকৈ ব্যৱহাৰ কৰি সজোৱা নটা অংকবিশিষ্ট সংখ্যাবোৰৰ কথা ভাবা। উদাহৰণ হিচাপে তেনে এটা সংখ্যা হ'ল ৮২৭৫৪৩৬১৯। এনে সংখ্যা বহুত আছে। মন কৰিবা— আকৌ কৈছো— যি সংখ্যাই নোলোৱা কিয়, তাত প্ৰতিটো অংকই এবাৰ মাত্ৰ এবাৰকৈহে আছে। এতিয়া প্ৰশ্নটো হ'ল— এই সংখ্যাবোৰৰ কিমানটা মৌলিক সংখ্যা হ'ব?

দ্বিতীয় প্ৰশ্ন ঃ মোক ২০টা ক্ৰমিক যৌগিক সংখ্যাৰ উদাহৰণ দিয়া।

তৃতীয় প্ৰশ্ন ঃ তোমাক এটা বৃত্ত দিয়া আছে। জ্যামিতি বাকচৰ ত্ৰিকোণীপাট আৰু কাঠ পেঞ্চিল এডাল ব্যৱহাৰ কৰি বৃত্তটোৰ কেন্দ্ৰটো উলিয়াই দিব লাগে।'

অনুভৱে ল'ৰা এজনৰ জ্যামিতিৰ বাকচটো লৈ ল'ৰা-ছোৱালীবোৰক ত্ৰিকোণীপাট দেখুৱাই দিলে। তাৰ পিছত তেওঁ ক'লে—

'তোমালোকে যদি উত্তৰ উলিয়াব পাৰা খুব ভাল কথা হ'ব। আৰু যদি নোৱাৰাও হতাশ হোৱাৰ দৰকাৰ নাই। মাত্ৰ চেষ্টা কৰিবা সকলোৱে। চেষ্টা কৰোঁতেই বহুত কথা শিকিব পাৰিবা।'

অনুভৱ মাষ্টৰে ক্লাছটো শেষ কৰি শ্ৰেণীকোঠাৰ পৰা ওলাই গ'ল। নিৰ্মলহঁতৰ মনবোৰ এক বুজাব নোৱৰা আনন্দেৰে ভৰি পৰিছে। সিহঁতে প্ৰশ্ন তিনিটাৰ কথা আলোচনা কৰিবলৈ ধৰিলে। এজনে বৃত্ত এটা আঁকি ত্ৰিকোণীপাট উলিয়াই কেন্দ্ৰটো উলিয়াবলৈ চেষ্টা কৰিছে—

সিহঁতে প্ৰশ্ন তিনিটা ক'ত আৰম্ভ কৰিব ধৰিব পৰা নাই। এনে প্ৰশ্ন সিহঁতে ক'তো পোৱা নাই। কিবা অদ্ভুত ধৰণৰ প্ৰশ্ন, অথচ বাৰে বাৰে মনটো প্ৰশ্নকেইটাৰ ফালে ঘূৰি ঘূৰি যায়।

ক্লাছটো কৰি থাকোঁতে নিৰ্মলৰ বাৰে বাৰে অসীমলৈ মনত পৰি আছিল। এতিয়া প্ৰশ্নকেইটা শুনি তাৰ অসীমলৈ বেছিকৈ মনত পৰিবলৈ ধৰিলে। প্ৰশ্নকেইটা অসীমক ক'বলৈ তাৰ তীব্ৰ ইচ্ছা হ'ল। কিবা এটা ভাল বস্তুৰ ভাগ দিয়াৰ দৰে অসীমকো কথাবাৰৰ ভাগ দিবলৈ নিৰ্মলৰ বৰ মন গৈছে। অনুভৱ মাষ্টৰে অসীমৰ কথা সুধিছিল। নতুন মাষ্টৰজনৰ যোগেদি যেন নিৰ্মলে অসীমৰ বাবে আকৌ অকণমান আশাৰ পোহৰ দেখিলে।

২৪.

স্কুল ছুটীৰ পিছত অনুভৱ মাষ্টৰৰ কথামতেই নিৰ্মলে তেওঁক লগ ধৰিলে। তেওঁ নিৰ্মলক দেখি কমন ৰুমৰ পৰা ওলাই আহিল। ইতিমধ্যে ল'ৰা-ছোৱালীবোৰ ঘৰলৈ গৈছিল। শিক্ষকসকলেও যাবলৈ আৰম্ভ কৰিছিল। অনুভৱ মাষ্টৰে নিৰ্মলক একাষৰীয়াকৈ লৈ গ'ল।

'কোৱাচোন অসীমে কিয় স্কুল এৰিলে?'

'বহুত কথা ছাৰ!'— নিৰ্মল অলপ সময় টলকা মাৰি থাকিল। লাহে লাহে সি ক'বলৈ আৰম্ভ কৰিলে। বহুত কথা। নিৰ্মলে জনা, নিৰ্মলে দেখা, নিৰ্মলে ভবা সকলো কথা।

অসীমৰ ঘৰৰ অৱস্থাৰ কথা।

অসীমৰ বাপেকৰ কথা।

অসীমৰ বাপেকে মদ খোৱাৰ কথা।

অসীমৰ পঢ়া বেয়া হৈ অহাৰ কথা।

শিক্ষকসকলে তাক বেয়া পাবলৈ আৰম্ভ কৰাৰ কথা।
অসীমে স্কুললৈ আহিবলৈ বন্ধ কৰাৰ কথা।
নির্মলৰ তাক ওভতাই অনাৰ চেষ্টাৰ কথা।
অসীম পুনৰ স্কুললৈ উভতি অহাৰ কথা।
মহেন্দ্ৰ মাষ্টৰে অসীমক বেত দিয়াৰ কথা।
তাৰ পিছত আৰু অসীমে কোনোদিন স্কুললৈ নহাৰ কথা।
অসীমৰ বাপেকক গাঁৱৰ মানুহে দিয়া শাস্তিৰ কথা।
অসীমৰ শিল ভঙা কষ্টৰ কথা।
সকলো কথা।
সকলো কথা।
শেষত নির্মলে ক'লে—
'আপুনি তাক আকৌ ওভতাই আনিব লাগিব ছাৰ। এই কামটো অকল আপুনিহে পাৰিব।'
অনুভৱ মাষ্টৰে নির্মলৰ মুখখনলৈ মৰমেৰে চাই থাকি ক'লে—
'কাইলৈ মই তোমাৰ লগত অসীমৰ ঘৰলৈ যাম!'
কথাষাৰ শুনি নির্মলৰ মনটো নাচি উঠিল। তাৰ থৌকি-বাথৌ লাগিল। অসীম পুনৰ স্কুললৈ অহাৰ আশা দেখি উৎসাহ-উত্তেজনাত তাৰ বুকুখন ফাটি যাওঁ ফাটি যাওঁ লাগিবলৈ ধৰিলে। অনুভৱ মাষ্টৰৰ ফালে কৃতজ্ঞতাৰ দৃষ্টিৰে চাই নির্মলে ক'লে—
'বহুত ভাল হ'ব ছাৰ!'
অলপ ৰৈ সি আকৌ ক'লে—
'তাৰ ঘৰলৈ ছয় বজাৰ পিছত গ'লেহে তাক লগ পোৱা যাব।'
'হ'ব। ছয় বজাত মই তোমাক ঘৰৰ পৰা লৈ আহিম। এতিয়া তুমি যোৱা।'
নির্মল যাবলৈ সাজু হ'ল। ঘৰলৈ বুলি খোজ পেলাই সি ৰৈ গ'ল—
'ছাৰ কথা এটা কওঁ। আপুনি দিয়া প্ৰশ্নকেইটা আমি কৰিব পাৰোনে নাই নাজানো। কিন্তু মোৰ বিশ্বাস প্ৰশ্নকেইটাৰ উত্তৰ অসীমে উলিয়াব পাৰিব। গণিতত সি আচৰিত ধৰণে চোকা আছিল। সকলোৰে তাক চোকা বুলি জানিছিল। কিন্তু মই ভাবো গণিতত সি কিমান চোকা সেই কথা কোনেও গম নাপায়। আনকি সিও—'
'তুমিতো জানা!'— হাঁহি মাৰি অনুভৱে ক'লে।
'অলপ জানো। সি কিমান চোকা সেই কথা জনাৰ শক্তি মোৰ নাই। আপুনি জানিব। মই ভাবো আপুনি তাক লগ পালে বৰ ভাল পাব। সিও বৰ ভাল পাব।'

এই ল'ৰাজনৰ মনটো বৰ ভাল। বহুত চোকা ল'ৰাৰ দৰে সি স্বাৰ্থপৰ নহয়। অনুভৱে একে ঠাইতে বৈ নিৰ্মল যোৱাৰ ফালে চাই ৰ'ল।

২৫.

নিৰ্মলৰ মনটো খুব ভাল লাগিল। সি বহুত আশা দেখিছে। ইমানবোৰ ভাল কথা বুকুৰ ভিতৰত জমা কৰি থ'বলৈ তাৰ কষ্ট হৈছে। কথাবোৰ তাৰ অসীমক ক'বলৈ বৰ মন গৈছে। গতিকে সি স্কুলৰ পৰা ঘৰলৈ নগৈ বাহিৰে বাহিৰে পাহাৰৰ তলিৰ ফালে খোজ পোনালে।

অসীমহঁতে শিল ভাঙি আছিল। নিৰ্মলক কিতাপ-বহীৰে সৈতে তাত দেখি সকলো আচৰিত হ'ল।

'অ' তয়ো পঢ়া বাদ দি শিল ভাঙিবলৈ আহিলি নেকি দুই নম্বৰ জুৰেল?'— নিৰ্মলক আক্ৰমণ কৰি ৰমেনে ক'লে।

ৰমেনৰ কথাৰ সুৰত নিৰ্মল নাৰ্ভাছ হৈ গ'ল। নিৰ্মলহঁত এইখন জগতৰ পৰা বহুত দূৰত। ৰমেনে অসীমক বহুত দিন বেয়াকৈ কৈছে। লাহে লাহে সি অসীমক কিছু পৰিমাণে সহ্য কৰা হ'ল। কাৰণ মহেন্দ্ৰ মাষ্টৰৰ মাৰ খাই তাৰ দৰে অসীমেও স্কুল এৰিছিল। তথাপি সুযোগ পালেই সি অসীমক 'জুৰেল' বুলি ঠাট্টা কৰিবলৈ এৰা নাই। ৰমেনে অসীমক জুৰেল বুলি ঠাট্টা কৰি একধৰণৰ তৃপ্তি পায়। আৰু নিজৰ অতীতটো মনত পেলাই অসীম ভিতৰি ভিতৰি যন্ত্ৰণাত ডেই-পুৰি মৰে। আজি ৰমেনে নিৰ্মলকো দুই নম্বৰ জুৰেল বুলি ঠাট্টা কৰিছে। কাৰণ ৰমেনে পঢ়া সময়ত সিহঁতৰ শ্ৰেণীত প্ৰথম আছিল অসীম আৰু দ্বিতীয় আছিল নিৰ্মল। নিৰ্মলে একো নোকোৱা দেখি ৰমেনে আকৌ মুখ মেলিলে—

'কি অ' দুই নম্বৰ জুৰেল? একো নক'লি যে?'

নিৰ্মল এইবাৰো মনে মনে থাকিল। কিন্তু অসীমে গৰ্জি উঠিল— 'আকৌ যদি নিৰ্মলক কিবা কৱ, হাতুৰীৰ কোবত তোৰ মূৰ থেতেলা কৰি দিম।'

হাতুৰীটো ওপৰলৈ তুলি খঙত ৰমেনৰ ফালে চাই অসীম বৈ থাকিল। ৰমেনে প্ৰত্যুত্তৰ দিয়াৰ সাহস কৰিব নোৱাৰিলে। অসীমক সি বহুদিন ঠাট্টা কৰিছে কিন্তু তাৰ এই ৰূপ সি আজি প্ৰথম দেখিছে। অসীম থিয় হ'ল আৰু হাতুৰীটো শিলৰ দ'মটোলৈ দলিয়াই দি নিৰ্মলক ক'লে—

'ব'ল ইয়াৰ পৰা।'

নিৰ্মলক সি ৰমেনৰ ওচৰৰ পৰা আঁতৰলৈ লৈ গ'ল। এছটা বহল শিলত সিহঁত দুটা

ৰহিল। নিৰ্মলক অসীমৰ মুখৰ ফালে আচৰিত হৈ চাই থকা দেখি অসীমে সুধিলে—

'কি হ'ল?'

'তই সঁচাকেয়ে ৰমেনক হাতুৰীৰে কোবালি হয় নেকি?'— নিৰ্মলে জানিবলৈ বিচাৰিলে।

'নাজানো।'— অসীমে চমুৱাবলৈ ক'লে।

নিৰ্মলে কিবা ভাবি নীৰৱে ৰ'ল। অসীমে সুধিলে— 'মোলৈ তোৰ ভয় লাগিছে নেকি? আগলৈ আৰু মোৰ ওচৰলৈ অহা বাদ দিবি নেকি?'

'তই বহুত সলনি হৈ গ'লি!'— নিৰ্মলৰ মাতটো গধুৰ হৈ ওলাইছে।

'তোক জোকোৱা বাবেহে—' অসীমে নিৰ্মলক আশ্বস্ত কৰাৰ চেষ্টাৰে ক'লে।

'তেনেকুৱা কথাত মূৰ ভাঙিলে দেখোন কাৰো ডিঙিতে নভগা মূৰ নাথাকিব।'— নিৰ্মলে ভাবি ভাবি লাহে লাহে গহীন সুৰত কথাষাৰ ক'লে।

'চিন্তা কৰিব নালাগে দে— তোৰ ডিঙিৰ ওপৰৰ মূৰটো ঠিকেই থাকিব।' — অসীমে নিৰ্মলক অভয় দান কৰিলে।

'তই ইয়াত আৰু কাৰো মূৰ ভাঙি থাকিব নালাগে।'— কথাষাৰ কৈ নিৰ্মলে অসীমৰ চকুলৈ চালে; তাৰ পিছত আঁকৰাৰ দৰে কৈ উঠিল—

'তই আকৌ স্কুললৈ যাব লাগিব।'

'কি?'— কথাষাৰ শুনি অসীম জাঁপ মাৰি উঠিল। কথাষাৰ বুজিবলৈ সি কেইছেকেণ্ডমান ল'লে, তাৰ পিছত বিষয়টো পাতল কৰিবলৈ সি ক'লে—

'এইষাৰ কথা আকৌ ক'লে তোৰ মূৰটোও মই ভাঙি গুড়ি কৰি দিম।'

'দে।'— লাহেকৈ নিৰ্মলে ক'লে।

অসীম মনে মনে থাকিল। নিৰ্মলে জেদ পাতি ধৰিলে—

'হয় তই স্কুললৈ যাবি, নহয় মোৰ মূৰ গুড়ি কৰিবি—'

'স্কুললৈও নাযাওঁ, তোৰো মূৰ গুড়ি নকৰো।'— অসীমে জনাই দিলে।

'তেতিয়াহ'লে মই তোৰ মূৰ গুড়ি কৰি দিম।'— নিৰ্মলে হুংকাৰ দিলে।

অসীম এইবাৰ গহীন হৈ গ'ল। সি নিৰ্মলৰ ফালে নোচোৱাকৈ ক'লে—

'এই কথাটোকে ক'বলৈ তই ইয়ালৈ আহিছ?'

'অ''— নিৰ্মলে উত্তৰ দিলে।

'তই এই কথাটো আকৌ কিয় ক'লি নিৰ্মল?'— অসীমে যেন যন্ত্ৰণাতহে কেঁকাই উঠিল।

'সেই ঘটনাটোৰ পিছত জানো কেতিয়াবা কৈছিলো?'

অসীমে একো উত্তৰ নিদিলে।

'আজিকালি কথাবোৰ অলপ বেলেগ হৈছে।'— নিৰ্মলে আকৌ ক'লে।

অসীমে নির্মলৰ ফালে চোৱা নাই। সি বেলেগ ফালে চাই আছে। কিন্তু কথাবোৰ সি শুনিছে।

'আমাক মহেন্দ্ৰ মাষ্টৰে আৰু গণিত নিশিকায়।'

তাত অসীমৰ কি আহে যায়?

'নতুন মাষ্টৰ এজন আহিছে।'

এই কথাটোতো নির্মলে সিদিনাও কৈছিল।

'নতুন ছাৰ বহুত ভাল। আমাক বহুত মৰম কৰে।'

এই কথাটোও সিদিনা কৈছিল। তাতে কি হ'ল?

'তেখেতে আমাক আজিৰ পৰা গণিত পঢ়াবলৈ লৈছে।'

ভাল কথা।

'আমাক আজি বহুত কথা ক'লে।'

বৰ ভাল কথা।

'তিনিটা গণিতৰ প্ৰশ্ন দিছে।'

হয় নেকি?

'বেলেগ ধৰণৰ। উত্তৰটো বিচাৰিয়েই ভাল লাগে।'

বাহ্ বৰ ভাল কথা।

'প্ৰশ্নকেইটা শুনিবি নেকি?'

ক'লে ক'ব পাৰ। নুশুনিলেও কৈয়েইতো আছ!

'এটা বৃত্ত দিয়া আছে। জ্যামিতি বাকচৰ ত্ৰিকোণীপাট ব্যৱহাৰ কৰি কেন্দ্ৰটো উলিয়াব লাগে।'

ত্ৰিকোণী-ত্ৰিকোণী— অ' — অ'।

'শুনিছনে?'

বৃত্ত? কেন্দ্ৰটো উলিয়াব লাগে!

'দ্বিতীয় প্ৰশ্নটো হ'ল—'

ব্যাসে বৃত্তক সমানে দুভাগত ভাগ কৰে।

'শুনিছনে?'

দুডাল ব্যাসে কেন্দ্ৰত কটাকটি কৰিব।

'কিনো ভাবি আছ?'

হৰ্হৰাই অসীম শিলটোৰ পৰা নামি আহিল। নামনিৰ ৰাস্তাটোত সি বৈ দিলে। ওপৰলৈ চাই সি দেখিলে আচৰিত হৈ নির্মল তেতিয়াও শিলটোতে বহি আছে।

'নামি আহ।'— অসীমে তাক তললৈ মাতিলে।

একো বুজিব নোৱাৰি নির্মল নামি আহিল।

এটা সৰু শিলগুটি হাতত লৈ অসীমে মাটিতে এটা বৃত্ত আঁকিলে। তাৰ পিছত নির্মলক ক'লে—

'চা— ত্রিকোণীপাটৰ নব্বৈ ডিগ্রী কোণ কৰা শীর্ষ বিন্দুটো বৃত্তৰ পৰিধিত লগাই দিলে ত্রিকোণীপাটৰ সমকোণ কৰা বাহু দুটাই বৃত্তটোৰ পৰিধিত দুটা বিন্দুত কাটিব। এই বিন্দু দুটা সংযোগ কৰি টনা ৰেখা খণ্ডাল বৃত্তটোৰ এডাল ব্যাস হ'ব।'

'কিয়?'

'অর্ধ বৃত্তস্থ কোণ এক সমকোণ। নহয় জানো?'— অসীমে নির্মলক মনত পেলাই দিলে।

'অ' অ'— তাৰ পিছত?'

'তেনেকৈ আৰু এডাল ব্যাস আঁকি উলিয়া—' — অসীমে আঁকি দেখুৱালে।

'অ'— '

'ব্যাস দুডালে কটাকটি কৰা বিন্দুটোৱেই হ'ল কেন্দ্র।'

হতভম্ব হৈ নির্মলে অসীমৰ চকু দুটালৈ চাই থাকিল। অসীমৰ চকু দুটা তিৰ্‌বিৰাই জিলিকি উঠিছে। আৰু মুখত এটা ধুনীয়া হাঁহি বিয়পি পৰিছে। ঠিক তিনি বছৰমান আগলৈ এই দৃশ্য নির্মলৰ বাবে তেনেই চিনাকি আছিল। নির্মলে কৰিব নোৱৰা অংকবোৰ অসীমে অনায়াসে কৰি দিছিল। আৰু অংক এটা সমাধান কৰাৰ তৃপ্তি আৰু উত্তেজনা বিয়পি পৰিছিল তাৰ চকুৰে-মুখে। আজিৰ এই প্রশ্নটো নির্মলহঁতে স্কুলত যেতিয়াই সময় পাইছিল, তেতিয়াই সমাধান কৰিবলৈ চেষ্টা কৰিছিল। পৰা নাছিল। নির্মলক অবাক হৈ থকা দেখি অসীমে হাঁহি মাৰি সুধিলে—

'কি হ'ল?'

'বাকী প্রশ্ন দুটা?'— নির্মলে তাৰ আশ্চর্যৰ ভাবটো লুকুৱাই ৰাখি মিছা ধমক দি সুধিলে। ঠিক তিনি বছৰ আগৰ দৰে। অসীমো যেন তিনি বছৰ আগলৈ উভতি গ'ল।

'তোৰ বাকী প্রশ্ন দুটা মই শুনাই নাই।'

'গৰু!'

'আকৌ ক—'

নির্মলে প্রশ্ন দুটা আকৌ ক'লে। অসীমে প্রশ্ন দুটা মনোযোগেৰে শুনিলে। শিলছটাৰ ওপৰলৈ উঠি গৈ গৈ সি ক'লে—

'বৰ মজাৰ প্রশ্ন। ভাবিব লাগিব ৰ। ইমান পতক্কে নহ'ব।'

'এতিয়া গম পালি— আমাৰ নতুন ছাৰ কেনেকুৱা?'— অসীমৰ পাছে পাছে গৈ নির্মলে ক'লে।

অসীম যেন আকৌ কৰ্ফাল খাই পৰি গ'ল শিলৰ দৰে কঠিন বাস্তৱত। নতুন মাষ্টৰৰ অংকটোৱে ইমান সময়ে তাক যেন তাৰ অতীতটোলৈ টানি নিছিল। নিৰ্মলে দেখিলে অসীমৰ মুখৰ হাঁহি, চকুৰ তিৰ্‌বিৰণি হঠাৎ যেন ধপ্‌কৈ নুমাই থাকিল।

'কি ভাবিছ?'— নিৰ্মলে অসীমক সুধিলে।

'একো ভবা নাই।'— অসীমে কথা লুকুৱাই উত্তৰ দিলে।

'ভাবিছ।'

'নাই ভবা।'

'তই আকৌ স্কুললৈ যাবি?'

তিনি মাহ পাৰ হৈ গ'ল স্কুল এৰাৰ।

'তই আকৌ স্কুললৈ যাব লাগিব।'

অসীম নাযায়।

'তই যাবই লাগিব।'

সি যাব নোৱাৰে। কথাবোৰ এতিয়া বহুত বেলেগ হৈ গ'ল।

'তই কথাবোৰ নুবুজ কিয়?'

কথাবোৰ নিৰ্মলে কেতিয়াও বুজি নাপাব। গোটেই ঘৰখনৰ সমস্ত দায়িত্ব এতিয়া অসীমৰ মূৰত।

'তই একো নকৰ কিয়?'

কি ক'ব অসীমে! কিমানখিনি ক'ব নিৰ্মলক? ক'ত আৰম্ভ কৰিব সি? ক'ত শেষ কৰিব?

'নতুন মাষ্টৰে আজি তোৰ কথা সুধিছিল।'

যেন এটা প্ৰচণ্ড ঢেৰেকনি। হতভম্ব হৈ অসীমে নিৰ্মলৰ ফালে চাই থাকিল।

'কাইলৈ তোৰ ঘৰলৈ যাবলৈ মোক লগ ধৰিছে।'

যেন অসীমৰ মূৰত বজ্ৰহে পৰিল। আতংক আৰু আশ্চৰ্যত তাৰ চকুযুৰি বহলকৈ মেল খাই ৰৈ গ'ল।

'ছয় বজাত ছাৰ তোৰ ঘৰলৈ যাব।'

অসীম যেন অচেতন হৈ গৈছে।

'শুনিছ?'

'মোক অকণমান শান্তিত থাকিবলৈ দে অ' নিৰ্মল!'

বৰ কাতৰভাৱে অনুৰোধ কৰিলে অসীমে।

২৬.

নিৰ্মলৰ ঘৰত তাৰ মাক-বাপেকে অনুভৱক নবহাকৈ, একাপ চাহ নোখোৱাকৈ আহিবলৈ দিবলৈ মুঠেই ৰাজী নহ'ল। ফলত ভবাতকৈ আধা ঘণ্টামান পলম হৈ গৈছিল। হয়তো কথাটো ভালৰ বাবেই হৈছিল। অসীম শিল ভাঙি আহি পোৱাটো খাটাং হৈছিল। গধূলি হৈছিল। অলপ অলপ আন্ধাৰ হ'বলৈ ধৰিছিল। ওখোৰা-মোখোৰা গাঁৱলীয়া ৰাস্তাৰে অনুভৱ মাষ্টৰ আৰু নিৰ্মল অসীমৰ ঘৰৰ ফালে আগবাঢ়িল।

গৰখীয়াবোৰে পথাৰৰ গৰুবোৰ ঘৰলৈ আনিছিল। ৰাস্তাত গো-ধূলি উৰিছিল। শুকান ধূলিৰ গোন্ধটো অনুভৱৰ নাকত লাগিছিল। চ'তৰ মাজ। ৰাস্তা ধূলিয়ৰি হৈ পৰিছে। ধূলিবোৰ পাউদাৰৰ দৰে মিহি। ভৰিৰ চেণ্ডেল ধূলিত পোত খাই যাব খোজে। অনুভৱহঁতৰ ভৰিত ধূলিৰ এটা তৰপ বান্ধিছে। গৰুৰ ডিঙিৰ ঘণ্টাবোৰ ঢং ঢংকৈ বাজিছে। যেন কোনোবা মন্দিৰৰ ঘণ্টাহে বাজিছে। হঠাৎ ৰিব্‌ৰিব্ বতাহত চিনাকি-অচিনাকি ফুলৰ গোন্ধ ভাহি আহিছে। কেইছেকেণ্ডমান নাকত লাগি থাকি যেন আকৌ ক'ৰবালে গুচি গৈছে গোন্ধটো। আকাশত আপোনমনে কেইটামান চৰাই অলসভাৱে উৰি ফুৰিছে। হয়তো সিহঁত সান্ধ্য ভ্ৰমণত ওলাইছে! সময়ৰ হিচাপ ভুল কৰি অলপ আগতীয়াকৈ ওলাই খালৰ পাৰৰ কচুৰনিৰ ওপৰেদি উৰি ফুৰিছে এটা অকলশৰীয়া জোনাকী পৰুৱা। দুই-এঘৰৰ চোতালৰ ওপৰত ধোঁৱা উৰিছে। হয়তো গৃহস্থই গৰুৰ বাবে থুপা জ্বলাইছে নহ'লেবা গৰুৰ দানা সিজাইছে। কাৰোবাৰ ঘৰৰ পদূলিৰ পৰা বা আকৌ সৰৌপ্ সৰৌপ্‌কৈ শব্দ এটা ভাহি আছে। ঘৰৰ ছোৱালী-বোৱাৰীয়ে বাঁহৰ দীঘল বাঢ়নিৰে চোতাল সাৰি সাৰি পদূলিমুখ পাইছে। কোনোবা এঘৰৰ পদূলিৰ পৰা বা আকৌ ধূনাৰ স্নিগ্ধ গোন্ধ এটা আহি নাকত লাগিছে। দুই-এক বাটৰুৱাই হাতত মোনাখন লৈ বজাৰলৈ আগবাঢ়িছে। থেপ্ থেপ্‌কৈ এজাক হাঁহে ৰাস্তা পাৰ হৈ এঘৰৰ পদূলিৰে সোমাই গৈছে। উতনুৱা দুই-এটা কুকুৰাই ৰাস্তাৰ দাঁতিত বৈ মূৰটো ইফালে-সিফালে ঘূৰাই চাইছে। সিহঁতৰ পলমকৈ ঘৰ চপাৰ মন। নতুনকৈ জগা অনভিজ্ঞ দামুৰী এটাই আকৌ অকাৰণতে চঁক্ খাই চেঁকুৰ মেলিছে; বহুদূৰ গুচি গৈছে। বিৰক্তিত গৰখীয়াজনে দামুৰীটোক ঘূৰাই আনিবলৈ খেদি গৈছে। এইবাৰ আকৌ বেছি চঁক্ খাই দামুৰীটো বেছি দূৰলৈহে ছিটিকি পৰিছে। দুটা ছাগলী পোৱালি দুই আগ ঠেং ওপৰলৈ তুলি মৰম লগা যুদ্ধ এখনৰ সূত্ৰপাত কৰিব খুজিছে। কিবা এটা চৰায়ে মূৰৰ কিছু ওপৰেৰে চেক্‌চেকাই চিঞৰি কিছু বেগেৰে উৰি গৈছে। যেন চহৰৰ মাজেৰে যোৱা প্ৰতাপী মন্ত্ৰীৰ অহংকাৰী কনভয়ৰ চাইৰেণহে।

'ছাৰ।'— নিৰ্মলৰ মাতত অনুভৱ মাষ্টৰৰ তন্ময়তা ভাঙিল।

'ছাৰ— কালি মই অসীমক লগ ধৰিছিলো।'

'অ' হয় নেকি?'

'আপুনি আজি যাব বুলি কৈছো।'— অলপ ৰৈ নিৰ্মলে পুনৰ ক'লে—

'আপোনাৰ এটা প্ৰশ্ন অসীমে তিনি মিনিটতে কৰি দিছে।'

'কি?'— আচৰিত হৈ অনুভৱে যেন চিঞৰি উঠিল। তেওঁ খোজ কাঢ়িবলৈ পাহৰি গ'ল। অনুভৱে জানে প্ৰশ্নকেইটা দশম শ্ৰেণীৰ ল'ৰাৰ বাবে বৰ সহজ নহয়। মৌলিক চিন্তা অবিহনে এই ধৰণৰ অংক কৰিব নোৱাৰি। প্ৰশ্নকেইটা খুব মজাৰ। উত্তৰ উলিয়াব নোৱাৰিলেও যুঁজি থাকিবলৈ মন যায়। গণিতৰ প্ৰতি ৰাপ বঢ়াবলৈ আৰু মৌলিক চিন্তাৰ প্ৰতি উৎসাহিত কৰিবৰ বাবেহে তেওঁ প্ৰশ্নকেইটা দিছিল। কোনোবাই প্ৰশ্নকেইটা কৰিব পাৰিব বুলি তেওঁ আশা কৰা নাছিল। আনকি কালি নিৰ্মলে অসীমে অংককেইটা কৰিব পাৰিব বুলি কওঁতেও অনুভৱ মাষ্টৰে কথাষাৰ বিশ্বাস কৰিব পৰা নাছিল। অসীমক যি কোনো উপায়ে স্কুললৈ ওভতাই আনিবই লাগিব— অনুভৱে মনতে ভাবে। খোজ কাঢ়িবলৈ লৈ তেওঁ উৎসাহেৰে মন্তব্য দিলে—

'অসীমে দেখোন খুব ডাঙৰ কাম কৰি দিলে!'

'মই আপোনাক কালিয়েই কৈছিলো। চাব ছাৰ— বাকী দুটা প্ৰশ্নও সি কৰি উলিয়াব।'— গভীৰ বিশ্বাসেৰে নিৰ্মলে কথাষাৰ ক'লে।

'আজি প্ৰথমেই তাক বাঃ বাঃ দিব লাগিব!'— অনুভৱ মাষ্টৰৰ কথাত নিৰ্মলৰ আশাবোৰ বাঢ়ি আহিবলৈ ধৰিলে। অসীম নিশ্চয় আকৌ স্কুললৈ আহিব। মনত খুদুৱাই থকা কথা এটা নিৰ্মলে সুধিবলৈ ওলাল—

'ছাৰ— কালিও দেখিলো— অসীমৰ মগজুটো অলপ বেলেগ ধৰণৰ। তাৰ পিছতো সি পৰীক্ষাত ইমান বেয়া কৰিবলৈ লৈছিল কিয়?'

নিৰ্মলৰ প্ৰশ্নৰ উত্তৰ দিবলৈ অনুভৱ মাষ্টৰৰ অলপ সময় লাগিল—

'চোৱা— মাটিৰে কোনোবাই বল এটাও সাজিব নাজানে, আন কোনোবাই আকৌ তাৰ পৰাই ধুনীয়া মূৰ্তি সজাই তোলে। গণিতৰ সূত্ৰ, সংজ্ঞা, উপপাদ্য জনাৰ পিছতো কোনোবাই এটা অংকও নিজাকৈ কৰিব নোৱাৰিব পাৰে, আন কোনোবাই আকৌ সেই একেখিনি সূত্ৰ, সংজ্ঞা, উপপাদ্য ব্যৱহাৰ কৰি অংকবোৰ নিজেই কৰি পেলাব পাৰে ধুনীয়াকৈ। অসীমৰ দৰে। এই সূত্ৰ, সংজ্ঞা, উপপাদ্যবোৰ কাৰিকৰৰ মাটিৰ দৰে কেঁচামাল। অসীমৰ ঘৰুৱা সমস্যাৰ বাবে তাৰ পঢ়া-শুনা কমি গৈছিল। গতিকে পিছৰ শ্ৰেণীবোৰৰ দৰকাৰী সূত্ৰ, সংজ্ঞা, উপপাদ্যবোৰৰ জ্ঞান তাৰ ভালকৈ নাই। তাৰ কেঁচামালেই কমি গৈছে। আন আন বিষয়বোৰতো কথাটো এনেকুৱাই হয়। মই ভাবো

এইটো তাৰ বাবে সমস্যা হ'ব নালাগে। অলপ ভালদৰে পঢ়া-শুনা কৰিলেই হৈ যাব।'

অনুভৱ মাষ্টৰৰ কথাখিনি শুনি নিৰ্মলৰ এনেকুৱা লাগিল যেন পুৰণি অসীমক আগৰ দৰে পোৱাটো অসম্ভৱ নহয়! সি অনুভৱ মাষ্টৰক সুধিয়েই পেলালে—

'ছাৰ— অসীম পঢ়াত আকৌ আগৰ দৰে হৈ যাব পাৰিবনে?'

অনুভৱৰ এনে লাগিল যেন গাঁৱৰ গধূলিটোৰ দৰেই স্নিগ্ধ আৰু অমলিন নিৰ্মলৰ কণ্ঠস্বৰ।

নিৰ্মল আৰু অনুভৱ মাষ্টৰ অসীমৰ ঘৰৰ পদূলিত ৰৈ গ'ল। গোটেই ঘৰখন যেন আন্ধাৰে আৱৰি ৰাখিছে। ঘৰখনত বিজুলীবাতিৰ কোনো ব্যৱস্থা নাই। অনুভৱে পদূলিৰ পৰা দেখিলে সৰু টিপ চাকি এটাই নুমাওঁ নুমাওঁকৈ কঁপি কঁপি বাঢ়ি আহিবলৈ ধৰা আন্ধাৰখিনি পোহৰাবলৈ চেষ্টা কৰিছে। চোতালত ভৰি থৈ অনুভৱে দেখিলে কাঁথিত আঁঠু দুটাৰ মাজত মূৰটো গুঁজি মানুহ এজন বহি আছে। নিশ্চয় অসীমৰ বাপেক। মানুহজনৰ গাৰ কানি-কাপোৰ অপৰিপাটি। মূৰৰ চুলিবোৰেও দীঘল হৈ জঁট বান্ধিবলৈ আৰম্ভ কৰিছে। মানুহজনে ঘৰলৈ কোনোবা আহিছে বুলিও গম পাইছে বুলি অনুভৱ মাষ্টৰে অনুমান কৰিব পাৰিছে। কিন্তু মানুহজন নিৰ্বিকাৰ। অনুভৱৰ বৰ অস্বস্তি লাগিল। কি কৰো বুলি ভাবোতেই অনুভৱে শুনিবলৈ পালে নিৰ্মলে অসীমক চিঞৰিছে—

'অসীম। অ' অসীম।'

তেতিয়াও মানুহজনে মূৰ তুলি চোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে। অলপ সময় পিছত ভিতৰৰ পৰা ছোৱালী এজনী ওলাই আহিল। অসীমৰ ভনীয়েক। আজলী।

'আজলী! অসীম ক'ত?'

আজলীয়ে নিৰ্মলৰ প্ৰশ্নৰ উত্তৰ দিবলৈ পাহৰি গ'ল। কাঁথিতে তাই থৰ লাগি থিয় হৈ ৰৈ থাকিল— সিহঁতৰ ঘৰলৈ তাইৰ স্কুলৰ নতুন মাষ্টৰজন আহিছে! তাই হতভম্ব হৈ কি কৰিব ঠিক কৰিব পৰা নাই। গোটেই কথাখিনি যেতিয়া তাইৰ বিশ্বাস হ'ল, এসোপা লাজে তাইক হেঁচা মাৰি ধৰিলে। দৌৰ মাৰি ভিতৰ সোমাই, পিছ মুহূৰ্ততে হাতত দুখন পীৰা লৈ আজলী ওলাই আহিল। কাঁথিতে পীৰা দুখন পাৰি লাজ লাজকৈ তাই ক'লে—

'বহক ছাৰ!'

অনুভৱ মাষ্টৰ বহিল। ওচৰতে নিৰ্মল আৰু আজলী থিয় হৈ থাকিল। নিৰ্মলে আজলীক চিনাকি কৰি দিলে—

'ছাৰ— এই আজলী। অসীমৰ ভনীয়েক। আমাৰ স্কুলতে পঢ়ে।'

'অ' হয় নেকি? কোন শ্ৰেণীত পঢ়া তুমি?'

'সপ্তম শ্ৰেণীত।'— আজলীয়ে সৰুকৈ ক'লে।

'এই পঢ়াত বৰ ভাল ছাত্ৰ। তাইৰ ৰোল নম্বৰ তিনি। আগতে আৰু ভাল আছিল। এক নম্বৰ আছিল।'— উৎসাহেৰে নিৰ্মলে কথাখিনি ক'লে। কথাখিনি কৈ নিৰ্মলে গম পালে পিছৰ কথাখিনি নোকোৱা হ'লেই ভাল আছিল। লাজতে আজলীয়ে ভৰিৰ নখেৰে মাটি লেখিবলৈ আৰম্ভ কৰিছে। অনুভৱৰ আজলীলৈ বৰ দুখ লাগিল। এই অকণমান সময়তে তেওঁ ঘৰখনৰ জহি-খহি যোৱা ছবিখন দেখা পাইছে। আজলীক অস্বস্তিৰ পৰা মুক্তি দিবলৈ কথা সলাই অনুভৱে আজলীক সুধিলে—

'অসীম ক'ত?'

'আহিয়ে পোৱা নাই দেখোন।'— আজলীয়ে উত্তৰ দিলে।

লগে লগে নিৰ্মলৰ সন্দেহ এটা হ'ল। সেইবাবেই সি সুধিলে—

'আন দিনাতো ইমান পলম নহয়?'

'নহয়। আজি কিয় জানো ইমান পলম কৰিছে!'

নিৰ্মলে বুজি পালে— অসীমে ইচ্ছা কৰিয়েই পলম কৰিছে। সি অনুভৱ মাষ্টৰক লগ দিবলৈ বিচৰা নাই। নিৰ্মলৰ মনটো হতাশাৰে ভৰি পৰিল।

'তোমাৰ মাৰাও ঘৰত নাই নেকি?'— অনুভৱ মাষ্টৰে সুধিলে।

'নাই। কামৰ পৰা অহাই নাই?'— আজলীয়ে ক'লে।

কি কাম অনুভৱে সুধিব নুখুজিলে। হয়তো আজলীয়ে আৰু বেছি লাজ পাব। সময়খিনি বৰ অস্বস্তিকৰ হৈ পৰিল। অসীম ঘৰত নাই, মাকো কামৰ পৰা অহা নাই। এডাল নিৰ্জীৱ কাঠৰ বাপেকটো আছে যদিও তেওঁ কাৰো উপস্থিতি গ্ৰাহ্যই কৰা নাই। এডাল নিৰ্জীৱ কাঠৰ দৰে লৰচৰ নকৰাকৈ একে ঠাইতে পৰি আছে ইমান সময়ে। হয়তো অসীমৰ বাবে বৈ আছে। অসীম আহিলেই তাৰ পৰা টকাকেইটামান লৈ মদ খাবলৈ ওলাই যাব। আজলীও ঘৰলৈ আলহী আহিলে কেনেকৈ কি কথা পাতিব লাগে জনা হোৱা নাই। তাইক সোধা প্ৰশ্নবোৰৰহে উত্তৰ তাই তলমূৰকৈ দি গৈছে। অনুভৱে বুজি পালে পৰিৱেশটোত তেওঁলোকতকৈও আজলীয়েহে বেছি অস্বস্তি পাইছে। আলহী সোধ-পোছ কৰিব পৰা বয়স তাইৰ হোৱা নাই। সিহঁতৰ ঘৰলৈ এনেকৈ আলহী হয়তো নাহেই। আহিলেও হয়তো চাহ এটুপি দিবৰ বাবেও চেনি-চাহপাতৰ অভাৱ। সেয়ে হয়তো অৱস্থাটোত আজলীয়ে কষ্ট পাইছে।

বৈ বৈ এসময়ত অনুভৱ মাষ্টৰ আৰু নিৰ্মল হতাশ হৈ ঘৰলৈ গুচি গ'ল।

২৭.

ৰাতি বহুত পলমকৈ অসীম ঘৰলৈ উভতিছিল। বাপেকে তেতিয়াও কাঁথিতে বহি তালৈ বৈ আছিল। পলম কৰাৰ বাবে বাপেকে তাক এজাউৰি গালি পাৰিলে আৰু তাৰ পাছত মদ খাবৰ বাবে টকা কেইটামান লৈ ঘৰৰ পৰা বাহিৰ ওলাই গ'ল।

ইতিমধ্যে আজলী বিছনাত পৰিছিল। মাকে পীৰা এখনত বহি তালৈ বৈ আছিল। মাকেও ভাত খোৱা নাছিল। মাকক ভাত বাঢ়িবলৈ কৈ মুখ-হাত ধুবলৈ অসীম ঘৰৰ পাছফালে গ'ল।

মাক, পুতেক দুয়ো ভাতৰ পাতত বহিল। বাপেকলৈ বৈ থাকি লাভ নাই। আজিকালি বাপেকে ঘৰত খোৱা-বোৱা নকৰে। প্ৰায়েই ৰাতিও ঘৰলৈ নাহে। ক'ত থাকে, কি খায় অসীমহঁতে নাজানে। বাপেক ঘৰৰ পৰা প্ৰায় সম্পূৰ্ণৰূপে আঁতৰি গৈছে। মদ খাবলৈ অসীমৰ পৰা পইচা লোৱাতে সম্পৰ্কটো যেন ক্ষীণকৈ বৈ আছে। অসীমে ভাবে বাপেকে পইচাৰ বাবে তাৰ ওপৰত নিৰ্ভৰ কৰিব নলগা হ'লে সেই ক্ষীণ সম্পৰ্কখিনিও যেন শেষ হৈ যাব। সম্পূৰ্ণৰূপে ঘৰৰ পৰা আঁতৰি পৰিব মানুহজন। সেই বাবেই, কি হৈছে জানো, সিও দেখোন গধূলিৰ সেই বিশেষ সময়খিনিলৈ আগ্ৰহেৰেই অপেক্ষা কৰি থাকে। দিনটোত সেই এবাৰেই বাপেকে তাক অসীম বুলি মাতে—

'অসীম, টকা কেইটামান দেচোন!'

দিনটোত অন্ততঃ এবাৰ হ'লেও দেউতাকে তাক 'অসীম' বুলি মাতি থাকক। কেতিয়াবা সেইখিনিও হেৰুৱায় বুলি তাৰ বৰ ভয় হয়।

'কি ভাবি আছ?'

মাকৰ মাতত অসীমৰ চিন্তাত যতি পৰিল।

'আজি ইমান দেৰি কৰিলি যে?'

'অ' অলপ দেৰি হ'ল।'— অসীমে পোনপটীয়াকৈ উত্তৰ দিবলৈ টান পালে।

অসীমে খুব আশা কৰি আছে মাকে কওক যে তাক বিচাৰি তাৰ স্কুলৰ নতুন মাষ্টৰজন আহিছিল। পিছে মাকে একো কোৱা নাই। তেনেহ'লে তাক বিচাৰি মাষ্টৰজন নাহিল নেকি বাৰু? তেনেকুৱা চিন্তা এটা অহাৰ লগে লগে কিয় জানো অসীমৰ মনটো দেখোন বেয়া লাগিবলৈ ধৰিলে! তাৰ মানে সি ভিতৰি ভিতৰি আশা কৰি আছিল নেকি যে নতুন মাষ্টৰজনে তাক বিচাৰি আহক! কিহৰ বাবে সি সেই আশা কৰিছে? আকৌ স্কুললৈ যাবৰ বাবে? কি কৰিব সি স্কুললৈ গৈ। ঘূৰি ঘূৰি গৈ তিনিমাহ আগৰ

চিন্তাবোৰেই তাৰ মূৰত আকৌ জুমুৰি দি ধৰিলে। নাই, এইবোৰ কথা ভাবি লাভ নাই। জোৰকৈ সি চিন্তাবোৰ মূৰৰ পৰা উলিয়াই দিলে। মুখ ধুই সি ভাতৰ পাতৰ পৰা উঠিল।

'তই ভাত নাখালিয়েই যে?'— মাকে তাৰ ভাতৰ কাঁহীখনৰ ফালে চাই ক'লে।

'পেটত ভোক নাই মা।'

'তহঁতৰ কি জানো হৈছে! মাক হৈও তহঁতৰ মনৰ ভিতৰৰ একো খবৰেই নাপাওঁ।'— মাকে হুমুনিয়াহ কাঢ়িলে। তাৰ পিছত তেওঁ আকৌ ক'লে—

'আজি আজলীয়েও একো নোখোৱাকৈ শুই আছে।'

অসীমৰ বুকুখন মোচৰ খাই উঠিল। সি মাকক সুধিলে—

'কিয়? কি হৈছে তাইৰ?'

'ক'লৈহে জানিম! কামৰ পৰা আহি দেখিছো— খাটত পৰি কান্দি আছে।'

অসীমে দেখিলে মাকেও কাঁহীৰ ভাতকেইটা চুই আছে। মুখত দিয়া নাই। অলপ পিছত মাকো ভাতৰ পাতৰ পৰা উঠিল।

অসীমৰ আজলীৰ বাবে বৰ দুখ লাগিল। বৰ কষ্ট পাইছে বেচেৰীয়ে। সি আজলীৰ খাটখনত গৈ বহিল। তাইৰ কান্ধত হাতখন থৈ সি তাইক মৰমেৰে মাতিলে—

'আজলী!'

নাই, আজলীৰ সাৰ-সুৰ নাই। সি তাইৰ গাটো জোকাৰি আকৌ মাতিলে—

'আজলী!'

অসীমে দেখিলে আজলীৰ গাটো কঁপি উঠিছে। তাই উচুপি উচুপি কান্দিছে।

'এই তোৰ কান্দিবলৈ হ'ল কি?'

অসীমে দেখিলে আজলীয়ে বাগৰ সলাই তাৰ ফালে ঘূৰিছে। গভীৰভাৱে তাৰ চকুলৈ চাইছে আৰু হাত এখনত ধৰি তাক আকুলভাৱে সুধিছে—

'তই আকৌ স্কুললৈ যাবি?'

২৮.

অসীমৰ কি হৈছে জানো? নিৰ্মলৰ পৰা সিহঁতক নতুন মাষ্টৰে দিয়া অংক তিনিটা শুনাৰে পৰা বাৰে বাৰে মনটো অংককেইটাৰ ফালে গৈ থাকে। এটা অংক সি লগে লগেই কৰিব পাৰিছে। বাকী দুটা অংকও যেন ভাবিলে কৰিব পাৰিব— তাৰ তেনেকুৱা অনুভৱ হৈছে। কিন্তু পিছ মুহূৰ্ততে সি নিজকে জোৰকৈ বুজাইছে— তাৰ দৰে স্কুল এৰা, শিল ভঙা ল'ৰা এজনে শিক্ষকে স্কুলত কৰিবলৈ দিয়া অংকৰ কথা ভাবি কোনো

লাভ নাই। কিন্তু তাৰ পিছতো মাজে মাজে অংক দুটাই আহি তাৰ মগজুত কুটকুটাবলৈ ধৰে।

সিদিনা নিৰ্মলে তাক অংককেইটাৰ কথা কৈ থাকোঁতে, সি বৃত্তৰ অংকটোৰ কথা ভাবি থাকোঁতে সি পাহৰিয়ে গৈছিল যে সি স্কুল এৰা বহুদিনেই হ'ল। আৰু যেতিয়া সি বৃত্তৰ প্ৰশ্নটোৰ উত্তৰ উলিয়াব পাৰিছিল তাৰ বিৰাট স্ফূৰ্তি লাগিছিল। সকলো দুখ-কষ্ট পাহৰি মুহূৰ্তৰ বাবে সি হৈ পৰিছিল জুৱেল— মহেন্দ্ৰ মাষ্টৰৰ মৰমৰ জুৱেল! পিছ মুহূৰ্ততে সি নিৰ্মম বাস্তৱত উফৰি পৰিছিল।

এতিয়াও শিল ভাঙি থাকোঁতে নিৰ্মলে কোৱা মৌলিক সংখ্যাৰ প্ৰশ্নটোৱে তাক আমনি কৰিব লাগিছে। ১ৰ পৰা ৯লৈ অংকবোৰ প্ৰতিটোক এবাৰকৈ ব্যৱহাৰ কৰি তৈয়াৰ কৰিব পৰা নটা অংকবিশিষ্ট সংখ্যাবোৰৰ কিমানটা মৌলিক সংখ্যা হ'ব? সপ্তম শ্ৰেণীমানলৈ সি পঢ়াত ভালেই আছিল। মৌলিক সংখ্যা, যৌগিক সংখ্যাৰ কথা সি পঞ্চম শ্ৰেণীতে পাইছিল। গতিকে অংকটোৰ কথা ভাবিবলৈ তাৰ সমস্যা হোৱা নাই। তাৰ সমস্যা হৈছে অংকটোক মূৰৰ পৰা খেদিবলৈহে। আজি সি একেবাৰে শিল ভাঙিব পৰা নাই। লগৰ ৰমেনহঁতে ইতিমধ্যে কেইবাটিনো শিল ভাঙিলে। অসীমৰ নিজৰ ওপৰতে মস্ত খং উঠিল— তাক অংকই খুৱাবনে হাতুৰীয়ে খুৱাব? শিল ভঙা কামত সি ওস্তাদ হৈ গৈছে। লাহে লাহে সি কুঁৱেৰীৰ আন আন কামতো হাত দিব। দুই-এদিনতে শিলত বোমা দিয়া কামটো সি আৰম্ভ কৰিব। অংকৰ কথা জোৰকৈ দলিয়াই পেলাই সি খৰকৈ শিল ভঙাত মন দিলে।

কেতিয়া যে তাৰ মনটো আকৌ অংকটোৱে দখল কৰি পেলাইছিল তালৈ অসীমৰ খেয়ালেই নাছিল। হঠাৎ যেন বিজুলীয়ে চমকাই তাৰ মগজুৰ অন্ধকাৰ গহ্বৰ পোহৰাই তুলিলে। ১ৰ পৰা ৯লৈ প্ৰতিটো অংক এবাৰকৈ, মাত্ৰ এবাৰকৈহে ব্যৱহাৰ কৰিলে, নটা অংকবিশিষ্ট যি সংখ্যাই তৈয়াৰ কৰা নহওক কিয়, তেনে সংখ্যাবোৰৰ অংকবোৰৰ সমষ্টি হ'ব ১+২+৩+........+৯ অৰ্থাৎ ১০×৯÷২=৪৫। আৰু ৪৫ সংখ্যাটো ৯ৰে বিভাজ্য। গতিকে মূল সংখ্যাবোৰো ৯ৰে বিভাজ্য। অৰ্থাৎ তেনেকৈ তৈয়াৰ কৰা প্ৰতিটো সংখ্যাই যৌগিক! গতিকে সেই সংখ্যাবোৰৰ এটাও মৌলিক নহয়! অসীমে তাৰ যুক্তিখিনি আকৌ এবাৰ পৰীক্ষা কৰি চালে। নাই, তাৰ ক'তো ভুল হোৱা নাই! উত্তেজনা আৰু উৎসাহত তাৰ যেন উশাহ বন্ধ হৈ যাব! হাতুৰীটো সি শিলৰ দ'মটোলৈ দলিয়াই দি কাকো একো নোকোৱাকৈ বহাৰ পৰা উঠি দৌৰিবলৈ ধৰিলে। স্কুল ছুটী হ'বৰ হৈছে— নিৰ্মলক সি নিশ্চয় স্কুলৰ গে'টৰ বাহিৰত লগ পাব!

ৰমেনহঁতে আচৰিত হৈ অসীম যোৱাৰ ফালে চাই ৰ'ল।

অসীমে স্কুলৰ গে'টৰ পৰা অলপ দূৰত অস্থিৰভাৱে পায়চাৰি কৰি আছে। সময়বোৰ যেন একে ঠাইতে ৰৈ গৈছে। কেতিয়া স্কুল ছুটী হ'ব? উস্ আজি স্কুল ছুটী নহ'বই নেকি! বাৰে বাৰে সি বেঙা মেলি স্কুলৰ চৌহদৰ ভিতৰলৈ চাইছে।

হঠাৎ অসীম চঁক্ খাই উঠিল। সেয়া ঢং ঢংকৈ ছুটীৰ ঘণ্টা বাজিছে— সেয়া ল'ৰা-ছোৱালীৰ কোৰ্হাল শুনা গৈছে— সেয়া ল'ৰা-ছোৱালীবোৰ শ্ৰেণীকোঠাৰ পৰা ওলাই আহিছে— সিহঁত গে'টৰ ফালে আগুৱাই আহিছে— নিৰ্মল? নিৰ্মল ক'ত? নিৰ্মল ক'ত?— সৌৱা— সৌটো জাকত নিৰ্মল— জাকটো গে'টৰ ফালে আহি আছে— জাকটো গে'ট পাইছে— জাকটো গে'টেৰে ওলাই আহিছে— অসীমে চিঞৰিলে—

'নিৰ্মল—'

নিৰ্মল অসীমৰ ফালে আগুৱাই গ'ল। অসীম নিৰ্মলৰ ফালে দৌৰি যোৱাৰ দৰে গ'ল। সিদিনা নতুন মাষ্টৰক লগ নিদিয়াৰ বাবে গালি পাৰিবলৈ নিৰ্মলে মুখ মেলাৰ আগতেই অসীমে তাক ক'বলৈ ধৰিলে—

'বুজিছ— সেই যে অংকটো?— মৌলিক সংখ্যা কিমানটা হ'ব?— এটাও মৌলিক সংখ্যা নহ'ব বুজিছ? প্ৰতিটো সংখ্যাই নৰে বিভাজ্য হ'ব। কেনেকৈ চা—' — অসীমে একে উশাহতে কথাখিনি ক'বলৈ গৈ ফোপাবলৈ ধৰিলে।

'ৰ—ৰ— মোক কোৱাতকৈ তই অনুভৱ ছাৰক ক'লেহে ভাল হ'ব। তেখেতেহে তোৰ অংকটো হৈছেনে নাই ক'ব পাৰিব।'— একেই উত্তেজনা আৰু উৎসাহেৰে নিৰ্মলে অনুভৱ মাষ্টৰক মাতিবলৈ স্কুলৰ ভিতৰলৈ দৌৰি গ'ল।

অনুভৱ মাষ্টৰ আৰু নিৰ্মল গে'টেৰে বাহিৰলৈ ওলাই আহি দেখে যে অসীম নাই! ইটোৱে সিটোৰ ফালে চাই দুয়ো নিৰ্বাক হৈ ৰ'ল। অলপ পিছত নিৰ্মলে কৈ উঠিল—

'গৰুটো পলাল!'

'কি বুলি কৈছিল গৰুটোৱে?'— অনুভৱ মাষ্টৰে নিৰ্মলক নকল কৰি সুধিলে।

'কৈছিল যে সংখ্যাবোৰৰ এটাও মৌলিক নহয়। প্ৰতিটো সংখ্যাই হেনো ৯ ৰে বিভাজ্য হ'ব।'— নিৰ্মলে ক'লে।

উজ্জ্বল চকু-মুখেৰে অনুভৱ মাষ্টৰে যেন চিঞৰি উঠিল—

'ই এটা মস্ত গৰু!'

নিৰ্মলে হি হি হিকৈ হাঁহিবলৈ ধৰিলে।

যেন অপৰাধীক ধৰাৰ বাবে সেনাৰহে অভিযান!

অসীমক বিচাৰি অনুভৱ মাষ্টৰ আৰু নিৰ্মল লগে লগে পাহাৰৰ তলি পালেগৈ।

অসীমৰ লগৰীয়া সকলোৱে শিল ভঙাত ব্যস্ত। সকলোৱে ভঙা শিলগুটিৰ দ'মবোৰ বহুত ওখ ওখ হৈ পৰিছে। নিৰ্মলে অনুভৱৰ মাষ্টৰক অসীমৰ নিৰ্দিষ্ট ঠাইটুকুৰা দেখুৱাই দিলে—

এটা চাপৰ শিলৰ দ'মত অসীমৰ হাতুৰীটো পৰি আছে— কিঞ্চিৎ দুৰৈৰে দেখা গৈছে দ'মটোৰ পৰা ছিটিকি যোৱা কেইটামান শিলগুটি— অসীমহে তাত নাই।

২৯.

লাহে লাহে গৰম পৰিবলৈ আৰম্ভ কৰিছে। ভাত-পানী খাই অনুভৱ আজৰি হৈ লৈছে। ভাত খাই উঠি অনুভৱ লগে লগেই বিছনালৈ নাযায়। তেনেকৈ তেওঁৰ টোপনি নাহে। কিবা এখন কিতাপ পঢ়াৰ পাছত মনটো এক ধৰণৰ প্ৰশান্তিৰে ভৰি পৰে। তাৰ পিছতহে অনুভৱে শোৱাৰ কথা ভাবিব পাৰে। আজি পিছে তেওঁৰ কিতাপ পঢ়িবলৈও মন যোৱা নাই। ৰুমৰ খিৰিকীখন খুলি লৈ খিৰিকীখনৰ কাষতে চকীখন পাৰি লৈছে। চি ডি প্লেয়াৰত জ্যোতি সংগীতৰ চি ডি এখন লগাই দিছে। সৰু শব্দেৰে বাজিব লাগিছে— 'সোণৰ পালেঙতে অ' মনে তৰা'। লাইটটো নুমুৱাই অনুভৱে কোঠাটো আন্ধাৰ কৰি লৈছে। খিৰিকীৰে মাজে মাজে একোছাটি পাতল বতাহ সোমাই আহিছে। গাটো জুৰ পৰি গৈছে। খিৰিকীখনেৰে ৰাস্তাটো ধুনীয়াকৈ দেখা যায়। বাহিৰত জোনাক। অ'ত-ত'ত গছৰ ছাঁ পৰিছে। এচেৰেঙা জোনাক কোঠাটোলৈও সোমাই আহিছে। গোটেই পৰিৱেশটো মায়াময় হৈ পৰিছে।

ৰাস্তাটো নিৰ্জন হৈ পৰিছে। মাজে মাজে দুই-এটা কুকুৰ ঘূৰি ফুৰিছে। কেতিয়াবা মন্থৰ গতিত কেৰেক কেৰেককৈ শব্দ কৰি চাইকেল এখন পাৰ হৈ গৈছে। ভুক ভুককৈ কুকুৰ দুটামানে কিছুদূৰ চাইকেলখনৰ পাছে পাছে খেদি গৈছে। আৰু এসময়ত সিহঁত ৰৈ দিছে। পৰিৱেশটো আকৌ নিস্তব্ধ হৈ পৰিছে। মাজে মাজে চৰাইৰ দুই-এটা চিনাকি-অচিনাকি শব্দ ভাঁহি আহিছে।

অনুভৱে মন কৰিলে আন বহুত গাঁৱৰ দৰে এইখন গাঁৱৰ পৰাও বহুত বস্তু হেৰাই যাব লাগিছে। এই মুহূৰ্তত তেওঁ অনুভৱ কৰিলে আজি ইমানদিন গাঁওখনত থাকিও শিয়ালৰ অস্তিত্বৰ চিন তেওঁ পোৱা নাই। ইতিমধ্যে ৰাতি গভীৰ হ'বলৈ আৰম্ভ কৰিছে। কিন্তু শিয়ালৰ হোৱাৰ শব্দ শুনিবলৈ পোৱা নাই। তাৰ শৈশৱৰ বহু সাধুকথাৰ নায়ক, ৰাতি হ'লেই মনত একধৰণৰ মধুৰ ভীতিৰ সঞ্চাৰ কৰা শিয়ালবোৰলৈ তেওঁৰ দুখ লাগিল। একধৰণৰ বিষাদেৰে তেওঁৰ মন ভৰি পৰিল।

ঢলং-পলংকৈ জোনাকৰ মাজেৰে এজন মদপী পাৰ হৈ গ'ল। এতিয়া চাগৈ

অসীমৰ বাপেকেও এনেকৈ ক'ৰবাত ঢলং-পলংকৈ ঘূৰি ফুৰিছে। অসীমৰ বাপেকৰ কথা মনত পৰাৰ লগে লগে অনুভৱৰ বহুদিন আগতে জিলমিলে কোৱা কথাটো আকৌ মনত পৰিল— mass depression! গণহতাশা! কথাবোৰ এনেকুৱাও হ'ব পাৰেনে? স্বাধীনতাৰ অত বছৰৰ পিছতো আশানুৰূপভাৱে প্ৰগতিৰ মুখ নেদেখি, পৃথিৱী কিয় দেশখনৰেই আন আন অঞ্চলৰ তুলনাতো অনগ্ৰসৰ হৈ থাকি থাকি মানুহবোৰ হতাশাত ডুবি গৈছে? বাতৰি কাকত আৰু টিভি চেনেলবোৰত কেতিয়াবা দেখা যায় কোনো কোনো অঞ্চলৰ মানুহে সমূহীয়া সিদ্ধান্ত লৈ নিৰ্বাচন বৰ্জন কৰিছে। এয়া গণ হতাশাৰ এক ৰূপ? এতিয়াও দল আৰু নেতাবোৰে চহৰলৈ যোৱা ৰাস্তাটো ভাল কৰি দিম বুলি কৈ ভোট বিচাৰিব পৰা পৰিৱেশ বাহাল আছে। যাতায়াত, খোৱাপানী— এইবোৰতো স্বাভাৱিকভাৱে প্ৰাপ্য ন্যূনতম ব্যৱস্থা হ'ব লাগিছিল। অথচ এইবোৰ এতিয়াও নেতা-পালিনেতাই নিৰ্বাচনী সভাত টেঁটু ফালি চিঞৰি চিঞৰি দিব পৰা প্ৰতিশ্ৰুতি হৈয়েই ৰৈছে! স্বাধীনতাৰ অত বছৰ পিছত আমাৰ ৰাজনীতিৰ ইচ্ছ্যু বা বিষয় কি হ'ব লাগিছিল? আৰু হৈ আছে কি? ধুৰন্ধৰ অযোগ্য নেতা-পালিনেতাৰ খঁক-মৰখঁকে মানুহবোৰক জীয়াতু ভোগাইছে।

সেইদিনা অসীমহঁতৰ ঘৰলৈ যাওঁতে অনুভৱে অসীমৰ বাপেকক দেখিছিল। আঁঠু দুটাৰ মাজত মূৰ গুঁজি জধলা সাজপাৰেৰে মানুহজনে কাঁথিত বহি আছিল। একধৰণৰ পৰাজিতৰ ভংগিমাৰে। তেওঁ যেন কাকো নিজৰ অস্তিত্বৰে আমনি কৰিব খোজা নাছিল। তেওঁক অনুভৱৰ হতাশাত ভাঙি পৰা এজন বিপৰ্যস্ত, বিধ্বস্ত মানুহ যেন লাগিছিল। মদ খাই মাতলামি কৰি ঘূৰি ফুৰা মদপীৰ দৰে মানুহজনক অনুভৱে ঘৃণা কৰিব পৰা নাছিল। জিলমিলে কোৱা 'গণ হতাশা'ৰ কথাটো সেই সময়তো তেওঁৰ মূৰলৈ আহিছিল। স্ফূৰ্তি বা ফেশ্যনত মদৰ গিলাচ হাতত তুলি লৈ ঘৰত অশান্তি কৰা বা ঘৰ ধ্বংস কৰা মদপীৰ লগত এই মানুহজনৰ পাৰ্থক্য আছিল। জিলমিলে অনুভৱক আৰু কৈছিল যে গাঁওখনত মদৰ প্ৰচলন বাঢ়িব লাগিছে, মদজনিত অপৰাধো ব্যাপক হাৰত ঘটিব লাগিছে। এই গোটেই প্ৰক্ৰিয়াটোৰ লগত নিশ্চয় এই গণ হতাশাৰ সম্পৰ্ক এটা আছে।

কাৰণ যিয়েই নহওক ঘৰৰ মুখিয়াল মানুহ এজনে যদি আকণ্ঠ মদত ডুবি থাকে, ঘৰখনৰ সমস্যা হ'বই। অসীমৰ বাপেকে মদ খোৱাৰ যি কাৰণেই নাথাকক, বাস্তৱ সত্যটো হ'ল— ই একধৰণৰ স্খলন। এই স্খলনে অসীমৰ জীৱনলৈ, ঘৰখনলৈ সৰ্বনাশ মাতি আনিছে। এইখিনিতেই অনুভৱৰ আন বহুতৰ লগত মতৰ অমিল হয়। অসীমৰ বাপেক মদত ডুবি থকাৰ আৱিষ্কৃত কাৰণটোৰে মানুহজনৰ কামটোক ন্যায্যতা দিয়া অনুচিত। অসীমৰ বাপেকে মদপী হৈ যোৱাৰ সামাজিক কাৰণবোৰ এদিন নোহোৱা হৈ যাব— তেওঁ মদ খাবলৈ এৰিব— ঘৰখনৰ সমস্যাবোৰ

নোহোৱা হৈ যাব— গতিকে তাৰ পিছত এদিন অসীমে আকৌ স্কুললৈ যাবলৈ আৰম্ভ কৰিব— এই ধৰণৰ তত্ত্বত অনুভব বিশ্বাসী নহয়। অথচ এই ধৰণেৰেই কথাবোৰ কিছুমান ৰাজনৈতিক দল, আনকি কিছুমান বুদ্ধিজীৱীয়েও ক'বলৈ বিচাৰে। অসীমক case study হিচাপে লৈ অসীমৰ দৰে ল'ৰাবোৰে স্কুল এৰাৰ, অসীমহঁতৰ ঘৰৰ দুৰৱস্থাৰ বিচাৰ-বিশ্লেষণ হ'ব পাৰে— হওক; তাৰো দৰকাৰ আছে। সেই বিচাৰ-বিশ্লেষণৰ আধাৰত চৰকাৰী-বেচৰকাৰী পৰ্যায়ত আঁচনি-কাৰ্যসূচীও ৰূপায়ণ কৰা হওক— খুব ভাল কথা। কিন্তু এই কাৰ্যসূচী-আঁচনিয়ে ৰাতিৰ ভিতৰতে অসীমহঁতৰ ভাগ্য সলনি কৰি দিব বুলি কৈ সিহঁতক বুৰ্বক সজাবলৈ চেষ্টা কৰিব নালাগে। নিশ্চিতভাৱে এইবোৰ দীৰ্ঘম্যাদী ব্যৱস্থা। এইবোৰ ব্যৱস্থাই ফল দিবলৈ বহুদিন লাগিব। তেতিয়ালৈ অসীমহঁতে কৰিব কি? ভাল দিন অহালৈ হাত সাবটি বৈ থাকিব? কিছুমান বুদ্ধিজীৱীৰ বুদ্ধিদীপ্ত তত্ত্বৰ মাজত নিজৰ ভৱিষ্যতক সঁপি দি ৰহি থাকিব? আচলতে বেছিভাগ বুদ্ধিজীৱীয়েই অসীমহঁতৰ দুৰ্দশাৰ disection কৰি বুদ্ধিৰ বজাৰত নিজকে saleable কৰি ৰাখে। আৰু প্ৰায় সকলো নেতা বা দলেই অসীমহঁতৰ দৰে বিপৰ্যস্ত শ্ৰেণীটোৰ বাবে দূৰদৰ্শী আঁচনি সৎভাৱে ৰূপায়ণ কৰিবলৈ নিবিচাৰে— এই আঁচনিবোৰত চিন্তাৰো গভীৰতা নাই, ৰূপায়ণৰ বাবেও সততা নাই। এইবোৰ আঁচনি অসীমহঁতৰ ভোটবোৰ পাবৰ বাবে চতুৰ নেতাই দিয়া সাময়িক তুষ্টি, আৰু খঁকুৱা নেতা-বিষয়াৰ বাবে মানুহক লুণ্ঠন কৰাৰ একোটা পথহে। আনকি সৰ্বহাৰাক লৈ ৰাজনীতি কৰিব বিচৰা দলবোৰৰ মাজতো সততাৰ অভাৱ; আৰু সততাৰ অভাৱ বাবেই সমস্যাবোৰৰ গভীৰতালৈ যোৱাৰ উদ্যমো কম। অনুভৱৰ মাজে মাজে ঘোৰ সন্দেহ হয়— আচলতে অসীমহঁতৰ বাবে অমলিন মনেৰে চিন্তা কৰা মানুহ সঁচাকৈয়ে আছেনে?

এইবোৰ কাৰণতে অনুভৱে, বহুত বুদ্ধিজীৱীয়ে আওকাণ কৰিব খোজাৰ দৰে, দুৰ্দশাগ্ৰস্তৰ নিজৰ দুৰ্দশাৰ পৰা উত্তৰণৰ ব্যক্তিগত প্ৰচেষ্টাক আওকাণ কৰিব নোখোজে। বানপানীৰ মাজত বিপজ্জনকভাৱে আবদ্ধ পৰিয়াল এটাক বানপানী সৃষ্টিৰ কাৰণ, তাৰ নিবাৰণৰ উপায়ৰ কথা কৈ কৈ বানপানী নিবাৰণৰ আঁচনিৰ সময়লৈ অপেক্ষা কৰিবলৈ কোৱাটো নিৰৰ্থক। আৰু দুৰ্দশাগ্ৰস্ত পৰিয়ালটোৱে, সেইবোৰ কথাত আনকি সততা থকা বুলি বিশ্বাস জন্মিলেও আশাত বন্দী হৈ বৈ থাকিলে বানপানীত ডুবি মৰিব। ঠিক আছে— কোনোবা নেতা-দল বা বুদ্ধিজীৱীয়ে অসীমহঁতৰ বাবে সততাৰে কাম কৰি আছে নিৰন্তৰ— ভাল কথা— খুব ভাল কথা। তেওঁলোকৰ কষ্ট, চিন্তা-চৰ্চাই নিশ্চয় বৃহত্তৰ স্বাৰ্থৰ বাবে সহায়ক হ'ব। এই কথা মানি লোৱাৰ পিছতো কিন্তু বিপৰ্যস্তসকলে উত্তৰণৰ বাবে ব্যক্তিগত প্ৰচেষ্টা ল'বই লাগিব। বিমূৰ্ত কথা

কিছুমান হকে-বিহকে বিশ্বাস কৰি হাত সাবটি বহি থাকিলে বিপদ নিজৰহে হ'ব, সেই বিপদে নিজকেহে শেষ কৰিব— সেই ধ্বংসলীলা আনে নিৰাপদ দূৰত্বৰ পৰা চাইহে থাকিব।

সেইবাবেই অসীমহঁতৰ অৱস্থা যদি ভাললৈ আহিব লাগে, তেন্তে অসীমে আকৌ স্কুললৈ যাবই লাগিব। আৰু বাপেকেও মদ এৰিবই লাগিব। মাকৰ দৰে বাপেকেও পৰিয়ালটোৰ উত্তৰণৰ বাবে কষ্ট কৰিবই লাগিব— আৰু অনুভৱে সেইখিনিৰ বাবেই চেষ্টা কৰিব।

বাঁহৰ ওপৰেদি এছাটি বতাহ বৈ গৈছে। অকলশৰীয়া বতাহ!

অনুভৱৰ চিন্তাত বাধা পৰিল। তেওঁ দেখিলে পদূলিৰে মানুহ এজন সোমাই আহিছে। কোন আহিল বাৰু এই ৰাতি? আচৰিত। আচৰিত। কোন হ'ব বাৰু? মানুহজনৰ খোজবোৰ থৰক-বৰক। কোনোবা মদপী? অসীমৰ বাপেক? কিয় আহিব অসীমৰ বাপেক? সেইদিনা মানুহজনে ঘৰলৈ যাওঁতে ভদ্ৰতাৰ খাতিৰতো মাত এষাৰ নিদিলে। মানুহজন আগুৱাই আহিছে। তেওঁৰ গাত এখন আলোৱান? এই গৰমতো। অনুভৱে ভালকৈ ধৰিব পৰা নাই মুখখন।

অনুভৱৰ ঘৰৰ পাছফালৰ দৰ্জাত টোকৰ পৰিল। দৰ্জা খুলি দিবনে?— অনুভৱে ভাবিলে। আকৌ দৰ্জাত টোকৰ পৰিল। অনুভৱে দোৱোল খোৱা জিভাৰ মাত শুনিলে—

'দৰ্জাখন খোলকচোন।'

আকৌ অস্থিৰ টোকৰ কেইটামান। এইবাৰ বেছ ডাঙৰকৈ। প্ৰায় দৰ্জাত ঢকিওৱাৰ দৰে। অনুভৱে চি ডি প্লেয়াৰটো বন্ধ কৰি দৰ্জাৰ খিলিত হাত থ'লে।

দৰ্জা খুলি অনুভৱ হতভম্ব হৈ গ'ল।

সঁচাকৈয়ে অসীমৰ বাপেক! ভাৰসাম্য ৰাখিব নোৱাৰি মানুহজন থৰক-বৰককৈ থিয় হৈ আছে।

অদূৰত অনুভৱৰ ভাড়াঘৰৰ মালিকৰ পুতেক কমল। হাতত এডাল লাঠী!

'আপুনি অসীমহঁতৰ স্কুলৰ নতুন মাষ্টৰ?'

অনুভৱে একো উত্তৰ দিবলৈ নাপালে। কমলে খেদি আহি মানুহজনৰ ভৰিত লাঠীৰে কোব এটা মাৰি দিলে। যেন বাটে বাটে ঘূৰি ফুৰা এটা কুকুৰহে! মানুহজনেও বাটৰুৱাৰ মাৰ খোৱা কুকুৰ এটাৰ দৰেই কেংকেঙাই উঠিল। সম্ভৱতঃ ভৰিত বেয়াকৈ দুখ পাইছে। মানুহজনে ভৰিখন পিহিব ধৰিছে।

'চাল্লা মদাহী। মাতলামি কৰাৰ ঠাই আৰু নাপালি?'— কমলে গঁতিয়াই গঁতিয়াই

মানুহজনক ৰাস্তাৰ ফালে নিবলৈ ধৰিলে।

'মোৰ মাষ্টৰৰ লগত কথা আছে।'— মানুহজনে ফোঁপাই ফোঁপাই ক'বলৈ চেষ্টা কৰিছে। তেওঁ ভাগৰি গৈছে।

'এই ৰাতি বাৰটাত কথা পাতিবলৈ আহিছ মদাহী?'— কমলে মানুহজনৰ পিঠিত আৰু একোব মাৰিলে।

অনুভৱে একো কৰিব নোৱাৰিলে। হতবাক হৈ সেই দৃশ্য তেওঁ মাথোঁ চাইহে থাকিল।

কমলে গঁতিয়াই গঁতিয়াই মানুহজনক ৰাস্তা পোৱাইছিলগৈ। জোনাকৰ পোহৰত অনুভৱে দেখিলে— খোৱাই খোৱাই ঢলং-ঢপংকৈ মানুহজন আঁতৰি গৈছে। গাত আলোৱানখন নাই। অনুভৱে শুনিবলৈ পালে— মানুহজনে চিঞৰি চিঞৰি কৈ গৈছে—

'চাল্লা— মই মদ খাওঁ বাবে ভাল মানুহ এজনৰ লগত এযাৰ কথাও পাতিব নোৱাৰিম নেকি?'

ভাল মানুহ? মদত ডুবি থকা মানুহজনেও বিশ্বাস কৰিছে— অনুভৱ এজন ভাল মানুহ!

কি কথা পাতিবলৈ আহিছিল মানুহজনে? কি কথা?

দৰ্জাখন বন্ধ কৰিবলৈ লৈ অনুভৱে দেখিলে— দৰ্জাৰ ওচৰতে পৰি আছে মানুহজনৰ আলোৱানখন।

৩০.

অসীমৰ লগৰীয়াবোৰ ইতিমধ্যে ঘৰলৈ গ'ল। সূৰ্যটো অলপ আগতে ডুবিছে। চাৰিওফালৰ পোহৰ কমিবলৈ আৰম্ভ কৰিছে। অলপ পিছুতে আন্ধাৰ হ'বলৈ আৰম্ভ কৰিব। বেছি আন্ধাৰ হোৱাৰ আগতেই কামখিনি কৰি ঘৰলৈ যাব লাগিব। তাৰ বৰ ভাগৰ লাগিছে। যোৱা কেইদিনমানৰ পৰা সি এই অতিৰিক্ত কামটো কৰিবলৈ লৈছে। এই শিলৰ কুৱেৰীটোৰ আচল মালিকক সিহঁতে কোনোদিন দেখা নাই। সিহঁতৰ সম্পৰ্ক মাথোঁ দিবাকৰ বোলা মানুহজনৰ লগত। এই মানুহজনেই সিহঁতক কি কৰিব লাগে কামবোৰ শিকাই-বুজাই দিয়ে। লেনা-দেনাও তেওঁৰ লগতেই হয়। অসীমে শিল ভঙাৰ উপৰি অতিৰিক্তকৈ কৰিবলৈ লোৱা কামটোও শিকাই দিছে তেৱেঁই।

কামটো হৈছে শিলত বোমা দিয়া। এই কামটো কৰা যায় খুব পুৱাই, নহ'লেবা গধূলি। তেতিয়া পাহাৰত মানুহ নাথাকে, থাকিলেও খুব কম থাকে। প্ৰকাণ্ড শিল

একোটা বোমা দি খণ্ড-বিখণ্ড কৰি পেলোৱা হয়। তেতিয়াও কিন্তু খণ্ডবোৰ বহুত ডাঙৰ হৈ থাকে। সেইবোৰত ডাঙৰ হাতুৰী মাৰি মাৰি আৰু সৰু কৰি পেলোৱা হয়। সেই সৰু সৰু টুকুৰাবোৰহে অসীমহঁতে হাতুৰীৰে ভাঙি ভাঙি ছিপচ বা শিলগুটি বনায়। সেইবোৰ সৰু সৰু ট্ৰাকত বোজাই কৰি দিবাকৰে বাহিৰলৈ পঠাই দিয়ে। ইমানদিনে অসীমে হাতুৰীৰে শিল ভঙা কামটোৱেই কৰি আহিছিল। কিয় জানো কিছুদিন আগতে দিবাকৰে তাক শিলত বোমা দিয়া কামটোও শিকাই দিছে।

বোমা দিয়াৰ বাবে প্ৰকাণ্ড শিল একোটা বাচি লোৱা হয়। শিলটো পাহাৰৰ বুকুত খুব টানকৈ লিপিট খাই থাকে। তিনি-চাৰিজন ল'ৰাই হাতত খন্তা লৈ শিলটো লিপিট খাই থকা মাটিখিনি চাৰিওফালৰ পৰা খান্দিবলৈ লয়। লাহে লাহে মাটিৰ লগত শিলটোৰ বান্ধোন ঢিলা হ'বলৈ আৰম্ভ কৰে। সিহঁতৰ হাতৰ দীঘল দীঘল খন্তাবোৰ মাটিত পোত খাই থকা শিলটোৰ ফাঁকে ফাঁকে গভীৰলৈ গৈ থাকে। ওপৰৰ শুকান ৰঙামাটিৰ স্তৰ পাৰ হৈ খন্তাবোৰ কিঞ্চিৎ সেমেকা মাটিৰ স্তৰত আঘাত কৰিবলৈ লয়। আৰু এসময়ত পাহাৰৰ সেই জীপাল মাটিয়েও পোত খাই থকা শিলটোৰ ভাৰ বব নোৱাৰা হয়। আৰু হঠাৎ পাহাৰৰ বুকুৰ পৰা বিচ্ছিন্ন হৈ শিলটো হুৰমুৰকৈ তললৈ বাগৰি পৰিবলৈ লয়। চাৰিওফালৰ ঠাইখিনি ভূমিকম্পৰ দৰে গুমগুমাই কঁপি উঠে। কামটো কৰি অসীমৰ বৰ দুখ লাগে। মাকৰ বুকুৰ উমত নিৰ্ভয়ে নিশ্চিন্তে শুই থকা কেঁচুৱা এটাক নিষ্ঠুৰভাৱে টানি-আঁজুৰি অনা যেন লাগে তাৰ। শিলটো তললৈ সৰি পৰি মৃতৰ দৰে নিশ্চল হৈ শুই থাকে। শিলটো বাগৰি পৰাৰ পিছত এটুকুৰা বৃহৎ ঠাই উদং হৈ যায়। ঠাইটুকুৰাৰ কেঁচা ৰঙা মাটিখিনি জিলিকি উঠে। যেন ঘাতকে বুকুৰ পৰা সন্তান কাঢ়ি নিয়া মাকৰ কলিজাৰ কেঁচা ৰঙা ঘা এটুকুৰাহে। অসীমৰ বেয়া লাগে। বৰ বেয়া লাগে। তাৰ লগৰীয়াবোৰক এইবোৰ কথা সি ক'ব নোৱাৰে। হাঁহি হাঁহি সিহঁতে জোকাই-মেলি তাৰ অৱস্থা বেয়া কৰি দিব। শিলৰ দৰে কঠিন কৰ্কশ সিহঁতৰ জীৱনত এইবোৰ কথা খাপ নাখায়। সেই কথা অসীমে বুজি পায়। খুব ভালকৈ বুজি পায়। তাৰ বুকুৰ ভিতৰত তাৰ নিজৰ এখন জগত আছে। কেৱল নিজৰ। সেইখন জগত সি কাকো দেখুৱাব নোৱাৰে। তাৰ সামান্য খবৰো সি কাকো দিব নোখোজে। কোনোবা সেই জগতখনত সোমাব খুজিলে সি বৰং দৌৰি পলাব।

শিলত বোমা দিয়া কামটোও সি অকলেই কৰিব খোজে। অকলে।

অসীম শিলটোৰ ওচৰলৈ আগবাঢ়ি গ'ল। শিলটোক তাৰ হাস্পতালত পৰি থকা ৰোগীৰ দৰে লাগিল। কালিয়েই সিহঁতে বোমা দিবৰ বাবে শিলটোৰ গাত চাৰিটা গাঁত কৰি লৈছে। এটা বোমাই শিলটো টুকুৰা-টুকুৰ কৰি পেলাব নোৱাৰে। অসীমৰ শিলটোক এবাৰ মৰম কৰিবলৈ মন গ'ল। দুহাতেৰে আলফুলকৈ চুই দিলে শিলটো।

তাৰ পিছত গাঁত এটাত বোমা এটা থৈ দিলে। পকেটৰ পৰা দিয়াচলাইটো উলিয়াই ল'লে। বতাহৰ বাবে কেইবাডালো কাঠী নষ্ট হ'ল। অৱশেষত এডাল জ্বলা কাঠীৰে বোমাটোৰ শলিতাডালত জুই লগাই সি দৌৰ দিলে। সি দৌৰি থাকোঁতেই গুকগুকে আৱাজ কৰি বোমাটো ফুটিল। লগে লগে আতংকিত চৰাইৰ কোৰ্হালত ঠাইখিনি মুখৰ হৈ উঠিল।

অসীমে নামনিত বৈ দিলে।

সন্মুখৰ ফালে চাই সি হতবাক হৈ পৰিল। কেইজনমান পুলিচে তাক খেদি আহিছে।

অসীমে দৌৰি পলাবলৈ কোনো চেষ্টাই নকৰিলে।

৩১.

অসীমৰ ঘৰলৈ ওভতোঁতে আজিকালি মাজে মাজে অলপ পলম হয়। গতিকে আজিও পলম হওঁতে মাকে বিশেষ চিন্তা কৰা নাছিল। কিন্তু যেতিয়া বহুত বেছি পলম হ'ল মাকৰ চিন্তা হ'ল। দুবাৰমান ৰাস্তাৰ ফালে ওলাই গৈ চালে— নাই, সি উভতি অহা নাই।

অসীমৰ বাপেক তেতিয়াও বাৰাণ্ডাত বহি আছে। তেৱোঁ অসীমৰ বাবে বৈ আছে। বৈ বৈ বাপেকৰো আমনি লাগিছে। ভিতৰি ভিতৰি তেৱোঁ অস্থিৰ হৈ পৰিছে। কিয় ইমান পলম কৰিছে সি? কেতিয়াওতো তাৰ ইমান পলম হোৱা নাই। বহুত বেছি পলম হৈ গৈছে। ইমান দেৰিলৈকে পেটত মদ এটুপি পৰা নাই। অসহ্য লাগি গৈছে মানুহজনৰ। অসীম আহিলেহে তেওঁৰ হাতত পইচা পৰিব। তেতিয়াহে তেওঁ মদৰ ভাটিখানালৈ যাব পাৰিব।

অসীমৰ মাক-বাপেকৰ মাজত আজিকালি কথা-বাৰ্তা তেনেকৈ নহয়েই। অসীমৰ পৰা পইচা নিয়াতে বাপেকৰ ঘৰৰ লগত সম্পৰ্ক। মানুহজনে ঘৰত একো নাখায়ো। কেতিয়াবা আনকি ৰাতিও ঘৰলৈ নাহে। ক'ত থাকে, কি খায় অসীমহঁতে একোকে নাজানে। পুতেকৰ দাহত মাকে মানুহজনক অসীমক বিচাৰি যোৱাৰ কথা কেইবাবাৰো ক'লে। কিন্তু মানুহজনে কোনো উত্তৰ নিদিলে। কিবা এখন লংকাকাণ্ড হৈ যায় বুলি মানুহজনীয়ে টানকৈ ক'বলৈও ভয় কৰিছে। কিন্তু পুতেকৰ দাহত মানুহজনী অস্থিৰ হৈ পৰিছে। এনেয়েই তেওঁৰ অসীমলৈ দুখ লাগি থাকে। তাৰ দৰে শ্ৰেণীৰ এক নম্বৰ ল'ৰাটোৱে স্কুল এৰাৰ কথাটোত মাকে বৰ কষ্ট পাইছিল। পুতেকৰ শিল ভঙা কষ্টই মাকৰ দুখ বহুগুণে বঢ়াই তুলিছিল। এক ধৰণৰ অপৰাধবোধতো তেওঁ ভুগিছিল।

অৱশেষত অসীমৰ মাকৰ ধৈৰ্যচ্যুতি ঘটিল। তেওঁ গৰ্জি উঠিল—

'গৰুৱেও নিজৰ পোৱালি হেৰুৱালে হেম্বেলিয়াই থাকে। আৰু আপুনি মানুহটো হৈও এনেদৰে টোকোনা পাতি বহি আছে?'

নাই, মানুহজনে একো উত্তৰ নিদিলে। কাঁথিতে টোপনিয়াই তেওঁ বহি থাকিল।

৩২.

পুলিচে তাক কিয় ধৰি ৰাখিছে অসীমে একো বুজি নাপালে। আন কেইবাদিনৰ দৰে আজিও সি শিলত বোমা দিছে। সেই বোমাকেইটা আবেলিৰ ভাগত দিবাকৰে তাৰ হাতত দি গৈছিল। সেই বোমাকেইটাৰ বাবে তাক পুলিচে ধৰিছে নেকি? এনেকৈতো সদায়েই বোমাৰে শিল টুকুৰা-টুকুৰ কৰা হয়। আজিনো তাক ধৰিব লগা হ'ল কেলেই? পুলিচ দেখিলেই অসীমহঁতে ভয় খায়। সিহঁতে দূৰতে বিদূৰ হয়। কিবা কাৰণত গাঁৱত পুলিচ সোমালেও সিহঁতে কৌতূহলত চাবলৈ দৌৰে ঠিকেই; কিন্তু সিহঁতে এক নিৰাপদ দূৰত্বত বৈ ঘটনাবোৰ উত্তেজনাৰে চাই থাকে। আৰু আজি তাকেই পুলিচে জীপত তুলি থানালৈ লৈ আহিছে। মানুহে কোৱা শুনিছিল— থানাখন হেনো সিহঁতৰ গাঁৱৰ পৰা দহ মাইলমান দূৰত। ইমান দূৰলৈ অকলে সি কেতিয়াও আহি পোৱা নাই। তাৰ হাতত হেণ্ডকাফ লগোৱা নাই যদিও পুলিচবোৰৰ মাত-কথা, ভাব-ভঙ্গী তাৰ একেবাৰে ভাল লগা নাই। থানাত হেনো পুলিচে বৰ বেয়াকৈ মাৰ-ধৰ কৰে। সিও যদি কিবা ডাঙৰ অপৰাধ কৰিছে তাকো খুব বেয়াকৈ মাৰ-ধৰ কৰিব নেকি? দেউতাকৰ মাৰ সি বহুদিন খাইছে। মহেন্দ্ৰ মাষ্টৰৰো। মহেন্দ্ৰ মাষ্টৰৰ মাৰত তাৰ আঙুলি ফাটি তেজ ওলাই গৈছিল। পুলিচে নিশ্চয় তাক মহেন্দ্ৰ মাষ্টৰতকৈও বেছিকৈ মাৰিব। সি শুনিছে ৰাতি দোভাগ হ'লে হেনো মদ-পানী খাই পুলিচবোৰ ভয়ংকৰ হৈ উঠে। ভয়ত তাৰ বুকুখন ধপ্‌ধপাবলৈ ধৰিলে। ডিঙিটো শুকাই অহা যেন লাগিছে তাৰ। পানী এগিলাচ পোৱা হ'লে! অসীমে অনুভৱ কৰিলে তাৰ বহুত ভোকো লাগিছে। আজি ভাত-পানী দূৰৰ কথা, সি কিজানি শুবলৈও নাপাব। এই বেঞ্চখনতে মহৰ কামোৰ খাই ৰাতিটো পাৰ কৰিব লাগিব। তাৰ চকুৰ সন্মুখত বাৰে বাৰে মাকৰ মুখখন ভাহি উঠিবলৈ ধৰিলে। আজলীৰ মুখখনো। সিহঁতে গম পাইছেনে বাৰু? সি আচৰিত হ'ল, তাৰ এই বিপদৰ সময়ত আৰু এখন মুখ তাৰ চকুৰ সন্মুখত উজলি উঠিবলৈ ধৰিলে— নিৰ্মলৰ। নিৰ্মলে গম পাইছেনে বাৰু? নিৰ্মলৰ কথা মনত পৰাৰ লগে লগেই কিয় জানো অসীমৰ আৰু এজন মানুহৰ কথা মনলৈ আহিবলৈ ধৰিলে— নিৰ্মলহঁতৰ স্কুলৰ নতুন মাষ্টৰজন! মানুহজন তাৰ অচিনাকি। কিন্তু মানুহজনৰ কথা

নির্মলৰ মুখত কেইবাদিনো শুনিছে। এই মানুহজনে তাক বিচাৰি তাৰ ঘৰলৈ গৈছিল। আৰু সেই গধূলিটো সি পাহাৰৰ টিঙত বহি পাৰ কৰিছিল। পাহাৰৰ টিঙৰ পৰা সকলো বস্তুৱেই সৰু সৰু দেখি— গছবোৰ, ঘৰবোৰ। মানুহবোৰতো মনিবই নোৱাৰি। পাহাৰৰ টিঙত বহিলে তাৰ অদ্ভুত লাগে— তাৰ চকুৰ সন্মুখত থাকে বিশাল প্ৰকৃতি। তাৰে তুলনাত সি কিমান ক্ষুদ্ৰ। তাৰ দুখবোৰো প্ৰকৃতিৰ বিশালতাত কিমান ক্ষুদ্ৰ। আচৰিত ধৰণৰ অনুভৱ হয় তাৰ। এক ধৰণৰ দূৰত্ববোধ অনুভৱ হয় তাৰ। সি যেন সকলোৰে পৰা বহু দূৰত— বাপেকৰ পৰা, মাকৰ পৰা, আজলীৰ পৰা।

'হো— দিবাকৰ বাপেৰলৈ ফোন লগা।'— হঁটা মাতেৰে চিপাহী এজনে ফোন এটা তালৈ আগবঢ়াই দিলে।

সি অসহায় হৈ চাই থাকিল। ফোন কেনেকৈ কৰে সি নাজানে। সি কেতিয়াও ফোন কৰি পোৱাই নাই। সেই কথাটোকে ক'বলৈ তাৰ বৰ ভয় লাগিল।

'ফোন কৰিবলৈ মই নাজানো।'— সেপ ঢুকি অসীমে জনালে।

আচম্বিতে এটা পূৰ্ণহতীয়া চৰ তাৰ গালত পৰিল। সি চকুৰে ধোঁৱা-কোঁৱা দেখিলে।

'তেতিয়াহ'লে বাপেৰৰ নম্বৰটো ক।'— হাতত ফোনটো লৈ তাৰ ফালে চাই চিপাহীজন ৰৈ থাকিল।

এইবাৰ সি যে নম্বৰটোও নাজানে সেই কথাটো জনাবলৈ তাৰ বৰ ভয় লাগিল। সি শিল ভাঙিছে, কাম কৰিছে, দিবাকৰে পইচা দিছে। ফোন নম্বৰৰ কেতিয়াও দৰকাৰ হোৱা নাই।

'মনে মনে থাকিলি যে?'— এটা অশ্লীল শব্দ কৈ চিপাহীজন গর্জি উঠিল।

'নাজানো।'

ইখন গালতো এটা পূৰ্ণহতীয়া চৰ পৰিল। এইবাৰ অৱশ্যে অসীম সাজু হৈ আছিল। তথাপি সি অনুভৱ কৰিলে এইবাৰৰ চৰটোত সি বেছি দুখ পাইছে।

'বাপেৰে ফোন নম্বৰ ইমান সলাই থাকে কিয় অ'? মাহে মাহে যে হপ্তাটো দি থাকিব লাগে নাজানে নেকি?'

অসীমে মন কৰিলে দুটা বাক্য কওঁতে চিপাহীজনে চাৰি-পাঁচটা অশ্লীল শব্দ কৈছে। অসীমে কোনোদিনে নুশুনা শব্দ এটা শুনিলে— হপ্তা! মাহে মাহে হপ্তা দি থাকিব লাগে? দিবাকৰে হপ্তা নিদিলে তাক থানালৈ আনি কিয় মাৰধৰ কৰিব লাগে? আতংক উৎকণ্ঠাত এই ৰহস্যময় পৰিৱেশটোত অসীম যেন আধা মৰা হ'ল। কোনে তাক এই ভয়ংকৰ বিপদৰ পৰা উদ্ধাৰ কৰিব? কোনে? মাকে দহ মাইল দূৰৰ এই থানালৈ আহি তাক উদ্ধাৰ কৰিব নোৱাৰে। বাপেকৰ পৰাতো সেইখিনি আশা সি আৰু

এতিয়া কৰিব নোৱাৰে। মানুহজন সিহঁতৰ জীৱনৰ পৰা কেতিয়াবাই হেৰাই গৈছে। সিহঁতৰ সুখ-দুখৰ কোনো খবৰ মানুহজনে নাৰাখে। সিহঁতেও মানুহজনৰ ভিতৰৰ খবৰ একো নাপায়। আনকি ৰাতি ক'ত থাকে, কি খায় সেই খবৰো। আগতে এনেকুৱা নাছিল। হঠাৎ কিয় জানো বহুত পুৰণি ঘটনা এটা তাৰ মনত পৰি গ'ল—

তেতিয়া সি দ্বিতীয়নে তৃতীয় শ্ৰেণীত পঢ়িছিল। গধূলি সময়ৰ কথা। কি কাৰণত জানো সি সিহঁতৰ ঘৰৰ কেৰাচিনৰ বটলটো হাতত লৈছিল। হাতৰ পৰা পিছলি কেৰাচিনৰ বটলটো পৰি গৈছিল। কেৰাচিন তেলখিনি মাটিত বাগৰি পৰিছিল। সি বটলটো তোলে মানে বটলটোৰ ভিতৰত সামান্য কেৰাচিনহে ৰৈছিলগৈ। কেৰাচিন এবটল যোগাৰ কৰাটো মাক-বাপেকৰ বাবে বৰ কষ্টৰ কাম আছিল। গতিকে মাকৰ প্ৰচণ্ড খং উঠিছিল। সেইখিনি সময়ত বাপেক ঘৰত নাছিল। মাকে তাক খেদি গৈছিল। পিঠিত ভুকু এটা শোধাই দিছিল। দ্বিতীয়টো ভুকু গাত পৰাৰ আগতেই অসীমে দৌৰি ৰাস্তাত ভৰি থৈছিল। ৰাস্তাত ভৰি থৈ দীঘলকৈ উশাহ টানি সি ক'লৈ যাব ভাবিছিল। কাৰণ মাকৰ খং নকমালৈ ঘৰলৈ যোৱাৰ কথা সি ভাবিবই নোৱাৰে। অলপ দূৰতে থকা চিনাকি দোকান এখনলৈ সি গুচি গৈছিল। দোকান মানে গুম্‌টি এটা। বিস্কুট, লজেন্স, চকলেট, ছোৱালীৰ চুলিত মৰা ৰিবন— এই ধৰণৰ সৰু-সুৰা বস্তু কিছুমান তাত পোৱা গৈছিল। দোকানখনৰ কাষতে দোকানীজনে দুটা বাঁহৰ খুঁটাৰ ওপৰত তক্তা এখন গজলিয়াই মানুহ বহিব পৰাকৈ বেঞ্চ এখনৰ দৰে কৰি দিছিল। অসীম গৈ তাতে বহিছিল। দোকানী বুঢ়াজন তেনেকুৱা সময়ত অসীম দোকানলৈ যোৱা বাবে আচৰিত হৈছিল। তথাপি বুঢ়াজনে তাৰ লগত দুই-এটা কথা পাতিছিল। গ্ৰাহক সেৰেঙা হৈ হৈ এসময়ত গ্ৰাহক অহা বন্ধ হৈ গৈছিল। আন্ধাৰবোৰ ঘন হৈ আহিছিল। তথাপি অসীমে মাকৰ ভয়ত ঘৰলৈ যাবলৈ সাহস গোটাব পৰা নাছিল। তদুপৰি ঘৰলৈ আহি মাকৰ মুখত তাৰ কীৰ্তিৰ কথা শুনি তাক পিটিবলৈ বাপেকো নিশ্চয় সাজু হৈ আছিল। দোকানী বুঢ়াজনে তাক ঘনে ঘনে ঘৰলৈ যাবলৈ কৈ আছিল। লাহে লাহে আন এটা দুশ্চিন্তাই অসীমক আতংকিত কৰি তুলিবলৈ ধৰিছিল। কাৰণ দোকান বন্ধ কৰাৰ সময় হৈছিল। দোকান বন্ধ হোৱাৰ পিছত সি ক'লৈ যাব? ইতিমধ্যে ৰাস্তাত মানুহ প্ৰায় নোহোৱাৰ দৰেই হৈ গৈছিল। শিয়ালেও হোৱা দিবলৈ আৰম্ভ কৰিছিল। এইবোৰ ভয় আৰু দুশ্চিন্তাত ডুবি থাকোঁতেই হঠাৎ তাক কোনোবাই পাছফালৰ পৰা সাবটি দাঙি লৈছিল আৰু কৈছিল—

'ব'ল ঘৰলৈ।'

সেয়া আছিল তাৰ দেউতাক! ওৰে বাট তাক বুকুৰ মাজত সাবটি লৈ মানুহজনে আন্ধাৰৰ মাজেৰে ঘৰলৈ আগবাঢ়িছিল। ঘৰ পাই মানুহজনে তাৰ মাকক গালি

পাৰিছিল— পুতেকলৈ অলপো মায়া নাই বুলি।

অসীমৰ বৰ লোভ লাগিল— সেই এষাৰ মৰমসনা কথা আকৌ এবাৰ শুনিবলৈ। থানালৈ আহি বুকুৰ মাজত তাক সাবটি লৈ বাপেকে যেন আকৌ ক'ব সাধুকথাৰ দৰে পুৰণি অথচ মায়াভৰা সেইষাৰ কথা—

'ব'ল ঘৰলৈ!'

অসীমৰ ডিঙিত কিবা এসোপাই যেন সোপা মাৰি ধৰিলে। দিনজোৰা পৰিশ্ৰম, ভোক-পিয়াহ আৰু চিপাহীৰ নিৰ্যাতনত সি বিধ্বস্ত হৈ গৈছিল। থানাৰ ঘড়ীটো ঢং ঢংকৈ বাজিছে। অসীমে গণিবলৈ ধৰিলে— এক, দুই, তিনি— দহ বাজিছে। থানাৰ বেঞ্চতে বহি অসীমে বেৰত মূৰটো আওজাই চকু দুটা মুদি দিলে।

সোনকালেই তাৰ টোপনি আহি গ'ল।

'অসীম!'

'এই অসীম!'

কোনে মাতে তাক ইমান মৰমেৰে? বাপেকে? আস্— কিমান দিন যে তাক বাপেকে ইমান মৰমেৰে মতা নাই!

সপোন!

'অসীম'!

সামান্য মেলি অসীমে চকুদুটা আকৌ জপাই দিলে।

'এই অসীম!'

এসোপা মৰমসনা মাত্ৰ এইষাৰ মাতৰ বাবে সি মৰি যাব পাৰে! ইমান ধুনীয়া সপোন!

সপোন নহয়— সপোন নহয়। কোনোবাই সঁচাকৈয়ে তাক বুকুৰ মাজলৈ চপাই লৈছে আৰু কৈছে—

'ব'লা ঘৰলৈ!'

চকু দুটা মোহাৰি জোৰকৈ মেলি দিলে অসীমে। এজন অচিনাকি মানুহে তাক বুকুৰ ওচৰ চপাই লৈছে।

অচিনাকি মানুহ? নহয়— ক'ৰবাত দেখিছিল— ক'ৰবাত লগ পাইছিল মানুহজনক— ক'ত? ক'ত? অবাক হৈ অসীমে মানুহজনৰ মুখলৈ চাই থাকিল।

'চিনি পোৱা নাই নহয়?'— মানুহজনৰ মুখত বিয়পি পৰিছে এটা হাঁহি। তাক আপোন কৰিব পৰা এটা হাঁহি।

হঠাৎ যেন চঁক খাই উঠে অসীম!

'বৰ ধুনীয়া নাম!'

সকলো মনত পৰি যায় অসীমৰ। পাইছে— চিনি পাইছে অসীমে। চাৰি মাহ আগতে তাৰ পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ দিনা লগ পাইছিল মানুহজনক। তাৰ পৰীক্ষাৰ ৰিজাল্ট ভাল হোৱা নাছিল।

'তই অধঃপাতে গ'লি।'— মহেন্দ্ৰ মাষ্টৰে তাক গালি পাৰিছিল।

'এসময়ত ই ক্লাছৰ এক নম্বৰ ল'ৰা আছিল।'— মহেন্দ্ৰ মাষ্টৰে এই মানুহজনকে কৈছিল।

মহেন্দ্ৰ মাষ্টৰে অসীমক কাণতলীয়া চৰ এটা শোধাইছিল। তাৰ পিছত মহেন্দ্ৰ মাষ্টৰ গুচি গৈছিল।

'কি নাম তোমাৰ?'— এই মানুহজনেই তাক সুধিছিল।

'অ— অসীম!'— দুখ-অপমানত ভাঙি পৰা মাতেৰে সি কৈছিল।

'বৰ ধুনীয়া নাম!'— কথাষাৰ কৈ দৌৰা-দৌৰিকৈ মানুহজনে গে'টৰ ফালে আগবাঢ়িছিল। গে'টৰ বাহিৰত মহেন্দ্ৰ মাষ্টৰে তেওঁলৈ বৈ আছিল।

আছে— আছে— সকলো কথাই মনত আছে অসীমৰ। এইবোৰ কথা মনত আছে বাবেই সি আজিও জীয়াই থাকিব পাৰিছে।

'মনত পৰা নাই নহয়?'— মানুহজনে মৰমেৰে সুধিলে তাক।

অসীমে মূৰ দুপিয়ালে। পৰিছে— তাৰ মনত পৰিছে।

অসীমৰ কান্দিবৰ মন গৈছে। বহুদিন সি কন্দা নাই। পাৰি— এইজন মানুহৰ ওচৰত কান্দিব পাৰি। অসীমৰ দুগালেদি সৰ্‌সৰকৈ চকুপানী বৈ আহিল।

'মই তোমালোকৰ নতুন মাষ্টৰ!'

কি? এই মানুহজনেই নিৰ্মলহঁতৰ নতুন মাষ্টৰজন!

বিস্ময়, আৱেগ আৰু উত্তেজনাৰ চৌত উটি গৈ অসীমে অনুভৱ মাষ্টৰৰ বুকুৰ মাজত মূৰটো গুঁজি ফেকুৰিবলৈ ধৰিলে।

৩৩.

গোটেই ৰাতিটো দুখ, ভাগৰত বিধ্বস্ত হৈ মৃতৰ দৰে খাটত নিঃসাৰ হৈ অসীম পৰি থাকিল। আচলতে এই বয়সতে কালি তাৰ জীৱনটোত যিটো ধুমুহা বলি গ'ল, সেই হিচাপত তাৰ এচিকুটো টোপনি আহিব নালাগিছিল। কিন্তু দুখ-ভাগৰে তাৰ চিন্তা শক্তি আৰু চেতনাকে যেন বিকল কৰি পেলাইছিল। সঁচা অৰ্থতে সি যেন মৃত হৈ পৰিছিল। খিৰিকীৰে সৰকি এচমকা উজ্জ্বল ৰ'দ গালে-মুখে পৰোঁতেহে অসীমৰ টোপনি

ভাগিল। খাটখনত দেউতাক নাই। কালি মাজৰাতি যেতিয়া অনুভৱ মাষ্টৰে তাক ঘৰত থৈ গৈছিল, তেতিয়াও ঘৰত বাপেক নাছিল। বাপেকে গম পায়নে বাৰু এইবোৰ কথা? এসময়ত মাকে তাক মৰম নকৰে বুলি মাকক গালি পৰা মানুহজনে আজি যেতিয়া পুলিচে তাক নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ খবৰ শুনিব, অলপ হ'লেও তেওঁৰ বুকুখন মোচৰ খাই নুঠিবনে?

নাই— এইবোৰ কোমল কোমল চিন্তাৰ বাবে অৱকাশ আৰু বিলাসিতা অসীমৰ জীৱনত আৰু নাই। সেইবোৰ কামত নহা চিন্তা জোৰকৈ দূৰলৈ ঠেলি দি অসীম নিৰ্মম বাস্তৱলৈ উভতি আহিল—

অসীমে এতিয়া কৰিব কি?

কালি থানাৰ পৰা ঘৰলৈ অহাৰ বাটত অনুভৱ মাষ্টৰে তাক কুৰেৰীটোৰ বিষয়ে কিছু কথা কৈছিল। তেখেতে কোৱা মতে, কুৰেৰীটো অবৈধ। কুৰেৰীৰ বাবে চৰকাৰী যি অনুমতি লাগে, সেই অনুমতি কুৰেৰীটোৰ মালিক পৰেশ বোলা মানুহজনে লোৱা নাই। আচলতে নিয়ম মতে এই পাহাৰখনত কুৰেৰী হ'বই নালাগে। অবৈধ কিয়, বৈধ কুৰেৰীও ইয়াত হ'ব নালাগে। অনুভৱ মাষ্টৰে কোৱা মতে পাহাৰখন ভৌগোলিকভাৱে অতি গুৰুত্বপূৰ্ণ ঠাইত আছে। যদি এই পাহাৰখন ধ্বংস হৈ যায়, তেনেহ'লে পাহাৰখনৰ নামনিৰে পাক খাই বৈ থকা নদীখনে গতি সলাব পাৰে। তেতিয়া অসীমহঁতৰ গোটেই গাঁওখনেই নদীৰ বুকুত জাহ যাবগৈ। গতিকে অনুভৱ মাষ্টৰৰ মতে চৰকাৰে যদি কেতিয়াবা বৈধ কুৰেৰীৰ বাবেও অনুমতি দিয়ে, ৰাইজে তাৰ বিৰুদ্ধে প্ৰবলভাৱে প্ৰতিবাদ কৰা উচিত। আচলতে পৰেশ বোলা মানুহজনৰ এই কুৰেৰীটো স্থানীয় থানাখনৰ সহযোগত অবৈধভাৱে চলি আছে। তাৰ বাবে দিবাকৰে থানাত মাহে মাহে নিৰ্দিষ্ট হাৰত টকা জমা দি থাকে। এই টকা দিয়াত পলম হ'লেই বা টকা কমকৈ দিলে পৰেশ আৰু দিবাকৰত কাবু কৰিবলৈ থানাৰ পুলিচে অসীমহঁতৰ দৰে দুই-এজন বনুৱাক ধৰি থানালৈ লৈ আহে। তাৰ পিছত কুৰেৰীটোৰ মালিকক অবৈধ কুৰেৰীটো বন্ধ কৰি দিম বুলি ভাবুকি দিয়ে। এনেকৈয়ে পৰেশ আৰু থানাৰ বিষয়াৰ এই খেলখনত মাজে মাজে ফচি যায় অসীমহঁত। অনুভৱ মাষ্টৰে আৰু কোৱা মতে, শিলত বোমা দিয়াৰ বাবে যিখিনি বস্তু অসীমহঁতে ব্যৱহাৰ কৰে, যিখিনিক সিহঁতে 'নিমখ' বা মচলা বুলি কয়, সেইখিনি আচলতে জিলেটিন। এইখিনি আচলতে বিস্ফোৰক। উগ্ৰপন্থীবোৰে এইবোৰৰ সহায়তেই মানুহ মাৰিবলৈ বোমা তৈয়াৰ কৰে। এইবোৰ বস্তু যাৰে-তাৰে হাতত পৰাটো বিপজ্জনক। অনুভৱ মাষ্টৰে অনুমান কৰা মতে হয়তো বৈধ কুৰেৰীৰ মালিকে বা মালিকৰ অজ্ঞাতে শ্ৰমিকে এইবোৰ বিস্ফোৰক অবৈধ কুৰেৰীৰ মালিকক বিক্ৰী কৰে। নহ'লে হয়তো বিস্ফোৰকৰ চোৰাং বজাৰ এখন

আছে। পৰেশহঁতে যিটো প্ৰক্ৰিয়াৰে এই বিস্ফোৰকবোৰ লাভ কৰে, সেই একেটা প্ৰক্ৰিয়াৰে উগ্ৰপন্থীয়েও সেইবোৰ লাভ কৰিব পাৰে। গতিকে এই অবৈধ প্ৰক্ৰিয়াটো বন্ধ কৰাটো আৰক্ষী বিভাগৰ জৰুৰী দায়িত্ব। আৰু বিস্ফোৰক অবৈধভাৱে আহৰণৰ উৎসটো বিচাৰি উলিওৱাটোও খুব টান কাম নহয়, হয়তো আৰক্ষী বিভাগেও উৎসবোৰ জানেই। কিন্তু নিজৰ লাভৰ বাবে ব্যৱস্থা গ্ৰহণ নকৰে।

ইমানবোৰ কথা জনাৰ পিছত অসীমে আৰু সেই অবৈধ কুৱেৰীটোত শিল ভাঙিবলৈ যাব নোৱাৰে। গ'লে অনুভৱ মাষ্টৰে তাক নিশ্চয় বেয়া পাব। বহুদিনৰ মূৰত এই প্ৰথম কোনোবাই বেয়া পাব বুলি অসীমৰ কিবা এটা কাম নকৰিবলৈ মন গ'ল। কথাটো মনলৈ অহাত তাৰ ভালেই লাগিলনে দুখেই লাগিল সি খাটাংকৈ যেন বুজি নাপালে।

শিল যদি নাভাঙে, তেনেহ'লে অসীমে এতিয়া কৰিব কি? বহুত ভাবিও সি একো বিকল্পৰ কথা ভাবি উলিয়াব নোৱাৰিলে। তথাপি যি যেন অলপ আশাৰ পোহৰো দেখিছে— আজি আবেলি অনুভৱ মাষ্টৰ তাৰ ঘৰলৈ আহিব। আজি আৰু সি অনুভৱ মাষ্টৰ আহিব বাবে ঘৰৰ পৰা পলাব নোৱাৰে! যিজন মানুহে টোপনি ক্ষতি কৰি মাজনিশা থানাৰ পৰা তাক উদ্ধাৰ কৰি আনিছে, সেইজন মানুহৰ পৰা পলাই থাকিব পাৰিবনে? নিৰ্মলে কোৱাৰ দৰে সঁচাকৈয়ে মানুহজন বেলেগ ধৰণৰ। তাৰ জীৱনৰ ইমান ভয়ংকৰ ঘটনাটোৰ মাজতো মানুহজনে তাক জোকাইছিল—

'মোৰ পৰা পলাই আছিলা নহয়! এতিয়া পিছে?'

যেন পলাই ফুৰাৰ বাবে তেখেতেহে তাক পুলিচৰ দ্বাৰা এৰেষ্ট কৰোৱাইছে! অসীমে বুজি পালে— এই আচৰিত মানুহজনে তাক সঁচা-সঁচিকৈয়ে বন্দী কৰি পেলাইছে!

আবেলি স্কুল ছুটীৰ পিছত অনুভৱ মাষ্টৰ তাৰ ঘৰলৈ আহিব— কথাটোত যেন অসীম অলপ উৎসাহিত হৈ পৰিল। এইধৰণে উত্তেজনাৰে মনটো বহুদিন ভৰি পৰা নাই। তেখেতে হেনো তালৈ কিবা পুৰস্কাৰ লৈ আহিব! নিৰ্মলহঁতক দিয়া তিনিটা অংকৰ দুটাৰ উত্তৰ উলিয়াই দিব পৰাৰ বাবে পুৰস্কাৰ! যিজন অসীমক জহন্নামে যোৱাৰ বাবে মহেন্দ্ৰ মাষ্টৰে কাণতলীয়া চৰ শোধাইছিল, যিজন অসীমক পুলিচে বান্ধি নি থানাত পিটিছে— সেইজন অসীমক মানুহজনে পুৰস্কাৰ দিব!

যোৱা ৰাতি থানাৰ পৰা আনি কান্দি থকা মাকৰ ওচৰত তাক চমজাই দি অনুভৱ মাষ্টৰে হাঁহি এটা মাৰি সুধিছিল— 'তিনি নম্বৰ অংকটোৰ কি হ'ল?'

সি আচৰিত হৈ গৈছিল। তাৰ মাকে একো নুবুজি বুৰ্বকৰ দৰে চাই ৰৈছিল। কান্দি কান্দি অস্থিৰ হৈ থকা মাকজনীয়ে থানাৰ পৰা পুতেকক অনা অচিনাকি মানুহজনৰ

ফালে আচৰিত হৈ চাই ৰৈছিল। গোটেই কথাবোৰ মাকৰ বাবে সাঁথৰৰ দৰে হৈ পৰিছিল। থানাৰ পৰা অহা অপৰাধীক অংকৰ কথা সোধা দেখি পুতেকৰ বিপদত কান্দি কান্দি বাউলী হৈ থকা মাকে যেন কান্দিবলৈও পাহৰি গৈছিল।

অনুভৱ মাষ্টৰক নোসোধাকৈয়ে অসীমে সাঁথৰৰ ভেদ ভাঙিব পাৰিছিল— অসীমক পুলিচে এৰেষ্ট কৰা খবৰটো অনুভৱ মাষ্টৰক দিছিল নিশ্চয় নিৰ্মলে। আৰু সি দুটা অংকৰ উত্তৰ উলিওৱাৰ খবৰো নিৰ্মলেই তেখেতক জনাইছে।

দুখৰ সাগৰত বুৰি যাব খুজিলেও, আন্ধাৰত হেৰাই যাব খুজিলেও কেতিয়াবা বুৰি যাব নোৱাৰি, হেৰাই যাব নোৱাৰি— নিৰ্মলহঁতৰ দৰে নিৰ্মল হৃদয়ৰ বন্ধুৱে, অনুভৱ মাষ্টৰৰ দৰে মানুহে পাৰত উঠাবলৈ, পোহৰলৈ আনিবলৈ হাত মেলি ৰৈ থাকে।

ৰাতি যেতিয়া অসীমে মাকক অনুভৱ মাষ্টৰৰ সৈতে চিনাকি কৰি দিছিল, মাকে অকস্মাৎ মাষ্টৰৰ দুভৰিত সাবট মাৰি ধৰি কৈছিল—

'আপুনি মানুহ নহয়—'

মাকৰ বাক্যটো সম্পূৰ্ণ কৰিব নিদি জাঁপ মাৰি দুহাত পিছুৱাই গৈ অনুভৱ মাষ্টৰে হাঁহি হাঁহি কৈছিল—

'এহ্— আপুনি মোক কিবা ভূত-প্ৰেত বুলিহে ভাবিছে নেকি?'

আকস্মিক বিপৰ্যয়ে গধুৰ কৰা সিহঁতৰ মনবোৰ অনুভৱ মাষ্টৰে বহুত পাতল কৰি পেলাইছিল। অথচ গাঁৱৰ পৰা কাৰোবাক পুলিচে বান্ধি নিয়াটো যে কিমান ডাঙৰ কথা! অনুভৱ মাষ্টৰৰ প্ৰতি কিবা এটা বুজাব নোৱৰা অনুভূতিৰে অসীমৰ মনটো ভৰি পৰিছিল। কৃতজ্ঞতা? ওহোঁ— সেইটো শব্দৰে এই অনুভূতিটো বুজাব নোৱাৰি। একে সময়তে বাপেকৰ প্ৰতি অভিমানেৰে তাৰ মনটো ভৰি পৰিছে। কালি ৰাতিৰে পৰা মানুহজনক সি দেখা নাই। কালি নিয়ম মতেতো বাপেকেহে তাক থানাৰ পৰা আনিব লাগিছিল। আৰু থানাত পুলিচৰ মাৰ খাব লগা অৱস্থা তাৰ বাপেকৰ বাবেইতো হ'ল! অসীমে শুনিবলৈ পালে— চোতাল সাৰি সাৰি মাকে তাৰ বাপেকক হেঁপাহ পলুৱাই গালি পাৰিবলৈ ধৰিছে। অসীমে কাষৰ খাটখনলৈ চালে— আজলী টোপনিত লালকাল হৈ পৰি আছে। তাৰ আজলীলৈ বৰ দুখ লাগিল। ঘৰৰ এই অৱস্থাৰ বাবে বেচেৰীয়ে বৰ কষ্ট পাইছে। আজিকালি তাই বৰ আমন-জিমনকৈ থাকে। তায়েই যদি অলপ সুখ পালেহেঁতেন!

কথাবোৰ খুব বেছি সময় তাৰ ভাবি থাকিবলৈ মন নগ'ল। কালি ৰাতি অনুভৱ মাষ্টৰে তাক তিনি নম্বৰ অংকটোৰ কথা সুধিছিল। সি ইমানদিনে তিনি নম্বৰ অংকটোৰ কথা ভাবিবলৈ বাদ দিছিল। অংকটোৰ কথা ভাবি থাকিলে তাৰ ভাল লাগিছিল, কিন্তু অলপ পিছত যেতিয়া মনত পৰিছিল যে সি স্কুল এৰিছে, তেতিয়া তাৰ মনটো দুখেৰে

ভৰি পৰিছিল। অংকৰ কথা ভবাটো যে অনৰ্থক সেই কথা মনত পেলাই সি হতাশাত ভুগিছিল। হয়তো কালি অনুভৱ মাষ্টৰক লগ পোৱা বাবেই আজি তাৰ আকৌ অংকটোৰ কথা ভাবিবলৈ মন গ'ল।

দুখ-যন্ত্ৰণাৰ পৰা বহু দূৰৰ এখন জগতত অসীম ক্ৰমে ক্ৰমে সোমাই যাবলৈ ধৰিলে।

৩৪.

বিছনাত পৰি অনুভৱে ৰাতিৰ কথাখিনিকে ভাবি আছিল। এই বয়সতে থানালৈ যাব লগা হোৱাটো অসীমৰ বাবে চাবলৈ গ'লে এটা ডাঙৰ বিপৰ্যয়। এনে বয়সৰ ল'ৰা-ছোৱালীয়ে পুলিচ দেখিলে ভয়তে দূৰতে বিদূৰ হয়। অসীমক পুলিচে বান্ধি নি মাৰপিট কৰিছে। অনুভৱে মুকলি কৰি ননা হ'লে হয়তো সি গোটেই ৰাতি থানাতে থাকিব লগা হ'লহেঁতেন। হয়তো বহুত নিৰ্যাতনো সি সহিব লগা হ'লহেঁতেন। ৰাতিৰ থানাৰ বিষয়ে অনুভৱে বহুত কথাই শুনিছে।

আজি আবেলি অনুভৱ অসীমৰ ঘৰলৈ যাব। তাৰ দৰে ল'ৰা এজনক এনেদৰে হেৰাই যাবলৈ দিব নোৱাৰি। অনুভৱ নিশ্চিত— আজি অন্ততঃ অসীম ঘৰৰ পৰা নপলায়। হাজাৰ বিপৰ্যয় হ'লেও অসীমক একপ্ৰকাৰ ভাগ্যৱান বুলিয়েই ক'ব লাগিব— তাৰ নিৰ্মলৰ দৰে বন্ধু এজন আছে। অন্ধকূপত হেৰাই যাব খুজিলেও নিৰ্মলে তাক বাৰে বাৰে পোহৰৰ পথলৈ ওভতাই আনিবলৈ চেষ্টা কৰি গৈছে। আনকি কালিও অসীমক পুলিচে নিয়াৰ খবৰটো অনুভৱক দিছিল নিৰ্মলেই। নিৰ্মলৰ বাপেকে হেনো মাকক অসীমক পুলিচে লৈ যোৱাৰ ঘটনাটো কৈ আছিল। ওচৰতে থকা নিৰ্মলে কথাখিনি শুনি দেউতাকৰ ফোনটোৰ পৰা অনুভৱলৈ ফোন কৰিছিল। তেওঁ নিৰ্মলহঁতক কেতিয়াও নিজৰ ফোন নম্বৰ দিয়া নাছিল। তেওঁৰ ফোন নম্বৰটো যোগাৰ কৰিবলৈও চাগে নিৰ্মলে বহুতকে ফোন কৰিব লগা হৈছিল। নিৰ্মলৰ মাতত ফুটি উঠিছিল উদ্বিগ্নতা। সি বাৰে বাৰে অনুভৱক সুধিছিল— 'ছাৰ পুলিচে তাক মাৰিব নেকি?'

অসীমক মোকলাই আনি ঘৰ পাওঁতে মাজনিশা হৈছিল। নিৰ্মলক খবৰটো দিম বুলি ফোন কৰিবলৈ ওলায়ো তাৰ মাক-বাপেকে সেই মাজনিশা আমনি পাব বুলি অনুভৱে ফোন কৰা নাছিল। কিন্তু অনুভৱলৈ ফোন আহিছিল। নিৰ্মলৰ দেউতাকে ফোন কৰি অসীমৰ খবৰ লৈছিল। দেউতাকে অনুভৱক কৈছিল—

'চাওকচোন— সি এতিয়াও শোৱা নাই। অথচ টোপনি তাৰ কাৰণে কিমান—'

বাক্যটো আধাতে এৰি মানুহজন ৰৈ গৈছিল। তাৰ পিছত কৈছিল—

'আচলতে ময়ো আপোনাৰ লগত যাব লাগিছিল। নির্মলেও খুব জোৰ দিছিল। কিন্তু মইহে—'

মানুহজন আকৌ ৰৈ গৈছিল। নাই অনুভৱে একো বেয়া পোৱা নাই। আচলতে তেওঁ কথাবোৰ সেইধৰণে ভবাই নাছিল। তদুপৰি অসীমৰ বাপেকৰেই খবৰ নাই! পুতেক থানাত অথচ মানুহজন নিজেই ঘৰৰ পৰা অন্তৰ্ধান। অসীমৰ মাকেও ৰাতি এই কথাটোকে কৈ খুব দুখ কৰিছিল।

দৰ্জাত টকিওৱাৰ শব্দত অনুভৱৰ চিন্তাত যতি পৰিল। কোন হ'ব পাৰে এই ৰাতিপুৱাই? সিদিনা অসীমৰ বাপেকক লৈ হোৱা ঘটনাটোৰ বাবে অনুভৱে এই ভাড়া ঘৰটোত অস্বস্তি পাই আছে। আজিও দৰ্জাত টকিওৱাৰ শব্দত অনুভৱ সন্ত্ৰস্ত হৈ উঠিল। আকৌ যদি অসীমৰ বাপেক আহি ওলাইছে! সিদিনা মানুহজনে গাৰ আলোৱানখন পেলাই থৈ গৈছিল। যদি মনত পৰি সেইখন নিবলৈ ওলাইছেহি? মালিকৰ পুতেকে গম পালে আকৌ এক অশান্তিকৰ ঘটনা ঘটি যাব। অনুভৱে ধহমহাই বিছনাৰ পৰা উঠিল। ততাতৈয়াকৈ খিলিটো খুলি দৰ্জাখন মেলি দিলে—

সঁচাসঁচিকৈয়ে দুৱাৰমুখত ৰৈ আছে অসীমৰ বাপেক! মানুহজন নীৰৱে অনুভৱৰ সন্মুখত থিয় হৈ থাকিল। অনুভৱেও মানুহজনক কি ক'ব ঠিক কৰিব পৰা নাই। কিছুসময় অস্বস্তিকৰভাৱে পাৰ হৈ গ'ল। আকৌ কিবা এক অবাঞ্ছিত ঘটনাৰ সূত্ৰপাত হয় বুলি অনুভৱ ভিতৰি ভিতৰি অলপ যেন আতংকিতও হৈ পৰিছে। মানুহজনক ভিতৰলৈ মাতিবৰো তেওঁৰ সাহস হোৱা নাই। অনুভৱে দৌৰাদৌৰিকৈ ভিতৰলৈ গৈ মানুহজনৰ আলোৱানখন হাতত লৈ আকৌ দুৱাৰমুখলৈ আহি ৰ'ল। মানুহজনলৈ তেওঁ আলোৱানখন আগবঢ়াই দিলে। যেন মানুহজন সোনকালে আঁতৰি গ'লেই তেওঁৰ শান্তি! মানুহজনে আলোৱানখন হাত পাতি লৈ অনুভৱৰ চকুলৈ চাই থাকিল। অনুভৱৰ এনেকুৱা লাগিল যেন মানুহজনৰ চকু দুটা পানীৰে উপচি পৰিব খুজিছে! অনুভৱে বুজি পালে মানুহজনে আজি মদ খাই অহা নাই। সম্পূৰ্ণ প্ৰকৃতিস্থ অৱস্থাত আছে মানুহজন।

'মই আলোৱানখন নিবলৈ আপোনাৰ ওচৰলৈ অহা নাছিলো।'

কথাষাৰ কৈ মানুহজন বাৰাণ্ডাৰ পৰা নামি পদূলিৰে ওলাই গ'ল। অনুভৱে একো ক'ব নোৱাৰি মানুহজনে যোৱাৰ ফালে চাই থাকিল।

তেনেহ'লে কিয় আহিছিল মানুহজন? অনুভৱৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ? অনুভৱৰ বাবে মানুহজন এটা সাঁথৰ হৈয়ে থাকিল।

৩৫.

অনুভৱ মাষ্টৰে দিয়া পুৰস্কাৰৰ টোপোলাটো খুলি অসীমৰ অস্বস্তি লাগিল। মাষ্টৰে তাৰ বাবে উপহাৰ হিচাপে আনিছে দশম শ্ৰেণীৰ সকলো বিষয়ৰ কিতাপ আৰু সেই হিচাপত কেইখনমান বহী, কলম, পেঞ্চিল, জ্যামিতি বাকচ আদিকে ধৰি পঢ়াৰ বাবে প্ৰয়োজনীয় সকলোখিনি সামগ্ৰী! সকলোখিনি বস্তুৱেই নতুন। অসীমৰ মনত পৰিল— এদিন বহী-কিতাপৰ অভাৱৰ বাবেই সি মহেন্দ্ৰ মাষ্টৰৰ মাৰ খাইছিল আৰু স্কুল এৰিব লগা হৈছিল। এতিয়া সেই কিতাপ আৰু বহীবোৰলৈ চাই সি থৰ হৈ থাকিল। অনুভৱ মাষ্টৰে দিয়া পুৰস্কাৰৰ উত্তৰ হিচাপেও সি একো ক'ব নোৱাৰিলে। এইবোৰ তাক পুৰস্কাৰ হিচাপে দিয়াৰ অৰ্থটো সি ভালকৈয়ে বুজি পাইছে।

ঘৰত আছিল অকল মাক। আজলীয়ে ক'ৰবাত লগৰীয়াৰ লগত খেলিবলৈ ওলাই গৈছে। বাপেকৰ খবৰতো কোনেও নাপায়েই। মাকে মাষ্টৰে অনা বস্তুবোৰ দেখি আঁচলেৰে চকুপানী মচিলে। অসীমে বুজি পালে মাকে খুব আনন্দ পাইছে। মাকে হয়তো আকৌ আশা দেখিছে।

অসীম বৰ বিপাঙত পৰিল। সি খাটতে তলমূৰকৈ বহি থাকিল। সি তেনেকৈ থকা দেখি অনুভৱ মাষ্টৰে সুধিলে—

'কি হ'ল?'

মাষ্টৰৰ কথাৰ সঁহাৰি হিচাপে অসীমে এবাৰ মূৰ তুলি মাষ্টৰৰ মুখলৈ চালে। অসীমৰ দৃষ্টিত কি আছে সেয়া বুজিবলৈ যেন মাষ্টৰৰো টান লাগিল।

'কাইলৈৰ পৰা আকৌ স্কুললৈ যাব লাগিব।'

অসীমে আকৌ এবাৰ মাষ্টৰৰ মুখলৈ চালে। কেতিয়াবাই ক'ৰবাতে এৰি অহা আশাবোৰ যেন মাষ্টৰে আকৌ ওভতাই আনিবলৈ তাক উৎসাহ দিব খুজিছে। অসীম নীৰৱেই থাকিল। অনুভৱে অসীমক যিমানবাৰ দেখিছে, প্ৰতিবাৰেই অনুভৱ কৰিছে যে ল'ৰাজনে কথা ক'বলৈ নিবিচাৰে। অনবৰত সি নিজৰ ভাবত বিভোৰ হৈ থাকে। বয়স হিচাপে অস্বাভাৱিকভাৱে বেছি গহীন। অথচ নিৰ্মলে কোৱা মতে আগতে সি এনেকুৱা নাছিল। সিহঁতৰ লগত সি খেলিছিল, স্ফূৰ্তি-তামাচা কৰিছিল, হাঁহিছিল। অনুভৱে বুজি পায়— অসীম বৰ স্পৰ্শকাতৰ। হয়তো বহুত পৰিমাণে অভিমানীও। নিজৰ দুখ-যন্ত্ৰণাৰ কথা কাকো সি ক'বলৈ নিবিচাৰে। হয়তো ক্ৰমে ক্ৰমে সি নিজকে এটা কঠিন খোলাৰ মাজত বন্দী কৰি নি আছে। তাক এই খোলাৰ মাজৰ পৰা উলিয়াই আনিবই লাগিব।

অনুভৱ মাষ্টৰে অসীমৰ মাকক নিজৰ কামলৈ ওলাই যাবলৈ উপদেশ দিলে।

মাষ্টৰে জানে— মাকৰ কামলৈ যোৱাৰ সময় হৈছে। মাকে সিহঁতক দুকাপ চাহ দি ঘৰৰ পৰা ওলাই গ'ল। অনুভৱ মাষ্টৰে বিচৰা ধৰণেই অসীমক এইবাৰ অকলশৰে পালে। অসীমে যেন অস্বস্তিত উচ্‌পিচাবলৈ ধৰিলে। অনুভৱে ভাবিলে— খোলা ভঙাৰ উপক্ৰম হ'লে পলুৱে অলপ ছট্‌ফটায়েই। অনুভৱে বুজি পায়— অসীমে নিজে একো নক'লেও, কথাবোৰ মনোযোগেৰে নিশ্চয় শুনিব। অনুভৱে তাক বুজাবলৈ আৰম্ভ কৰিলে—

জীৱনত সমস্যা থাকেই। থাকিবই। এটাৰ পিছত এটাকৈ লেথাৰি নিছিগাকৈ সমস্যা আহি থাকিবই। সকলোৰে নিজা নিজা সমস্যা থাকে। অসীমৰো সমস্যা আছে। বহুত সমস্যা। ডাঙৰ ডাঙৰ সমস্যা। এইটো বয়সত নহ'ব লগা সমস্যা। এইবোৰ সমস্যাৰ পৰা নিয়মমতে তাৰ বয়সৰ ল'ৰা-ছোৱালীবোৰক মাক-বাপেকে মুক্ত কৰি ৰাখিব লাগে। পঢ়া-শুনা, খেলা-ধূলাৰ বাবে আজৰাই দিব লাগে। তাকে কৰিবলৈ অসীমৰ মাকে চেষ্টা কৰে, বাপেকে নকৰে। তাৰো নিশ্চয় কিবা কাৰণ থাকিব। এতিয়া বাপেক নিজেই সিহঁতৰ বাবে এটা সমস্যা। বহুত ডাঙৰ সমস্যা। এইবোৰ সমস্যা নিশ্চয় সমাধান হ'ব লাগে। সমাধানৰ বাবে নিশ্চয় চেষ্টা কৰিবও লাগিব। সেই চেষ্টা বহুত ধৰণে একেলগে হ'ব পাৰে। কোনোবা চিন্তাবিদে বা কোনোবা ৰাজনৈতিক দলে নিজস্ব ধৰণে বা কোনোবা মতবাদৰ আধাৰত অসীমহঁতৰ অৱস্থাৰ বিচাৰ-বিশ্লেষণ কৰিব পাৰে। সিহঁতৰ দুৰৱস্থাৰ কিছু কাৰণ উদ্‌ঘাটন হ'বও পাৰে। সেইবোৰ নিবাৰণৰ বাবে চৰকাৰে ব্যৱস্থা লোৱা উচিত। নল'লে কোনোবা নেতা বা দলে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদী আন্দোলনো কৰি যাব পাৰে। সেই আন্দোলনত হয়তো দুৰ্দশাগ্ৰস্ত মানুহবোৰেও ভাগ ল'ব লাগিব। কিন্তু এই কামটো কৰোঁতেও চাব লাগিব— এই আন্দোলনবোৰত দুৰ্দশাগ্ৰস্তবোৰৰ লাভ হয়নে, দুৰ্দশাগ্ৰস্তক নেতৃত্ব দিয়া নেতা বা দলবোৰৰহে ৰাজনৈতিক ভাগ্য উদয় হয়। সকলো কথা ঠিকে-ঠাকে হৈ থকা বুলি ধৰিলেও কিন্তু সমস্যাবোৰ এসপ্তাহতে, এমাহতে, এবছৰতে সমাধান হৈ নাযায়। আৰু এই ধৰণৰ কথাবোৰে সদায় অসীমহঁতৰ দৰে মানুহবোৰে বিচৰা দিশত গতি নকৰিবও পাৰে। গতিকে নেতা, দল, বুদ্ধিজীৱী, চৰকাৰবোৰৰ ওপৰত নিজৰ ভাগ্যক সমৰ্পণ কৰি আশা পালি বহি থকাটো অনুচিত। কৰক— সকলো নেতা, সকলো দল, সকলো বুদ্ধিজীৱী, সকলো চৰকাৰে সৎভাৱে, আন্তৰিকতাৰে নিৰন্তৰ কাম কৰি থাকক। এদিন নিশ্চয় অসীমহঁতৰ দৰে ঘৰবোৰলৈ ভাল দিন আহিব। কিন্তু সেই কাল্পনিক দিনটোলৈ অসীমহঁতৰ জীৱনবোৰ কল্পবিজ্ঞানৰ কাহিনীৰ দৰে নিশ্চল কৰি একে ঠাইতে ৰাখি দিব নোৱাৰি। আৰু— বহুত দুৰ্দশাগ্ৰস্ত মানুহেই নিজ দুৰ্দশাৰ বুদ্ধিজীৱী আৱিষ্কৃত কাৰণবোৰ বিশ্বাস কৰিবলৈ ভাল পায়। কাৰণ তেতিয়া নিজৰ কৰ্তব্যবোৰ কমি যায়—

নিজৰ দুৰ্দশাৰ কাৰণবোৰ নিজে নহয় যিহেতু নিজে কৰিব লগাও একো নাই; আকৌ কাৰণবোৰ যিহেতু দুৰ্বোধ্য কিবাকিবি, গতিকে সেইবোৰ নিজে দূৰ কৰিব পৰা বিধৰ নহয়েই— কথাবোৰ এইধৰণে নিজকে পতিয়ন নিওৱা সহজ হয়। অৱস্থাটো এনে হ'লে এই মানুহখিনি ৰাজনৈতিক দবা খেলখনৰ সহজে বলি দিব পৰা আটাইতকৈ কম মূল্যৰ পন (pawn) হৈ পৰে।

সেইবাবেই নেতা-দল-বুদ্ধিজীৱী-চৰকাৰক সম্পূৰ্ণ ভৰসা কৰাৰ পিছতো উত্তৰণৰ বাবে নিজস্ব প্ৰচেষ্টা চলাই যাব লাগে। দুখ, ধুমুহা থাকিব— সেইবোৰৰ মাজতে জীৱন; তাৰ মাজতেই জীয়াই থাকিব লাগিব। সেইবোৰৰ অৱসানৰ বাবে অপেক্ষা কৰি থাকিলে জীয়াই থকা আৰু নহ'ব। গৈ গৈ শেষত বুদ্ধৰ কাহিনীটোৱেই সত্য। সুখৰ সৰিয়হ এমুঠিৰ বাবে দুখ নথকা ঘৰ বিচাৰি পোৱা অসম্ভৱ। দুখৰ মাজতে, সমস্যাৰ মাজতে নিজৰ কামবোৰ কৰি যাব লাগিব। দুখ আছে বাবে, সমস্যা আছে বাবে কামবোৰ বেছি ভালকৈহে কৰিবলৈ চেষ্টা কৰি যাব লাগিব। তেতিয়াও হয়তো কেতিয়াবা বিফল হোৱা যাব পাৰে; কিন্তু এই বিফলতাতো গৰিমা আছে। কেতিয়াবা খুব কষ্ট কৰি খেলাৰ পিছতো ফুটবলত হাৰি যোৱা যায়। হাৰিমেই যেতিয়া খেলপথাৰত নামি কি হ'ব বুলি লোৱা পলায়নৰ পথত কোনো গৰিমা নাই।

চূড়ান্ত বিপৰ্যয়ৰ মাজতো মানুহে যুঁজাৰ বাবে ৰচদ-পাতি যোগাৰ কৰি থাকিব লাগে। জীৱনটোক সঠিক পথত গতি দিবৰ বাবে নিৰন্তৰ উন্মুখ হৈ থাকিব লাগে। অনুভৱ মাষ্টৰে অসীমক এটা সাধুকথা ক'বলৈ ধৰিলে—

এজন মানুহ খুব মদপী আছিল। অনবৰতে মদ খাই মানুহজন মাতাল হৈ থাকে; ঘৰখনত অশান্তি, অত্যাচাৰ কৰি থাকে। মানুহজনৰ কণমানি পুতেক দুটা সেই অশান্তি, সেই দুৰ্ভাগ্য, সেই অসুস্থ পৰিৱেশৰ মাজতে ডাঙৰ হৈ আহিল। দেখা গ'ল ডাঙৰ পুতেকজন সাইলাখ বাপেকৰ দৰে দুশ্চৰিত্ৰৰ হৈ পৰিছে আৰু সৰু পুতেকজন বাপেকৰ সম্পূৰ্ণ বিপৰীত হৈ সৎ আৰু পৰিশ্ৰমী হৈ পৰিছে। একে পৰিৱেশত থকাৰ পিছতো পুতেক দুজনৰ চৰিত্ৰ কিয় ইমান বেলেগ হ'ল সেয়া সকলোৰে বাবে পৰম ৰহস্যৰ কথা হৈ পৰিল। কৌতূহলবশতঃ এদিন এজন মানুহে ডাঙৰ পুতেকজনক সুধিলে— 'তুমি কিয় এনেকুৱা হ'লা?' ডাঙৰ পুতেকজনে উত্তৰত হুমুনিয়াহ কাঢ়ি ক'লে— 'কি আৰু কৰিম! সৰুৰেপৰা দেউতাক দেখিছোতো!' এইবাৰ মানুহজনে একেটা প্ৰশ্ন সৰু পুতেকজনকো সুধিলে। সৰু পুতেকজনেও একেটা উত্তৰকে দিলে— 'সৰুৰে পৰা দেউতাক দেখিছোতো!' অৰ্থাৎ প্ৰায়ে বিপৰ্যয়ে নহয়, বিপৰ্যয়ক মানুহে কেনেদৰে গ্ৰহণ কৰে সেয়াইহে মানুহৰ ভাগ্যক গঢ় দিয়ে। চৰায়ে বায়ুক বাধা বুলি নাভাবি, বায়ুৰ সহায়তহে আকাশত উৰি ফুৰে।

হাজাৰ দুখ আৰু দুৰ্ভাগ্যৰ মাজতো অসীমে সদায়, আন সৌভাগ্যৱান ল'ৰাতকৈও বেছিকৈ, তাৰ মনৰ মাজত এটা কথা অনবৰতে কঢ়িয়াই লৈ ফুৰিব লাগিব যে সি এজন ভাল মানুহ হ'ব লাগিব, এজন গুণী মানুহ হ'ব লাগিব, সমাজৰ কামত অহা সৎ মানুহ এজন হ'ব লাগিব।

নিজৰ প্ৰতিভাখিনি ব্যৱহাৰ নকৰি, যি কাৰণতেই নহওক, অপচয় কৰাটো এটা অপৰাধ! মানৱতাৰ বিৰুদ্ধে অপৰাধ, সভ্যতাৰ বিৰুদ্ধে অপৰাধ! আজি অসীমে যেনেকৈ তাৰ নিজস্ব মৌলিক চিন্তাৰে দুটা অংক ধুনীয়াকৈ সমাধান কৰি পেলাইছে, কি ঠিক এদিন ডাঙৰ হৈ তেনে মৌলিক চিন্তাৰেই সি গণিত বা বিজ্ঞানৰ ডাঙৰ কিবা আৱিষ্কাৰ কৰি পেলাব! কি ঠিক— নিৰ্মলৰ দৰে সৎ পৰোপকাৰী প্ৰতিভাৱান ল'ৰায়েই ডাঙৰ হৈ কিজানি চিকিৎসা বিজ্ঞানৰ এনে কিবা আৱিষ্কাৰ কৰি পেলাব, যাৰ বাবে মৃত্যুমুখী এজাক মানুহে বৰ আশাৰে বৈ আছে! কি ঠিক— কিজানি অতনুৰ দৰে ল'ৰায়েই ডাঙৰ হৈ সাহিত্য জগতত এছাটি সতেজ বতাহ বোৱাই দিয়ে। সেই সম্ভাৱনাবোৰ জীয়াই ৰাখিবই লাগিব।

আৰু সেইবাবেই অসীম আকৌ স্কুললৈ যাবই লাগিব। কাইলৈকে স্কুললৈ যাব পৰাকৈ সকলোখিনি বস্তু অনুভৱে তাক পুৰস্কাৰ হিচাপে দিছে। তাৰ মাকে আৰ-তাৰ ঘৰত কাম কৰি অলপ উপাৰ্জন কৰেই। অসীমৰো উপাৰ্জনৰ বিকল্প উপায়ৰ কথা অনুভৱে ভাবিব। সেই বিকল্প উপায় নোলোৱালৈ অনুভৱ মাষ্টৰে অসীমক দৰকাৰ হোৱা টকা ধাৰ হিচাপে দি থাকিব।

ইতিমধ্যে অসীমৰ মাক কামৰ পৰা আহি ঘৰ সোমাইছিল। তেতিয়াও অনুভৱ মাষ্টৰক অসীমৰ ওচৰত বহি থকা দেখি আচৰিতো হ'ল, ভালো লাগিল। সৰুকৈ ন-কৈ গজালি মেলা আশা এটা যেন জীপ পাই লহ্‌পহকৈ মূৰ দাঙি উঠিব খুজিছে। অসীমে দেখিলে মাকৰ শেঁতা পৰা মুখখন বহুদিনৰ মূৰত আকৌ যেন পোহৰ হৈ উঠিছে। এই পোহৰখিনি অসীমৰ বৰ ভাল লাগে। এই পোহৰখিনিলৈ অসীমৰ বৰ ভয় লাগে।

অসীমে মাকৰ আঁচলৰ আগটোলৈ চালে। তাত সৰু এটা গাঁঠি। অসীমে জানে তাত মাকে কাম কৰি পোৱা সামান্য পইচা অলপ থাকে। সেই পইচাখিনিৰে কিবাকৈ সিহঁতৰ দুসাঁজৰ যোগাৰ হয়। কিয় জানো অসীমৰ সেই পইচাখিনিক ভোক দূৰ কৰাতকৈও অধিক মূল্য এটা দিবলৈ হেঁপাহ জন্মিছে।

অসীমৰ মাকে বনাই দিয়া আৰু একাপ চাহ খাই অনুভৱ মাষ্টৰ পদুলিৰে ওলাই গুচি গ'ল। আজলী চিৎ পখিলী এজনীৰ দৰে উলাহতে নাচি-বাগি পদুলিৰে সোমাই আহিছে। থাকক— তাই সদায় এনেকৈ থাকক!

লাহে লাহে আন্ধাৰ নামিছে। অসীমে অনুভৱ কৰিছে তাৰ বুকুখন যেন মাটিৰ

চাকিৰ পোহৰত পোহৰ হৈ উঠিব খুজিছে।

কোনে জ্বলাইছে এই চাকিগছি?

অনুভৱ মাষ্টৰে?

নির্মলে?

৩৬.

বাৰাণ্ডাত থিয় হৈ আছিল মহেন্দ্ৰ মাষ্টৰ। স্কুলৰ গে'টৰ ফালে চাই তেওঁ চঁক খাই থৰ লাগি ৰ'ল—

হাতত বহী-কিতাপ লৈ চুচুক-চামাককৈ গেটেৰে সোমাই আহিছে অসীম। তাৰ বৰ লাজ লাগিছে। কেইবামাহ ধৰি সি স্কুললৈ অহা নাই। তদুপৰি পৰহি দিনা তাক পুলিচে ধৰি নিয়া খবৰটোও নিশ্চয় লগৰ সকলোৱে পাইছে। ধীৰ গতিৰে অসীমে ভিতৰলৈ সোমাই আহিবলৈ ধৰিলে।

হঠাৎ যেন মহেন্দ্ৰ মাষ্টৰৰ সম্বিৎ ফিৰি আহিল। প্ৰায় দৌৰাৰ দৰে তেওঁ কমন ৰুমৰ ভিতৰলৈ সোমাই গ'ল। ভিতৰত বহি আছিল জিলমিল। মহেন্দ্ৰ মাষ্টৰক তেনেকৈ দৌৰাৰ দৰে অহা দেখি জিলমিলে আচৰিত হৈ সুধিলে—

'কি হ'ল ছাৰ?'

'গাধটো আহিছে।'— অপ্ৰস্তুত হৈ মহেন্দ্ৰ মাষ্টৰে উত্তৰ দিলে।

'কোন গাধ?'— জিলমিলে বুজি পোৱা নাই কোন গাধৰ ভয়ত মহেন্দ্ৰ মাষ্টৰে এনেকুৱা কৰিছে।

'অসীম!'— মহেন্দ্ৰ মাষ্টৰে জিলমিলৰ ফালে নোচোৱাকৈ উত্তৰ দিলে। জিলমিলে মহেন্দ্ৰ মাষ্টৰৰ মুখখন যেন পঢ়িবলৈ চেষ্টা কৰিলে। অসীমক চাওঁ বুলি জিলমিলে চকীৰ পৰা উঠিল। তাকে দেখি যেন আতংকত মহেন্দ্ৰ মাষ্টৰে চিঞৰি উঠিল—

'এই নাযাবা নাযাবা। সি লাজ কৰিব।'

বাধ্য হৈ জিলমিল আকৌ চকীখনত বহি পৰিল। তাই মন কৰিলে মহেন্দ্ৰ মাষ্টৰে যেন স্থিৰ হৈ বহি থাকিব পৰা নাই। কিবা এক চাঞ্চল্যত যেন মানুহজনে উচ্‌পিচ কৰিব লাগিছে।

অলপ পিছত কমন ৰুমলৈ সোমাই আহিল অনুভৱ। লগে লগে বহাৰ পৰা উঠি মহেন্দ্ৰ মাষ্টৰ পোনছাটেই তেওঁৰ ওচৰ পালেগৈ। মহেন্দ্ৰ মাষ্টৰে অনুভৱৰ মুখলৈ অলপ সময় চাই ৰ'ল। তাৰ পিছত তেওঁ অনুভৱৰ পিঠিখনত লাহেকৈ চপৰিয়াই দি

একো নোকোৱাকৈ, কোবেৰে বাহিৰলৈ ওলাই গ'ল। একো বুজিব নোৱাৰি অনুভৱে প্ৰশ্নসূচক দৃষ্টিৰে জিলমিলৰ ফালে চালে। জিলমিলে মিচিকিয়াই হাঁহি ক'লে—

'অসীম আকৌ স্কুললৈ আহিছে।'

৩৭.

স্কুল ছুটীৰ পিছত অনুভৱে দেখিলে— নিৰ্মলে কমন ৰুমৰ অলপ আঁতৰেৰে অহা-যোৱা কৰি আছে। তেওঁৰ বুজিবলৈ টান নহ'ল যে নিৰ্মলে তেওঁক লগ পাবলৈ বিচাৰিছে। অনুভৱ কমন ৰুমৰ পৰা ওলাই আহিল। তেওঁ নিৰ্মলৰ ফালে আগুৱাই গ'ল। নিৰ্মলো আগুৱাই আহিল। অনুভৱ মাষ্টৰৰ সন্মুখত সি নীৰৱে তলমূৰকৈ ৰ'ল। অনুভৱে দেখিলে প্ৰচণ্ড আৱেগৰ জোৱাৰত যেন মূক হৈ পৰিছে নিৰ্মল, ওঁঠ দুটি কঁপি উঠিছে তাৰ। অনুভৱে বুজি পালে— নিৰ্মলে কৃতজ্ঞতা প্ৰকাশ কৰি কিবা ক'বলৈ খুজিছে, ক'ব পৰা নাই। অনুভৱে নিৰ্মলক ক'লে—

'এই সকলোবোৰ তোমাৰ বাবেহে হৈছে নিৰ্মল!'

তাৰ পিছত অনুভৱে নিৰ্মলৰ পিঠিখনত লাহেকৈ চপৰিয়াই দিলে— মহেন্দ্ৰ মাষ্টৰে তেওঁক দিয়াৰ দৰে—

সেইখিনি স্নেহ, সেইখিনি স্বীকৃতি নিৰ্মলৰেই প্ৰাপ্য!

৩৮.

কেইদিনমান স্কুললৈ গৈয়েই অসীমে বুজি পালে— তাক লগৰীয়াবোৰে আগৰ দৰে আঁকোৱালি লোৱা নাই। অৱশ্যে তাৰ পঢ়া বেয়া হোৱাৰ পৰাই তাক কিছুমানে এৰাই চলিবলৈ আৰম্ভ কৰিছিল। এইবাৰ নিৰ্মলক বাদ দি সকলোৱেই তাৰ সঙ্গ সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিছে। পঢ়া বাদ দিয়া ল'ৰা এজনক সংগী হিচাপে নিবিচৰাটোৱেই স্বাভাৱিক। অসীমক পুলিচে ধৰি নিয়া ঘটনাটোৰ বাবেই হয়তো লগৰীয়াবোৰে তাক অলপ ভয়ো কৰিবলৈ লৈছে। হয়তো সিহঁতক মাক-বাপেকবোৰেও তাৰ সঙ্গ নল'বলৈ পৰামৰ্শ দিছে। ব্যতিক্ৰম মাথোঁ নিৰ্মল। তাক মাক-বাপেকে তেনে পৰামৰ্শ দিয়া নাইনে সি মাক-বাপেকৰ পৰামৰ্শ মানি চলা নাই? তাৰ সংগত পৰি মহেন্দ্ৰ মাষ্টৰে ভবাৰ দৰেই নিৰ্মলৰো পঢ়া-শুনা বেয়া হৈ যাব নেকি?

স্কুলত থকা সময়খিনি দেখোন অসীমৰ কেতিয়াবা সিদিনা থানাত থকাৰ দৰে লাগে। থানাত যেনেকৈ সি মুকলি কৰি নিবলৈ বাপেকলৈ ব্যাকুলভাৱে অপেক্ষা

কৰিছিল, স্কুলতো সি তেনেদৰে অধীৰ আগ্ৰহেৰে বৈ থাকে ছুটীৰ দীঘলকৈ বজা ঘণ্টাটোৰ বাবে। অথচ এসময়ত কথাবোৰ এনেকুৱা নাছিল। স্কুলৰ সময়খিনিও সি বেছ ভালদৰেই উপভোগ কৰিব পাৰিছিল। অৱশ্যে অনুভৱ মাষ্টৰৰ ঘণ্টাটোত সি খুব মুকলি অনুভৱ কৰে। মানুহজনক দেখিলে সি মনত বৰ বল পায়, তদুপৰি তেখেতে অসীমৰ কথা ভাবিয়েই হয়তো বুজাওঁতে পাৰ হৈ অহা ক্লাছবোৰৰ প্ৰাসঙ্গিক কথাবোৰ কৈ দিয়ে। ফলত অসীমৰ যোৱা দুবছৰৰ ক্ষতিখিনি পূৰণ হৈ যায়। তেখেতে গণিতৰ কথাবোৰ ইমান ধুনীয়াকৈ বুজায় যে কথাবোৰৰ গভীৰলৈ সোমাই গৈ থাকিবলৈ মন যায়। অনুভৱ মাষ্টৰৰ গণিত পঢ়োৱাৰ নিজা ধৰণ এটা আছে। অংক এটাৰ প্ৰতিটো ষ্টেপ তেখেতে ছাত্ৰ-ছাত্ৰীবোৰক সুধি সুধি আগবাঢ়ি গৈ সিহঁতৰ দ্বাৰায়েই অংকটো সমাধান কৰি পেলায়। ফলত এটা অংক সমাধা কৰোঁতেই বহুত সময় লাগি যায়। কিন্তু তেনেকৈ অংকটো কৰাৰ ফলত অসীমহঁতে কথাবোৰ ভালকৈ বুজি পায়। আত্মবিশ্বাসো বাঢ়ে। শিক্ষকে দহটা অংক কৰি দিয়াতকৈও বেছি লাভ হয়। অসীমহঁতে নোৱাৰিলেও অংক এটা অনুভৱ মাষ্টৰে পতক্কৈ কৰি নিদিয়ে। সিহঁতক নিজে যুঁজি থাকিবলৈ, নিজৰ ভিতৰত আলোচনা কৰি অংকটো কৰিবলৈ তেখেতে উৎসাহ দিয়ে। আনকি মৌলিক সংখ্যা সম্পৰ্কীয় তিনি নম্বৰ প্ৰশ্নটোও অতদিনৰ পিছতো তেখেতে কৰি দিয়া নাই। অংকটো কৰি দিবৰ বাবে নিৰ্মলহঁতে কেইবাদিনো অনুৰোধ কৰিলে। তেখেতে হাঁহি মাৰি কয়—

'ময়ো নাজানো নহয়। ময়ো যুঁজিহে আছো!'

গতিকে অসীমে গণিতৰ ক্লাছটো উপভোগ কৰিব পাৰিছে। কিন্তু বাকীবোৰ বিষয়ত সি অসুবিধা পাইছে। আগৰ বছৰকেইটা ভালকৈ নপঢ়া বাবে বহুত কথা তাৰ নজনাকৈ ৰৈ গৈছিল। এই বছৰটোতো সি সম্পূৰ্ণ তিনি মাহ ক্ষতি কৰিলে। ফলত নজনা বস্তু বহুত জমা হৈ গ'ল।

এদিন স্কুল ছুটীৰ পিছত একেলগে আহোঁতে অসীমে নিৰ্মলক তাৰ অসুবিধাৰ কথাখিনি কৈছিল। লগে লগেই নিৰ্মলে সমস্যাটোৰ সমাধানৰ ৰাস্তা উলিয়াইছিল—

'এটা কাম কৰিবি— গধূলি গধূলি আমাৰ ঘৰলৈ আহিবি। তই অসুবিধা পোৱা কথাবোৰ যিখিনি মই পাৰো চাই দিম। মই নোৱাৰাখিনি অনুভৱ ছাৰে চাই দিব।'

প্ৰস্তাৱটো অসীমে লগে লগেই নাকচ কৰিলে।

'নাই নালাগে।'

'কিয়?'— আচৰিত হৈ নিৰ্মলে সুধিছিল।

'এইবোৰ কৰি তোৰ পঢ়া-শুনা বেয়া কৰিব নালাগে।'— অলপ ৰৈ অসীমে হতাশ মনেৰে কৈছিল—

'কোনেওতো মোৰ ওচৰত থাকিবই নোখোজে। অকল তইহে—'

'তাতে কি হ'ল?'— নির্মলে ফেপেৰি পাতি ধৰিলে।

'ঘৰত তোক গালি নাপাবে?'

'নাপাবে।'

'মহেন্দ্র ছাৰে?'

'ওহোঁ।'

'তেখেতে তাৰমানে আজিকালি তোৰ পৰাও একো আশা নকৰা হ'ল নেকি?'

'নাইতো। সদায় লগ পালেই ভালকৈ পঢ়িবলৈ কয়।'

'তেনেহ'লে?'

'কি তেনেহ'লে?'

'ক্লাছত মোৰ লগত বহা বাবে, মোৰ লগত থাক বাবে তোক গালি নাপাবে?'— অসীমৰ মাতটো থোকাথুকি হৈ গ'ল।

'নাপাবে অসীম। নাপাবে।'

৩৯.

স্কুলত এটা কথা সকলো শিক্ষকৰে চকুত পৰা হৈছে। মহেন্দ্র মাষ্টৰক দেখিলেই অসীমে দূৰৰ পৰাই ফালৰি কাটে। আৰু ইপিনে মহেন্দ্র মাষ্টৰেও অসীমক দেখিলে ধুতি কোঁচাই কোবাকুবিকৈ আনফালে গুচি যায়। এদিন পিছে দুয়োজনৰে অন্যমনস্কতাত দুয়ো মুখামুখি হৈ গ'ল। হঠাৎ মুখামুখি হৈ দুয়ো এক লহমাৰ বাবে ইজনে-সিজনৰ ফালে চালে; আৰু ভুলটো বুজি পাই দুয়ো মিলিটাৰী কায়দাত আচম্বিতে বায়ে মূৰ কৰি ঘূৰি পিঠিয়াপিঠি হৈ গ'ল। তাৰ পিছত দুয়ো তীব্র বেগত অহা বাটেই উভতি গ'ল। যেন দুটা পিং পং বল দুফালৰ পৰা আহি বেৰ এখনত খুন্দা খাই অহা বাটেৰেই ছিটিকি গ'ল।

৪০.

অসীমক পুলিচে ধৰি নিয়াৰে পৰা তাৰ দেউতাকৰ এটা চকুত পৰা পৰিৱৰ্তন হৈ গ'ল। দেউতাকে মদ খাবলৈ তাক আৰু টকা নোখোজা হ'ল। শিল ভাঙিবলৈ নোযোৱা কথাটোতো দেউতাকে তাক মাৰপিট কৰা নাই, গালিও পৰা নাই। আনকি অসীম আকৌ স্কুললৈ যোৱা কথাটোতো তেওঁ নিস্পৃহ হৈ ৰৈছে। এইটো অসীম

আৰু মাকৰ বাবে বৰ স্বস্তিৰ কথা হৈছে।

কিন্তু বাপেকে মদ খাবলৈ এৰা নাই। মদৰ পৰিমাণো হয়তো কমা নাই। ঘৰত থকা সময়ো বঢ়া নাই। সেইফালৰ পৰা চাবলৈ গ'লে অসীমহঁতৰ লগত বাপেকৰ সম্পৰ্ক আগতকৈ কমিল। কাৰণ আগতে অন্ততঃ পইচা বিচাৰি তেওঁ অসীমক এবাৰ মাতিছিল। এতিয়া সেইটোও বন্ধ হৈ গ'ল। বাপেকৰ এই পৰিৱৰ্তনত অসীমৰ বাবে সুখৰ লগতে দুখো যেন অলপ মিহলি হৈ আছে।

মাজে মাজে এক অপৰিচিত আতংকই অসীমৰ মনটো পিষ্ট কৰিবলৈ ধৰে। দেউতাকে বাৰু এতিয়া মদ খাবলৈ টকা পাইছে ক'ত? মদৰ খৰচ উলিয়াবলৈ বাপেকে বাৰু কি উপায় লৈছে? কিবা ভয়ংকৰ পথত ভৰি দিয়া নাইতো? অসীমহঁতৰ ভেটিৰ মাটিটুকুৰাও বিক্ৰী যাবগৈ নেকি?

অসীমে শিল ভাঙিবলৈ বাদ দিয়াৰে পৰা মাকৰ ঘৰৰ খৰচ মিলোৱাত অসুবিধা হৈছে। মাকৰ কষ্ট বাঢ়িছে। তথাপি আজিকালি যেন মাকৰ মুখখন অলপ পোহৰ হৈ থাকে। কিন্তু অলপ উপাৰ্জন কৰি মাকক সকাহ দিব নোৱৰা কথাটোৱে অসীমক অশান্তি দি থাকে। অনুভৱ মাষ্টৰে উপযাচি, জোৰ কৰিয়েই তিনিবাৰমান তাৰ মাকৰ হাতত টকা দি গৈছে। মাকে অনিচ্ছাৰে, ইতস্ততঃ কৰি সেই টকা হাত পাতি লৈছে। ভৱিষ্যতে ধাৰ শুজাৰ আশাৰে সেই টকাৰ হিচাপ মাকে ৰাখি গৈছে। কিন্তু মাকেও বুজি পায়, অসীমেও বুজি পায়— সেইটো ঘৰ চলোৱাৰ এটা স্থায়ী উপায় হ'ব নোৱাৰে। খুব সোনকালেই অসীমে উপাৰ্জনৰ উপায় এটা উলিয়াব লাগিব। কথাটো অনুভৱ মাষ্টৰক জনাব লাগিব। বাপেকৰ বিষয়ে ওপজা তাৰ আশংকাৰ কথাও তেখেতক ক'ব লাগিব।

৪১.

নিৰ্মলৰ পৰা অনুভৱে অসীমৰ খবৰবোৰ নিয়মিত পাই আছে। সিদিনা অসীমে নিৰ্মলৰ আগত কোৱা পঢ়াত পোৱা অসুবিধাৰ কথাটোও অনুভৱ মাষ্টৰে গম পালে। লগৰীয়াসকলে যে অসীমক এৰাই ফুৰিছে আৰু কথাটোত যে অসীমে আঘাত পাইছে সেই কথাও তেওঁ গম পালে। কিন্তু এই কথাটো যদি অনুভৱে শ্ৰেণীকোঠাত উলিয়ায়, তেনেহ'লে কথাটো ডাঙৰ কৰা হ'ব, অসীমেও অস্বস্তি পাব। এই সমস্যাটো সময়ৰ লগে লগে নিজে নিজেই ঠিক হৈ যাব বুলি অনুভৱে আশা কৰে। কিন্তু অসীমক পঢ়াত অলপ সহায় কৰাটো হয়তো উচিত হ'ব। কাৰণ যোৱা কেইমাহত আৰু আগৰ দুবছৰত ইতিমধ্যে তাৰ পঢ়াৰ বহুত ঘাটি হৈ গ'ল। ঘাটি

পূৰণৰ এই দায়িত্ব সম্পূৰ্ণৰূপে নিৰ্মলৰ গাত জাপি দিয়াটোও ঠিক নহ'ব। নিৰ্মলৰ নিজৰ পঢ়াৰ কথাও আছে।

এদিন স্কুল ছুটীৰ পিছত অসীমক মাতি আনি অনুভৱ মাষ্টৰে প্ৰস্তাব দিলে—

'কেইদিনমান নিয়মিত গধূলি গধূলি তুমি মোৰ ভাড়া ঘৰলৈ আহা। তোমাৰ আগৰ ক্ষতিখিনি যদি সোনকালে পূৰাই নোলোৱা, স্কুলত বুজি নোপোৱা কথাবোৰো বাঢ়ি গৈ থাকিব। স্কুললৈ আহিও ভাল নলগা হ'ব। ইফালে, ছয়মাহিলি পৰীক্ষাও আহি পাবই।'

অসীমে আপত্তি নকৰিলে। ইতিমধ্যে তাৰ বাবে অনুভৱ মাষ্টৰে বহুত কষ্ট কৰিছে। সি ক্ষতিখিনি পূৰাবলৈ নিজৰ ফালৰ পৰাও চেষ্টা কৰিব। তেতিয়া অনুভৱ মাষ্টৰৰ কষ্টখিনি কমিব। আগৰ শ্ৰেণীৰ কিতাপবোৰতো আছেই। তদুপৰি আজলীও আছে। ৮ম শ্ৰেণীৰ কথাবোৰ তাইৰ লগতো আলোচনা কৰিব পৰা যাব। নিৰ্মলেও সহায় কৰিব। মাত্ৰ অসীমে লক্ষ্য ৰাখিব যাতে তাক সহায় কৰিবলৈ যাওঁতে কাৰো ক্ষতি নহয়। সি কাৰো ওপৰত বোজা হৈ পৰিব নোখোজে।

বাৰে বাৰে টকা ধাৰলৈ লৈও সি অনুভৱ মাষ্টৰৰ ওপৰত বোজা হৈ পৰিব নোখোজে। গতিকে সি অনুভৱ মাষ্টৰক ক'লে—

'ছাৰ, মই কিবা কাম কৰিব বিচাৰো।'

অনুভৱ মাষ্টৰে বুজি পালে— অসীমে কাম কৰি অলপ হ'লেও উপাৰ্জন কৰিব বিচাৰে। হয়তো টকা ধাৰে লৈ সি ভাল পোৱা নাই। অসীমৰ দৰে সৰু ল'ৰা এটাৰ এই আবেগখিনিক কি নাম দিয়া যায়? আত্মসন্মানবোধ? যি নামেই দিয়া নহওক তাৰ এই আবেগখিনিক অনুভৱৰ অসন্মান কৰিবলৈ মন নগ'ল। এই ধৰণৰ আবেগেই মানুহক মানুহ কৰি ৰাখে, নিৰন্তৰ উত্তৰণৰ পথত গৈ থাকিবলৈ শক্তি দি থাকে। অনুভৱে তাক ক'লে— 'দুই-এদিনতে মই কিবা এটাৰ ব্যৱস্থা কৰিম।'

অসীমে কিবা ক'বলৈ ওলায়ো ৰৈ গ'ল।

'কিবা ক'বলৈ খুজিছিলা?'— অনুভৱ মাষ্টৰে সুধিলে।

ইতস্ততঃ কৰি অসীমে ক'লে—

'দেউতাই আগৰ দৰেই মদ খাই আছে। আজিকালিতো মোৰ পৰা পইচা নলয়!'

অলপ ৰৈ অসীমে নিজকে কোৱাৰ দৰে ক'লে—

'মদ খাবলৈ দেউতাই টকা পাইছে ক'ত।'

অসীমৰ কথা শুনি অনুভৱ মাষ্টৰো চিন্তাত পৰিল। মদৰ খৰচ উলিয়াবলৈ গৈ অসীমৰ বাপেকে বাৰু কিবা নকৰিবলগীয়া কাম কৰিছে নেকি? অসীমহঁতৰ স্বস্তিৰ নিশ্বাসখিনি আকৌ দুখৰ হুমুনিয়াহ হৈ যাব নেকি?

সোনকালেই অনুভৱৰ চকুৰ আগত সকলো ৰহস্য উন্মোচিত হৈ গ'ল।

৪২.

দৃশ্যটো দেখি অনুভৱ চঁক খাই উঠিল।

স্কুল ছুটীৰ পিছত অনুভৱ খোজকাঢ়ি ঘৰলৈ আহি আছিল। আবেলি সময় হৈছিল যদিও ৰ'দৰ প্ৰকোপ কমা নাছিল। ইতিমধ্যে দিনটোৰ প্ৰচণ্ড ৰ'দত মানুহবোৰ যেন জুৰুলা হৈ পৰিছিল। অনুভৱো যথেষ্ট ক্লান্ত হৈ পৰিছিল। ৰাস্তাৰ দুয়োকাষে শাৰী শাৰীকৈ থকা নাৰিকল গছবোৰৰ ছাঁৰ মাজেৰে ধীৰ খোজেৰে অনুভৱ আগবাঢ়িছিল। হঠাৎ এটা তীক্ষ্ণ শব্দ তেওঁৰ কাণত বাজিছিল— এঘৰ মানুহৰ আগবাৰীত মানুহ এজনে কোৰ মাৰি জংঘল চাফা কৰি আছিল। হয়তো কোৰখন জংঘলত পোত খাই থকা বটল বা ভগা গিলাচত লাগিছে। অনুভৱে মূৰ ঘূৰাই মানুহজনলৈ চাইছিল আৰু তেওঁ চঁক খাই উঠিছিল— গৰমত ঘামি-জামি বাৰীখনত কোৰ মাৰি আছে অসীমৰ বাপেকে। এছাটি শান্ত বতাহত যেন অনুভৱৰ মনটো জীপ পাই উঠিল। তেওঁ বৈ গ'ল। অনুভৱক দেখি মানুহজন আগবাঢ়ি আহি জেওৰাৰ কাষত বৈ গ'ল। মানুহজনে একো কোৱা নাই। অনুভৱে জানে মানুহজনে একো নক'বও। ইয়াৰ আগৰ দুবাৰ মুখামুখিতো মানুহজনে একো কোৱা নাই। অথচ দুয়োবাৰেই মানুহজনে নিজেই অনুভৱক বিচাৰি গৈছিল।

অনুভৱে মানুহজনলৈ ভালকৈ মন কৰিলে— ভাগৰত মানুহজনে ফোঁপাইছে। ঘামবোৰে গাৰে বৈ গৈ টোপ টোপকৈ সৰি মাটিত পৰিছে। গোটেই মুখখন ভয়ংকৰভাৱে ৰঙা হৈ পৰিছে। ৰাতিপুৱাৰে পৰা কৰা শ্ৰমত মানুহজন লবেজান হৈ পৰিছে। কোৰ মৰাৰ কষ্ট কিমান সেই কথা অনুভৱে বুজি পায়। এই অমানুষিক কষ্টেৰে অৰ্জা টকাকেইটাৰে অসীম আৰু আজলীৰ বাবে এটুকুৰা মাছৰ যোগাৰ হয়নে? সিহঁতৰ স্কুলৰ বহী এখনৰ যোগাৰ? মাকৰ বাবে এখন চাদৰৰ যোগাৰ? নহয়, সেইবোৰ একো নহয়। প্ৰাণান্তক শ্ৰমৰ গোটেইকেইটা টকা খৰচ হয় মদৰ আড্ডাত। কিহৰ বাবে মানুহজনে নিজৰ এই প্ৰচণ্ড কষ্টৰ ধনখিনিও নষ্ট কৰিছে মদত? মদপী বোলা শব্দটোতে তাৰ উত্তৰ লুকাই থকা নাই। শ্ৰান্ত-ক্লান্ত-বিধ্বস্ত মানুহজনলৈ অনুভৱৰ মায়া উপজিল।

আঙুলি এটাৰে কপালৰ ঘামখিনি মচি মানুহজনে লাজ লাজকৈ ক'লে—

'হাজিৰা কৰিছো।'

'ভালেই কৰিছে। অসীম-আজলীহঁতৰ পঢ়াৰ খৰচো বাঢ়িছে নহয়!'

অনুভৱৰ কথা শুনি মানুহজনে অস্বস্তি পাই তলমূৰ কৰিলে।

'অসীমহঁতৰ কাপোৰ-কানিৰ বাবেও আপোনাৰ বহুত খৰচ হয় নহয়!'

এইবাৰ মানুহজনে লাহেকৈ মূৰ জোকাৰিলে।

'মাককোতো বিহুৰে-পূজাই চাদৰ এখন হ'লেও দিব লাগে!'

মানুহজনে আকৌ মূৰ জোকাৰিলে।

'আজলীৰো মুখখন ঢেলা পৰি গৈছে। তেজ কমিছে চাগৈ। আপুনি ইচ্ছা থাকিলেও তাইৰ মুখত মাছ এটুকুৰা তুলি দিব নোৱাৰে চাগৈ—'

ছাই সনা কাৰৈ মাছ এটাৰ দৰে ছট্‌ফটাই ছট্‌ফটাই তীব্ৰভাৱে মূৰ জোকাৰি থাকিল মানুহজনে—

৪৩.

অনুভৱ মাষ্টৰৰ ঘৰলৈ আহিলেই অসীমৰ মনটো কিবা এক বেলেগ ধৰণৰ অনুভৱেৰে ভৰি পৰে। অনুভৱ মাষ্টৰৰ ভাড়া ঘৰৰ প্ৰতিটো কোঠালিৰে ৰেক আৰু আলমিৰা কিতাপেৰে ভৰি আছে। আনকি বিছনা-চকীবোৰতো কিতাপৰ দ'ম! অনুভৱ মাষ্টৰৰ নিজৰ ঘৰতো চাগৈ একেই অৱস্থা। কিতাপবোৰে ঘৰটোত এক ধৰণৰ গাম্ভীৰ্য আনি দিছে। ঘৰটোত সোমালেই অসীমৰ পুথিভঁৰালত সোমোৱাৰ দৰেহে লাগে। প্ৰথমদিনা যেতিয়া অনুভৱ মাষ্টৰৰ ঘৰটোত সোমাইছিল, অসীমৰ মুখেদি স্বতঃস্ফূৰ্তভাৱে ওলাই গৈছিল—

'ইমান কিতাপ!'

অনুভৱ মাষ্টৰে হাঁহিছিল আৰু কৈছিল— 'কিতাপ কিনাটো একো বীৰত্বৰ কথা নহয়!'

মাষ্টৰৰ অনুমতি লৈ অসীমে ঘূৰি ঘূৰি কিতাপবোৰ চাইছিল। কিমান যে বিচিত্ৰ বিষয়ৰ কিতাপ থাকিব পাৰে— সেই ধাৰণা অসীমৰ সেইদিনা প্ৰথম হৈছিল। গল্প, উপন্যাস, কবিতাৰ পৰা আৰম্ভ কৰি জ্ঞান-বিজ্ঞান, দৰ্শন, খেলা, চিনেমালৈকে কিমান বিচিত্ৰ বিষয়ৰ কিতাপ যে অনুভৱ মাষ্টৰে সংগ্ৰহ কৰিছে! কথাটো কওঁতে মাষ্টৰে মন্তব্য দিছিল—

'জেক অব্ অল!'

অকল কিতাপেইনে? পুৰণি অসমীয়া গীতৰ চি ডিও বহুত আছে মাষ্টৰৰ। পুৰণি অসমীয়া চিনেমাৰ পৰা আৰম্ভ কৰি পাৰ্বতিপ্ৰসাদ বৰুৱা, কমলানন্দ ভট্টাচাৰ্য, বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদলৈকে— বহুত ধুনীয়া ধুনীয়া গীতৰ চিডি দেখি গীতবোৰ শুনিবলৈ অসীমৰ বৰ আগ্ৰহ হৈছিল। অনুভৱ মাষ্টৰে তাক কৈছিল—

'তুমি কি গীত শুনা, কি কিতাপ পঢ়া— সেইবোৰে তুমি ক'ব নোৱাৰাকৈয়ে তোমাৰ ভিতৰৰ মানুহটোক গঢ় দিয়ে। ভৱিষ্যতে তুমি য'তেই নাথাকা, যিয়েই

নকৰা— তুমি তোমাৰ ভাগৰ কামবোৰ কিমান সততা আৰু গভীৰতাৰে কৰিবা, সেয়া ঠিক কৰিব তোমাৰ ভিতৰৰ মানুহটোৱে। তুমি জীৱনটো কেনেধৰণে গ্ৰহণ কৰিবা, কেনেধৰণে জীৱনৰ সমস্যাবোৰৰ মুখামুখি হ'বা— সেইবোৰো তোমাৰ মনৰ ভিতৰৰ সম্পদবোৰৰ ওপৰত নিৰ্ভৰ কৰে। গান শুনা, বাহিৰা কিতাপ পঢ়া— এইবোৰ মাথোঁ আজৰি সময় কটোৱাৰ উপায় নহয়। এতিয়াৰ যিবোৰ গীত জনপ্ৰিয়, সেইবোৰৰ বেছিভাগৰেই কথাত তাৎপৰ্য বা গভীৰতা নাই— সেইবোৰে আমাৰ মনবোৰ সমৃদ্ধ কৰিব নোৱাৰে। তুমি যদি জ্যোতিপ্ৰসাদৰ 'সোণৰ পালেঙতে অ' মনে তৰা' বা পাৰ্বতিপ্ৰসাদৰ 'আহিনমহীয়া শেৱালি সৰিলে' বা জ্যোতিষ ভট্টাচাৰ্যৰ 'মই এটি দিনৰ জোনাকী' আদি গীতবোৰ শুনা— তুমি এখন বেলেগ জগতলৈ গুচি যাবা।'

অসীমে অনুভৱ মাষ্টৰৰ কথাবোৰ নীৰৱে শুনিছিল। তেখেতে অকণমান ৰৈ ভাবিছিল। তাৰ পিছত আকৌ ক'বলৈ আৰম্ভ কৰিছিল—

'কথাবোৰ হয়তো তোমাৰ বুজিবলৈ টান যেন লাগিব পাৰে। তথাপি কৈছোঁ। এইবোৰ কথা তোমালোকক কেতিয়া কোৱা যাব? কোনে ক'ব? মই তোমাক ক'ব খুজিছোঁ— আমাৰ সকলো বিষয়তে গভীৰতালৈ নগৈ, ওপৰে ওপৰে যোৱাৰ স্বভাৱ। আমি ভিতৰি ভিতৰি ফোঁপোলা। হৈ-চৈ, হুলস্থূল কৰি স্ফূৰ্তি-তামাচা কৰাকে আমি জীৱনটো উপভোগ কৰা বুলি ভাবো। আচলতে তেনে নহয়। তেনে হোৱা হ'লে সদায় চিঞৰি চিঞৰি গান গোৱা ল'ৰা এজনে আত্মহত্যা নকৰে। চিঞৰি-বাখৰি স্ফূৰ্তি কৰি থকা ল'ৰা এজনে যদি আত্মহত্যা কৰে বা সমাজৰ ক্ষতি হ'ব পৰা অপৰাধ কৰে বা ক'ববাত লগৰীয়াৰ লগত মদ খাই মাতলামি কৰি ফুৰে, তেতিয়া নিশ্চয়কৈ জানিবা ল'ৰাজনৰ মনটোত শূন্যতা আছে। তোমাৰ মনটো এখন মোনাৰ দৰে— সেই মোনাখন পেলনীয়া আৱৰ্জনাৰে ভৰ্তি কৰিবানে ধুনীয়া ধুনীয়া সম্পদেৰে ভৰ্তি কৰিবা সেয়া নিৰ্ভৰ কৰিব তোমাৰ ওপৰত। ভবেন শইকীয়া ছাৰে কোৱাৰ দৰে— "তোমালোকে ফুৰ্তি কৰিবাই, দুষ্টালি কৰিবাই, কাজিয়া কৰিবাই, কিন্তু সেইবোৰৰ মাজতো সদায় এবাৰ ভাবিবা— তুমি এদিন গুণী মানুহ হ'বই লাগিব।" এৰা- তুমি সততে মনত ৰাখিব লাগিব যে তুমি এজন ভাল মানুহ হ'ব লাগিব, সমাজৰ কামত অহা গুণী মানুহ হ'ব লাগিব। দুখ-সমস্যাৰ মাজত কক্‌বকাই তুমি হাৰি দিলে নহ'ব। ফুটবল খেলাত গ'ল খাই হাৰি থকা দলৰ খেলুৱৈৰ দৰে তুমি জিকিবৰ বাবে যুঁজি যাব লাগিব; আৰু যুঁজিব লাগিব নিয়মৰ মাজতে। জীৱনৰ এই ফুটবল খেলখনত তুমি নিজেই নিজৰ ৰেফাৰী হ'ব লাগিব। জীয়াই থাকিবলৈ মানুহ খেলুৱৈৰ দৰে হ'ব লাগে। একে সময়তে শিশুৰ দৰেও হ'ব লাগে।'

অনুভৱ মাষ্টৰে অসীমক এখন ৰেকৰ ওচৰলৈ লৈ গৈছিল। ৰেকখন শিশু আৰু কিশোৰৰ বাবে লিখা কিতাপেৰে ভৰি আছিল। অসীমে এফালৰ পৰা নামবোৰ পঢ়ি গৈছিল— তোমালোকৰ ভাল হওক, মহাদুষ্টৰ দুষ্ট-বুদ্ধি, আখৰৰ জখলা, মৰুৰা ফুল, তত্ত্ব'চ্চান, অকণমানি কোঁৱৰ, খ্রিচকিন মই আৰু বহুতো, পিনকিঅ', গালিভাৰ, শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট, অজান দেশত এলিচ, ভত উকাৰে ভু, শিয়ালী পালেগৈ ৰতনপুৰ— আদি অসীমে নাম শুনা-নুশুনা বহুত কিতাপ।

'এইবোৰ কোনে পঢ়ে?'— অসীমে সুধিছিল।

'কিয়? মই!'— হাঁহি মাৰি অনুভৱ মাষ্টৰে কৈছিল। অলপ ৰৈ তেওঁ আকৌ কৈছিল—

'মন গ'লে নিৰ্মল আৰু তুমিও পঢ়িব পাৰিবা। কিন্তু এটা চৰ্ত আছে।'

'কি চৰ্ত?'— অসীমে সুধিছিল।

'কিতাপবোৰ মৰম কৰি ভালকৈ ৰাখিব লাগিব!'

৪৪.

অনুভৱে ভাত ৰান্ধিবলৈ বুলি পাকঘৰত সোমাইছিল। বাৰাণ্ডাত কোনোবাই দৰ্জাত টকিওৱাৰ শব্দ শুনি তেওঁ পাকঘৰৰ পৰা ওলাই আহিল। এনেতে ধপ্‌কৈ লাইনটো গৈ গোটেইখন আন্ধাৰ হৈ পৰিল। পকেটত থকা মোবাইল ফোনটো উলিয়াই তাৰ কিঞ্চিৎ পোহৰত খুপি খুপি অনুভৱ বাৰাণ্ডালৈ ওলাই আহিল।

বাৰাণ্ডাত ৰৈ আছে অসীমৰ দেউতাক!

'এইটো লওক।'

প্ৰায় এক কেজি ওজনৰ জীয়া ৰৌ মাছ এটা মানুহজনে অনুভৱৰ চকুৰ সন্মুখত দাঙি ধৰি ৰৈ থাকিল। অনুভৱৰ হাঁহিমেই নে কান্দিমেই অৱস্থা হ'ল।

'মই এজন মানুহে এইটোৰে কি কৰিম? ঘৰলৈ লৈ যাওক।'—

অনুভৱে ক'লে।

'লাজ লাগে।'— কথাষাৰ কৈ মানুহজনে মাছটো বাৰাণ্ডাত থ'লে।

'কি?'— অনুভৱ যেন জঁপ মাৰি উঠিল।

'আজি তিনি বছৰ ধৰি মই ঘৰলৈ চাউল-দাইল, মাছ-মঙহ একো নিয়া নাই। অসীম-আজলীহঁতকো ফটা কানি এখনো দিয়া নাই। সিহঁতৰ পঢ়াৰ খৰচো উলিয়ায় মাকে। মই সিহঁতৰ বাবে একো কৰা নাই। মই মৰি গ'লেও সিহঁতৰ একো ক্ষতি নহয়—'

কথাখিনি কৈ কৈ বাৰাণ্ডাৰ পৰা নামি মানুহজন এসময়ত ৰাস্তাৰ আন্ধাৰত অদৃশ্য হৈ গ'ল।

৪৫.

অৱশেষত অসীমৰ উপাৰ্জনৰ উপায় এটা ওলাল। অসীমহঁতৰ গাঁৱত বাতৰি কাকতৰ এজেঞ্চী নাছিল। অনুভৱ মাষ্টৰে বাতৰি কাকতৰ চহৰৰ অফিচবোৰৰ লগত যোগাযোগ কৰি অসীমক বাতৰি কাকতৰ এজেঞ্চী এটা খুলি দিলে। অসীমহঁতৰ গাঁৱৰ পৰা অলপ দূৰৰ গাঁও এখনত বাতৰি কাকতৰ এজেঞ্চী এটা আছিল। বাতৰি কাকতবোৰে নিজৰ মাজত বুজাবুজি কৰি আটাইবোৰ কাকত এখন গাড়ীতে সেইখন গাঁৱলৈ পঠাইছিল। এতিয়া অসীমৰ এজেঞ্চীৰ বাতৰি কাকতবোৰো সেইখন গাড়ীতে পঠোৱা হ'ব। গাড়ীখন এইখিনি আগুৱাই আহি অসীমহঁতৰ নওলাত বাতৰি কাকতৰ টোপোলাবোৰ নমাই দিব।

বাতৰি কাকতৰ গ্ৰাহক সংগ্ৰহৰ অভিযান চলিল। অসীমৰ স্কুলৰ প্ৰতিগৰাকী শিক্ষকেই বাতৰি কাকত ল'ম বুলি কথা দিলে। গাঁৱৰ প্ৰাইমাৰী স্কুলখনৰো কেইবাজনো শিক্ষকে কথা দিলে। আন গ্ৰাহকো কেইজনমান পোৱা হ'ল। মুঠতে প্ৰায় ত্ৰিশজনমান গ্ৰাহক পোৱা গ'ল। অনুভৱ মাষ্টৰে হিচাপ কৰি চালে— প্ৰতিখন কাকতেই ৩৫% কমিচন দিয়ে। সেই হিচাপত ত্ৰিশখন কাকতৰ পৰা মাহিলি উপাৰ্জন বৰ কম নহ'ব। আৰু এয়া আৰম্ভণিহে! অসীমে কামটো ভালকৈ কৰিব পাৰিলে গ্ৰাহকৰ সংখ্যা আৰু বাঢ়িব। মন কৰিলে লাহে লাহে আলোচনীও আনিব পাৰিব।

এজেঞ্চীৰ কামটোৰ বাবে বিশেষ মূলধনো নালাগে, বজাৰত ৰুম ভাড়ালৈ লোৱাৰো দৰকাৰ নহয়। বাতৰি কাকত আহিব, লগে লগে ঘৰে ঘৰে বিলাব। মাহৰ মূৰত হিচাপ কৰি গ্ৰাহকৰ পৰা ধনখিনি সংগ্ৰহ কৰিব লাগিব। আৰু এটা কাম অৱশ্যে থাকিব— মাহৰ বিলবোৰ চহৰলৈ গৈ তিনিখন বাতৰি কাকতৰ তিনিটা অফিচত পৰিশোধ কৰিব লাগিব। হ'ব— সেইটোও কৰিব পৰা যাব। দুবাৰমান অনুভৱ মাষ্টৰে অসীমক লগত লৈ গৈ কামটো শিকাই দিব। তাৰ পিছত অসীমে নিজেই কৰিব পাৰিব।

কথা হ'ল— অসীমে কাকতবোৰ বিলাব কেনেকৈ? বাতৰি কাকতৰ টোপোলা দাঙি ঘৰে ঘৰে বিলোৱা সম্ভৱ নহয়। সময় বহুত খৰচ হ'ব। তদুপৰি গ্ৰাহকৰ সংখ্যা বাঢ়িলে কাকতৰ ওজনো বহুত হ'ব। ভাবি-চিন্তি অনুভৱ মাষ্টৰে ঠিক কৰিলে— তেওঁ অসীমক এখন চাইকেল কিনি দিব। অসীমে এজেঞ্চীৰ লাভৰ টকাৰে কিস্তি কিস্তিকৈ

অনুভৱ মাষ্টৰক ঋণ পৰিশোধ কৰিব।

সকলো ব্যৱস্থা হোৱাৰ পিছত অসীমৰ মাকে অনুভৱ মাষ্টৰৰ ওচৰত প্ৰস্তাৱ দিলে—

'শাস্ত্ৰীক কৈ এটা শুভ দিন চাই কামটো আৰম্ভ কৰিলে ভাল হ'ব।'

অনুভৱ মাষ্টৰে লগে লগেই প্ৰস্তাৱটো নাকচ কৰিলে। নাই, নালাগে। শাস্ত্ৰীয়ে চাই দিয়া শুভ দিনটোলৈ যদি এসপ্তাহ ৰ'ব লগা হয়! ভাল কামবোৰ যিটো দিনতেই আৰম্ভ কৰা হয়, সেই দিনটোৱেই শুভ হৈ পৰে!

৪৬.

কামটো কৰি অসীমৰ ভাল লাগিছে। ৰাতিপুৱা পাঁচমান বজাতে বাতৰি কাকতৰ গাড়ীখন আহি অসীমহঁতৰ নঙলামুখত টোপোলাকেইটা দলিয়াই থৈ যায়। তাৰ আগতেই অসীমে হাত-মুখ ধুই সাজু হৈ থাকে। বাতৰি কাকতৰ টোপোলাটো চাইকেলৰ কেৰিয়াৰত বান্ধি লৈ অসীম ওলাই যায়।

চাইকেল চলাই গৈ অসীমে গ্ৰাহকৰ পদূলিমুখত এক মুহূৰ্তৰ বাবে ৰৈ বাতৰি কাকতখন ভিতৰলৈ দলিয়াই দিয়ে, তাৰ পিছত টিলিঙাটো দুবাৰমান বজাই চাইকেলৰ পেডেল মাৰি গুচি যায়। দুখন ঘৰত অসীমৰ এই গতানুগতিকতাৰ ব্যতিক্ৰম হয়। দুখন ঘৰক সি মাথোঁ তাৰ বাতৰি কাকতৰ গ্ৰাহক বুলি ভাবিব নোৱাৰে। নিৰ্মলহঁতৰ বাতৰি কাকতখন অসীমে কেতিয়াও দলিয়াই থৈ টিলিঙা বজাই আঁতৰি নাহে। প্ৰতি ৰাতিপুৱাই অসীমে কাকতখন নিৰ্মলৰ হাতত তুলি দিয়ে। ৰাতিপুৱাৰ সেই নিৰ্দিষ্ট সময়খিনিত নিৰ্মলেও পদূলিমুখত আগ্ৰহেৰে অসীমৰ বাবে ৰৈ থাকে। একেই আগ্ৰহেৰে ৰৈ থাকে অনুভৱ মাষ্টৰো। তেওঁৰ বাবে অসীম নিজেই এক ধুনীয়া, ভাল খবৰ। প্ৰতি ৰাতিপুৱা সেই ভাল খবৰটো অনুভৱ মাষ্টৰে পাই থাকে— দিনৰ পিছত দিন।

অসীমে গম নাপায়— প্ৰতিদিনেই ৰাতিপুৱাৰ সেই নিৰ্দিষ্ট সময়খিনিত আৰু এজন মানুহে কোঠাৰ খিৰিকী খুলি ভিতৰৰ পৰা উন্মুখ হৈ চাই থাকে পদূলিমুখলৈ। বাৰাণ্ডালৈ ওলাই নাহে তেওঁ।

সেইজন মহেন্দ্ৰ মাষ্টৰ! পদূলিলৈ ওলাই আহি অসীমক মাত এষাৰ লগোৱাৰ যেন সাহস নহয় তেওঁৰ! অসীমেও আনবোৰ ঘৰতকৈ বেছি খৰধৰ কৰি বাতৰি কাকতখন নঙলামুখৰ ভিতৰলৈ দলিয়াই দি ততাতৈয়াকৈ আঁতৰি যায়। আনকি তাত চাইকেলৰ টিলিঙাটো বজোৱাৰো সাহস নহয় তাৰ।

খিৰিকীমুখৰ পৰা যেন লুকাই লুকাই মহেশ্ব মাষ্টৰে চাই থাকে এজন ল'ৰাৰ উত্তৰণৰ বাবে নিৰন্তৰ সংগ্ৰাম।

৪৭.

নিৰ্মলহঁতৰ ছয়মাহিলি পৰীক্ষাৰ ৰিজাল্ট ওলাল। আশা কৰা ধৰণেৰেই নিৰ্মলৰ ৰিজাল্ট খুব ভাল হৈছে। ছয়মাহিলিৰ ৰিজাল্টে তাৰ মেট্ৰিকত খুব ভাল ৰিজাল্ট কৰাৰ আশাও বঢ়াই তুলিছে।

অসীমৰো ৰিজাল্ট যোৱা বছৰৰ বছৰেকীয়া পৰীক্ষাতকৈ ভাল হৈছে। আনবোৰ বিষয়তকৈ সি গণিতত বেছি নম্বৰ পাইছে। নিজৰ ৰিজাল্টক লৈ অসীম সুখী। বহুত সুখী। সি আকৌ স্কুললৈ আহিছে। পঢ়িছে। পৰীক্ষা দিছে। গোটেইকেইটা বিষয়ত পাছ কৰিছে। তাকো মাত্ৰ আঢ়ৈ মাহ পঢ়ি। হৈছে, তাৰ পৰীক্ষা বহুত ভাল হৈছে।

কিন্তু নিৰ্মল সন্তুষ্ট নহয়। সি অসীমক একাষৰীয়াকৈ মাতি নি সোধা-পোছা কৰিবলৈ ধৰিলে—

'কি কৰিলি?'

'ভালেইতো কৰিছো।'— অসীমে উত্তৰ দিলে।

'কি ভাল কৰিলি?'— অসীমৰ উত্তৰত নিৰ্মলৰ খং উঠিছে।

'সকলো বিষয়তে পাছ কৰিছো।'

'আৰু?'

'বছৰেকীয়াতকৈ সকলো বিষয়তে বেছি বেছি নম্বৰ পাইছো।'— অসীমে যোগ দিলে।

'খুব ভাল হোৱা বুলি ভাবিছ নহয়?'

'ঠিকেইতো আছে। আঢ়ৈ মাহহে স্কুললৈ আহিছো।'—

'গণিতত কিমান পালি?'

'৬০।'

'কিয় পালি ৬০? ভুকু খাবি!'

'ৰ— ভুকুতে কলটো নপকে।'

'অনুভৱ ছাৰৰ আমি কোনেও নোৱৰা অংক কৰা ল'ৰাটোৱে মাত্ৰ ৬০ পালে কেনেকৈ হ'ব?'

'দেখিছই দেখোন? আঢ়ৈটা মাহ আগৰ বছৰবোৰৰ কথাবোৰ পঢ়োঁতেই গ'ল?'

'সেইবোৰ লেঠা মৰিল চাগে!'— নিৰ্মলে জানিবলৈ চেষ্টা কৰে।

'মৰিছে কিজানি।'— অনিশ্চয়তাৰে অসীমে ক'লে।

'তেতিয়াহ'লে টেষ্টৰ বাবে ভালকৈ পঢ়।'

নিৰ্মলৰ ওস্তাদিত অসীমৰ ধৈৰ্যৰ বান্ধ খুলি গ'ল। এইবাৰ সি উভতি ধৰিলে—

'মোৰ ওপৰত যে ইমান ওস্তাদি মাৰিছ, নিজেনো কি কৰিছ?'

'ভালেইতো কৰিছো।'— নিৰ্মলে উত্তৰ দিলে।

'কি ভাল কৰিলি?'

'সকলো বিষয়তে লেটাৰ পাইছো।'

'আৰু?'

'বছৰেকীয়া পৰীক্ষাতকৈ সকলো বিষয়তে বেছি বেছি নম্বৰ পাইছো।'

'খুব ভাল হোৱা বুলি ভাবিছ নহয়?'

'ঠিকেইতো আছে।'

'গণিতত কিমান পালি?'

'৯৮।'

'কিয় পালি?'

দুয়োটাৰে হাঁহি উঠি গ'ল। অলপ সময় মনে মনে থাকি নিৰ্মল গহীন হৈ গ'ল। এইবাৰ সি গভীৰ আন্তৰিকতাৰে অসীমক ক'বলৈ ধৰিলে—

'মই ধেমালি কৰিছিলো। আচলতে আজি মোৰ খুব ভাল লাগিছে।'

অসীমো গহীন হৈ গ'ল। সি বুজিব পাৰিছে নিৰ্মলে কি ক'বলৈ ওলাইছে। সি নিৰ্মলৰ কথাখিনি শুনি গ'ল—

'তই যে আগতকৈ বহুত ভাল কৰিছ, তাকো মাত্ৰ আঢ়ৈ মাহ পঢ়ি— এই কথাটোৰ বাবে মোৰ বৰ ভাল লাগিছে। কিন্তু তোৰ ইয়াতকৈ বহুত বেছি ভাল হ'ব লাগিব। মোতকৈও বেছি ভাল হ'ব লাগিব। ক্লাছৰ এক নম্বৰ পজিশ্যনত তই অহালৈ মই ৰৈ আছো।'

নিৰ্মলৰ কথাত অসীমে অস্বস্তি পাবলৈ ধৰিলে। আচলতে নিৰ্মলৰো পৰীক্ষা আগতকৈও ভাল হোৱা বাবে অসীমৰো বহুত ভাল লাগি আছে। তাৰ লগ লাগি নিৰ্মল এতিয়াও জহন্নামে যোৱা নাই তাৰমানে!

'তই পাৰিবি অসীম!'— নিৰ্মলে গভীৰ বিশ্বাসেৰে কথাষাৰ কয়।

নিৰ্মলৰ আস্থাই অসীমৰ আত্মবিশ্বাস যেন বঢ়াই তোলে। কৃতজ্ঞতাৰে সি নিৰ্মলক কয়—

'তোৰ অন্তৰখন বৰ ধুনীয়া!'

'মোৰ অন্তৰখন জানো তই দেখিছ? মোৰ অন্তৰখন ধুনীয়া নহয় বুজিছ!'— নিৰ্মলৰ কথাষাৰ শুনি অসীমে হি হিকৈ হাঁহি দিলে।

'মই সঁচাই কৈছোঁ— মোৰ অন্তৰখন ধুনীয়া নহয়।'— সেমেকা হাঁহি এটাৰে নির্মলে ক'লে। অসীমে এইবাৰ আগতকৈও জোৰেৰে হাঁহিবলৈ ধৰিলে।

নির্মলে তাৰ চোলাটোৰ ওপৰৰ বুটাম দুটা খুলি গেঞ্জীটো অলপ তললৈ নমাই দিলে। অসীমে দেখিলে— নির্মলৰ বুকুৰ সোমাজেদি প্ৰায় আঠ ইঞ্চি দীঘল, ডাঠ এটা কটা দাগ! অসীম চঁক খাই উঠিল। তাৰ মনটোৱে হাহাকাৰ কৰি উঠিল। তাৰ নির্মলৰ বুকুখন আলফুলে চুই অলপ মৰম কৰি দিবৰ মন গ'ল— তাৰ নির্মলক এবাৰ জোৰেৰে বুকুত সাবটি ল'বৰ মন গ'ল।

কিন্তু অসীমে সেইবোৰ একোৱেই কৰিব নোৱাৰিলে। সি এবাৰ নির্মলৰ মুখলৈ চালে— নির্মলৰ মুখত তেতিয়াও ওলমি আছিল সেমেকা হাঁহিটো।

'তোৰ অন্তৰখন মই ভবাতকৈও বহুত বেছি ধুনীয়া!'— অসীমে মাথোঁ ক'লে।

৪৮.

অসীমৰ মুখৰ পৰা নির্মলৰ বুকুৰ দাগটোৰ কথা শুনি অনুভৱৰ নির্মললৈ বিৰাট মায়া উপজিল। অনুভৱৰ বুজিবলৈ বাকী নাথাকিল যে নির্মলৰ হৃদযন্ত্রৰ খুব ডাঙৰ অস্ত্রোপচাৰ এটা হৈ গৈছে। হয়তো নির্মলৰ হৃদযন্ত্রৰ জন্মগত কিবা ত্রুটি আছে। নির্মলক অনুভৱে ভাল পায়। খুব ভাল পায়। নির্মল পঢ়াত ভাল। ব্যৱহাৰ-পাতি ভাল। আৰু সি কিছুমান চোকা ছাত্রৰ দৰে স্বাৰ্থপৰ নহয়। অসীমক অনুভৱে এতিয়াহে সহায় কৰিছে! অনুভৱে স্কুলখনত যোগদান কৰাৰ আগৰ পৰাই নির্মলে অসীমক স্কুললৈ ঘূৰাই আনিবলৈ চেষ্টা কৰি আছিল। ইমান ডাঙৰ অসুখ এটা গাত লৈও নির্মলে যিধৰণে জীৱনটো গ্রহণ কৰিছে— তাকে ভাবি অনুভৱ বিস্ময় বিমুগ্ধ হৈ গ'ল। নির্মলে নিজৰ দুর্ভাগ্যৰ ওচৰত আত্মসমৰ্পণ কৰা নাই; আৰু অসীমকো তাৰ দুর্ভাগ্যৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ নিদিলে। গোপনে, মাথোঁ মাক-বাপেকৰ সহায়ত নির্মলে যি ধৰণে নিজৰ দুর্ভাগ্যৰ বিৰুদ্ধে যুঁজি গৈছে সেই কাহিনী অবিশ্বাস্য। নির্মলৰ অসুখ এটা আছে; কিন্তু তাৰ দৰে সৎ, সাহসী আৰু নিষ্কলুষ মনৰ ল'ৰা বিৰল। নির্মলক তেওঁৰ চালাম জনাবলৈ মন গ'ল। এইখন স্কুললৈ আহি অসীম আৰু নির্মলৰ যি সংগ্রাম আৰু বন্ধুত্বৰ কাহিনী তেওঁ নিতৌ দেখি আহিছে, সিয়ে তেওঁৰ মনটোকো যেন ভৰাই তুলিব লাগিছে।

অনুভৱৰ মনত পৰিল— অসীমক পুলিচে ধৰি নিয়াৰ খবৰটো অনুভৱক দিছিল নির্মলে। অসীমক আনিবৰ বাবে অনুভৱ যেতিয়া থানালৈ যাবলৈ ওলাইছিল, নির্মলৰ দেউতাকে ফোনত অনুভৱক কৈছিল—

'আচলতে ময়ো আপোনাৰ লগত যাব লাগিছিল।'

কিয় যোৱা নাছিল অনুভৱে আজি বুজি পালে।

অসীমক থানাৰ পৰা ননালৈকে নিৰ্মলে শোৱা নাছিল। দেউতাকে ফোনত অনুভৱক কৈছিল—

'চাওকচোন সি এতিয়াও শোৱা নাই। অথচ টোপনি তাৰ কাৰণে কিমান—'

বাক্যটো দেউতাকে সম্পূৰ্ণ কৰা নাছিল। অসম্পূৰ্ণ কথাষাৰে তেতিয়াই অনুভৱক কিবা এটাৰ ইংগিত দিছিল। কিন্তু তেওঁ একো সোধা নাছিল। অনুভৱে বুজি পালে—নিৰ্মলৰ সৈতে তাৰ মাক-বাপেকেও যুঁজি গৈছে। এই যুঁজখনে যেন নিৰ্মল আৰু তাৰ মাক-দেউতাকৰ জীৱনকেইটাক মহত্ত্ব দিছে। এই জীৱন তিনিটাত কাৰুণ্য আছে; কিন্তু তাৰ ওপৰত আছে মহত্ত্ব।

নিৰ্মলক সন্তান হিচাপে পোৱাটো তাৰ মাক-দেউতাকৰ বাবে এটা সৌভাগ্য। নিৰ্মলক ছাত্ৰ হিচাপে পোৱাটো অনুভৱৰো এটা সৌভাগ্য!

৪৯.

নিৰ্মলক বন্ধু হিচাপে পোৱাটো অসীমৰ বাবে এটা বিৰাট সৌভাগ্য। নিৰ্মলৰ হাতত বাতৰি কাকতখন তুলি দিওঁতে যেন প্ৰতিদিনে ৰাতিপুৱাই অসীমে সেই সৌভাগ্যৰ স্পৰ্শ লাভ কৰে। অসীম যেন দিনটোৰ বাবে উজ্জীৱিত হৈ উঠে। প্ৰতিদিনে ৰাতিপুৱাই যেন অসীমৰ মনৰ ভিতৰত এটা সংকল্প দৃঢ়ৰ পৰা দৃঢ়তৰ হৈ উঠে— পঢ়িব লাগিব, ভাল কাম কৰিব লাগিব, ভাল মানুহ এজন হ'ব লাগিব। নিৰ্মলৰ বাবেও কিবা এটা কৰিব লাগিব। মানুহৰ কামত অহা গুণী মানুহ এজন হ'ব লাগিব। সি পাৰিব। নিৰ্মলেও কৈছে— সি পাৰিব।

বহুত সাহস আৰু এটা দৃঢ় প্ৰত্যয়ে অসীমৰ মনত গজালি মেলিবলৈ ধৰে।

৫০.

অসীমৰ বাতৰি কাকতৰ গ্ৰাহক ত্ৰিশৰ পৰা বাঢ়ি গৈ গৈ পঞ্চাশৰ ঘৰ চুইছে। গতিকে তাৰ উপাৰ্জন বাঢ়ি আহিছে। অনুভৱ মাষ্টৰে ধাৰলৈ দিয়া সকলোখিনি টকা অসীমে ইতিমধ্যে ওভতাই দিবলৈ পাৰিছে। চাইকেলখনৰো দাম কিস্তি কিস্তিকৈ ওভতাই দি প্ৰায় শেষ কৰি আনিছে।

আনকি অসীমে মাক আৰু আজলীকো দুই-এখন কাপোৰ কিনি দিব পৰা হৈছেগৈ! মাকক সিদিনা সি প্ৰথম চাদৰ এখন দিছিল, মাকে কান্দি দিছিল। অসীমে চাদৰখন দিওতে মাকে নিশ্চয় দুখ পোৱা নাই। গতিকে অসীমে ধৰি লৈছে যে সিহঁতে কিতাপত যে পঢ়ে কিবা আনন্দৰ চকুপানী বোলা বস্তু এটা, সেয়া নিশ্চয় সেইটো। মাকৰ এইটো কথাই অসীমে বেয়া পায়— দুখতো চকুপানী, সুখতো চকুপানী। তাতকৈ আজলীয়েই ভাল! দুখ লাগিলে মাটিত বাগৰি বাগৰি আটাহ পাৰি কান্দিব; আৰু স্ফূৰ্তি লাগিলে ফৰিঙৰ দৰে জঁপিয়াই জঁপিয়াই চিঞৰিব। অসীমে যেতিয়া আজলীক ফ্ৰক এটা দিছিল, উস্ তাইৰ কি চিঞৰ-বাখৰ! যেন পৃথিৱীত ককায়েকে ভনীয়েকক ফ্ৰক দিয়াৰ সেইটোৱেই প্ৰথম ঘটনা! আৰু আজলীকনো ভাল বুলি কোৱা যায় কেনেকৈ। অসীমৰ পৰা ফ্ৰকটো হাতত লৈ, চিঞৰ-বাখৰ অন্ত কৰাৰ পিছত তাই কৈছিল— তাই ৰঙা ৰংটোহে বেছি ভাল পায়! ককায়েকে দিয়া ফ্ৰকটোৰ ৰং নীলাহে! গতিকে অহা মাহত আকৌ এটা ৰঙা ফ্ৰক দিব লাগিব। এইটো আকৌ কি কথা? অসীমে প্ৰস্তাৱ দিছিল—

'এই ফ্ৰকটো ঘূৰাই দি ৰঙা এটা লৈ আহো দে—'

লগে লগে আজলীয়ে ককায়েকক চকু পকাই ধৰি কৈছিল—

'নীলা ৰঙো মই বেয়া নাপাও।'

'তোৰ নামটোহে আজলী!'— অসীমে জোকাইছিল।

'সেইটো মোৰ দোষ নহয় বুজিছ। সেইটো নাম তোৰ মাৰে-বাপেৰে ৰাখিছে।'— আজলীৰ কথাত অসীমে হাৰ মানি লৈছিল।

আজলীক ফ্ৰক দিব পাৰি, মাককো কাপোৰ দিয়াটো মোটামুটিভাৱে সহজ। বাপেকক লৈহে অসীম সমস্যাত পৰিল। মাকে তাক ধৰিছে— বাপেকক এটা নতুন চোলা দিব লাগে! আগৰটো হেনো ফিচিকিছে। সেইটো কথা বাৰু সি জানে, সি নিজেও দেখিছে। কিন্তু বাপেকক চোলা দিবলৈ তাৰ লাজ নালাগে নেকি? মাকে জোৰ দি ধৰাত বাধ্য হৈ অসীমে চোলা এটা কিনিলে। কিন্তু চোলাটো বাপেকক দিয়ে কোনে? মাকক কওঁতে মাকে ক'লে—

'বাপেৰৰ লগত দেখোন মোৰ মাত-বোলেই নাই।'

আজলীক কওঁতে, 'মই সেইবোৰ নোৱাৰো দেই' বুলি কৈ ভোঁ-কৈ মুখেৰে গাড়ী চলাই বাটলৈ লৰ দিলে। গতিকে অগত্যা বাধ্য হৈ অসীমেই বাপেকক চোলাটো দিবলৈ আগবাঢ়িল।

কাঁথিতে জুপুকা মাৰি বাপেক বহি আছিল। আঁঠু দুটাৰ মাজত মূৰটো সুমুৱাই বাপেকে টোপনিয়াই আছিল। অসীমে বতাহতো যেন মদৰ গোন্ধ পালে। সি

দুবাৰমান মতাৰ পিছত বাপেকে মূৰ নোতোলাকৈয়ে সঁহাৰি দিলে।

'এইটো ল।'— অসীমে চোলাৰ পেকেটটো আগবঢ়াই দিলে।

টোপনিৰ জালতে যেন মানুহজনে টোপোলাটো হাত পাতি ল'লে।

'কি?'— নিচাত আড়ষ্ট মাতেৰে বাপেকে সুধিলে।

অসীমে একো উত্তৰ নিদিলে। বাপেকে পেকেটটো খুলি চাই চঁক খাই উঠিল।

'কাৰ বাবে?'— বাপেকৰ যেন বিশ্বাস হোৱা নাই কথাটো।

'তোৰ বাবে।'— অসীমে ক'লে।

অসীমে দেখিলে— বাপেকৰ চকুদুটা ডাঙৰকৈ মেল খাই গৈছে।

যেন মানুহজনে সাৰ পাই উঠিব খুজিছে।

৫১.

অনুভৱৰ কেতিয়াবা অস্বস্তি লাগে। তেওঁক কমন ৰুমত অকলশৰে পালে জিলমিলে যেন অলপ বেছিকৈ জিলমিলাবলৈ ধৰে। স্কুল ছুটী হৈছে। শিক্ষকসকল ঘৰলৈ গৈছে। কমন ৰুমত জিলমিলক অকলশৰে বৈ যোৱা দেখি অনুভৱো যাবলৈ ওলাল। কিন্তু জিলমিলে পাছফালৰ পৰা মাত লগালে। বাধ্য হৈ অনুভৱে বৈ দিলে।

'অসীমে বেছ প্ৰগ্ৰেছ কৰিছে!'— জিলমিলে মন্তব্য দিলে।

'অ'।'— অনুভৱে সংক্ষেপে সঁহাৰি দিলে।

'কিন্তু কি জানে?'— জিলমিলে গহীনভাৱে ক'লে। জিলমিলৰ গাম্ভীৰ্য দেখি অনুভৱে বৈ দিবলৈ বাধ্য হ'ল। কৌতূহলেৰে তেওঁ প্ৰশ্ন কৰিলে—

'কি?'

'আপুনি এজন অসীমকহে সহায় কৰিছে। এনেকুৱা অসীমতো আমাৰ দেশত অলেখ আছে! এনেকুৱা এজন অসীমৰ উত্তৰণে সমাজখনৰ, দেশখনৰ একো পৰিৱৰ্তন নকৰে!'— জিলমিলে পোনপটীয়াকৈয়ে কথাষাৰ কৈ দিলে।

অনুভৱে দুৱাৰ গড়িয়াৰ পৰা উভতি আহি জিলমিলৰ ওচৰত বহিল।

কথাটো হওঁতে হয়। অনুভৱে মাত্ৰ এজন অসীমক উত্তৰণত সহায় কৰিছে। এইখন স্কুলত নিযুক্তি পোৱাৰ পিছত অনুভৱে স্কুলখন আৰু ঠাইখন চাবৰ বাবে এদিন গাঁওখনত উপস্থিত হৈছিল। সেইদিনাই অসীমহঁতৰ পৰীক্ষাৰ ৰিজাল্ট দিছিল। আৰু তেওঁৰ চকুৰ সন্মুখতে আকস্মিকভাৱে সেই ঘটনাটো ঘটি গৈছিল— মহেন্দ্ৰ মাষ্টৰে ককৰ্থনা কৰি অসীমক এটা কাণতলীয়া চৰ শোধাই দিছিল। সেই মুহূৰ্তৰ অসীমৰ কৰুণ চকুযুৰিয়ে তেওঁক খুব স্পৰ্শ কৰিছিল। ল'ৰাজনলৈ তেওঁৰ

বিৰাট মায়া উপজিছিল। ঘটনাটোৰ দুমাহ পিছত তেওঁ স্কুলখনত যোগদান কৰিছিল। ইতিমধ্যে অসীমে স্কুল বাদ দিছিল। গোটেই ঘটনাটোত অনুভৱে বৰ ডিষ্টাৰ্বড অনুভৱ কৰিছিল। একে অৱস্থা সহপাঠী হিচাপে নিৰ্মলৰো হৈছিল। নিৰ্মলৰ সহায়ত অনুভৱে অসীমক ওভতাই আনিবলৈ চেষ্টা কৰি গৈছিল।

সেয়া আছিল এজন মানুহ হিচাপে এটা হৃদয়স্পৰ্শী ঘটনাত অনুভৱৰ নিজৰ প্ৰতিক্ৰিয়া। এই কামখিনিয়ে সমাজৰ কি লাভ কৰিব, দেশৰ কি লাভ কৰিব— ইমান ডাঙৰ ডাঙৰ কথা অনুভৱে লগে লগেই ভবা নাছিল। মানুহ হিচাপে এজন বিপৰ্যস্ত কিশোৰক তেওঁ লগ পাইছে, ল'ৰাজনক সাহস দিছে, সহায় কৰিছে। নিজস্ব আৱেগ-অনুভূতিৰে তেওঁ সঁহাৰি দিছে।

কিছু সময় নীৰৱে থাকি ক'বলগীয়া কথাখিনি যুকিয়াই লৈ অনুভৱে আৰম্ভ কৰিলে—

'হয়, মই এজন অসীমক সহায় কৰিছোঁ। আচলতে অসীমক লগ পোৱা ঘটনাটোৱেই আকস্মিক। আপুনি কোৱাৰ দৰেই দেশখনত অসীমৰ দৰে ল'ৰা অলেখ আছে। লাখ লাখ, হয়তো কোটিৰ ঘৰত। তেনেকৈ চাবলৈ গ'লে কথাটো এবষ্ট্ৰেক্ট, মানে বিমূৰ্ত হৈ পৰে। তেতিয়া মই লগ পোৱা এই অসীমজনো এটা পৰিসংখ্যাৰ মাজত, বা সৰ্বহাৰা, নিষ্পেষিত আদিৰ দৰে বিমূৰ্ত ধাৰণাৰ মাজত হেৰাই যাব। এই কথাবোৰ যেতিয়া বিমূৰ্ত হৈ যায়, তেতিয়া তাত কেতিয়াবা সজীৱ প্ৰাণৰ সঁহাৰি কম হয়। কৃত্ৰিমতাই ঠাই পায়। তত্ত্বৰ পয়োভৰো বেছি হয়। কেতিয়াবা তত্ত্বৰ হেঁচাত অসীমহঁতৰ দুখ-যন্ত্ৰণাবোৰো ফচিল হৈ পৰে। হয়তো এইটো কাৰণতে সৰ্বহাৰা বা নিষ্পেষিতৰ বাবে কাম কৰা দলবোৰৰ প্ৰতি অসীমহঁতৰ সঁহাৰি কমি গৈছে। চাবলৈ গ'লেতো সেই দলবোৰৰ প্ৰতিয়েই মানুহৰ সঁহাৰি হ'ব লাগিছিল আটাইতকৈ বেছি।'

'তথাপি আপুনি তত্ত্বক পোনছাটেই দলিয়াই পেলাব নোৱাৰে।'— জিলমিলে অনুভৱক সোঁৱৰাই দিলে।

'হয়। সাহিত্য সমালোচনাৰ প্ৰসংগত এজন প্ৰখ্যাত চিন্তাবিদে কৈছিল— 'তত্ত্ব এটা বাট দেখুওৱা পোহৰ, বাট নহয়।' ৰাজনীতিৰ ক্ষেত্ৰতো তত্ত্ব পথ পোহৰোৱা টৰ্চ্চৰ দৰে। পথবোৰ পোহৰাই আমি আগবাঢ়িব লাগিব। তাকে নকৰি টৰ্চ্চটো মানুহৰ চকুত মাৰিলে মানুহ বিভ্ৰান্ত হ'ব, পথ হেৰুৱাব। তদুপৰি টৰ্চ্চটো নিজৰ সমাজৰ উপযোগী কৰি সজায়ো ল'ব লাগিব।'

'আপুনি এজন অসীমৰ বাবে পথ এটা উলিয়াই দিছে— বাতৰি কাকতৰ এজেঞ্চী খুলি দিছে। গাঁওখনত তেনেকুৱা অসীম পঞ্চাশজন ওলালেই আপুনি পথ

বিচাৰি হাবাথুৰি খাব।'

'আপোনাৰ কথাটো মই অস্বীকাৰ কৰিব নোৱাৰো। পঞ্চাশজনৰ কথা আহোঁতেই সমস্যাটো মোৰ সাধ্যৰ বাহিৰলৈ গুচি যাব। পঞ্চাশ হাজাৰ বা পঞ্চাশ লাখৰ কথাটো অহাৰ লগে লগেই চিন্তা-চৰ্চা গভীৰ আৰু ব্যাপক ৰূপত হ'ব লাগিব। তেতিয়া নিশ্চয়কৈ দল, সংগঠন, চৰকাৰ আৰু সেইবোৰৰ নীতি-আদৰ্শ আদিৰ তাত্ত্বিক কথাবোৰ আহিব। তাৰ লগতে আহিব সময় নিৰ্দ্ধাৰিত কৰ্মসূচীৰ কথা। সেই বুলি মানুহ হিচাপে আমাৰ আৱেগ-অনুভূতিৰ দুৱাৰ-খিৰিকীবোৰ বন্ধ কৰি থ'লে হ'ব জানো? মানুহ হিচাপে আমাৰ আৱেগ-অনুভূতিৰে আমাৰ চকুৰ আগৰ ঘটনাবোৰত সঁহাৰি দিয়া উচিত নহয় জানো?'

পৰিৱেশটো গহীন হৈ গৈছিল। অনুভৱে হাঁহি মাৰি ক'লে—

'সাধুকথা এটা কওঁ— শুনক—'

'সাধুকথা!'— জিলমিলে আচৰিত হৈ ক'লে।

'মাজে মাজে দুই-এটা সাধু শুনা ভাল। নহ'লে এনেকুৱাওতো লাগিব পাৰে— জীৱনটো মাথোঁ জঞ্জাল!' — কৃত্ৰিম দাৰ্শনিকতাৰে অনুভৱে ক'লে।

হাঁহিত জিলমিলৰ চকুদুটা জিলমিলাই উঠিল। ভয় খাই লগে লগেই অনুভৱ গহীন হৈ গ'ল। অনুভৱে আৰম্ভ কৰিলে—

'এজন মানুহে ৰাতিপুৱা সাগৰৰ পাৰলৈ ফুৰিবলৈ গৈছিল। গৈ তেওঁ দেখিলে যে সাগৰৰ জোৱাৰত উটি আহি হাজাৰ হাজাৰ তৰামাছ পাৰৰ বালিত পৰি ৰৈছে। পুৱাৰ ৰ'দজাক ওলাইছিল। মানুহজনে বুজি পালে যে ৰ'দৰ তাপত এই মাছবোৰ মৰি থাকিব। তেওঁ অলপ আগুৱাই গৈ বালিত পৰি থকা তৰামাছ এটা তুলি লৈ সাগৰৰ পানীলৈ দলিয়াই দিলে। তাৰ পিছত আৰু এটা। আৰু এটা। একেটা কামকে তেওঁ বাৰে বাৰে কৰি থাকিল। তাকে দেখি এজন মানুহে তেওঁক সুধিলে— 'আপুনি কি কৰি আছে? ইয়াত হাজাৰ হাজাৰ তৰামাছ পৰি আছে। এই এটা-দুটা মাছক বচোৱাৰ পৰা কিনো পাৰ্থক্যটো হ'ব?' উত্তৰত মানুহজনে একো নক'লে। তেওঁ আৰু এটা তৰামাছ তুলি লৈ সাগৰৰ পানীলৈ দলিয়াই দি ক'লে— এই সৰু মাছটোৰ বাবে কিন্তু ডাঙৰ পাৰ্থক্য হ'ব।'

অনুভৱে ৰৈ দিলে।

'সাধু কোৱা শেষ হ'ল?'— জিলমিলে প্ৰশ্ন কৰিলে।

'অ'।'— অনুভৱে উত্তৰ দিলে।

'এতিয়া সাধুটোত মই অলপ যোগ দিওঁ শুনক।'— অনুভৱৰ হা বা নালৈ অপেক্ষা নকৰি জিলমিলে কৈ গ'ল—

'তাৰ পিছত আনজন মানুহেও হাতত তৰামাছ এটা তুলি ল'লে আৰু সাগৰৰ পানীলৈ দলিয়াই দিলে।'

সাধু নহয়, যেন এটা সাঁথৰহে কৈছে জিলমিলে। যেন সাঁথৰৰ উত্তৰ উলিয়াবলৈ প্ৰত্যাহ্বানহে জনাইছে অনুভৱক। জিলমিলৰ চকুদুটা কৌতুকময়তাত আকৌ জিলমিলাই উঠিল।

সহ্য নহয়।

অনুভৱে মুখখন ঘূৰাই দিলে।

৫২.

অসীম চাইকেলখনৰ পৰা নামিল। অনুভৱ মাষ্টৰৰ বাতৰি কাকত তিনিখন হাতত লৈ সি গে'ট খুলি ভিতৰলৈ সোমাই গ'ল। বাৰাণ্ডাত বহি অনুভৱ মাষ্টৰে কিতাপ এখন পঢ়ি আছিল। অসীমক সোমাই অহা দেখি অনুভৱ মাষ্টৰে কিতাপখন জপাই থ'লে। অসীমে বাতৰি কাকতকেইখন আগবঢ়াই দি কিতাপখন হাতত তুলি ল'লে। কিতাপখনৰ নামটো — The Little Prince। লেখকৰ নামটোহে কিবা আচহুৱা।

অসীমে কৈয়েই দিলে—

'লেখকৰ নামটো বৰ অদ্ভুত!'

'অ' লেখকজন ফৰাচী। নামটো এণ্টইন ডি ছেণ্ট-এক্সুপেৰী। মানুহজন আচলতে বৈমানিক আছিল। এই কিতাপখন মই কিমানবাৰ পঢ়িছো হিচাপ নাই। মন বেয়া লাগিলে মই প্ৰায়েই এই কিতাপখন পঢ়ো।'

'তাৰ মানে আজিও আপোনাৰ মন বেয়া?'

অনুভৱ মাষ্টৰে হাঁহিলে।

'মন এটা আছে যেতিয়া মাজে মাজেতো বেয়া লাগিবও পাৰে।'

অসীমে বুজি পালে অনুভৱ মাষ্টৰে কথাটো চমুৱাইছে। তাৰ জানিবৰ বৰ ইচ্ছা হ'ল— তেওঁৰনো মন কিয় বেয়া। কিন্তু সুধিবলৈ তাৰ লাজ লাগিল।

'ছাৰ। আপোনাৰ গণিতৰ প্ৰশ্নটো যে? সেই যে বিছটা ক্ৰমিক যৌগিক সংখ্যাৰ উদাহৰণ দিব লাগে—'

অসীমৰ কথাত অনুভৱ মাষ্টৰ উৎসাহিত হৈ উঠিল।

'অ'— অ'— উত্তৰ উলিয়াব পাৰিলা নেকি?'

'কিজানি পাৰিছো ছাৰ!'

'কোৱাচোন শুনো।'— অনুভৱ মাষ্টৰ যেন উত্তেজিত হৈ উঠিল।

'ছাৰ— প্ৰথমটো সংখ্যা হ'ব ২ৰ পৰা ২১লৈকে পূৰণ কৰি তাৰ লগত ২ যোগ কৰিলে যিটো সংখ্যা পাম সেইটো। মানে সংখ্যাটো ২×৩×৪×...×২১+২। দ্বিতীয় সংখ্যাটো ২×৩×৪×...×২১+৩ আৰু বিশ নম্বৰ সংখ্যাটো হ'ব ২×৩×৪×...×২১+২১!'

'আচ্ছা! সংখ্যাকেইটা বাৰু ক্ৰমিক বুজিলো। যৌগিক হয়নে?'— অনুভৱ মাষ্টৰে অসীমক পৰীক্ষা কৰি চোৱাৰ মনেৰে সুধিলে। তেওঁ নিশ্চিত যে অসীমে ঠিকেই ব্যাখ্যা কৰিব পাৰিব।

'ছাৰ। প্ৰথমটো সংখ্যা ২ৰে, দ্বিতীয়টো ৩ৰে, আৰু এনেকৈ বিছ নম্বৰ সংখ্যাটো ২১ৰে সম্পূৰ্ণকৈ হৰণ কৰিব পৰা যাব। গতিকে গোটেইকেইটা সংখ্যাই যৌগিক হ'ব!'

অনুভৱ মাষ্টৰ বিস্ময় বিমুগ্ধ হৈ গ'ল।

'মোৰ মন ঠিক হৈ গ'ল!'— হাঁহি মাৰি অনুভৱ মাষ্টৰে ক'লে।

অসীমো আচৰিত হৈ গ'ল। ছাত্ৰ এজনে অংক এটা সমাধান কৰিব পাৰিলে শিক্ষক এজনৰ বেয়া লাগি থকা মন এটাও ঠিক হৈ যাব পাৰেনে?

আচৰিত হৈ অসীমে তাৰ মাষ্টৰৰ মুখলৈ চাই থাকিল! আচৰিত হৈ অনুভৱে তেওঁৰ ছাত্ৰৰ মুখলৈ চাই থাকিল!

৫৩.

এই সৰু সৰু ল'ৰা-ছোৱালীবোৰ যে ইমান বেছি স্পৰ্শকাতৰ— আৱেগেৰে সিক্ত হৈ সিহঁতৰ বুকুবোৰ যেন চপচপীয়া হৈ থাকে।

সিদিনা আছিল অসীমহঁতৰ স্কুল সপ্তাহৰ দ্বিতীয় দিন। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। কাগজৰ টুকুৰা কিছুমানত বক্তৃতাৰ বিষয়বোৰ লিখি লাৰু বনাই খৰাহী এটাত ৰখা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে খৰাহীৰ পৰা লাৰু টানি নিজৰ ভাগত পৰা বিষয়টোত বক্তৃতা দি গৈছিল।

নিৰ্মলৰ ভাগত পৰা বিষয়টো আছিল লাচিত বৰফুকন। নিৰ্মলে লাচিত বৰফুকনৰ বিষয়ে ক'বলৈ লৈ শৰাইঘাটৰ যুদ্ধৰ প্ৰসংগ উলিয়ালে। লাচিতৰ বীৰত্বৰ কথা ক'লে। গড় বন্ধা কামত গাফিলতি কৰা বাবে লাচিতে 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি মোমায়েকৰ শিৰশ্ছেদ কৰা কথাটোও ক'লে। কিন্তু এইখিনি কথা কওঁতে নিৰ্মলৰ দুই মিনিট সময়ো খৰচ নহ'ল। বক্তৃতাৰ বাবে দিয়া হৈছিল পাঁচ

মিনিটকৈ সময়। বাকী সময়খিনিত ক'বলৈ নিৰ্মলে কথা বিচাৰি নোপোৱা হ'ল। সি অস্বস্তিত উচপিচাবলৈ ধৰিলে। এসময়ত সি লাজত ম্রিয়মাণ হৈ পৰিল। সি তলমূৰকৈ থিয় হৈ থাকিল। আৰু এসময়ত তাৰ চকুৰে পানী বৈ আহিল। লাচিত বৰফুকনৰ দৰে জাতিৰ গৌৰৱ বীৰপুৰুষ এজনৰ বিষয়ে ক'ব পৰাকৈ বেছি কথা নাজানে বাবে নিৰ্মল অনুশোচনাত দগ্ধ হ'ল। সি কান্দি পেলালে।

কিন্তু নিৰ্মলৰ এই ব্যৰ্থতাৰ বাবে তাক কোনো শিক্ষকেই গালি পাৰিব নোৱাৰিলে। প্ৰায় সকলোকেইগৰাকী শিক্ষকে অনুভৱ কৰিলে যে তেওঁলোকেও আচলতে লাচিত বৰফুকনৰ বিষয়ে নিৰ্মলতকৈ বেছি একো নাজানে। নিৰ্মলৰ অৱস্থা দেখি অৱশেষত অনুভৱ মাষ্টৰে তাক সান্ত্বনা দিলে—

'লাচিত বৰফুকনৰ বিষয়ে নজনাৰ বাবে অকল নিৰ্মলহঁত দোষী নহয়। লাচিত বৰফুকনৰ দৰে আমাৰ অতীতৰ গৌৰৱময় অধ্যায়বোৰৰ বিস্তৃত তথ্য উদ্‌ঘাটন হোৱা নাই। যিখিনি হৈছে তাকো ছাত্ৰ-ছাত্ৰীসকলে জানিবৰ বাবে পাঠ্যক্ৰমত সুব্যৱস্থা নাই। বুৰঞ্জী মানেই যেন যুদ্ধ-বিগ্ৰহ আৰু চন-তাৰিখৰ অনাকৰ্ষণীয় তথ্যৰ ভঁৰাল! পাঠ্যক্ৰমৰ বাহিৰতো এইবোৰ কথা জানিবলৈ আমি শিক্ষক আৰু অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত নকৰোঁৱেই। সুযোগ পালেই আমি নিজকে লাচিতৰ দেশৰ মানুহ বুলি কওঁ। কিন্তু লাচিতৰ বিষয়ে জানো কিমান? আনকি 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি লাচিতে মোমায়েকক কটা কথাষাৰো হেনো মাত্ৰ কল্পনাহে! কিছুমান বুৰঞ্জীবিদৰ মতে— লাচিতে মোমায়েকক কটা নাছিল, মৌ-মাইকহে কাটিছিল। মৌ-মাই মানে আহোম ভাষাত গড় বন্ধা অভিযন্তা। লাচিতে হেনো আচলতে অভিযন্তাজনকহে কাটিছিল।

শেষত অনুভৱ মাষ্টৰে নিৰ্মলক কৈছিল— নিৰ্মলে ইচ্ছা কৰিলে সূৰ্য কুমাৰ ভূঞাৰ 'লাচিত বৰফুকন' নামৰ কিতাপখন পঢ়িব পাৰে। সূৰ্য কুমাৰ ভূঞাৰেই 'অসম বুৰঞ্জীৰ কথা' নামৰ কিতাপখনতো অসম বুৰঞ্জীৰ বিভিন্ন বিষয়ৰ কথা থাউকতে পোৱা যায়। ইচ্ছা কৰিলে নিৰ্মলে দুয়োখন কিতাপেই তেওঁৰ পৰা আনি পঢ়িব পাৰিব। অনুভৱৰ কথা শুনি জিলমিলে সনাতন হেড মাষ্টৰক দুটা অনুৰোধ জনালে ঃ প্ৰথম অনুৰোধটো হ'ল— বিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ হিচাপে কিতাপ দিয়া হওক আৰু কিতাপবোৰ সুচিন্তিতভাৱে নিৰ্বাচন কৰা হওক যাতে সেইবোৰৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে দুই-চাৰিটা কথা শুদ্ধকৈ জানিব পাৰে। জিলমিলৰ দ্বিতীয় অনুৰোধ— বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগীকৈ এটা পুথিভঁৰাল গঢ় দিয়া হওক। তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা বাৰ্ষিক নামমাত্ৰ মাচুল সংগ্ৰহ কৰিলেও বছৰি বহুত টকা গোট খাব। শিক্ষকসকলেও অলপ সৰহীয়াকৈ

দান আগবঢ়াওক। জিলমিলে প্ৰস্তাৱ দিলে যে পুথিভঁৰালটো সুচিন্তিতভাৱে গঢ় দিয়াৰ দায়িত্ব অনুভৱকেই দিয়া হওক! কাৰণ পুথিভঁৰালৰ দায়িত্ব কিতাপৰ পোকৰ হাততে থাকিব লাগে। তেহে পুথিভঁৰালটো ভাল হ'ব।

জিলমিলৰ গোটেইখিনি প্ৰস্তাৱ সনাতন হেড মাষ্টৰে লগে লগেই মানি ল'লে। কাৰণ কামখিনি মন গ'লেই কৰিব পৰা বিধৰ, অথচ বৰ প্ৰয়োজনীয়ও।

অসীমে যেতিয়া আকস্মিক বক্তৃতাত ভাগ ল'বলৈ মঞ্চলৈ আগবাঢ়িছিল, সকলোৱে তাৰ প্ৰতি দৃষ্টি নিবদ্ধ কৰিছিল। সকলোৰে অসীমৰ প্ৰতি কৌতূহল এটা আছিলেই। স্কুল বাদ দিয়া, পুলিচে থানালৈ বান্ধি নিয়া ল'ৰাজন যেন সকলোৰে বাবে ৰহস্যময়। তদুপৰি নতুনকৈ স্কুললৈ অহাৰ পিছত যোৱাকেইমাহত অসীমে আচৰিত ধৰণে উন্নতি কৰিছে। অৱশ্যে অসীমৰ এই উন্নতিত অনুভৱ অলপো আচৰিত হোৱা নাই। বৰং তেওঁ বিশ্বাস কৰে যে অসীমে এতিয়াও তাৰ সামৰ্থ্যৰ প্ৰমাণ দেখুৱাবলৈ বহুত বাকী। কিন্তু এই গতিত উন্নতি কৰি থাকিলে অসীমে এদিন সঁচাকৈয়ে প্ৰমাণ কৰিব পাৰিব যে মহেন্দ্ৰ মাষ্টৰে কেইবছৰমান আগতে কোৱাৰ দৰেই— সি সঁচাকৈয়ে এই স্কুলখনৰ জুৱেল।

সকলোৱে দেখিলে— ধীৰ খোজেৰে গৈ অসীম মঞ্চৰ ওপৰত উঠিছে। খৰাহীৰ পৰা হাতত কাগজৰ লাৰু এটা তুলি লৈছে। কাগজৰ লাৰুটোৰ ভাঁজ খুলিছে। তাৰ ভাগত পৰা বিষয়টো পঢ়ি চাইছে। তাৰ ওঁঠ দুটা কঁপি উঠিছে। সি কিবা ক'বলৈ চেষ্টা কৰিছে। কিন্তু তাৰ মুখেৰে এটাও শব্দ ওলোৱা নাই। সি গভীৰ দৃষ্টিৰে এবাৰ নিৰ্মলৰ ফালে চাইছে— এবাৰ অনুভৱ মাষ্টৰৰ ফালে চাইছে। সকলোৱে মন কৰিলে চকুত কিবা পৰাৰ দৰে সি ঘন ঘনকৈ চকুদুটা জপোৱা-মেলা কৰিবলৈ ধৰিছে। অসীমে একো নোকোৱা দেখি সনাতন হেড মাষ্টৰে তাৰ ভাগত পৰা বিষয়টো কি জানিবলৈ বিচাৰিলে। অসীমৰ ওঁঠ দুটা আকৌ এবাৰ কঁপি উঠিল। এইবাৰো তাৰ মুখেৰে এটাও শব্দ নোলাল। অথচ সি মঞ্চৰ পৰাও নামি অহা নাই।

অগত্যা বাধ্য হৈ অনুভৱ মাষ্টৰ মঞ্চলৈ উঠি গ'ল। অসীমৰ হাতৰ পৰা কাগজৰ টুকুৰাটো লৈ তেওঁ বিষয়টো পঢ়ি চালে— 'মোৰ প্ৰিয় মানুহগৰাকী!' অনুভৱ মাষ্টৰে অসীমলৈ চালে— এবুকু আবেগৰ হেঁচাত নিৰ্বাক হৈ থিয় হৈ আছে ল'ৰাজন। উজাই অহা এসোপা কান্দোন সামৰি-সুতৰি হেঁচি-ঠেলি জোৰকৈ ওভতাই পঠাবলৈ চেষ্টা কৰোঁতে বাৰে বাৰে অস্থিৰভাৱে কঁপি উঠিছে তাৰ ওঁঠযুৰি!

অনুভৱ মাষ্টৰে সোঁহাতখনেৰে আলফুলে চুই দিলে অসীমৰ চুলিখিনি—

আৰু সকলোৱে দেখিলে— অসীমৰ দুগালেদি ধাৰাসাৰে বৈ আহিছে চকুপানী।

৫৪.

বাতৰি কাকতখন হাতত লৈ নিৰ্মলে অসীমক সুধিলে—

'তোৰ চাইকেলত তুলি মোক অনুভৱ ছাৰৰ ঘৰলৈ লৈ যাবি?'

আচৰিত হৈ অসীমে ক'লে—

'এতিয়াই? ছয় বজাই নাই!'

'একো নহয় ব'লচোন।'

'খুৰীহঁতক কৈছ্?'

'কৈছোঁ।'

অসীমে নিৰ্মলক তাৰ চাইকেলত তুলি ল'লে।

নিৰ্মলক অনুভৱ মাষ্টৰৰ ঘৰত নমাই থৈ অসীম বাতৰি কাকত বিলাবলৈ গুচি গ'ল। ইমান পুৱাতে নিৰ্মলক তেওঁৰ ঘৰলৈ অহা দেখি অনুভৱ মাষ্টৰ আচৰিত হ'ল। তথাপি সেই কথাৰ চিন চকু-মুখত যাতে ফুটি নুঠে তাৰ বাবে তেওঁ সচেষ্ট হ'ল।

'মোক চাগে ইমান পুৱাই অহা দেখি আপুনি আচৰিত হৈছে!'— নিৰ্মলে হাঁহিবলৈ চেষ্টা কৰিলে।

'কিয় আহিলা কোৱাচোন।'

নিৰ্মল মনে মনে থাকিল।

অনুভৱ মাষ্টৰে নিৰ্মলক ভিতৰলৈ লৈ গ'ল। নিজহাতে দুকাপ চাহ বনাই আনিলে। তেওঁ ৰাতিপুৱাৰ চাহ খোৱাই নাছিল। চাহৰ কাপত শোহা মাৰি অনুভৱ মাষ্টৰে আকৌ সুধিলে—

'কিয় আহিলা কোৱা।'

অলপ সময় ৰৈ, তলমূৰকৈ থাকি নিৰ্মলে ক'লে— 'মোৰ মনটো বেয়া লাগি আছিল!'

অনুভৱ মাষ্টৰে যেন হঠাৎ জোকাৰণি এটাহে খালে। কিহবাই যেন তেওঁৰ বুকুখন মুচৰি পেলালে। মমতাভৰা দৃষ্টিৰে তেওঁ নিৰ্মলৰ মুখখনলৈ চাই থাকিল।

'মোৰ জন্মৰে পৰা হাৰ্টৰ অসুখ। এটা ডাঙৰ চাৰ্জাৰিও হৈ গৈছে।'

অলপ ৰৈ নিৰ্মলে আকৌ ক'লে— 'মোৰ হাৰ্টটো আনৰ দৰে নহয় ছাৰ!'

নিৰ্মলৰ হাত এখনত খামোচ মাৰি ধৰি অনুভৱ মাষ্টৰে ক'লে—

'মই সকলো জানো নিৰ্মল!'

অলপ সময় নীৰৱেই পাৰ হৈ গ'ল।

অনুভৱ মাষ্টৰে নিৰ্মলক সান্ত্বনা দিবলৈ ক'লে— 'এখন বাগিচাৰ সকলোবোৰ

ফুলেই জানো একে হয় নিৰ্মল? প্ৰতিপাহ ফুলৰে নিজা সৌন্দৰ্য থাকে। তোমাৰ জীৱনটোৰো নিজা সৌন্দৰ্য আছে।'

'মোৰ জীৱনটোৰ জানো কিবা অৰ্থ আছে ছাৰ?'

অনুভৱৰ খুব দুখ লাগিল। লগৰীয়াক সততে সহায় কৰিব খোজা, অসীমক অন্ধকূপৰ পৰা হাতত ধৰি তুলি আনিব খোজা এই ল'ৰাজনৰো বুকুৰ ভিতৰত আছে গভীৰ ক্ষত। গোপনে লুকাই ৰখা গভীৰ ক্ষত। অনুভৱ মাষ্টৰে অন্তৰৰ গভীৰৰ পৰা মৰম সানি সানি প্ৰতিটো শব্দ উচ্চাৰণ কৰি গ'ল—

'তোমাৰ জীৱনৰ অৰ্থ নাই বুলি কিয় ভাবিছা নিৰ্মল? তেনেকৈ চাবলৈ গ'লে কাৰ জীৱনৰ অৰ্থ আছে! তোমাৰ জীৱনৰ যে অৰ্থ আছে সেই কথা মই জানো, অসীমে জানে, তোমাৰ মা-দেউতাই জানে। সেই কথা তুমিও জানিব লাগিব। অসুখ, দুখ-যন্ত্ৰণাই জীৱনটো অৰ্থশূন্য কৰি পেলাব নোৱাৰে। তোমাৰ চাৰিওফালৰ পৃথিৱীখনৰ ওচৰতো তোমাৰ জীৱনৰ অৰ্থ আছে আৰু তোমাৰ নিজৰ ওচৰতো তোমাৰ জীৱনৰ অৰ্থ আছে। ষ্টিফেন হকিঙৰ কথাতো তুমি জানা! হকিঙক যেতিয়া ডাক্তৰে কৈছিল যে তেওঁ আৰু মাথোঁ কেইবছৰমানহে জীয়াই থাকিব, তেতিয়াই হকিঙৰ বাবে জীৱনটোৰ অৰ্থ শূন্য হৈ যাব লাগিছিল। কিন্তু গৈছিল জানো? স্বয়ং হকিঙেই লিখিছিল যে তেতিয়াৰ পৰাহে তেওঁ জীৱনটোৰ মূল্য বুজি পোৱা হ'ল আৰু জীৱনটো উপভোগ কৰিবলৈ ল'লে। এইবোৰ তোমাক সাহস দিবলৈ কোৱা কাল্পনিক কাহিনী নহয়।'

অনুভৱ মাষ্টৰে ৰেক এখনৰ পৰা ষ্টিফেন হকিঙৰ Black Holes and Baby Universe and other Essays নামৰ কিতাপখন উলিয়াই আনিলে। তাৰ পৰা তেওঁ হকিঙে লিখা কথা কিছুমান নিৰ্মলক পঢ়ি শুনালে— In fact, although there was a cloud hanging over my future, I found to my surprise that I was enjoying life in the present more than I had before. অৰ্থাৎ— বেমাৰৰ কথা জনাৰ পিছত যদিও হকিঙৰ ভৱিষ্যতৰ ওপৰত এটুকুৰা মেঘ ভাহি থাকিল, তথাপি হকিঙে আচৰিত হৈ অনুভৱ কৰিলে যে তেওঁ জীৱনটো আগতকৈ বেছি ভালকৈ উপভোগ কৰিছে।

তাৰ পিছত অনুভৱ মাষ্টৰে নিৰ্মলক কৈ গ'ল— 'ছাত্ৰ হিচাপে তোমাক লগ পোৱাটো মোৰ জীৱনৰ এটা ডাঙৰ প্ৰাপ্তি। তোমাক বন্ধু হিচাপে পোৱাটো অসীমৰ জীৱনৰ এক ডাঙৰ প্ৰাপ্তি। তোমাৰ মা-দেউতাৰ বাবেও তুমি খুব মৰমৰ, খুব হেঁপাহৰ এক প্ৰাপ্তি। তোমাৰ জীৱনটো তোমাৰ বাবেও এক ডাঙৰ প্ৰাপ্তি। তোমাৰ জীৱনত দুখ আছে, যন্ত্ৰণা আছে, চিকিৎসাৰ কষ্ট আছে। তাৰ পিছতো জয়ী হ'ব

লাগিব জীৱন। তাৰ বাবে তোমাৰ থাকিব লাগিব সাহস। আৰু এটা যুঁজাৰু মন। মই জানো— তোমাৰ বুকুৰ ভিতৰৰ হৃদপিণ্ডটোত বহুত কটা-ছিঙা আছে। কিন্তু তোমাৰ থকাৰ দৰে নির্মল হৃদয় এখন কেইজনৰ আছে? তোমাৰ হৃদপিণ্ডটো আনৰ লগত নিমিলে, তোমাৰ অন্তৰখনো আনৰ লগত নিমিলে। সেইখন অন্তৰতেই তুমি নিজৰ বাবে সাঁচিব লাগিব সাহস আৰু যুঁজাৰু মানসিকতা। সমাজৰ সকলোৰে পৰাই তুমি ভাল কথাই শুনিবা বুলিও আশা নকৰিবা। নিৰাশাজনক কথাতো তুমি ভাগি নপৰিবা।'

একেবাহে বহুত কথা কৈ অনুভৱ মাষ্টৰে বৈ দিলে। নির্মলৰ মুখলৈ চাই তেওঁ গম পালে নির্মলৰ মনটো বহুত ফৰকাল হৈ পৰিছে। অনুভৱৰ মনটোও যেন ফৰকাল হৈ পৰিল। তেওঁ হাঁহি মাৰি নির্মলক ক'লে—

'হৈ যায় নির্মল। জীৱনত কেতিয়াবা আশা নকৰা, নঘটিব লগা কথাবোৰো ঘটি যায়। তেনেকুৱা হৈ যায় কেতিয়াবা। জীৱনৰ সকলো কথাই বিচৰামতে নহয়। সকলোৰে জীৱনত দুখ-যন্ত্ৰণা থাকে। কাৰোবাৰ কম, কাৰোবাৰ বেছি। দগা-পল্লাৰে জুখিতো দুখবোৰ সমান কৰি ল'ব নোৱাৰি! গতিকে মোৰহে ইমান বেছি দুখ বুলি কান্দি থাকিলে কি হ'ব! অসীমক কোৱা কথা এবাৰেই তোমাকো কওঁ— জীৱনটো খেলুৱৈসুলভ মনেৰে গ্ৰহণ কৰা।'

'কিন্তু মোৰ যে মনটো কেতিয়াবা বেয়া হৈ যায়!'— নির্মলে অনুভৱ মাষ্টৰক জনালে।

'মন এটা আছে যেতিয়া কেতিয়াবাতো বেয়া লাগিবই! মাত্ৰ দুখবোৰ ভিতৰত সাঁচি থ'ব নালাগে। তোমাৰ মনৰ লগত মিলা, তোমাক বুজি পোৱা, তোমাৰ আৱেগ-অনুভূতিক বুজি পোৱা কাৰোবাৰ সৈতে কথাবোৰ পাতিবা।'

'মোৰ মন বেয়া লাগিলে আপোনাৰ ওচৰলৈ আহিমনে ছাৰ?'

নির্মলে আকুলভাৱে সোধা কথাষাৰে অনুভৱ মাষ্টৰৰ বুকুখন চুই যায়। নির্মল-অসীমহঁতে তেওঁক ইমান আপোন বুলি ভাবে! সিহঁতে অনুভৱ মাষ্টৰক নিজৰ বুকুৰ ভিতৰত ঠাই দি ৰাখিছে। তেওঁক ইয়াতকৈ আৰু কি লাগে?

'আহিবা নির্মল। আহিবা।'

কোনোমতে কথাখিনি উচ্চাৰণ কৰে অনুভৱ মাষ্টৰে।

৫৫.

অসীমে আকৌ স্কুললৈ যাবলৈ আৰম্ভ কৰাৰে পৰা তাৰ পাহাৰৰ তলিত শিল ভঙা লগৰীয়াকেইজনৰ সৈতে সংযোগ হেৰুৱাই পেলালে। ৰমেন, ৰতন,

দীপকহঁতক সি বহুদিন লগেই পোৱা নাই। যেন দুখন পৃথিৱী! কোনো যোগাযোগ নথকা দুখন পৃথক জগত।

স্কুল ছুটীৰ পিছত অসীমে তাৰ জীৱনৰ এছোৱা সময়ৰ বন্ধুকেইজনক বিচাৰি পাহাৰ তলি পালেগৈ। দূৰৈৰ পৰা সি দেখিলে সিহঁতে আগৰ দৰেই শিল ভাঙি আছে। সিহঁতৰ বাবে তাৰ বৰ দুখ লাগিল। তাৰ এনেকুৱা লাগিল সিহঁত যেন ফান্দত পৰা এন্দুৰ। নিৰ্মল আৰু অনুভৱ মাষ্টৰে ফান্দৰ পৰা মুকলি কৰি তাক উদ্ধাৰ কৰিলে। কিন্তু সিহঁতক মুকলি কৰোঁতা কোনো নাই।

অসীম সিহঁতৰ ওচৰ পালেগৈ। সিহঁতে মূৰ তুলি তাৰ ফালে এবাৰ চালে। তাৰ পিছত সিহঁতে আকৌ শিল ভঙাত ব্যস্ত হৈ গ'ল। আগতে হোৱা হ'লে হুলস্থূল, চিঞৰ-বাখৰ কৰি সিহঁতে তাক মাতিলেহেঁতেন, কথা পাতিলেহেঁতেন। আনকি ৰমেনে তাক 'জুৱেল' বুলি ঠাট্টা কৰি অবাইচ মাতো মাতিলেহেঁতেন। কিন্তু আজি সিহঁত তাক দেখিও নিশ্চুপ, নিস্পৃহ। অসীমে বুজি পালে সিহঁতে ইতিমধ্যেই তাক সিহঁতৰ পৃথিৱীখনৰ পৰা বিদায় দিছে। তাৰ প্ৰতি সিহঁতৰ মনত কি ভাবে বাহ লৈছে অসীমে অনুমান কৰিব নোৱাৰিলে। সি মাথোঁ বুজিলে সি সেইখন জগতৰ পৰা ইতিমধ্যে নিৰ্বাসিত। অসীমক কি সিহঁতে স্বাৰ্থপৰ বুলি ভাবিছে? নিজে সুযোগ পালে গতিকে পলাই গুচি গ'ল? এই জগতখন যেন বিৰাট নিৰ্মম। হয়তো অসীমে সঁচাই পলায়নৰ পথ বিচাৰি আছিল। পথ বিচাৰিয়েই কি সি প্ৰায়েই নিৰ্মলৰ ওচৰলৈ গুচি গৈছিল? সি কি ৰমেনহঁতক প্ৰতাৰণা কৰিছে?

অসীমৰ বৰ অস্বস্তি লাগিল। সি বুজি পালে ৰমেনহঁতৰো তাৰ উপস্থিতিত অস্বস্তি লাগিছে। এটা ভগ্ন মনেৰে অসীম গুচি আহিবলৈ ওলাল। এনেতে সি দেখিলে ৰমেনে হাতুৰীটো শিলৰ দ'মত থৈছে, বহাৰ পৰা সি উঠিছে, আৰু অসীমৰ ওচৰলৈ আগবাঢ়ি আহিছে। অসীমৰ ভাল লাগি গ'ল। কৰক, ৰমেনে তাক আগৰ দৰে 'জুৱেল' বুলি ঠাট্টা কৰক, অবাইচ মাতেৰে গালি পাৰক, বিষাক্ত শব্দবোৰেৰে তাক তীব্ৰভাৱে আক্ৰমণ কৰক—

ৰমেন আহি অসীমৰ সন্মুখত ৰ'ল। মূৰ তুলি তাৰ ফালে চালে। ৰমেনে ক'লে—

'তই ভালেই কৰিলি দে। ভালকৈ পঢ়।'

অসীমে মন কৰিলে পাহাৰ তলিৰ হাতুৰীবোৰৰ শব্দ বন্ধ হৈছে। সকলোৰে সিহঁত দুটাৰ ফালে চাই আছে। অসীমৰ এনে লাগিল ৰমেনে যেন সিহঁত সকলোৰে হৈ সিহঁতৰ মনৰ কথাখিনি তাক ক'বলৈ উঠি আহিছিল।

অসীমে ৰমেনৰ মুখৰ ফালে চালে— সেমেকি আহিব খুজিছে নেকি ৰমেনৰ চকুযুৰি? কলিজা মথা এসোপা দুখে সেমেকাই আনিব খুজিছে ৰমেনৰ চকুযুৰি?

বিষাক্ত বাক্যবাণেৰে অহৰহ অসীমক আক্ৰমণ কৰি থকা কঠুৱা ৰমেনৰ অন্তৰতো লুকাই আছিল নেকি তাৰ প্ৰতি অকণমান হ'লেও শুভেচ্ছা আৰু চকু সেমেকাব পৰা এসোপা কোমল দুখ?

৫৬.

অসীমৰ কথাখিনি শুনি অনুভৱ মাষ্টৰৰ খুব ভাল লাগিল। অসীমে তাৰ লগৰীয়াসকলৰ কথা পাহৰি যোৱা নাই। কথাখিনি এদিন সুবিধা বুজি অনুভৱে শিক্ষকৰ কমন ৰুমত উলিয়ালে। কথাটোত সকলোৱে গুৰুত্ব দিলে— বিশেষকৈ সনাতন হেড মাষ্টৰ আৰু মহেন্দ্ৰ মাষ্টৰে। বহু বছৰ আগতে স্কুল বাদ দিয়াসকলক ওভতাই অনাত কিছু সমস্যা আছে; কিয়নো তেনে ছাত্ৰৰ সৈতে বয়সৰ পাৰ্থক্যাই নিয়মীয়া ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে একধৰণৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে। কিন্তু যোৱা তিনি-চাৰি বছৰত যিখিনি ছাত্ৰ-ছাত্ৰীয়ে স্কুল এৰিছে সেইখিনিক নতুন বছৰৰ পৰাই ওভতাই আনিব পৰা যায়। মূলতঃ দুটা কাৰণত ছাত্ৰ-ছাত্ৰীসকলে স্কুল এৰে। পঢ়া বুজি নাপাই পৰীক্ষা বেয়া কৰি পঢ়াৰ প্ৰতি আকৰ্ষণ হেৰুৱাই কিছুমানে স্কুল এৰে। এইখিনিক শিক্ষকে সহানুভূতিৰে, দৰকাৰ হ'লে পৃথকে ধৈৰ্য সহকাৰে পঢ়ুৱাব লাগিব। আন বহুতেই আকৌ স্কুল এৰে পঢ়াৰ খৰচ যোগাৰ কৰিব নোৱাৰি। এইখিনিৰ বাবেও বিশেষ ব্যৱস্থাৰ দৰকাৰ হ'ব। সিহঁতৰ স্কুলৰ ফীজ ৰেহাই দিব পৰা যায়। তদুপৰি অসীমৰ দৰে কিঞ্চিৎ উপাৰ্জনৰ বাবে চিন্তা-চৰ্চা কৰি কিছুমান পথ উদ্ভাৱন কৰিব পৰা যায়। অসীমৰ বাতৰি কাকতৰ এজেঞ্চীতো কেইবাজনকো নিযুক্ত কৰিব পৰা যায়। কাৰণ গ্ৰাহকৰ সংখ্যা বঢ়াৰ লগে লগে অকলে বাতৰি কাকত বিলোৱাৰ কামটো অসীমৰ বাবে কষ্টকৰ হৈ আহিছে।

আটাইতকৈ বেছি চিন্তাৰ খোৰাক দিলে জিলমিলৰ প্ৰস্তাৱ এটাই। গাঁওখনত বিহুৰে-পূজাই তিনিখনমান সাংস্কৃতিক সন্ধিয়া পতা হয়। সেই সাংস্কৃতিক সন্ধিয়াবোৰ আৰম্ভ হয় দোভাগ নিশা। তাত দোভাগ নিশাৰ পৰা চেঙেলীয়া আৰ্টিষ্ট কিছুমানে বিকৃত উচ্চাৰণ, বিচিত্ৰ লম্ফ-জম্ফ আৰু বেসুৰীয়া সুৰেৰে ৰাতিপুৱালৈ চিৎকাৰ কৰি থাকে। সাংস্কৃতিক সন্ধিয়াৰ শেষলৈ যিখিনি দৰ্শক থাকে তাৰে বেছিভাগেই মদ খাই নাচি-বাগি হুলস্থূল কৰি থাকে। তেনেকুৱা একোখন সাংস্কৃতিক সন্ধিয়াত কেইবালাখো খৰচ হৈ যায়। জিলমিলৰ মতে তেনে সাংস্কৃতিক সন্ধিয়া একোখন নহ'লেও জাতিৰ সংস্কৃতি একো অধঃপাতে নাযায়। খুব বেছি গায়ক-গায়িকা আৰু বাদ্যযন্ত্ৰীকেইজনৰ ক্ষতি হ'ব। বছৰত তেনে এখন সাংস্কৃতিক

সন্ধিয়া বাতিল কৰি ৰাহি হোৱা লাখ টকাৰে আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে ফাণ্ড এটা কৰিব পৰা যায়। এনেকুৱা কামৰ বাবে লাখ টকা বহুত বেছি। কিন্তু প্ৰশান্ত মাষ্টৰে সন্দেহ প্ৰকাশ কৰিলে— মানুহে এইধৰণৰ সাংস্কৃতিক সন্ধিয়াৰ বাবে যিটো উৎসাহত দান-বৰঙণি আগবঢ়ায়, সেই একেই উৎসাহত মানুহে এনেকুৱা এটা গ্লেমাৰহীন কামৰ বাবে দান-বৰঙণি আগ নবঢ়াব।

অনুভৱেও গমি চালে যে কথাটো হয়। আমাৰ মানুহবোৰৰ দুটা কামতে খুব উৎসাহ— ধৰ্মীয় কৰ্মকাণ্ড আৰু সাংস্কৃতিক সন্ধিয়া। জিলমিল জক্‌জকাই উঠিল— আমাৰ গাঁৱত জাতিৰ কথা চিন্তা কৰা কেইবাটাও অৰাজনৈতিক সংগঠনৰ শাখা আছে। কাৰোবাৰ ছোৱালী কাৰোবালৈ পলাই গ'লে বিচাৰ কৰি হাজাৰ হাজাৰ টকা দণ্ড বিহা বেচৰকাৰী পঞ্চায়ত এখনো আছে। আমি সকলোকে ক'ম— আপোনালোকে যি উদ্যমেৰে বিহুৰ সাংস্কৃতিক সন্ধিয়াৰ বাবে দান-বৰঙণি তোলে সেই একেই উৎসাহেৰে স্কুলখনৰ বাবে, গাঁৱৰ পুথিভঁৰালটোৰ বাবেও বছৰত এবাৰ দান-বৰঙণি তোলক। চাকৰি কৰা মাত্ৰ দহজন শিক্ষকৰেই এইখন স্কুল নহয়। ধুমধামেৰে ধৰ্মীয় উৎসৱ, সাংস্কৃতিক সন্ধিয়াবোৰ পাতি থাকিলেই গাঁওখনৰ, জাতিটোৰ উন্নতি নহয়। কেইজনমান ডেকাই বাইক চলাই ধূলি উৰুৱালেই, কাণত হেডফোনডাল লগাই মোবাইল ফোনত গান শুনিলেই, ৰাস্তাৰ মূৰত ঘণ্টাৰ পিছত ঘণ্টা কেৰম খেলিলেই, ধূৰন্ধৰ নেতাৰ পিছে পিছে ঘূৰি থাকিলেই গাঁওখনৰ উন্নতি নহয়। ভিতৰি ভিতৰি গাঁওখন ফোঁপোলা হৈ গৈছে, ফোঁপোলা। তালৈও চকু ৰাখক।

জিলমিলে অনৰ্গল কৈ গৈছিল। কিঞ্চিৎ চপলতাত সততে জিলমিলাই থকা ছোৱালীজনীৰ চকু দুটা জ্বলি উঠিছে, নাকৰ পাহি দুটা ঘনে ঘনে ফুলি উঠিছে— অনুভৱে মন কৰিলে।

৫৭.

আজি নিৰ্মলহঁতৰ বাছনি পৰীক্ষাৰ শেষদিন। সেই হিচাপত এইখন স্কুলত নিৰ্মলহঁতৰ আজিয়েই শেষ দিন। পৰীক্ষা শেষ কৰি গধুৰ মনেৰে নিৰ্মল বাৰাণ্ডালৈ ওলাই আহিল। ওলায়েই সি অসীমক বিচাৰিবলৈ ধৰিলে। দেখিলে অসীম বকুলজোপাৰ তলত বৈ আছে। নিৰ্মল আগুৱাই গ'ল।

'পৰীক্ষা কেনেকুৱা হ'ল?'— নিৰ্মলে সুধিলে।

'ছয়মাহিলিতকৈ ভাল হৈছে। তোৰ কেনে হ'ল?'— অসীমে সুধিলে।

'ভালেই হৈছে।'— অলপ বৈ নিৰ্মলে আকৌ ক'লে—

'তোক মহেন্দ্ৰ ছাৰে এবাৰ লগ পাবলৈ বিচাৰিছে।'

'কিয় ?'— আচৰিত হৈ অসীমে সুধিলে।

সেই ঘটনাটোৰ পৰা আজি অতদিন হ'ল, অসীমে মহেন্দ্ৰ মাষ্টৰক এৰাই চলিছে। কথা পতাটো দূৰৰ কথা, মহেন্দ্ৰ মাষ্টৰৰ মুখলৈও সি চোৱা নাই। মহেন্দ্ৰ মাষ্টৰেও নিজে আহি কোনোদিন তাৰ লগত কথা পতা নাই।

'কিয় মই নাজানো। কিন্তু মোক তোৰ লগত লগ লগাই দিবলৈ কৈছে।'— নিৰ্মলে অসীমক কথাখিনি জনালে।

'ব'ল।'

'মহেন্দ্ৰ মাষ্টৰৰ ওচৰলৈ ?'— নিৰ্মলে উৎসাহেৰে সুধিলে।

'নহয়। ঘৰলৈ।'— নিস্পৃহভাৱে অসীমে জনালে।

নিৰ্মল বিপাঙত পৰিল। সি কি কৰিব ঠিক কৰিব পৰা নাই। 'দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ' আৰু কাক কয় ?— তভক মাৰি বৈ নিৰ্মলে অলপ ভাবিলে। আৰু লগে লগেই সি দেখিলে মহেন্দ্ৰ মাষ্টৰ সিহঁতৰ ফালে আহি আছে, আহি আছে। কি বা হয় এতিয়া তাকে ভাবি নিৰ্মলৰ বুকুখন ধপ্‌ধপাবলৈ ধৰিলে।

'মই যাওঁ তই থাক।'— কথাষাৰ কৈয়েই অসীম যাবলৈ ওলাল।

'ৰ অ'— ইমান টেনচন নিদিবি।'— নিৰ্মলে অসীমৰ হাতখনত থাপ মাৰি ধৰিলে।

মহেন্দ্ৰ মাষ্টৰ আহি সিহঁত দুটাৰ ওচৰত ৰ'ল। এবাৰ নিৰ্মলৰ ফালে চালে। তাৰ পিছত অসীমৰ ফালে চাই সুধিলে—

'পৰীক্ষা কেনে হ'ল ?'

অসীমে একো উত্তৰ নিদিলে। মহেন্দ্ৰ মাষ্টৰে গম নোপোৱাকৈ নিৰ্মলে অসীমৰ গাত হেঁচুকি উত্তৰ দিবলৈ ইংগিত কৰিলে। তথাপি একো লাভ নহ'ল। অগত্যা বাধ্য হৈ তাৰ হৈ নিৰ্মলেই উত্তৰ দিলে—

'ভাল হৈছে ছাৰ। ছয়মাহিলিতকৈ ভাল হৈছে। কিন্তু আৰু ভাল হ'ব লাগিব।'

'হ'ব, ভাল হ'ব। এইকেইটা দিন কষ্ট কৰ।'— মহেন্দ্ৰ মাষ্টৰে কথাষাৰ কৈ অলপ ৰ'ল। তাৰ পিছত তেওঁ সুধিলে—

'তই কি মোৰ লগত আৰু কোনোদিন কথা নাপাতিবিয়েই নেকি ?'

নাই, অসীমে এইবাৰো একো উত্তৰ নিদিলে। সি মাত্ৰ তলমূৰকৈ থিয় হৈ ৰৈছে। নিৰ্মলৰ বৰ অস্বস্তি লাগিল। সি অসীমৰ ফালে পেন্দোৱাকৈ চালে। তাৰ অৰ্থ— 'মহেন্দ্ৰ ছাৰক গৈ ল'বলৈ দে।'

'তই কি মোক বেয়া পায়েই থাকিবি নেকি?'

অসীমৰ মুখত মাত নাই। নিৰাশ হৈ মহেন্দ্ৰ মাষ্টৰ যাবলৈ ওলাল—

'যা ঘৰলৈ যা। ভালকৈ পঢ়িবি।'

মহেন্দ্ৰ মাষ্টৰ সিহঁতৰ ওচৰৰ পৰা গুচি গ'ল। নিৰ্মলে মহেন্দ্ৰ মাষ্টৰ যোৱাৰ ফালে চালে। দুৰ্দান্ত ভয়ংকৰ শিক্ষকজন কি বিষণ্ণ ভংগিমাৰে আঁতৰি গৈছে!

'কিয় একো কথাৰে উত্তৰ নিদিলি?'— গৰ্জন কৰি উঠিল নিৰ্মল।

অসীমে নিৰ্মলৰ কথাৰো একো উত্তৰ নিদিলে।

'তইতো গম নাপাৱ— সেই ঘটনাটোৰ পিছত মহেন্দ্ৰ মাষ্টৰে তোৰ আঙুলিত দিবলৈ হাতত ডেটলৰ বটল লৈ আমাৰ ক্লাছ ৰুম ওলাইছিলগৈ!'

নিৰ্মলে দেখিলে— চঁক খোৱাৰ দৰে কৰি অসীমে মূৰটো ওপৰলৈ তুলিছে।

'মোৰ সন্দেহ হয়— হয়তো কেৱল তোৰ কথা ভাবিয়েই মহেন্দ্ৰ মাষ্টৰে নিজে আঁতৰি গৈ আমাক গণিত পঢ়ুওৱাৰ দায়িত্ব দিছিল অনুভৱ ছাৰক!'

নিৰ্মলে দেখিলে— অসীমে মূৰটো ঘূৰাই মহেন্দ্ৰ মাষ্টৰ যোৱাৰ ফালে চাইছে। নিৰ্মলেও সেইফালে চালে। নাই, মহেন্দ্ৰ মাষ্টৰ ইতিমধ্যে অদৃশ্য হৈ গৈছে।

৫৮.

হঠাতে ঠাণ্ডাটো বেছিকৈ পৰিল। নিয়ৰো বেছিকৈ পৰিছে। হয়তো সেইবাবেই অসীমৰ ৰাতিপুৱা শোৱাৰ পৰা উঠোতে বহুত পলম হৈ গ'ল। দৌৰাদৌৰিকৈ মুখ-হাত ধুই সি পদূলিলৈ লৰ মাৰিলে।

বাতৰি কাকতৰ টোপোলাকেইটা গাড়ী এখনে পদূলিতে নমাই থৈ যায়। অসীমে সেইকেইটা চাইকেলৰ কেৰিয়াৰত বান্ধি লয়। সেইখিনি সময়তে মাকে তাক চোতালতে চাহ একাপ দি থৈ যায়। তাৰ পিছত সি চাইকেলখন লৈ বাতৰি কাকত বিলাবলৈ গুচি যায়।

পদূলিলৈ গৈ অসীমে দেখিলে যে বাতৰি কাকত এতিয়াও অহাই নাই। কথাটোত সি অলপ আচৰিত হ'ল। কোনোকালে বাতৰি কাকত অহাত ইমান পলম হোৱা নাই। অসীমে কেইবাবাৰো পদূলিলৈ অহা-যোৱা কৰিলে। কিন্তু নাই, বাতৰি কাকত অহা নাই। অসীম দুশ্চিন্তাত পৰিল। মানুহবোৰে সময়মতে বাতৰি কাকতখন নাপালে বেয়া পায়। বাতৰি কাকত অনা গাড়ীখন ক'ৰবাত বেয়া হ'ল নেকি? নে কোনোবা নতুন ড্ৰাইভাৰে ভুল কৰি ক'ৰবাত বেলেগত টোপোলাকেইটা নমাই থৈ গ'ল? অসীমে ওচৰৰ দুঘৰমানৰ পদূলিলৈ গৈ চালেও। ওহোঁ, নাই।

অসীমে পঢ়িবলৈ কিতাপ এখন উলিয়াই ল'লে। কিন্তু পঢ়াত তাৰ মুঠেই মন বহা নাই। অস্বস্তি অলপ কমিব বুলি ভাবিছিল। পিছে নাই। পঢ়া সময়খিনিও সি উচ্পিচাই থাকিল। মাজে মাজে সি পদুলিলৈ গৈ গৈ চালে। নাই, বাতৰি কাকত অহা নাই। এসময়ত কুঁৱলী ফালি ৰ'দ ওলাল। তথাপি বাতৰি কাকত নাহিল। এনেকুৱা সময়ত আনদিনা বাতৰি কাকত বিলাই সি ঘৰ পাবৰেই হয়। অসীমে আশা এৰি দিলে। তাৰ মনটো বেয়া হৈ গ'ল।

ইতিমধ্যে আজলীয়েও হাত-মুখ ধুই পঢ়া-শুনাত ব্যস্ত হৈ পৰিছে। অলপতে তাইৰ বছৰেকীয়া পৰীক্ষা। তাৰো মেট্ৰিকলৈ আৰু বেছি দিন নাই। বাতৰি কাকত বিলাই আহি এনেকুৱা সময়ত সিও পঢ়া-শুনাত ব্যস্ত হৈ পৰে। এতিয়া আৰু স্কুলৰ লেঠা নাই। কিন্তু আজি অসীমে পঢ়াত একেবাৰে মন বহুৱাব পৰা নাই।

বাহিৰত টিং টিংকৈ চাইকেলৰ টিলিঙা বাজিছে। কোন আহিছে চাবলৈ অসীম ঘৰৰ বাহিৰ ওলাই আহিল। অসীমৰ বাপেক। অসীমে কথাটো এতিয়াহে মন কৰিলে— ঘৰত চাইকেলখন নাছিলেই। বাতৰি কাকত আহিলেও সি ইমান সময়লৈ বিলাবলৈ যাবলৈ নোৱাৰিলেহেঁতেন। পলমকৈ বাতৰি কাকত বিলাবলৈ গ'লে অসীমে যে কিমান মানুহৰ কথা শুনিব লগা হ'লহেঁতেন! আজি বাতৰি কাকত নহাই ভালেই হৈছে।

'ইমান ৰাতিপুৱাই চাইকেল লৈ ক'লৈনো গৈছিলি?'— অসীমে অলপ বিৰক্তি মিহলি সুৰতে ক'লে।

'এ— বাতৰি কাকতকেইখন আজি ময়েই বিলাই আহিলো দে।'

— চাইকেলখন ঠেলি ঠেলি একাষৰীয়া কৰি বাপেকে স্বাভাৱিক সুৰতেই কথাষাৰ ক'লে।

মন উন্মনা কৰা এটা গানৰ সুৰহে যেন অসীমৰ বুকুৰ ভিতৰলৈ সোমাই গ'ল হঠাতে। এক মুহূৰ্তৰ বাবে অসীম নিৰ্বাক হৈ ৰ'ল। নিজকে চম্ভালি লৈ অসীমে তাৰ দুশ্চিন্তা প্ৰকাশ কৰিলে— 'গ্ৰাহকবোৰ জান জানো? কাক বা কি বাতৰি কাকত বিলাই আহিলিগৈ, কাইলৈ মই মানুহৰ গালি খাওঁতেই যাব।'

'তোৰ এজেঞ্চীৰ হিচাপৰ বহীখনতে দেখোন গ্ৰাহক আৰু কাষতে বাতৰি কাকতৰ নামবোৰ লিখি থৈছ! তাতে চাই চায়েই বিলাইছো।'— বাপেকে বহীখন অসীমলৈ আগবঢ়াই দিলে।

'এইকেইটাদিন বাতৰি কাকত ময়েই বিলাম দে। তই ভালকৈ পঢ়। মেট্ৰিকলৈনো আছে কেইদিন!'

বহীখন হাতত লৈ অসীম দৌৰি গৈ ঘৰৰ ভিতৰ সোমাল। আৰু খাটখনৰ গাৰু

এটাত মুখখন গুঁজি উবুৰি হৈ সি পৰি থাকিল।

ওচৰতে পড়ি থকা আজলীয়ে দেখিলে— ককায়েকৰ গাটো মাজে মাজে কঁপি কঁপি উঠিছে।

৫৯.

এমাহ আগতে জিলমিলে সহকৰ্মীসকলৰ আগত ঘোষণা কৰিছিল যে তেওঁ এটা যাদু দেখুৱাব! আৰু আজি জিলমিলে সহকৰ্মীসকলৰ সন্মুখত যাদুটো দেখুৱাবলৈ সাজু হ'ল।

সকলোৱে দেখিলে— জিলমিলে মেজত কাঠৰ বিশেষ বাকচ এটা ৰাখিছে। বাকচটো সকলোৰে চিনাকি। পিছে যাদু দেখুৱাবলৈ সেই চিনাকি বাকচটো সন্মুখত ৰখা বাবেহে সকলোৱে আচৰিত হ'ল।

জিলমিলহঁতৰ গাঁৱৰ বেচৰকাৰী পঞ্চায়তখনে সিদ্ধান্ত লৈছিল যে গাঁওখনৰ মঙ্গলৰ বাবে তিনিদিনীয়া যজ্ঞ এখন পাতিব। তাৰ বাবে গাঁৱৰ বাহিৰলৈ গৈও দান-বৰঙণি সংগ্ৰহ কৰা হ'ব। গাঁৱৰ মানুহবোৰেও যিয়ে যি পাৰে দান-বৰঙণি আগবঢ়াব। তাৰ বাবে বজাৰখনত এটা দানপাত্ৰ ৰখা হ'ব। কথাটো শুনি জিলমিলে সহকৰ্মীসকলৰ আগত প্ৰস্তাৱ দিছিল যে স্কুলৰ পুথিভঁৰালটোৰ স্থাপন আৰু স্কুল বাদ দিয়া ল'ৰা-ছোৱালীক স্কুললৈ ওভতাই অনা আঁচনিখনৰ পুঁজি সংগ্ৰহৰ বাবে তেওঁলোকেও গাঁৱৰ ৰাইজৰ পৰা দান-বৰঙণি বিচাৰিব। তাৰ বাবে তেওঁলোকেও বজাৰত এটা দানপাত্ৰ ৰাখিব। সেই আলোচনাতে হঠাতে অপ্ৰাসংগিকভাৱে জিলমিলে ঘোষণা কৰিছিল— 'এমাহ পিছত মই এটা যাদু দেখুৱাম!'

আৰু আজি জিলমিলে যাদুটো দেখুৱাবলৈ সাজু হ'ল। থিয় হৈ জিলমিলে নাটকীয় ভঙ্গিমাৰে ক'বলৈ ধৰিলে—

'শ্ৰদ্ধেয় দৰ্শকমণ্ডলী! এইটো সেই দানপাত্ৰটো যিটো আমি আমাৰ গাঁৱৰ বজাৰত, যজ্ঞৰ দানপাত্ৰটোৰ লগত একেলগে ৰাখিছিলো। আমি গোহাৰি পত্ৰ বিলাই, মানুহক কৈ-মেলি প্ৰচাৰ কৰিছিলো যে আমি গাঁৱৰ একমাত্ৰ স্কুলখনৰ পুথিভঁৰালটো স্থাপন আৰু স্কুল এৰা ল'ৰা-ছোৱালীবোৰক ওভতাই অনাৰ আঁচনিখনৰ বাবে দান বিচাৰিছো। আৰু তেওঁলোকে দান বিচাৰিছিল গাঁওখনৰ মঙ্গলৰ বাবে তিনিদিনীয়া মহাযজ্ঞ পাতিবলৈ। মই জনা মতে গাঁৱৰ বাহিৰৰ বিভিন্ন ঠাই আৰু চহৰৰ ব্যৱসায়ী আদিৰ পৰা তেওঁলোকে সংগ্ৰহ কৰিছে প্ৰায় ডেৰ লাখ টকা। আৰু গাঁৱৰ মানুহৰ দানবোৰ সংগৃহীত হৈছে তেওঁলোকৰ দানপাত্ৰটোত। দানপাত্ৰটো তেওঁলোকে কালি খুলিছে। তাত দান সংগ্ৰহ হৈছে প্ৰায় ত্ৰিশ হাজাৰ টকা। আমাৰ গাঁৱত আঠশ ঘৰ মানুহ আছে। অৰ্থাৎ প্ৰতি

ঘৰৰ পৰা যজ্ঞৰ নামত গড়ে প্ৰায় পঁচিশ টকাকৈ জমা হৈছে। এতিয়া মই মোৰ সহকৰ্মীসকলক আমাৰ দানপাত্ৰটো খুলিবলৈ আহ্বান জনালো—'

দুজনমানে লগ লাগি দানপাত্ৰটো খুলিলে। টকাখিনি হিচাপ কৰা হ'ল। দেখা গ'ল সংগৃহীত ধনৰ পৰিমাণ দুই হাজাৰ টকাতকৈও অলপ কম। সকলো শিক্ষক নিৰ্বাক হৈ ৰ'ল। সফলভাৱে খেল প্ৰদৰ্শন কৰা যাদুকৰৰ দৰে হাঁহি এটা মাৰি জিলমিলে উদাত্ত কণ্ঠে ক'বলৈ ধৰিলে—

'দেখিলেনে ৰাইজ মোৰ যাদু! গাঁৱৰ মঙ্গল কামনা কৰি পতা মহাযজ্ঞৰ বাবে গাঁৱৰ পৰা সংগ্ৰহ হ'ল ত্ৰিশ হাজাৰ টকা। সেইখিনি আৰু বাহিৰৰ পৰা অহা মুঠ প্ৰায় দুই লাখ টকা তিনিদিন ধৰি তেওঁলোকে ছাই ভস্ম এসোপা কৰিব! তাৰপৰা গাঁৱৰ একো মঙ্গল নহয়। খুব বেছি পূজাৰীকেইজনৰ মঙ্গল হ'ব। আৰু আমাৰ কামখিনিৰ বাবে দুই হাজাৰ টকাও সংগ্ৰহ নহ'ল। অথচ আমাৰ দানপাত্ৰটো এসপ্তাহ বেছিকৈ বজাৰত আছিল। মই নিশ্চিত আছিলো যে মই এই যাদুটো দেখুৱাব পাৰিম। আৰু আপোনালোকে চাগৈ লক্ষ্য কৰিছে যে আমাৰ দানপাত্ৰত তিনিখন পাঁচশটকীয়া জমা হৈছে। তাৰ মানে সেই পাঁচশটকীয়াকেইখন খুব বেছি তিনিজন মানুহে দিছে। সেই তিনিজন মহানুভৱ মানুহ নাথাকিলে অৱস্থাটো আৰু খাৰাপ হ'লহেঁতেন—'

জিলমিলৰ কথা শুনি সনাতন হেড মাষ্টৰে সেমেনা-সেমেনিকৈ ক'বলৈ ধৰিলে—

'মই এনেকুৱা এটা সন্দেহ কৰিছিলোৱেই। তোমালোকে হতাশ হ'বা বুলি ভাবি দানপাত্ৰটোত দুখন পাঁচশটকীয়া নোট মই মনে মনে ভৰাই থৈ আহিছিলো।'

সকলোৱে হাঁহি উঠি গ'ল।

অনুভৱে ভাবিবলৈ ধৰিলে— আৰু থাকিল এখন পাঁচশটকীয়া। এইখন নিশ্চয় নিৰ্মলৰ দেউতাকৰ হ'ব।

'ছাৰ, আপুনি কিন্তু নোট দুখন ওভতাই নাপায়।'— জিলমিলে ঘোষণা কৰি দিলে।

'কি কোৱাহে? কিয় ওভতাই ল'ম? মই আৰু এহেজাৰ টকা দিমহে। তোমালোকে পিছুৱাই নাহিবা।'— সনাতন হেড মাষ্টৰে হাঁহি মাৰি ক'লে।

'এটা কাম কৰিলে কেনে হয়?'— অনুভৱে কিবা এটা চিন্তা কৰি ক'লে। সকলোৱে তেওঁৰ ফালে চালে।

'আমি গৈ পঞ্চায়তৰ সভাপতি-সম্পাদক আৰু সদস্যসকলক বুজাই কওঁগৈ যে আপোনালোকে এই দুই লাখ টকা ভস্ম কৰি নেপেলাব। সঁচা অৰ্থত গাঁৱৰ মঙ্গলৰ বাবে খৰচ কৰক। এটা অংশ আমাক পুথিভঁৰাল স্থাপন কৰিবলৈ দিয়ক। সঁচাকৈ গাঁৱৰ মঙ্গলৰ বাবে স্থায়ী কাম এটা হ'ব।'

অনুভৱৰ প্ৰস্তাৱটো শুনি জিলমিলে গহীনকৈ ক'বলৈ ধৰিলে—

'প্ৰস্তাৱটো বেয়া নহয়। তাৰ আগতে আমাৰ দানপাত্ৰত জমা হোৱা টকাখিনিৰে কেইটামান ক্ৰিকেটৰ হেলমেট, পেড, গ্ল'ভছ, থাই গাৰ্ড, আৰ্ম গাৰ্ড আদি কিনিব লাগিব।'

'কিয় ?'— অনুভৱে প্ৰায় চিঞৰি উঠিল।

'বুজাবলৈ যোৱাকেইজনক পিন্ধাই পঠাম।'— জিলমিলে হাঁহি মাৰি ক'লে।

সকলোৰে হোঁ-হোঁৱাই হাঁহিবলৈ ধৰিলে। সেই হাঁহিৰ ফোৱাৰাৰ মাজতো জিলমিলৰ মাতটো সকলোৰে শুনিবলৈ পালে—

'কিন্তু আমি কৰি দেখুৱাম। আমি পুথিভঁৰালো পাতিম, ল'ৰা-ছোৱালীকেইটাকো ওভতাই আনিম। আমি শিক্ষকসকলে বৰঙণি দিয়াৰ কথাতো আছিলেই, এতিয়া বেছিকৈ দিম। ভৱা কাম গোটেইকেইটা কৰিম। ভালকৈ কৰিম।'

অনুভৱে দেখিলে— ইমান সময়ে হাঁহি-মাতি নাটক কৰি থকা স্ফূৰ্তিবাজ ছোৱালীজনীৰ মুখখন যেন দৃঢ় সংকল্পত কঠিন হৈ পৰিছে।

এয়াও এটা যাদুৱেই— অনুভৱে ভাবিলে।

৬০.

অনুভৱে কমন ৰুমৰ চুক এটাত অকলে অকলে বহি আছে। অনুভৱৰ মনটো ভাল লগা নাই। একধৰণৰ হতাশাত যেন তেওঁ ক্লান্ত হৈ পৰিছে। স্কুলৰ শিক্ষক আৰু ল'ৰা-ছোৱালীবোৰ ইতিমধ্যে ঘৰলৈ গ'ল। অনুভৱৰহে চকীখনৰ পৰা উঠিবলৈ মন যোৱা নাই।

আজি স্কুলৰ বঁটা বিতৰণী সভা আছিল। লগতে শিক্ষক-ছাত্ৰসকলে বহু আশা আৰু উৎসাহেৰে গঢ় দিয়া পুথিভঁৰালটোৰো উদ্বোধন কৰা হৈ গ'ল। উদ্বোধক আৰু বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ কৰা হৈছিল ৰাজ্যৰ এজন আগশাৰীৰ বুদ্ধিজীৱীক। এই বুদ্ধিজীৱীজনক টিভিৰ নিউজ চেনেলবোৰত সপ্তাহত পাঁচদিনকৈ দেখা যায়। তাত তেওঁ বিভিন্ন বিষয়ত উদাত্ত কণ্ঠেৰে ভাষণ দি থাকে। বিষয় এটা পালেই হ'ল, তেওঁ অনৰ্গলি কৈ যাব পাৰে। এইজন বুদ্ধিজীৱীয়েই এবাৰ টিভিৰ এক আলোচনাত কৈছিল যে প্ৰাচীন কালত ভাৰতত হেনো ধুনীয়া ছোৱালীবোৰক ৰাজহুৱা সম্পত্তি কৰি ৰখা হৈছিল। এই তথ্যৰ সত্যাসত্য অনুভৱে নাজানে। কিন্তু এই তথ্যটো দৰ্শকক জনাই তেওঁ মন্তব্য দিছিল যে প্ৰাচীন ভাৰতৰ এই ৰীতিটো হেনো বিজ্ঞানসন্মত! প্ৰচণ্ড ক্ৰোধত সেইদিনা অনুভৱৰ ৰাতি টোপনি অহা নাছিল। এই বুদ্ধিজীৱীজনে অলপতে ফেচবুক নামৰ ছ'চিয়েল নেটৱৰ্কিং ছাইটত মন্তব্য দিছিল যে গণিতৰ মানুহবোৰে হেনো

প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰিব নাজানে! তাৰ পিছত তেওঁ মন্তব্য দিছিল যে গণিত বেয়া পায় বাবেই তেওঁ তেওঁৰ মানি বেগত কিমান টকা থাকে তাৰ হিচাপ নাৰাখে, কাক কিমান টকা ধাৰ মাৰিবলৈ থাকে তাৰ হিচাপ নাৰাখে; আনকি কিমান টকা দৰমহা পায় তাৰো হিচাপ নাৰাখে! মহাবিদ্যালয় এখনৰ এজন অধ্যক্ষই, নিজকে শিক্ষাবিদ হিচাপে পৰিচয় দিয়া বুদ্ধিজীৱী এজনে ইমান টুলুঙা কথা ৰাজহুৱাকৈ ক'ব পাৰেনে? বিৰক্ত হৈ ফেচবুকত এজনে তেওঁৰ সুৰতে সুৰ মিলাই মন্তব্য দিছিল— 'গণিত বেয়া পাওঁ বাবেই মই কলেজত কিমান টকা খাওঁ তাৰো হিচাপ নাৰাখো, গণিত বেয়া পাও বাবেই মই আবোল-তাবোল বকো...।'

খুব আশা আৰু আৱেগেৰে প্ৰতিষ্ঠা কৰা পুথিভঁৰাল এটাৰ উদ্বোধন কৰিবলৈ এইজন বুদ্ধিজীৱীক নিমন্ত্ৰণ কৰোঁতেই অনুভৱৰ মনটো মুকলি মুকলি লগা নাছিল। কিবা এটা যেন সংশয় আৰু আশংকাই আমনি কৰিছিল তেওঁক। আৰু বুদ্ধিজীৱীজনে বিশিষ্ট অতিথি হিচাপে দিয়া ভাষণটো শুনি অনুভৱৰ আশংকা সঁচা বুলি প্ৰমাণিত হৈ গ'ল।

বুদ্ধিজীৱীজনে ডেৰ ঘণ্টাজোৰা ভাষণত মুক্ত অৰ্থনীতি, গ্ল'বেলাইজেশ্বন, পুঁজিবাদী শিক্ষা ব্যৱস্থা আদি নানা কথা ব্যাখ্যা কৰাৰ পিছত ঘোষণা কৰিলে যে আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাটো সমাজৰ কোনো কামত নাহে। ছাত্ৰ-ছাত্ৰীসকলকো হেনো এই শিক্ষা ব্যৱস্থাৰ কোনো দৰকাৰেই নাই। স্কুল-কলেজবোৰ হেনো নিবনুৱা তৈয়াৰ কৰা কাৰখানাহে!

অনুভৱৰ বিৰক্তি লাগিল। শিক্ষাৰ উদ্দেশ্য তেনেহ'লে একোটাকৈ চাকৰি যোগাৰ কৰাটোহে নেকি? শিক্ষাৰ তেনেহ'লে আন উদ্দেশ্য নাই? আৰু ষষ্ঠ শ্ৰেণী বা সপ্তম শ্ৰেণী বা দশম শ্ৰেণীৰ ছাত্ৰৰ মূৰতো এতিয়াই চাকৰিৰ কথা সুমুৱাই দিয়াটো ভাল কথা হ'লনে? ডেৰ ঘণ্টা ধৰি ইমান জটিল জটিল কথা কৈ ছাত্ৰ-ছাত্ৰীসকলক উৎপীড়ন কৰাৰ কি দৰকাৰ আছিল। ষষ্ঠ শ্ৰেণীৰ বা দশম শ্ৰেণীৰ ছাত্ৰ এজনে গ্ল'বেলাইজেশ্যনৰ দোষ-ক্ৰুটিৰ বিষয়ে জনাটো ইমানেই জৰুৰীনে? সিহঁতৰ এতিয়া মানুহৰ বাৰীয়ে বাৰীয়ে গৈ আম ফৰ্মুটিয়াই খোৱাৰ বয়স, ধেমালি-ধুমুলা কৰাৰ বয়স। আৰু তাৰ মাজতে ভালকৈ পঢ়া-শুনা কৰাৰ বয়স। ছাত্ৰসকলৰ বাবে বুদ্ধিজীৱীজনৰ সুদীৰ্ঘ ভাষণৰ বুজি পোৱা সাৰমৰ্ম হ'ল— এই শিক্ষা ব্যৱস্থাত পঢ়া-শুনা কৰি সিহঁতৰ কোনো লাভ নাই। সিহঁতৰ ভৱিষ্যৎ তেনেই অন্ধকাৰ! সদায় টিভিত দেখি থকা ডাঙৰ মানুহজনৰ কথা সৰু সৰু ল'ৰা-ছোৱালীবোৰে গভীৰভাৱে লোৱাই স্বাভাৱিক। সিহঁতক এনেকৈ হতাশাৰ মাজলৈ ঠেলি দিয়া উচিতনে? বাৰম্বাৰ চতুৰ্দিশে এইবোৰ কথা শুনি শুনি সিহঁত যদি গভীৰ হতাশাত

বুৰি যায়? ভালকৈ পঢ়া-শুনা নকৰা হয়? তেতিয়া সমাজৰ কি লাভ হ'ব? এই হতাশা এসময়ত যুৱ উচ্ছৃংখলতা আৰু অপৰাধ প্ৰৱণতালৈ ৰূপান্তৰিত নহ'বনে? এই ধৰণৰ কথা কোৱাৰ বাবে স্কুলৰ বঁটা বিতৰণী সভাখন উপযুক্ত মঞ্চ হয়নে? অকল ছাত্ৰ-ছাত্ৰীয়েই নহয়, শিক্ষক আৰু অভিভাৱকসকলকো বুদ্ধিজীৱীজনৰ ভাষণে হতাশ কৰি পেলাইছে। অনুভৱহঁতে যি উদ্দীপনা আৰু যি মানসিকতাৰে কাম কৰি আছে তাৰ লগত এই ভাষণটোৰ কোনো মিল নাই।

অনুভৱে দেখিলে কমন ৰুমটোলৈ জিলমিল সোমাই আহিছে। তেতিয়াহে তেওঁ গম পালে যে জিলমিলো ইমান সময় স্কুলতেই আছিল।

'কি হ'ল? ঘৰলৈ নাযায়?'— জিলমিলে হাঁহি মাৰি সুধিলে।

'মনটো ভাল লগা নাই।'— অনুভৱে খোলাখুলিভাৱে জনালে।

'কিয়?'

'স্কুলৰ বঁটা বিতৰণী সভাখন বাৰু বুদ্ধিজীৱীৰ বুদ্ধি আৰু জ্ঞান প্ৰদৰ্শনৰ মঞ্চ হ'ব লাগেনে?'

জিলমিলে হাঁহিলে।

'মোৰ বুদ্ধিজীৱীজনক এটা কথা ক'বলৈ মন গৈছিল।'— অনুভৱে ক'লে।

'কি কথা?'

'মোৰ ক'বলৈ মন গৈছিল— আপুনি আমাক সমাজ ব্যৱস্থা, শিক্ষা ব্যৱস্থা কিমান তাৰিখৰ পৰা নিখুঁত হ'ব কওক, সেইদিনাৰ পৰা আমি স্কুললৈ আহিম। সেই তাৰিখটো নহালৈকে আপুনি অনুগ্ৰহ কৰি স্কুল-কলেজবোৰ বন্ধ কৰাৰ ব্যৱস্থাটো কৰি দিয়ক।'

অনুভৱৰ খং দেখি জিলমিলৰ হাঁহি উঠি গ'ল। অনুভৱৰ খঙৰ প্ৰকাশতো জিলমিলে একধৰণৰ সৰলতা বিচাৰি পায়। জিলমিলে প্ৰায়েই অনুভৱ কৰে— অনুভৱৰ মন্তব্যত ভুল থাকিব পাৰে, কিন্তু মলিনতা নাথাকে। মনৰ ভাব লুকুৱাই ৰাখি জিলমিলে মন্তব্য কৰিলে—

'আপুনি মানুহৰ মতাদৰ্শগত স্থিতিক লৈ যেন অলপ অসহিষ্ণু!'

'নহয়। আপুনি মোক ভুল বুজিছে। সকলোৱে নিজ নিজ মতাদৰ্শ গ্ৰহণ কৰিব পাৰে। তাৰ চৰ্চা আৰু প্ৰচাৰো কৰিব পাৰে। কিন্তু যি মতাদৰ্শয়েই নহওক কিয়, আমাক সুস্থ, নিখুঁত সমাজ বা শিক্ষা ব্যৱস্থা এটা নিদিয়ালৈকে আমাৰ জীৱনবোৰ স্থগিত কৰি থৈ দিব নোৱাৰো। কোনো মতাদৰ্শৰ চৰ্চা, প্ৰচাৰ বা প্ৰয়োগে সমাজৰ ক্ষতি কৰিব নালাগে, মানুহকো নিৰাশাত বুৰাই দিব নালাগে। দীৰ্ঘ সময়ৰ, ভাবী কালৰ সভ্যতাৰ প্ৰগতিৰ কথা আমি নিশ্চয় ভাবিব লাগিব, কিন্তু তাৰ লগে লগে

ক্ষণস্থায়ী জীৱনটোৰ সুখ-দুখৰ কথাও মনত ৰাখিব লাগিব। তাৰ অৰ্থ এইটো নহয় যে ক্ষণস্থায়ী জীৱনটোৰ কথা ভাবি আমি খঁকুৱাৰ দৰে অনৈতিকভাৱে ভোগ, বিলাসত মত্ত হ'ব লাগে। আদৰ্শগত স্থিতিক মই কেতিয়াও হাস্যকৰ বুলি ভবা নাই। নিৰ্মল-অসীমহঁতক মই কিমান ভাল পাওঁ আপুনি জানে। নিৰ্মলক লগ পালে মোক কি কথাই কষ্ট দিয়ে জানে? কোম্পানীবোৰে মানুহৰ চুলি সৰা বন্ধ কৰাৰ বাবে ঔষধ আৱিষ্কাৰৰ গৱেষণাত যিমান ধন ব্যয় কৰে, নিৰ্মলহঁতৰ দৰে শিশুৰ হৃদযন্ত্ৰৰ জন্মগত ত্ৰুটিৰ চিকিৎসাৰ গৱেষণাত সিমান ধন ব্যয় নকৰে। কাৰণ সেই গৱেষণাত কৰা ধনৰ প্ৰয়োগে, মানে ইনভেষ্টমেণ্টে চুলিৰ ঔষধৰ গৱেষণাত কৰা ইনভেষ্টমেণ্টৰ সমান ৰিটাৰ্ণ নিদিয়ে। চাওক কি দুখৰ কথা! হৃদযন্ত্ৰৰ অসুখতকৈ চুলি সৰা অসুখটোহে কোম্পানীবোৰৰ বাবে বেছি ডাঙৰ হ'ল! পৃথিৱীৰ বহুত ডাঙৰ ডাঙৰ কাৰ্ডিঅ'লজিষ্টেই প্ৰকাশ কৰিছে যে পেডিয়াট্ৰিক কাৰ্ডিঅ'লজী এটা অৱহেলিত বিষয়। সেইবাবেই নিৰ্মললৈ মোৰ দুখ লাগে, সভ্যতাৰ এক ক্ষুদ্ৰ অংশ হিচাপে একধৰণৰ অপৰাধবোধতো ভোগো। এতিয়া এই ধৰণৰ লাভহীন গৱেষণাৰ বাবে উদ্যোগ ল'ব লাগিব চৰকাৰে। এক সুস্থ মতাদৰ্শ অনুসৰণ কৰা ৰাজনৈতিক দলে গঠন কৰা চৰকাৰে। কৰ্প'ৰেট হাউছৰ দৰে চলা চৰকাৰে এই কামটো নকৰে। সেইবোৰ কথা বুজি পাওঁ। যাও ব'লক— বহুত পলম হৈছে।'— অনুভৱ চকীৰ পৰা উঠিল।

'আচলতে এইজন বুদ্ধিজীৱীৰ ওপৰত মোৰ আস্থা আগৰ পৰাই নাই।'— অনুভৱে জিলমিলক জনালে।

'তেতিয়াহ'লে এইজনৰ নামটো ওলাওতে আপুনি আপত্তি নকৰিলে কিয়?' জিলমিল অলপ আচৰিতেই হ'ল।

'স্কুলখন অকলেতো মোৰ নহয়। সকলোৰে।'

কওঁ-নকওঁকৈ জিলমিলে ক'লে—

'মানুহজন খুব বিখ্যাত যদিও মোৰো তেওঁৰ ওপৰত আস্থা নাই।'

'কিয়?'

জিলমিলে এটা ঘটনাৰ বৰ্ণনা কৰিলে— কেইবছৰমান আগতে জিলমিল এই বুদ্ধিজীৱীজন অধ্যক্ষ হিচাপে থকা কলেজখনলৈ অধ্যাপকৰ পদৰ সাক্ষাৎকাৰ দিবলৈ গৈছিল। জিলমিলে চেলোৱাৰ-কামিজ পিন্ধি গৈছিল। জিলমিলক সাক্ষাৎকাৰত কিবা প্ৰশ্ন সোধাৰ আগতেই এই বুদ্ধিজীৱীজনে বিষোদগাৰ কৰিছিল— 'আমাৰ কলেজৰ বুৰঞ্জীত ছোৱালীয়ে চেলোৱাৰ-কামিজ পিন্ধি ইণ্টাৰভিউ দিয়াৰ উদাহৰণ এয়েই প্ৰথম!'

'বুদ্ধিজীৱীজনে চাগে ধুতি-পাঞ্জাবি পিন্ধি সাক্ষাৎকাৰ লৈছিল!'— অনুভৱে জানিবলৈ চেষ্টা কৰিলে।

'নাই নাই। তেৰাই চুট-টাই মাৰি চাহাব হৈ আহিছিল।'— জিলমিলে ততাতৈয়াকৈ ক'লে।

'জাতীয় সাজপাৰ পিন্ধিবই লাগে বুলি যদি তেওঁ ভাবে, প্ৰথমে তেওঁ পিন্ধক।'— অনুভৱে ক'লে।

'আমাক ঐতিহ্যও লাগে; আধুনিকতাও লাগে। ঐতিহ্য ৰক্ষাৰ দায়িত্ব নাৰীৰ। আৰু আধুনিকতাৰ আমদানিৰ দায়িত্ব পুৰুষৰ!'— জিলমিলে হাঁহি মাৰি ক'লে।

অনুভৱৰ মনলৈ আহিল— গণিত কোনোবাই টান পাব পাৰে সেয়া ডাঙৰ কথা নহয়। গণিত বিষয়টোকে অদৰকাৰী বুলি ভবা, গণিতৰ মানুহৰ প্ৰতি অৱমাননাসূচক মনোভাব ৰখা এই ধৰণৰ বুদ্ধিজীৱীৰ চিন্তা এনেকুৱা হাস্যকৰ, যুক্তিহীন হ'বলৈ বাধ্য।

'তেওঁতো ধুনীয়া ছোৱালীবোৰক ৰাজহুৱা সম্পত্তিয়েই কৰিব খোজে!'

— অনুভৱৰ মুখেদি কথাষাৰ ফচ্‌কৈ ওলাই গ'ল।

'কি?'— জিলমিলে চিৎকাৰ কৰি উঠিল। প্ৰচণ্ড খঙত ৰণচণ্ডী মূৰ্তি ধৰি জিলমিলে চিঞৰি চিঞৰি ক'বলৈ ধৰিলে—

'কোনোবা গেলা মদপীয়ে যদি বজাৰত এইষাৰ কথা ক'লেহেঁতেন মই তাৰ ডিঙিত চেণ্ডেলৰ মালা পিন্ধালোহেঁতেন!'

আতংকিত মনেৰে অনুভৱে ইফালে-সিফালে চালে। বিস্ফাৰিত নয়নেৰে অনুভৱে আৱিষ্কাৰ কৰিলে— হাতত ৰুমৰ চাবিকোছা লৈ দুৱাৰমুখত ৰৈ আছে চকীদাৰজন। সেপ ঢুকি ঢুকি অনুভৱে চকীদাৰজনৰ ফালে চাই ক'বলৈ ধৰিলে—

'ম-মই একো কৰা নাই। কোৱাও নাই। সে—সেই বুদ্ধিজীৱীজনে— বুদ্ধিজীৱীজনে—'

৬১.

অসীমহঁতৰ চূড়ান্ত পৰীক্ষালৈ আৰু বেছিদিন নাই। অসীমে মোটামুটিভাৱে পাঠ্যক্ৰম পঢ়ি শেষ কৰিছে। অসীমৰ নিজৰে বিশ্বাস হোৱা নাই— তিনিটাকৈ বছৰ ভালকৈ পঢ়িবলৈ সুযোগ সি পোৱা নাছিল। দশম শ্ৰেণীতো সি তিনিটা মাহ স্কুললৈকে যোৱা নাছিল। তাৰ পিছতো সি আগৰ ঘাটি পূৰণ কৰি পাঠ্যক্ৰমখিনি খৰচি মাৰি পঢ়ি শেষ কৰিব পাৰিছে।

অসীমহঁত আজিকালি আৰু স্কুললৈ নাযায়। বাছনি পৰীক্ষাৰ পিছৰে পৰা সিহঁতৰ ক্লাছ বন্ধ হৈছে। এতিয়া সিহঁত সকলোৱে ফাইনেলৰ বাবে ঘৰতে পঢ়া-শুনা কৰিছে। তথাপি স্কুলখনৰ ভাল-বেয়া খবৰবোৰ এটাৰ পিছত এটাকৈ সিহঁতে পাই আছে। পুথিভঁৰালৰ খবৰটোতো সিহঁতে জানেই। তাত অকল আলোচনী, কিতাপেই ৰখা হোৱা নাই। বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ, পাৰ্বতি প্ৰসাদ, কমলানন্দ ভট্টাচাৰ্য আদিৰ ভাল ভাল পুৰণি গীতবোৰো তাত সংগ্ৰহ কৰি ৰখা হৈছে। সুযোগ-সুবিধা উলিয়াই সেই গীতবোৰ ছাত্ৰ-ছাত্ৰীসকলক শুনোৱাৰ ব্যৱস্থা কৰা হৈছে। যোৱা তিনি বছৰত স্কুল এৰা ছাত্ৰ-ছাত্ৰীসকলৰ তালিকাখন সম্পূৰ্ণ কৰা হৈছে। সিহঁতক অহা বৰ্ষৰ পৰাই ওভতাই অনাৰ বাবে আলোচনা চলি আছে। আনপিনে বছৰৰ তিনিখন সাংস্কৃতিক সন্ধিয়াৰ এখনো বাদ দিবলৈ গাঁৱৰ ডেকাসকল ৰাজি নহ'ল। বৰং সিহঁতে জিলমিল আৰু অনুভৱ মাষ্টৰক বেৰসিক আৰু সংস্কৃতিৰ মোল নুবুজা বুলি গালি পাৰিলে। কথাটোত অসীমহঁতে বৰ ৰস পালে। অনুভৱ মাষ্টৰক গালি পৰা গোটেইকেইটা ল'ৰাক অসীমে চিনি পায়। মদ খাই চ'কে-বজাৰে উৎপাত কৰি ফুৰা ল'ৰাকেইটাই অনুভৱ মাষ্টৰক কি বুজি পাব? আনৰ মূল্য বুজি পাবৰ বাবে নিজৰো মূল্য থাকিব নালাগিব জানো?

কিন্তু এটা বৰ অবাঞ্ছিত ঘটনা ঘটি গ'ল, যিটো কোনেও আশা কৰা নাছিল।

৬২.

গাঁৱৰ কেইজনমান ডেকা ল'ৰা অনুভৱ মাষ্টৰৰ ওপৰত বিতুষ্ট হৈ আছিল। সিহঁতৰ বিতুষ্টিৰ মূল কাৰণ হ'ল অনুভৱে বাহিৰৰ পৰা আহি সিহঁতৰ গাঁৱৰ স্কুলখনত চাকৰি কৰিছে। অৰ্থাৎ অনুভৱ তাৰে 'লোকেল' মানুহ নহয়। সিহঁতৰ মতে— জিলমিল আৰু অনুভৱে বিহু-পূজাৰ সাংস্কৃতিক সন্ধিয়া বন্ধ কৰাৰ ষড়যন্ত্ৰ কৰিছে। সিহঁতে প্ৰকাশ নকৰা খং এটা হ'ল— অনুভৱে শিলৰ কুৰেৰীত কাম কৰা ল'ৰাকেইজনক স্কুললৈ ওভতাই অনাৰ পৰিকল্পনা কৰিছে।

এদিন কেইজনমান ডেকা ল'ৰাই দুটা টিভি চেনেলৰ সাংবাদিককেইজনমানক স্কুললৈ লৈ আহি হুলস্থূল লগাই দিলে।

শ্লোগান দি হাত-মুখ জোকাৰি মুহূৰ্ততে ডেকাইকেইজনে এক অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি কৰি পেলালে। শ্ৰেণীকোঠা আৰু কমন ৰুমৰ পৰা শিক্ষকসকল ওলাই আহিল। আতংকিত হৈ ছাত্ৰ-ছাত্ৰীবোৰো বাহিৰ ওলাই আহিল। বাৰাণ্ডাত থিয় হৈ সকলোৱে শ্বাসৰুদ্ধকৰ নাটকখন চাই থাকিল—

এজন ডেকাই চিঞৰিছে— 'অনুভৱ মাষ্টৰৰ নাৰী কেলেংকাৰী নচলিব।' বাকীকেইজনে পিছে পিছে চিঞৰিছে— 'নচলিব নচলিব।' ডেকাজনে আৰু চিঞৰিছে— 'অনুভৱ মাষ্টৰক চাকৰিৰ পৰা বৰ্খাস্ত কৰক।' বাকীকেইজনে সমস্বৰে চিঞৰিছে— 'বৰ্খাস্ত কৰক, বৰ্খাস্ত কৰক।' টিভি চেনেলৰ কেমেৰামেনকেইজনে গোটেই ঘটনাবোৰ ব্যস্তভাৱে ৰেকৰ্ডিং কৰি যাব লাগিছে। স্কুলখনত কেতিয়াও নোহোৱা-নোপোজা পৰিৱেশ এটাৰ সৃষ্টি হ'ল।

ল'ৰা-ছোৱালীবোৰ আচৰিত হ'ল— সিহঁতক ইমান মৰম কৰা অনুভৱ মাষ্টৰকনো কিয় বৰ্খাস্ত কৰিব লাগে সেই কথা সিহঁতে বুজি নাপালে। হেড মাষ্টৰে ল'ৰাকেইজনক সিহঁতৰ বক্তব্যখিনি শান্তভাৱে ক'বলৈ কেইবাবাৰো মাতিলে। পিছে সিহঁত কথা পতাত আগ্ৰহী নহয়। হয়তো সিহঁতৰ অভিযোগবোৰ শক্তিশালী যে নহয় সেই কথা সিহঁতে নিজেও জানে। সিহঁতে মাত্ৰ এটা হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰাতহে আগ্ৰহী। মিছা কথা কিছুমান টিভিযোগে প্ৰচাৰ হৈ গ'লে অনুভৱৰ মনোবল ভাগি পৰিব— সেই আশাৰেহে সিহঁতে এই নাটকখন কৰিছে। কোনোবাই কেইটামান টকা দি সিহঁতক ব্যৱহাৰ কৰিবও পাৰে।

ল'ৰাকেইজনৰ উৎপাতত এসময়ত শিক্ষকসকলৰ ধৈৰ্যৰ বান্ধ খুলি গ'ল। শিক্ষকসকলৰ নিজৰ ভিতৰত গুণগুণনি আৰম্ভ হ'ল। সকলোৱে দেখিলে— হঠাৎ মহেন্দ্ৰ মাষ্টৰে বাৰাণ্ডাৰ পৰা কোবাকুবিকৈ অফিচ ৰুমলৈ সোমাই গৈছে আৰু মুহূৰ্ততে বাৰাণ্ডালৈ ওলাই আহিছে। সকলোৱে দেখিলে— মহেন্দ্ৰ মাষ্টৰৰ হাতত এডাল দুডাল নহয়, একোচা চেকনি! বাৰাণ্ডাৰ পৰা নামি পোনেই তেওঁ ল'ৰাকেইজনৰ ফালে খেদি গ'ল। ঘটনাৰ আকস্মিকতাত সিহঁত যেন বিপাণ্ডত পৰিল। সিহঁতৰ মুখৰ শ্লোগান আধাতে বন্ধ হৈ গ'ল। চেকনি এডাল জোকাৰি জোকাৰি মহেন্দ্ৰ মাষ্টৰে গৰ্জন কৰি উঠিল—

'নেতা ওলাইছ? চেকনিৰ কোবত পিঠি ফালি যাব। নিজৰ পঢ়া-শুনা নষ্ট কৰিলি, একো উপায় নাপাই নেতা হ'লি। এতিয়া স্কুলখন ধ্বংস কৰিবলৈ আহিছ? আজি যে টিভিৰ সাংবাদিক লৈ দৌৰি আহিছ, গাঁৱৰ স্কুলখনৰ সমস্যাবোৰৰ কথা কাক ক'বলৈ গৈছিলি? সমস্যাবোৰৰ কথা কোনোবাদিনা ভাবিছিলি? তহঁতৰ লম্ফ-জম্ফ বহুত সহ্য কৰিলো। স্কুলখনৰ ভালৰ কথা একো নাভাব— ঠিকে আছে। কিন্তু কিবা বেয়া কৰিবলৈ আহিবি— পিঠিত চেকনি ছিঙিম। চেকনি বাদেই দিছিলো বুজিছ— তহঁতৰ নেতাগিৰিৰ ভূত জাৰিবৰ বাবেহে চেকনি হাতত তুলিছো—'।

মহেন্দ্ৰ মাষ্টৰৰ এই ৰূপ দেখি আজি ছাত্ৰ-ছাত্ৰীসকল উৎসাহত ফাটি পৰিল। জাকে জাকে ল'ৰা-ছোৱালী চিঞৰি চিঞৰি বাৰাণ্ডাৰ পৰা দৌৰি তললৈ নামি আহিল।

আৰু মুহূৰ্ততে নেতাকেইজনক চাৰিওফালৰ পৰা ঘেৰি পেলালে। সিহঁতৰ পলোৱাৰ পথো বন্ধ হৈ গ'ল। অনুভৱ ধীৰ খোজেৰে বাৰাণ্ডাৰ পৰা নামি আহি ডেকাকেইজনৰ ফালে আগবাঢ়িল। অনুভৱে বুজি পাইছে— তেওঁৰ বিৰুদ্ধে কিবা এটা ডাঙৰ ষড়যন্ত্ৰ চলিছে। এইটো তাৰে এটা পূৰ্বাভাসহে। অনুভৱে ডেকাকেইজনৰ সৈতে মুখামুখিকৈ থিয় দিলে—

'কওক— আপোনালোকে মোৰ কি নাৰী কেলেংকাৰী দেখিলে?'

অনুভৱৰ পোনপটীয়া প্ৰশ্নত ডেকাকেইজন অপ্ৰস্তুত হৈ পৰিল। সেপ ঢুকি ঢুকি ল'ৰাকেইজনে ক'লে— 'আপোনালোকৰ চকীদাৰজনে জানে!'

সিহঁতে ক'বলৈহে পালে জিলমিলে হাঃ হাঃ হাঃকৈ উচ্চস্বৰে হাঁহি উঠিল। তাৰ পিছত জিলমিলে সেইদিনাৰ ঘটনাটো বৰ্ণনা কৰিবলৈ ধৰিলে। সকলো শুনি সনাতন হেড মাষ্টৰে টিভিৰ সাংবাদিককেইজনক ওচৰলৈ মাতি ক'লে—

'এইবিলাকো আপোনালোকৰ বাবে খবৰ হয়? মহেন্দ্ৰ মাষ্টৰে যদি চেকনিডাল নোজোকাৰিলেহেঁতেন, আজিৰ এইটো খবৰো আপোনালোকে ব্ৰেকিং নিউজ হিচাপেই প্ৰচাৰ কৰিলেহেঁতেন! আজিৰ এই ঘটনাটোত আপোনালোকে অলপ হ'লেও লাজ পোৱা নাইনে? কেইদিনমান আগতে আমাৰ স্কুলৰ পুথিভঁৰাল এটা উদ্বোধন কৰিছিলো। সেই খবৰটো প্ৰচাৰ কৰিবলৈ আপোনালোক আহিছিলনে? আপোনালোকে আজি যিধৰণে আমাৰ স্কুলৰ শৈক্ষিক পৰিৱেশ নষ্ট কৰিলে তাৰ বাবে মই ইচ্ছা কৰিলে এই নেতাকেইজনৰ লগতে আপোনালোকৰ বিৰুদ্ধেও থানাত গোচৰ ৰুজু কৰিব পাৰো।'

অলপ বৈ উজাই অহা খংখিনি কমাই লৈ সনাতন হেড মাষ্টৰে আকৌ ক'বলৈ ধৰিলে—

'স্কুলখন আমি যিমান পাৰো ভাল কৰিবলৈ চেষ্টা কৰি আছোঁ। পাৰে যদি আপোনালোকেও আমাক সহায় কৰক। যদি নোৱাৰে অন্ততঃ স্কুলখনৰ ক্ষতি হোৱা কাম নকৰিব।'

খং কমোৱাৰ পিছতো সনাতন হেড মাষ্টৰৰ শেষৰ বাক্যটো বেছ কঠোৰ শুনা গ'ল।

৬৩.

শেষ ৰাতি নিৰ্মলৰ বাপেকৰ ফোনটো পায়েই অনুভৱ চহৰলৈ ঢাপলি মেলিলে। মাক-দেউতাকে ইতিমধ্যে নিৰ্মলক হাস্পতালত ভৰ্তি কৰিছিল। দেউতাকে কোৱা মতে ৰাতি দুইমান বজাত নিৰ্মলে বুকুখন বিষোৱা বুলি কৈছিল। লগে লগে তাৰ কপালখন ঘামি উঠিছিল। উশাহ লোৱাত কষ্ট পাবলৈ ধৰিছিল। পলম নকৰি

দেউতাকে নিৰ্মলক লগে লগেই এম্বুলেঞ্চত উঠাই এম্বুলেঞ্চতে অক্সিজেন দি চহৰৰ হাস্পতাললৈ লৈ গ'ল। দেউতাকে জানে— এনেকুৱা সময়ৰ প্ৰতিটো মুহূৰ্ত মূল্যবান। পলম হ'লেই বিপদ হ'ব পাৰে। হাস্পতালত লগে লগেই নিৰ্মলক আই চি ইউত ভৰ্তি কৰোৱা হ'ল।

অনুভৱৰ খুব বেয়া লাগিল। নিৰ্মলৰ কষ্টখিনিয়ে অনুভৱক খুব দুখ দি থাকে। সেই কষ্টখিনিয়ে নিৰ্মলৰ মাক-বাপেকক বা নিৰ্মলক নিজক কিমান গভীৰভাৱে দুখ দিয়ে সেই কথা কোনোৱেই অনুভৱ কৰিব নোৱাৰিব। অনুভৱেও নোৱাৰে। সান্ত্বনা দিবলৈ অনুভৱে শব্দ বিচাৰি নাপায়। প্ৰতিটো শব্দই তাৰ শুকান, কৰ্কশ, অক্ষম, বন্ধ্যা যেন অনুভৱ হয়। নিৰ্মলৰ হৃদযন্ত্ৰত জটিল ত্ৰুটি থকাৰ পিছতো, নিৰ্মল আৰু তাৰ মাক-বাপেকে যি ধৰণেৰে সাহসেৰে সংগ্ৰাম কৰি গৈছে— তাৰ বাবে অনুভৱৰ তিনিওকে চালাম জনাবলৈ মন যায়।

অনুভৱে যেতিয়া হাস্পতাল পায়, নিৰ্মল তেতিয়াও আই চি ইউতে বন্দী। বাহিৰত বেঞ্চ এখনত বহি বেৰত মূৰ আওজাই নীৰৱে বিষণ্ণ মনেৰে বহি আছিল নিৰ্মলৰ মাক-দেউতাক। অনুভৱক দেখি তেওঁলোকে মূৰ দাঙিলে।

'নিৰ্মল কেনে আছে?'— উদ্বিগ্নতাখিনি লুকুৱাই অনুভৱে সুধিলে।

'এতিয়া কিছু সুস্থিৰ। সি আপোনাক বিচাৰিছিল। সেইবাবে ফোন কৰিছিলো।'— নিৰ্মলৰ দেউতাকে জনালে।

সেই মুহূৰ্ততে অনুভৱৰ নিৰ্মলক এবাৰ চাবৰ বাবে তীব্ৰ হেঁপাহ হ'ল। তাক মূৰটোত হাত বুলাই দি সাহস দিবলৈ বিৰাট ইচ্ছা জাগিল অনুভৱৰ। একধৰণৰ অস্থিৰ আৱেগত অনুভৱ যেন ছটফটাই উঠিল। কিন্তু আই চি ইউত সোমাবৰ বাবে তেওঁ দুঘণ্টা অপেক্ষা কৰিব লগা হ'ল।

চাফ-চিকুণতাৰ আই চি ইউৰ নিয়মখিনি অনুভৱে আগ্ৰহেৰে পালন কৰিলে। নহ'লে নিৰ্মলৰ ক্ষতি হ'ব পাৰে। তাৰ পিছত দুৱাৰ খুলি অনুভৱ আই চি ইউৰ ভিতৰ সোমাল। মুখত অক্সিজেন মাস্ক আৰু বুকু-ভৰিত ই চি জিৰ বিভিন্ন তাঁৰ সংলগ্ন হৈ বিছনাত নিশ্চল হৈ চকু মুদি পৰি আছে নিৰ্মল। মাথোঁ তাৰ বুকুখন গভীৰভাৱে উঠা-নমা কৰি আছে। বুকুৰ সোঁমাজেদি দীঘলকৈ অ'পেন হাৰ্ট চাৰ্জাৰিৰ বাবে কটা চিনটো স্পষ্ট হৈ জিলিকি আছে। বতাহত বিভিন্ন ঔষধৰ অচিন গোন্ধ এটা ভাহি ফুৰিছে। নীৰৱ হলটো মাজে মাজে বিভিন্ন যন্ত্ৰৰ বিপ্ বিপ্ শব্দত যেন কঁপি কঁপি উঠিছে। সন্তৰ্পণে আগবাঢ়ি অনুভৱ নিৰ্মলৰ বিছনাৰ ওচৰ পালেগৈ। মনিটৰৰ ৰিডিংবোৰ চাই অনুভৱে বুজি পালে নিৰ্মল এতিয়াও সম্পূৰ্ণৰূপে বিপদমুক্ত নহয়। ইমান ধুনীয়া মনৰ ল'ৰাজন ইমান যন্ত্ৰণাৰ মাজত শুই আছে। সহ্য নহয়, সহ্য নহয়। এবাৰ মূৰটোত মৰম কৰি দিবলৈ বিৰাট ইচ্ছা হৈছে অনুভৱৰ। কিন্তু সি সাৰ পাই যায় যদি? মাত্ৰ

তিনি মিনিটৰ অনুমতি লৈ তেওঁ মৰমৰ ছাত্ৰজনৰ ওচৰলৈ আহিছে। এসময়ত নিজৰ সংযম ভাঙি তেওঁ নির্মলৰ মূৰত আলফুলে হাতখন ৰাখিলে। লগে লগে নির্মলে লাহেকৈ চকুদুটা মেলি দিলে। অনুভৱ মাষ্টৰক চিনি পাওঁতে যেন তাৰ কেইছেকেণ্ডমান সময় লাগি যায়। তাৰ পিছত হঠাৎ নির্মলে ধহমহাই উঠি বহিবলৈ চেষ্টা কৰিলে। অনুভৱ মাষ্টৰে তাক গাত ধৰি আকৌ শুৱাই দিলে। নির্মলে স্থিৰ দৃষ্টিৰে মাষ্টৰৰ মুখলৈ চাই থাকিল— একেৰাহে বহু সময়। বুকু কুৰুকি কুৰুকি সোমাই যোৱা সেই আকুল দৃষ্টিৰ পৰা পলাবলৈ মাষ্টৰে সুধিলে—

'এতিয়া কেনে পাইছা নির্মল?'

কিন্তু নির্মলে চায়েই থাকিল। চায়েই থাকিল। আৰু এসময়ত তাৰ চকুদুটা পানীৰে ভৰি পৰিল।

'পৃথিৱীখন বহুত ধুনীয়া ছাৰ। আপুনি আছে, অসীম আছে, মোৰ মা-দেউতা আছে। মই ৰোৱা বকুলজোপা আছে। বাঢ়ি আহি আহি এসময়ত বকুলজোপাই ডাল-পাত মেলি এজোপা ডাঙৰ গছ হৈ পৰিব। তাত ফুল ফুলিব! মোৰ চাবলৈ বৰ মন যায় ছাৰ।'

ভাগৰত নির্মলে ফোঁপাইছে।

'মোৰ বহুদিন জীয়াই থাকিবলৈ মন যায় ছাৰ!'

কিহবাই যেন অনুভৱৰ কলিজাটোকে চেপা মাৰি ধৰিলে।

'তুমি বহুদিন জীয়াই থাকিবা নির্মল, বহুদিন!'

নির্মলৰ ইচ্ছাটো অনুভৱ মাষ্টৰৰো ইচ্ছা হৈ যেন ধূপ-ধূনাৰ গন্ধেৰে সুবাসিত পৱিত্ৰ মন্দিৰৰ আকুল প্রার্থনা এটাৰ ৰূপ ল'লে। থৰক-বৰক বিশ্বাসৰ অনুভৱৰ বাবে মন্দিৰ ক'ত? কাৰ বাবে এই প্রার্থনা? বৰ অসহায় অনুভৱ কৰে অনুভৱ মাষ্টৰে। বিভিন্ন ৰাসায়নিক পদাৰ্থৰ গন্ধ আৰু যন্ত্ৰৰ বিপ্ বিপ্ শব্দৰে ভৰি থকা এই হাস্পতালবোৰেই নির্মলহঁতৰ বাবে ধূপ-ধূনা অৰু ঘণ্টা-ধ্বনিৰে ভৰি থকা একোটা পৱিত্ৰ মন্দিৰ হৈ পৰক, ডাক্তৰবোৰ হৈ উঠক ভগৱান! তেনে এটা তীব্ৰ হেঁপাহ, এটা বিৰাট স্বপ্ন বুকুত বান্ধি অনুভৱ আই চি ইউৰপৰা ওলাই আহিল।

বাহিৰলৈ ওলাই আহি অনুভৱ মাষ্টৰে দেখিলে—

আই চি ইউৰ বাহিৰত পকী মজিয়াখনত বহি ফেকুৰি ফেকুৰি কান্দি আছে অসীমে!

৬৪.

'আগতে ভাবিছিলো— আছে, বহুত সময় আছে। নিৰ্মলক কিবা দিবলৈ, মানুহক কিবা দিবলৈ। আৰু এদিন হঠাতে গম পালো— নাই নাই, বেছি সময় নাই। জীৱনটোৰ একো নিশ্চয়তা নাই। যিকোনো মুহূৰ্ততে যেন জীৱনে আমাক প্ৰতাৰণা কৰিব পাৰে। নিৰ্মলক, মানুহক যি দিব পাৰো পাৰিলে আজিয়েই, এতিয়াই দিব লাগিব। কৰিব লগা ভাল ভাল কামবোৰ যিমান পাৰো সোনকালে কৰিব লাগিব—। বুকু ভৰি থকা মৰমবোৰেৰে যেন অহৰহ বুৰাই ৰাখিম নিৰ্মলক— পৃথিৱীৰ সমস্ত ৰং-ৰূপৰ সৈতে যেন আজিয়েই পৰিচয় কৰাই দিম নিৰ্মলক— তাৰ দুখ-যন্ত্ৰণাৰে ভৰা জীৱনটো যেন ভৰাই দিম পৃথিৱীৰ সকলোখিনি সুখেৰে—'

তাৰ পিছত নিৰ্মলৰ দেউতাকে একো ক'ব পৰা নাছিল অনুভৱক। আই চি ইউৰ সন্মুখত অকলে অকলে বৈ অনুভৱে নিৰ্মলৰ দেউতাকে কালি কোৱা কথাবোৰকে ভাবি আছিল। মনটো বৰ গধুৰ হৈ পৰিছে। মনটো পাতলাবলৈকে অনুভৱে হাতত থকা বাতৰি কাকতখন মেলি ল'লে—

'উচ্চপদস্থ বিষয়াৰ লাখ লাখ টকা আত্মসাৎ—'

শিৰোনামটো পঢ়িয়েই অশ্লীল, কুৎসিৎ কিবা এটা দেখাৰ দৰে অনুভৱৰ মনটো কোঁচ খাই গ'ল। বাতৰি কাকতখন মোহাৰি আই চি ইউৰ সন্মুখৰ ডাষ্টবিনটোলৈ দলিয়াই দিলে অনুভৱে—

৬৫.

আজি কিছুদিনৰ পৰা অসীমৰ বাপেক সম্পৰ্কত অনুভৱৰ মনত একধৰণৰ দুশ্চিন্তাই বাহ বান্ধিছে। অসীমহঁতৰ ঘৰখন থান-থিত লাগিছে। কিন্তু বাপেকৰ বাবেই ঘৰখনত আকৌ সমস্যাৰ সৃষ্টি হ'ব নেকি? বিশেষকৈ বাপেকে বাতৰি কাকত বিলোৱা কথাটো অনুভৱে মুকলি মনেৰে ল'ব পৰা নাই। বাতৰি বিলাবলৈ লৈ বাপেকে বাৰু বাতৰিৰ এজেঞ্চীটো নিজৰ হাতলৈ লৈ গ'ল নেকি? তাৰ পৰা উপাৰ্জন হোৱা টকাখিনি মদ খাই উৰুৱাব নেকি? যদি তেনেকুৱাই হয়, ঘৰখনত বিৰাট সমস্যাৰ সৃষ্টি হ'ব। অসীমৰ ফাইনেল পৰীক্ষালৈ বেছি দিন নাই, এনেকুৱা সময়ত এই ধৰণৰ সমস্যা হ'বলৈ দিব নোৱাৰি। অনুভৱে ঠিক কৰিলে কথাখিনি অসীমৰ বাপেকৰ লগত পোনপটীয়াকৈ পতাই ভাল হ'ব।

পুৱা বাতৰি কাকতখন হাতত লৈ অনুভৱে অসীমৰ বাপেকক ক'লে—

'আপোনাৰ লগত মোৰ এটা কথা আছিল।'

'কওক।'

'আপুনি বাতৰি কাকত কিয় বিলাবলৈ লৈছে?'

'কিয় সুধিলে?'

'সুধিছোঁ।'

'অসীমক পঢ়াৰ বাবে আজৰি কৰি দিছো।'

'ভাল কথা।'— অলপ বৈ অনুভৱে পোনপটীয়াকৈ সুধিলে—

'বিলৰ টকাখিনি কোনে ৰাখিব?'

কিঞ্চিৎ কঠোৰ সুৰৰ প্ৰশ্নটো শুনি মানুহজন যেন আহত হ'ল। তেওঁ অনুভৱৰ মুখৰ ফালে অসহায়ভাৱে চাই ৰ'ল। অনুভৱে মুখখন ঘূৰাই নিদিলে। তেৰোঁ স্থিৰ দৃষ্টিৰে মানুহজনৰ চকুৰ ফালে চাই থাকিল।

'কওক কোনে ৰাখিব? আপুনিনে অসীমে?'

'অসীমে।'

'চাওক— আপুনি যদি এজেঞ্চীৰ টকাখিনিৰ লোভত বা এজেঞ্চীটো নিজৰ হাতলৈ নিয়াৰ আশা কৰি বাতৰি কাকত বিলাবলৈ লৈছে, তেনেহ'লে কাইলৈৰ পৰা আপুনি কামটো কৰিব নালাগে।' — বেছ কঠোৰভাৱে অনুভৱে কথাখিনি ক'লে।

'ঠিক আছে। মাহ শেষ হ'লে, বিল উঠাবৰ বাবে দুদিন অসীমে বাতৰি কাকত বিলাব।'

মানুহজনৰ প্ৰতি অলপ বেছি কঠোৰ হোৱা গ'ল নেকি— অনুভৱে এবাৰ ভাবি চালে। নাই, এইকেইটা দিন অসীমৰ বাবে বৰ গুৰুত্বপূৰ্ণ। এইখিনি সময়ত যদি কিবা এটা অথন্তৰ হ'বলৈ লয় সকলো খেলিমেলি হৈ যাব। কথাবোৰ খেলিমেলি কৰি দিবলৈ বেছি সময় নালাগে, কিন্তু সেইখিনিকে চিজিল কৰিবলৈ বহুত সময় লাগি যায়।

অনুভৱে মন কৰিলে মানুহজনে তেতিয়াও যোৱা নাই। অনুভৱৰ নিজৰ ফালৰ পৰা ক'ব লগা কথা আৰু বিশেষ নাছিল। মানুহজনৰো বহুত বাতৰি কাকত বিলাবলৈ বাকী আছে। সেয়ে অনুভৱে সুধিলে—

'কিবা ক'ব?'

'নাই, গীতটো শুনি ভাল লাগিছে।'

অনুভৱৰ তেতিয়াহে খেয়াল হ'ল যে তেওঁ বজাই থকা চিডি প্লেয়াৰটোত পাৰ্বতি প্ৰসাদৰ ধুনীয়া গীত এটা বাজিবলৈ ধৰিছে। মানুহজনে একান্ত মনেৰে গীতটো শুনিবলৈ ধৰিছে—

(আহিনমহীয়া শেৱালি সৰিলে
নিয়ৰত তিতিলে বন;
জোনাকত ওপঙিল কিহবাৰে ৰাগী
কেনেবা কৰিলে মন
বান্ধৈ ঐ
কেনেবা কৰিলে মন।
বগা ডাৱৰৰে মুৰতে পাগুৰি
কোননো কোঁৱৰ আহি,
দোকমোকালিতে মোৰে দুৱাৰতে
কিয় ভুমুকিয়ালেহি।
বান্ধৈ ঐ
কেনেবা কৰিলে মন।
বুকুৰ বান্ধৈ,
চিনো কি নিচিনো আগে
সৰা শেৱালিৰ বাটে কাহানিবা
দেখিছিলো যেন লাগে।
চিনো কি নিচিনো একো নুগুনিলো
অচিন আদৰতে মজি,
বুকুৰে মাজৰে পগলা ব'ৰাগী
ৰঙতে নাচিলো আজি।
বান্ধৈ ঐ
কেনেবা কৰিলে মন।)

'ইমান ধুনীয়া গীতটো! আমাৰ সেই নাম শুনা যেন লাগিছে।'— উৎসাহেৰে মানুহজনে ক'লে।

অনুভৱ আচৰিত হৈ গ'ল। পাৰ্বতি প্ৰসাদে যেতিয়া মাকৰ আগত এই গীতটো প্ৰথমবাৰ গাইছিল তেতিয়া মাকেও হেনো পাৰ্বতি প্ৰসাদক এইষাৰ কথাকে কৈছিল।

'এতিয়া আহিন মাহ নহয় যদিও টোপ টোপকৈ নিয়ৰ সৰি আছে। এই পৰিৱেশত গীতটো শুনি মনটো যে কেনেকুৱা লাগিছে!'

অনুভৱে বুজি পালে গীতটো শুনি মানুহজন অভিভূত হৈ পৰিছে। তেওঁ যাবলৈ ওলাই ক'লে—

'আমাৰতো এই গীতবোৰ শুনাৰ সুবিধাই নাই। সময়ো নাই।'

'মানে?'— কথাষাৰ ভালকৈ বুজি নাপাই অনুভৱে সুধিলে।

'গীতবোৰ শুনিবলৈ সেই মেচিনটো কিনিবলৈ টকা পাওঁ ক'ত? আৰু এনেকৈ বহি বহি ধুনীয়া ধুনীয়া গীতবোৰ শুনাৰ সময়েইবা আমাৰ ক'ত! চ'ক-বজাৰে যিবোৰ গীত বাজি থাকে সেইবোৰেই আমাৰ কাণত পৰে।'

৬৬.

অসীমৰ দেউতাকৰ কথাষাৰে অনুভৱক তীব্ৰভাৱে জোকাৰি গ'ল। অনুভৱে বহুত চিন্তাবিদক আক্ষেপ কৰা দেখিছে, অনুভৱে নিজেও বিশ্বাস কৰে যে আমাৰ সাহিত্য বা সংস্কৃতিৰ ক্ষেত্ৰত মানুহবোৰৰ ৰুচিবোধত গভীৰতাৰ চিন তেনেকৈ পাবলৈ নাই। গভীৰ চিন্তাৰ সাহিত্য বা গীত বা চিনেমা সাধাৰণতে আমাৰ মাজত জনপ্ৰিয় নহয়। সাধাৰণতে মধ্য মানৰ সৃষ্টিবোৰে উৎকৃষ্ট সৃষ্টিক চেৰাই গৈ অধিক জনপ্ৰিয় হয়। এইটো একধৰণৰ সংকটেই। এই সংকটটোৰ উৎস কি অসীমৰ বাপেকে কোৱা কথাষাৰতে লুকাই আছে? এই প্ৰসংগত দুজন বিদগ্ধ চিন্তাবিদৰ মাজত হোৱা বিতৰ্ক এটাৰ কথাও অনুভৱৰ মনত পৰিল।

উচ্চতৰ সংস্কৃতি চৰ্চাৰ বাবে অৰ্থ ব্যয় কৰাৰ বাবে অধিকাংশ মানুহৰে সামৰ্থ্য নাই। আৰু ভাত দুসাঁজৰ চিন্তাত হাড়ভঙা পৰিশ্ৰম কৰাৰ পিছত মানুহে নিশ্চয় সস্তীয়া মনোৰঞ্জনৰ পথেই বাছি ল'ব। এই সংকটৰ বাবে তেনেহ'লে আমাৰ সাধাৰণ মানুহৰ অৰ্থনৈতিক অৱস্থাই দায়ী নেকি? কিন্তু অনুভৱৰ ভাব হ'ল— এইটো এটা অৰ্দ্ধ সত্য। যদি সেয়াই সত্য হ'লহেঁতেন, তেনেহ'লে অৰ্থনৈতিকভাৱে স্বচ্ছলখিনিৰ মাজত সংস্কৃতিৰ চৰ্চা গভীৰ আৰু ব্যাপক হ'লহেঁতেন। কিন্তু সেয়াওতো হোৱা নাই। চ'কে-বজাৰে যিবোৰ গীত অসীমৰ বাপেকে কাণত পৰে বুলি কৈছে, সেইবোৰ গীততো বতাহত নিজে ভাহি ফুৰা নাই! সেইবোৰো কোনোবাই বজাইছে। অৱস্থাৰ দোহাই দি ভাল গীত শুনিবলৈ নাপায় বুলি দুখ কৰা অসীমৰ বাপেকেও কিন্তু দৈনিক মদ খোৱাৰ বাবে টকা ঠিকেই যোগাৰ কৰি আছে। কিন্তু এই কথাটোও অনুভৱে নিজেই দেখিলে— পাৰ্বতি প্ৰসাদৰ গীতটো শেষকৈ শুনিহে মানুহজন তেওঁ ওচৰৰ পৰা আঁতৰি গৈছিল। তাৰ মানে চ'কে-বজাৰেও এইবোৰ গীত বাজি থকাটোৱেই যদি স্বাভাৱিক হ'লহেঁতেন, তেনেহ'লে এইবোৰ গভীৰ গীতে সকলোৰে মাজত প্ৰসাৰ লাভ কৰিলেহেঁতেন। তেনেহ'লে উচ্চতৰ সংস্কৃতি চৰ্চাৰ বাবে আমাৰ সমাজত পৰিৱেশেই নাই নেকি? কিন্তু পৰিৱেশতো মানুহেই ৰচনা কৰে। আজি যেনেকৈ অনুভৱৰ ঘৰত মানুহজনে সেই পৰিৱেশটো পালে। তাৰ মানে মানুহৰ মাজত গভীৰ

চিন্তা-চৰ্চা কম বাবে উচ্চতৰ চিন্তা-চৰ্চাৰ পৰিৱেশ নাই; আৰু সেই পৰিৱেশ নাই বাবে মানুহে গভীৰ চিন্তা-চৰ্চাৰ বাবে উৎসাহ অনুভৱ নকৰে। অৰ্থাৎ মানুহবোৰ এটা ক্ষতিকৰ চক্ৰৰ মাজত বন্দী হৈ পৰিছে নেকি? তাত মানুহৰ আৰ্থিক অনগ্ৰসৰতাও যোগ হৈ সংকটটো গভীৰ কৰি তুলিছে নেকি?

তথাপি অনুভৱৰ এনেকুৱা লাগিল— অৱস্থাটোৰ বাবে অৰ্থনৈতিক কাৰণতকৈ আমাৰ বৌদ্ধিক আলস্যহে অধিক জগৰীয়া। সেইবাবেই সম্ভৱতঃ পৰিয়ালবোৰত টেলিভিছনৰ সস্তীয়া ধাৰাবাহিকবোৰ অধিক জনপ্ৰিয় হয়। ঠিক একেদৰে বহুতে ভবাৰ দৰে আমাৰ সমাজত ধৰ্মৰ প্ৰভাৱ ক্ষতিকৰভাৱে বেছি হোৱাৰ মূল কাৰণো আৰ্থিক অনগ্ৰসৰতা নহয়। এইক্ষেত্ৰতো আৰ্থিক অনগ্ৰসৰতাতকৈ মানুহৰ বৌদ্ধিক আলস্যহে অধিক জগৰীয়া। আমি সৰহভাগে, হয়তো প্ৰায় সকলোৱেই তুলনামূলকভাৱে নিম্ন খাপৰ চিন্তা-চৰ্চাতহে স্বস্তি অনুভৱ কৰোঁ। গভীৰ কথাত লিপ্ত হ'বলৈ আমাৰ এলাহ। গতিকে সাহিত্য-বিজ্ঞান-সংস্কৃতি সকলোতে উচ্চতৰ চিন্তা-চৰ্চাৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি হোৱা নাই। আৰু এই পৰিৱেশ হঠাতে বা এবছৰতে সৃষ্টি কৰা সম্ভৱ নহয়। চামে চামে নতুন প্ৰজন্মক শৈক্ষিক আউটিৰ ভিতৰতে একধৰণৰ ট্ৰেইনিঙৰ যোগেৰে নিৰন্তৰ সমাজলৈ উলিয়াই দি থাকিব লাগিব। শৈক্ষিক পাঠ্যক্ৰমৰ ভিতৰত, আনকি পাঠ্যক্ৰমৰ বাহিৰতো উচ্চতৰ চিন্তা-চৰ্চাৰ বাবে ব্যৱস্থা থাকিব লাগিব। সাহিত্য সৃষ্টি, বিজ্ঞানৰ আৰ্হি নিৰ্মাণ, বিভিন্ন বিষয়ত আলোচনা-বিতৰ্ক আদি এই ব্যৱস্থাৰ অংশ হ'ব পাৰে। কিন্তু এইবোৰ বছৰত এবাৰ বিদ্যালয় সপ্তাহত পতা প্ৰতিযোগিতাত সীমাবদ্ধ কৰি ৰাখিলে নহ'ব। এই ধৰণৰ চিন্তা-চৰ্চা চখ বা আজৰি সময়ৰ কাম বা পুৰস্কাৰ পাবলৈ কৰা প্ৰতিযোগিতা বুলি ছাত্ৰ-ছাত্ৰীসকলক শিকালে নহ'ব। এই ধৰণৰ অনুশীলন, এই ধৰণৰ চিন্তা-চৰ্চাই স্বাভাৱিক বুলি তেওঁলোকৰ মনৰ ভিতৰত সোমাই যাব লাগিব। এইবোৰ তেওঁলোকৰ অভ্যাসৰ দৰে সহজ হৈ যাব লাগিব। এনেকৈয়ে বৌদ্ধিক আলস্যৰ পৰা মুক্ত, তলখাপৰ চিন্তা-চৰ্চাত বিৰক্তি পোৱা প্ৰজন্ম এটা গঢ়া সম্ভৱ হ'ব পাৰে। এই প্ৰজন্মটোৱেই উচ্চ সংস্কৃতিৰ চৰ্চা কৰিব পৰা পৰিৱেশ এটা সমাজলৈ আনিব। অনুভৱহঁতে স্কুলত পুথিভঁৰাল নিৰ্মাণ কৰি, তাত সুচিন্তিতভাৱে নিৰ্বাচন কৰা কিতাপ ৰাখি, ভাল ভাল গীত শুনাৰ ব্যৱস্থা কৰি তেনে এটা উদ্দেশ্যৰ ফালেই যাব খুজিছে। শেষত গৈ অনুভৱৰ মনত দৃঢ় প্ৰত্যয় জন্মিল যে শিক্ষা ব্যৱস্থাৰ গুৰুত্বটো আমি ভবাতকৈ বহুত বেছি গুৰুতৰ। কম্বল, মদৰ বটল, টকা বিলাই নিৰ্বাচন জিকি অহা শূন্য মস্তিষ্কৰ শিক্ষামন্ত্ৰীৰ নেতৃত্বই গঢ় দিয়া শিক্ষা ব্যৱস্থাই এইবোৰ উদ্দেশ্য সাধন কৰিব নোৱাৰে। এভিয়েশ্যন মিনিষ্টাৰ যেনেকৈ বৈমানিক হোৱাৰ দৰকাৰ

নাই, তেনেদৰে শিক্ষামন্ত্ৰীও শিক্ষাবিদ, বুদ্ধিজীৱী বা এম এ, পি এইচ ডি হ'ব নালাগে— এই ধৰণৰ পাতল যুক্তি প্ৰদৰ্শন কৰি অনুপযুক্ত ব্যক্তিক শিক্ষামন্ত্ৰী পাতিলে দেশখনৰ, সমাজখনৰ বহুত ক্ষতি হয়। এইবোৰ কথা কোনে বুজিব? মনৰ ভিতৰত উক্‌মুকাই থকা এইবোৰ কথা অনুভৱেই বা কাক ক'ব? তেওঁতো স্কুল এখনৰ সাধাৰণ শিক্ষক এজন! বৰ অসহায় অনুভৱ কৰে অনুভৱে।

তথাপি অনুভৱে নিজৰ স্কুলখনত কিছু চিন্তা-চৰ্চাৰে চিকুণাই লোৱা পথেৰে এটা উদ্দেশ্য সন্মুখত ৰাখি আগুৱাই যাব পাৰিব— কথাটো মনলৈ অহাত অনুভৱৰ গধুৰ মনটোৱে যেন অলপ সকাহ পায়।

৬৭.

নিৰ্মল হাস্পতালৰ পৰা অহাৰে পৰা অসীমে দিনটোৰ প্ৰায় বেছিভাগ সময় নিৰ্মলৰ লগতে কটোৱা কৰিছে। নিৰ্মল বহুত দুৰ্বল হৈ থকা বাবে সি নিজে পঢ়া-শুনা কৰিব পৰা নাই। সেয়ে আজি কেইবাদিন ধৰি অসীমে নিৰ্মলৰ ওচৰতে বহি পঢ়া-শুনা কৰি আছে। নিৰ্মলে বিছনাত শুই থাকে। ওচৰতে বহি অসীমে শব্দ কৰি পঢ়ি যায়। নিৰ্মলে শুনি যায়। নহ'লে পৰীক্ষাৰ তেনেই ওচৰতে হোৱা বিপৰ্যয়টোৰ বাবে নিৰ্মলৰ বৰ বিপদ হ'লহেঁতেন।

অসীমে মন কৰিলে— আজি নিৰ্মলে সি পঢ়ি থকা কথাবোৰ বৰ এটা মনোযোগেৰে শুনি থকা নাই। বিছনাত শুই শুই সি খিৰিকীৰে অন্যমনস্কভাৱে বাহিৰলৈ চাই আছে। খণ্ডতে সি নিৰ্মলক সুধিয়েই দিলে—

'কি হ'ল?'

'কি কি হ'ল?'— নিৰ্মলে ওলোটাই সুধিলে।

'মই পঢ়া কথাবোৰ মনোযোগ দি শুনা নাই কিয়?'

'শুনি আছোতো!'

'তই মোক ফাঁকি মাৰিব নোৱাৰ বুজিছ।'

অসীমে দেখিলে নিৰ্মল গহীন হৈ পৰিছে। একো নকৈ সি আকৌ খিৰিকীৰে বাহিৰৰ ফালে চাবলৈ ধৰিলে।

'আকৌ কি হ'ল?'

'তই যে সদায় সদায় মোৰ লগত এনেকৈ সময় নষ্ট কৰি আছ, তোৰ পঢ়া-শুনাৰ ক্ষতি হোৱা নাই?'— অৱশেষত নিৰ্মলে মনৰ ভিতৰৰ কথাখিনি কৈ দিলে।

'তোৰ ওচৰত দেখোন মই পঢ়িয়েই থাকো।'— অসীমে অলপ খঙেৰে ক'লে।

'তথাপি এনেকৈ পঢ়াতকৈ অকলশৰে, মনোযোগেৰে পঢ়িলে বেছি কামত আহে।'

'মোক যেতিয়া আকৌ স্কুললৈ নিবলৈ চেষ্টা কৰিছিলি, তেতিয়া তোৰ পঢ়া-শুনাৰ ক্ষতি হৈছিলনে নাই?'— অসীমে মনত পেলাই দিলে।

'ধাৰ শুজিছ?'— নিৰ্মলে ক্ষীণ হাঁহি এটা মাৰি ক'লে।

'ঠাট্টা কৰিছ? সেইবোৰ কথাৰ ধাৰ শুজিব পাৰি নেকি?'

'বাদ দে সেইবোৰ কথা।'— কথাটো কৈ নিৰ্মলে অসীমৰ মুখৰ ফালে চালে। তাৰ পিছত প্ৰস্তাৱ দিলে—

'আমি পাহাৰৰ তলিলৈ যাওঁ ব'ল?'

কথাষাৰ কৈয়েই নিৰ্মলে জঁপ মাৰি উঠি বহিলেই। অসীম চঁক খাই উঠিল। সি জানে নিৰ্মল বহুত দুৰ্বল হৈ আছে।

'কিয়?'— আতংকত যেন অসীমে চিঞৰি দিলে।

'ৰমেনহঁতক বিচাৰি।'

অসীমে বুজি পালে নিৰ্মলে কিয় ৰমেনহঁতক বিচাৰি যাবলৈ ওলাইছে। তথাপি সি সুধিলে—

'কিয়?'

'সিহঁতেও আকৌ স্কুললৈ যাব লাগিব।'

অসীমৰ মনত পৰিল— অসীমক বিচাৰি পাহাৰৰ তলিলৈ যাওঁতে ৰমেনে নিৰ্মলক বহুবাৰ বেয়াকৈ কৈছিল। অতিষ্ঠ হৈ অসীমে এদিন ৰমেনক মাৰিবলৈ হাতুৰী দাঙিছিল। সেইবোৰ কথা অসীমে নিৰ্মলক মনত পেলাই নিদিলে। অসীমেও জানে নিৰ্মলৰো সেইবোৰ কথা মনত আছে। অসীমে মাথোঁ ক'লে—

'সেইবোৰ কথা তই মই নাভাবিলেও হ'ব দে। ছাৰহঁতে ইতিমধ্যে সিহঁতৰ ঘৰলৈ গৈ ঘৰৰ মানুহবোৰৰ লগত কথা পতা আৰম্ভ কৰিছে।'

'ব'লনা— ৰমেনহঁতে ভাল পাব।'

বিছনাৰ পৰা নামি নিৰ্মলে অসীমক হাতত ধৰি বাহিৰলৈ টানিবলৈ ধৰিলে।

৬৮.

নিৰ্মল আৰু অসীমৰ মেট্ৰিক পৰীক্ষা শেষ হৈ গ'ল।

নিৰ্মলৰ পৰা খুব ভাল ফল এটা সকলোৱে আশা কৰিছিল। কিন্তু পৰীক্ষাৰ কেইদিনমান আগতে সি অসুস্থ হৈ পৰাত সেই আশা বহুত কমি গ'ল। নিৰ্মলৰ মাক-

বাপেকেও তাক পৰীক্ষাৰ বাবে বেছি কষ্ট কৰিবলৈ মানা কৰিছিল। অসীমে কেইটামান মাহৰ ভিতৰতে খুব উন্নতি কৰিছিল। সি ভাল ফল এটা নিশ্চয় দেখুৱাব। কিন্তু মাজতে হৈ যোৱা খেলি-মেলিখিনিৰ বাবে কোনেও তাৰ পৰা সাংঘাতিক ভাল ফল এটা আশা কৰা নাই। মুখ খুলি কোনেও নক'লেও সকলোৱে ভিতৰি ভিতৰি অলপ হতাশ হৈ পৰিছে।

আনকি অনুভৱ মাষ্টৰো অলপ হতাশ হৈ পৰিল।

পৰীক্ষাৰ শেষত এদিন নিৰ্মল আৰু অসীম নিৰ্মলৰ ঘৰত লগ হ'ল। সিহঁতে পৰীক্ষাৰ আটাইকেইখন প্ৰশ্নকাকত উলিয়াই ল'লে। দুয়োটাই আলোচনা কৰি অনুভৱ কৰিলে যে সিহঁতৰ পৰীক্ষা ভালেই হৈছে। কিন্তু সিহঁত খাটাং হ'ব নোৱাৰিলে— কাৰ পৰীক্ষা বেছি ভাল হ'ল!

অসীমৰ নে নিৰ্মলৰ?

৬৯.

অৱশেষত অসীমহঁতৰ পৰীক্ষাৰ ফল ঘোষণাৰ দিনটো আহি পালে।

ফল ঘোষণাৰ নিৰ্দিষ্ট সময়ৰ কিছু আগৰ পৰাই স্কুলখনত ছাত্ৰ-ছাত্ৰী-অভিভাৱকে ভিৰ কৰিলে। সকলোৱে শিক্ষকসকলৰ কমন ৰুমৰ বাহিৰত উৎকণ্ঠাৰে অপেক্ষা কৰিবলৈ ধৰিলে। ভিতৰত একেই উৎকণ্ঠাৰে বহি আছে শিক্ষকসকল।

সকলোৰে পৰা আঁতৰত বৈ অসীম বহি আছে বকুলজোপাৰ তলত। শিক্ষকৰ কমন ৰুমৰ পৰা বহু নিলগত গে'টৰ কাষৰ বকুলজোপাৰ তলত বহি আছে অসীম। সি জানে— এইজোপা বকুল তাৰ বাপেকে ৰুইছিল। বাপেকৰ পৰা যি নিৰাপত্তা হেৰুৱাই তাৰ জীৱন থান-বান হৈ যোৱাৰ উপক্ৰম হৈছিল, সেইখিনি নিৰাপত্তা যেন সি এই বকুলজোপাৰ পৰা বিচাৰি থাকে।

এবছৰ আগৰ দিনটোৰ কথা বাৰে বাৰে অসীমৰ মনলৈ আহিবলৈ ধৰিলে। সেইদিনাও সি এনেদৰেই তাৰ বছৰেকীয়া পৰীক্ষাৰ ফলৰ বাবে বৈ আছিল। অকলশৰে। কোনোমতেহে সি পাছ কৰিছিল।

মহেন্দ্ৰ মাষ্টৰে তাক কাণতলীয়া চৰ এটা শোধাই কৈছিল—

'তই অধঃপাতে গ'লি।'

তাৰ পিছত অনুভৱ মাষ্টৰৰ ফালে চাই তেখেতে কৈছিল—

'এসময়ত সি ক্লাছৰ এক নম্বৰ ল'ৰা আছিল।'

তেতিয়া সি অনুভৱ মাষ্টৰক চিনি পোৱা নাছিল। তাৰ কেইমাহমান পিছতহে

তেখেতে সিহঁতৰ স্কুলত শিক্ষক হিচাপে যোগদান কৰিছিল।

সকলো কথাই তাৰ স্পষ্টকৈ মনত আছে। সি বাঁওহাতৰ বুঢ়া আঙুলিটোলৈ চালে। আঙুলিটোত এতিয়াও দাগ এটা বৈ গৈছে। হয়তো থাকি যাব সদায়। মহেন্দ্ৰ মাষ্টৰে বাঁহৰ স্কেলেৰে কোবাওঁতে আঙুলি ফাটি হোৱা দাগ! এসময়ত এই মহেন্দ্ৰ মাষ্টৰেই তাৰ বিষয়ে কৈছিল— 'ই আমাৰ স্কুলৰ জুৱেল!'

চিনেমাৰ ৰিলৰ দৰে পুৰণি কথাবোৰ দ্ৰুতগতিৰে তাৰ মনলৈ আহিবলৈ ধৰিছে। পৰীক্ষাৰ ফল সম্পৰ্কে তাৰ উচ্চাকাংক্ষা নাই। শিক্ষকসকলেও তাৰ পৰা সাংঘাতিক ভাল ফল এটা আশা কৰা নাই। মাক-বাপেকৰ পৰীক্ষাৰ ফলাফলৰ ভাল-বেয়া সম্পৰ্কত কোনো স্পষ্ট ধাৰণা নাই। গতিকে তাৰ নিজৰ মনতো খুব বেছি উৎকণ্ঠা নাই। মাত্ৰ নিৰ্মল আৰু অনুভৱ মাষ্টৰৰ বাবেহে সি ভাবে— পৰীক্ষাৰ ফলটো ভাল হোৱাহেঁতেন নিৰ্মল আৰু অনুভৱ মাষ্টৰে খুব স্ফূৰ্তি পালেহেঁতেন।

'ইয়াতেই বহি থাকিবিনে তালৈ যাবি?'— নিৰ্মলে অসীমক সুধিলে। অকলে অকলে অসীম ইয়াত থকা কথাটো নিৰ্মলৰ বৰ এটা ভাল লগা নাই।

'মইতো আজি ইয়াতো বহি থাকিব নালাগিছিল নিৰ্মল। তোৰ আৰু অনুভৱ ছাৰৰ বাবেহে ইয়াত বহি থাকিব পাৰিছো।'— পুৰণি কথাবোৰে অসীমৰ মাতটো দুৰ্বল কৰি তুলিছে।

নিৰ্মলে বুজি পালে— আজিও অসীমে মহেন্দ্ৰ মাষ্টৰৰ পৰা আঁতৰি ফুৰিব বিচাৰিছে। বৰ অভিমানী এই গাধটো— নিৰ্মলে ভাবে।

'তই তাৰমানে আমাৰ বাবে বকুলজোপাৰ তলতহে বহিব পৰা হ'লি?'— নিৰ্মলে হাঁহি মাৰি ক'লে।

'কিয়নো তেনেকৈ কৈছ? ইয়াত থাকিলেও ৰিজাল্ট পাম দে। তই যাগৈ। মই ইয়াতে থাকিম।'

'হ'ব দে। ময়ো নাযাওঁ।'— নিৰ্মলে অসীমক আৰু জোৰ নকৰিলে।

ঠিক এঘাৰ বজাৰ লগে লগে সনাতন হেড মাষ্টৰে ৰিজাল্ট শ্বীটৰ পেকেট খুলিলে। চেণ্টাৰ নম্বৰ মতে পৃষ্ঠাটো বিচাৰি উলিয়ালে। দেখা গ'ল যে অসীম আৰু নিৰ্মল দুয়োজনেই প্ৰথম বিভাগ পাইছে। দুয়োটাৰে ৰোল নম্বৰৰ কাষত তৰাৰ চিন আছে। তাৰ মানে দুয়োজনেই ষ্টাৰ মাৰ্ক পাইছে। স্কুলখনৰ আৰু চাৰিজনে প্ৰথম বিভাগ পাইছে। শিক্ষকসকলৰ আন এটা কথাত খুব ভাল লাগিল— স্কুলৰ এজন ল'ৰাৰ বাহিৰে আটায়ে উত্তীৰ্ণ হৈছে। তেওঁলোকৰ বাবে এইটো ইমানদিনে এটা অকল্পনীয় কথা আছিল। স্কুলখনৰ পৰিৱেশটো উৎসৱমুখৰ হৈ উঠিল।

কিবা এটা ভাবি জিলমিলে সনাতন হেড মাষ্টৰৰ পৰা বিজাল্ট শ্বীটখন খুজি ল'লে। তেওঁ নিৰ্মল আৰু অসীমে লেটাৰ মাৰ্ক পোৱা বিষয়কেইটা হিচাপ কৰি দেখিলে যে দুয়োজনে গোটেইকেইটা বিষয়তে লেটাৰ পাইছে। তাৰ পিছত তেওঁ বিচাৰি বিচাৰি প্ৰথমৰ ফালৰ পৃষ্ঠা এটা মেলি ল'লে। সকলোৰে দেখিলে জিলমিলৰ চকু দুটা হঠাৎ প্ৰকাণ্ড হৈ মেল খাই গৈছে, হাত দুখন কঁপিছে, ওঁঠ দুটাও কঁপিছে। আৰু এসময়ত জিলমিলে চিৎকাৰ কৰি উঠিল—

'দুয়োজনেই ষ্টেণ্ড কৰিছে! নিৰ্মল তিনি নম্বৰত আৰু অসীম সাত নম্বৰত!'

হঠাৎ এটা আনন্দৰ প্ৰচণ্ড জোৱাৰ বৈ গ'ল চৌদিশে। সকলোৰে স্ফূৰ্তিত চিঞৰি উঠিল। জিলমিলে সৰু ছোৱালী এজনীৰ দৰে নাচিবলৈ ধৰিলে।

'এই গাধ দুটা ক'ত?— মহেন্দ্ৰ মাষ্টৰে গৰ্জন কৰি উঠিল!

অসীম আৰু নিৰ্মলে শুনিলে— শিক্ষকৰ কমন ৰুমৰ ফালে বিৰাট হাহাকাৰ, চিঞৰ-বাখৰ হৈছে। অসীম আৰু নিৰ্মলে ইজনে-সিজনৰ ফালে চালে। সিহঁতে কিবা বুজি পোৱাৰ আগতেই দেখিলে— মহেন্দ্ৰ মাষ্টৰ প্ৰায় দৌৰাৰ দৰে সিহঁতৰ ফালে আগুৱাই আহিছে আৰু গুণগুণনিৰ আৱাজ তুলি পাছে পাছে এজাক মানুহ।

মহেন্দ্ৰ মাষ্টৰ সিহঁতৰ ওচৰত থমকিল। পাছে পাছে অহা সমদলটোও। কোনোবাই চিঞৰ মাৰি সিহঁতক ৰিজাল্টটো দিলে। দুয়োজন চঁক খাই উঠিল। কথাখিনি সিহঁতৰ বিশ্বাস হোৱাৰ আগতেই মহেন্দ্ৰ মাষ্টৰে গৰ্জি উঠিল—

'ক'ত লুকাই আছ?'

লগে লগে মহেন্দ্ৰ মাষ্টৰে আগুৱাই গৈ নিৰ্মলক খুব জোৰেৰে সাবটি ধৰিলে। আতংকিত হৈ অসীম তিনিখোজ পিছুৱাই গ'ল।

মহেন্দ্ৰ মাষ্টৰৰ চোলাৰ জেপত এটা মস্ত কলম আছিল। সাবটি ধৰোতে নিৰ্মলে বুকুত বৰ দুখ পালে। তাৰ এনে লাগিল যেন মানুহজনে তাক এৰি নিদিবই।

অৱশেষত নিৰ্মলক এৰি দি মহেন্দ্ৰ মাষ্টৰে অসীমক বিচাৰিলে।

'ঐ গৰু পলাইছ কিয়?'

মহেন্দ্ৰ মাষ্টৰে অসীমকো বুকুৰ মাজত সুমুৱাই ল'লে। অলপ পিছত অসীমৰ সন্দেহ হ'ল— মানুহজনে কান্দিছে নেকি? মানুহজনৰ শৰীৰটো দেখোন কঁপি কঁপি উঠিছে!

'মই তোক কোৱা নাছিলোনে তই আমাৰ স্কুলৰ জুৱেল!'

সকলোৰে দেখিলে মহেন্দ্ৰ মাষ্টৰে অসীমক বুকুৰ মাজত লৈ ফেকুৰি উঠিছে। অনুভৱে দেখিলে— সিদিনাৰ টিভিৰ সাংবাদিক আৰু কেমেৰা পাৰ্ছনকেইজনে

স্কুলৰ গে'টৰ বাহিৰত চুচুক-চামাককৈ ৰৈ আছে। অনুভৱৰ বেয়া লাগিল। তেওঁ আগুৱাই গৈ তেওঁলোকক ভিতৰলৈ মাতি আনিলে।

'আপোনালোকে চাগৈ আজি বুজি পাইছে— আমাৰ স্কুলত ইমানদিনে নাৰী কেলেংকাৰী হোৱা নাছিল, অন্য কেলেংকাৰীহে হৈ আছিল!'

ল'ৰাকেইজনে সেমেনা-সেমেনি কৰিলে।

অনুভৱে সাংবাদিককেইজনক ক'বলৈ ধৰিলে— 'ষ্টেণ্ড কৰা-নকৰাটো হয়তো খুব ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল ইহঁত দুজনৰ সংগ্ৰাম আৰু উত্তৰণৰ কাহিনী। এজনে নিজৰ ঘৰৰ প্ৰতিকূল অৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে আৰু আনজনে নিজৰ শৰীৰত জন্মতে লৈ অহা ক্ৰুটিৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে। ডাঙৰ কথা হ'ল— সিহঁত বহুত চোকা ল'ৰাৰ দৰে স্বাৰ্থপৰ নহয়। সিহঁতৰ মনোবল যেনে তীব্ৰ, তেনেকৈ সিহঁত খুব স্পৰ্শকাতৰো।'

নিৰ্মল আৰু অসীমৰ বিষয়ে উৎসাহেৰে বহু কথা কৈ গ'ল অনুভৱে। এসময়ত অনুভৱ আৰু সাংবাদিককেইজনক কেন্দ্ৰ কৰি মানুহৰ জুম বান্ধি গ'ল। অনুভৱে সাংবাদিককেইজনক অনুৰোধ জনালে—

'আমাৰ বেছিভাগ সাংবাদিকেই বেয়া খবৰহে বিচাৰি ফুৰে। যি দুই-এটা ভাল খবৰ প্ৰচাৰ কৰে, সেয়াও সুস্থ ধৰণে প্ৰচাৰ কৰিব নাজানে। আপোনালোকে নিৰ্মল আৰু অসীমৰ কথা প্ৰচাৰ কৰক যাতে— মানুহে জীৱনত যুঁজিবলৈ সাহস পায়। আপোনালোকে এই খবৰটো সজাওঁতে যাতে নিৰ্মলৰ হৃদযন্ত্ৰৰ জন্মগত ক্ৰুটিটো আৰু অসীমৰ প্ৰতিকূল পৰিৱেশটোক আপোনালোকৰ চেনেলৰ টি আৰ পি বঢ়োৱাৰ বাবে ব্যৱহাৰ নকৰে। টি আৰ পিৰ তাড়নাত অসীম আৰু নিৰ্মলৰ ধুনীয়া মন দুটা যেন নিৰ্মমভাৱে শেষ কৰি পেলোৱা নহয়।'

অনুভৱে দেখিলে— সিদিনাৰ নেতাকেইজনে মানুহৰ জুমৰ পৰা আগুৱাই আহিছে। সাংবাদিকক কৈ কেমেৰা অন কৰাই লৈছে আৰু উদাত্ত কণ্ঠে ভাষণ এটা দি ঘোষণা কৰিছে— 'আৰু চিন্তা নাই। অসীম আৰু নিৰ্মলেই আমাৰ গাঁওখনৰ উন্নতি কৰিব...'

বেবেৰিবাং কথা এসোপা কৈ এসময়ত নেতাকেইজনে 'নিৰ্মল-অসীম জিন্দাবাদ' বুলি চিঞৰিবলৈ ধৰিলে।

সিহঁতৰ উৎপাতত অতিষ্ঠ হৈ জিলমিলে মাত দিলে— 'হেৰি জিন্দাবাদ দাদাহঁত। জিন্দাবাদ দিবলৈ নিৰ্মল আৰু অসীমে ইলেকচন জিকা নাই নহয়। আৰু কি ক'লে?— নিৰ্মল আৰু অসীমেই গাঁৱৰ সকলো সমস্যা দূৰ কৰি পেলাব? পোন্ধৰ-ষোল্ল বছৰীয়া ল'ৰা দুজনৰ কান্ধত সেই গুৰু দায়িত্ব অৰ্পণ কৰা হ'ল যেতিয়া

গাঁৱৰ বাকী চাৰি হেজাৰ মানুহে আজিৰ পৰা নাক বজাই শুই থাকিব পাৰিব।'

স্কুলৰ গে'টখন খোলা থকা বাবে উদঙীয়া গৰুকেইটামান সোমাই হাগি-মুতি চৌহদটো লেতেৰা কৰি আছিল। গৰুকেইটা খেদিবলৈ হাতত চেকনি এডাল লৈ মহেন্দ্ৰ মাষ্টৰ আগুৱাই আহিছিল। মহেন্দ্ৰ মাষ্টৰৰ হাতত চেকনি দেখি ভয় খাই নেতাকেইজনে কোবেৰে চৌহদৰ বাহিৰ হৈ গ'ল। গৰুকেইটাতকৈও আগতে।

'দাদা। চিন্তা নকৰিব। ইহঁতৰ এটা শব্দও প্ৰচাৰ নকৰো। মূৰ্খকেইটাক সন্তুষ্ট কৰিবলৈহে কেমেৰা চলাইছো।'— সাংবাদিক এজনে হাঁহি হাঁহি অনুভৱক ক'লে।

ইতিমধ্যে আহি মহেন্দ্ৰ মাষ্টৰ অনুভৱৰ ওচৰ পাইছিল। সাংবাদিক কেইজনৰ কেমেৰাটোলৈ চাই তেওঁ ক'লে—

'টিভি, কেমেৰা — এইবোৰ নালাগে দিয়া অনুভৱ। সিহঁত এনেকৈয়ে থাকক।'

৭০.

উগুল থুগুল মনেৰে কাঁথিত বহি বাটলৈ চাই ৰৈ আছিল অসীমৰ মাক। হঠাৎ ধুমুহা এজাকৰ দৰে দৌৰি নঙলাৰে সোমাই আজলি মাকৰ সন্মুখত ৰৈ গ'ল। উত্তেজনা আৰু অস্থিৰতাত তাই ফোপাইছে— তাইৰ যেন উশাহ বন্ধ হৈ যাব। মাকে প্ৰশ্নসূচক দৃষ্টিৰে আজলিৰ মুখলৈ চাই ৰ'ল। ফোপাই ফোপাই তাই ক'বলৈ ধৰিলে—

'দাদাই — দাদাই — আৰু নিৰ্মল দাদাইও —'

বাক্যটো সম্পূৰ্ণ কৰিব নোৱাৰি আজলি ৰৈ গ'ল। অসীম আৰু নিৰ্মলৰ কি হ'ল মাকে একো ধৰিব নোৱাৰিলে, কিন্তু অস্থিৰতা আৰু উৎকণ্ঠাত যেন মাকৰো উশাহ ছুটি হৈ পৰিল। তাৰ মাজতে সেপ ঢুকি আজলিয়ে কোনোমতে কৈ উঠিল —

'দুয়োজনে ষ্টেণ্ড কৰিছে!'

কোনোমতে খবৰটো দি আজলিয়ে বিৰাট সকাহ পালে। খবৰটো শুনি বাকৰুদ্ধ হৈ মাকে ভেলেকা লাগি আজলিৰ ফালে চাই ৰ'ল। মুহূৰ্ততে দুখৰ অলেখ ছবি তেওঁৰ চকুৰ আগত যেন এখনৰ পিছত এখনকৈ ভাহি উঠিল। সুখ-দুখ আৰু কৃতজ্ঞতাৰ বব নোৱৰা আবেগৰ ভৰত যেন লাহে লাহে মানুহজনীৰ চকু দুটা পানীৰে উপচি পৰিল।

এনেকুৱা খবৰ শুনিও মানুহে কান্দেনে বাৰু? আজলিয়ে বুজি নাপায়, আজলিয়ে এইবোৰ কথা একেবাৰে বুজি নাপায়। ধেৎ — এইবোৰ কোনে চাই থাকে? ধুমুহা এজাকৰ দৰে দৌৰি আজলি আকৌ নঙলা পাৰ হৈ বাট পালেগৈ— লগৰীয়া কিম্মানক যে খবৰটো দিবলৈ আছে!

৭১.

অসীমৰ দেউতাকে খবৰটো পালে মদৰ ভাটিখানাত। খবৰটো পাই মানুহজন অলপ সময় তভক মাৰি ৰ'ল। তাৰ পিছত তেওঁ কিবা এটা ঘোষণা কৰাৰ ভঙ্গিমাৰে আৰম্ভ কৰিলে—

'অসীমৰ ৰিজাল্টৰ স্ফূৰ্তিত—'

মানুহজনে সোঁহাতেৰে মদৰ বটলটো শূন্যলৈ তুলি বৈ গ'ল। তেওঁৰ বন্ধুবৰ্গই ৰাতিলৈ মদ আৰু মাংসৰ বিশাল পাৰ্টিৰ ঘোষণাৰ আশাৰে মানুহজনৰ মুখলৈ চাই থাকিল। মানুহজনে শূন্যত ওলমি থকা বটলটো জোৰেৰে তললৈ নমাই আনি ঘোষণা সম্পূৰ্ণ কৰিলে—

'আজিৰ পৰা মই মদ এৰিলো।'

বটলটো চূৰ্ণ্মৈ হৈ টুকুৰাবোৰ চাৰিওফালে ছিটিকি পৰিল।

অসীমক বিচাৰি মানুহজন কোবাকুবিকৈ ঘৰটোৰ পৰা বাহিৰ ওলাই গ'ল।

৭২.

বাহিৰত ফৰিংফুটা জোনাক। অনুভৱে খিৰিকিখন খুলি দিলে। এচেৰেঙা জোনাক সৰকি আহি অনুভৱৰ বিছনাত সিঁচৰতি হৈ পৰিল। গা শীতল কৰা এছাটি বতাহো সোমাই আহিল। নাৰিকলৰ পাতৰ কঁপনিৰ মৃদু শব্দ দুই-এটাও কাণত পৰিছে। দিনটো উৎসৱমুখৰ হৈ থকা বাবেই এতিয়া গাওঁখনৰ পৰিৱেশটো বেছি নিৰিবিলি লাগিছে। অনুভৱে জোনাকৰ পোহৰত দেখিছে ৰাস্তাৰে দুই-এটা কুকুৰে গা লৰাই লৰাই ইফালে-সিফালে দৌৰি ফুৰিছে। দূৰৰ গাঁৱত পাচলি বিক্ৰী কৰি ওভতা দুই-এটা বেপাৰীৰ বাহিৰে সন্মুখৰ ৰাস্তাটো তেনেই নিৰ্জন।

খিৰিকি কাযত চকী এখনত বহি আছে অনুভৱ। এনেকুৱা জোনাক ৰাতি ভিতৰি ভিতৰি অস্থিৰ হৈ উঠে তেওঁ। কিছুমান ৰঙিয়াল দিনৰ স্মৃতিয়ে তেওঁৰ কলিজা গচকি যায়। নাই— কাৰো সৈতে ভগাই ল'ব পৰা নাযায় সেইবোৰ স্মৃতি। কিছুমান কথা চিৰদিন একান্তই নিজৰ হৈ থাকি যায়; হেৰাই যায় মৃত্যুৰ সৈতে।

দূৰৰ পৰা বাঁহীৰ সুৰ এটা ভাহি আহিছে। অনুভৱে মন দি শুনিলে— কোনোবাই হয়তো মনৰ বেজাৰতে বাঁহী বজাইছে। বাঁহীৰ সুৰত এনেয়েও কাৰুণ্য আছে। এয়াতো ৰাতিৰ বাঁহী! করুণ সুৰটোৱে যেন অনুভৱৰ কলিজাত বেপিছে!

কোনে বাইছে বাঁহী?

যাব নেকি বাঁহীৰ সুৰটো বিচাৰি?

হঠাৎ কৰ্কশ শব্দ কৰি ফোনটো বাজি উঠিল।

'এই— বাহিৰত কিমান জোনাক দেখিছা?'

অনুভৱ আচৰিত হৈ গ'ল। জিলমিলেতো আগে-পিছে আপুনি বুলিহে মাতিছিল।

'খিৰিকি খুলি চোৱানা বাহিৰলৈ— জোনাকৰ সাগৰ গোটেইখন! মোৰ গান গাই দিবৰ মন গৈছে জানা। শুনিবা?'

কোনো কালে কাৰো অনুমতিৰ বাবে বৈ থকা ছোৱালী নহয় জিলমিল। হৃদয়ৰ সমস্ত আৱেগ ঢালি জিলমিলে গাই গ'ল—

জোনাক নাছিল বনত
জোনাক নাছিল মনত
তৰাই তৰাই কথা পাতিছিল
মনৰ গহন কোণত।

সন্ধিয়া কোমল বতাহজাকে
ঢৌ খেলিছিল
সোণৰ আকাশখনত।।

জোনাক নাছিল বনত
জোনাক নাছিল মনত
থুপি থুপি তৰাই সুৰ জুৰিছিল
তোমাৰ নতুন গানত।।

চঁক খাই উঠিল অনুভৱ— পুৰণি সেই গীত! বুকুৰ ইমূৰ-সিমূৰ জুৰি ৰি ৰিয়াই আজিও বাজি আছে সেই সুৰ! কিমান দিন— কিমান দিন যে স্নিগ্ধাই অনুভৱক গাই শুনাইছিল এই গান। প্ৰতিটো পূৰ্ণিমাৰ জোনাক ৰাতিয়ে কোমল এছাটি বতাহৰ দৰে তেওঁলৈ বৈ আনিছিল এই গীত।

স্নিগ্ধা কি আকৌ উভতি আহিছে?

নে তাই হেৰাই যাবলৈ ওলাইছে একেবাৰেই!

'আজি পিছে বনতো জোনাক— মোৰ মনতো জোনাক। এই, তুমি একো কোৱা নাই কিয়? কোৱানা কিবা এটা— কিবা এটা। মোৰ বাবে— মোৰ বাবে কিবা এটা—'

থোকাথুকি হৈ জিলমিলৰ কাতৰ কণ্ঠস্বৰ যেন হেৰাই যাবলৈ ধৰিলে ৰাতিৰ নিৰ্জনতাত।

অনুভৱ যেন আগতকৈও অধিক অস্থিৰ হৈ উঠিল। বুকুত ডুব গৈ থকা স্মৃতিবোৰে যেন ওপৰলৈ উঠি আহিবলৈ হেতা ওপৰা লগাইছে। অনুভৱৰ চকুযুৰি যেন সেমেকি আহিব লাগিছে।

বাঁহীৰ করুণ সুৰটো আকৌ স্পষ্টকৈ কাণত পৰিবলৈ ধৰিছে অনুভৱৰ।

বাৰাণ্ডালৈ ওলাই আহিল অনুভৱ। যেন স্বয়ংক্ৰিয়ভাৱে তেওঁ ভৰি থলে ৰাস্তাত। বাঁহীৰ সুৰটো বিচাৰি এসময়ত তেওঁ গৈ উপস্থিত হ'ল সীমান্তহঁতৰ পদূলিমুখত।

পদূলিৰ বকুলজোপাৰ তলৰ বাঁহৰ চাংখনত বহি হৃদয়ৰ যেন সমস্ত আবেগ ঢালি সীমান্তই বজাইছে বাঁহী।

সীমান্তই আজি পৰীক্ষাত ফেইল কৰিছে। তাৰ বাহিৰে স্কুলৰ সকলোৰেই পাছ কৰিছে।

অনুভৱ মাষ্টৰক দেখি সীমান্ত তলমূৰকৈ ৰ'ল। তজবজীয়া স্ফূৰ্তিবাজ ল'ৰাটো কেনেদৰে নিৰ্বাক নিষ্পন্দ আৰু নিষ্প্ৰভ হৈ পৰিছে!

অনুভৱে শুনিবলৈ পালে— সীমান্তৰ ঘৰৰ পৰা তীক্ষ্ণ কেইটামান শব্দ উফৰি আহিছে পদূলিমুখলৈ।

'কুলাংগাৰ সি। মোৰ লাজ মান খেদালে। হাতত বাঁহীটো লৈ অনাই-বনাই ঘূৰি ফুৰি থাকিলে পৰীক্ষা পাছ কৰিব!'

নিশ্চয় সীমান্তৰ বাপেক।

সীমান্তৰ দুগালেদি চকুলো বৈ আহিল।

আলফুলকৈ তেতিয়াও সি হাতত লৈ আছে বাঁহীটো।

'তোমাৰ বহুত দুখ লাগিছে সীমান্ত?'

'মোৰ বাহিৰেতো সকলোৰেই পাছ কৰিছে।'— অলপ ৰৈ সীমান্তই অস্পষ্টকৈ ক'লে—

'অকল মইহে—'

'অকল তুমিহে ইমান ধুনীয়াকৈ বাঁহী বজাব পাৰা সীমান্ত। আমাৰ স্কুলৰ কোনেও তোমাৰ দৰে বাঁহী বজাব নাজানে।'

অনুভৱে দেখিলে— হঠাৎ যেন অস্থিৰ হৈ উঠিছে সীমান্ত— তাৰ ওঁঠ দুটা কঁপিছে, চকুযুৰি সেমেকি আহিছে। আৰু এসময়ত সি ফেকুৰি উঠিছে।

৭৩.

দিনটো হৈ-চৈ, হুলস্থূলৰ মাজত অসীম আৰু নির্মলে নিজৰ ভিতৰত কথা পাতিবলৈ সুৰুঙা উলিয়াব পৰা নাছিল। গধূলিৰে পৰা অসীম নির্মলৰ ঘৰত আছে। দুয়োজনকে লগ পাবলৈ নির্মলহঁতৰ ঘৰলৈ মানুহৰ সোঁত বৈছে। দহমান বজাৰ পৰাহে মানুহৰ ভিৰ কমি কমি নোহোৱা হৈ গ'ল। নির্মলৰ মাক-বাপেকে অসীমক তেওঁলোকৰ ঘৰত ৰাতিৰ সাঁজ খাইহে ঘৰলৈ যাবলৈ কৈছে। সেইবাবে অসীম এতিয়াও নির্মলৰ ঘৰতে আছে।

এতিয়াহে নির্মল আৰু অসীম দুয়ো দুয়োকে অকলশৰীয়াকৈ পাইছে। দুয়ো পদূলিমুখলৈ ওলাই গ'ল। সন্মুখৰ ৰাস্তাটো জোনাকেৰে উপচি পৰিছে।

পদূলিত নির্মলে বকুল এজোপা ৰুইছে। জোনাকত অসীমে দেখিলে— বকুলৰ পুলিটো লহপহকৈ বাঢ়ি আহিছে। দুয়ো কিছু সময় পুলিটোৰ ফালে চাই ৰ'ল।

কি হৈছে জানো সিহঁতৰ! কতদিন কত কথা পাতিলে! আজি দেখোন কাৰো মুখেৰে একো কথাই নোলোৱা হ'ল!

নির্মলে অসীমৰ মুখৰ ফালে চালে। অসীমেও। নির্মলে দেখিলে— অসীমৰ ওঁঠ দুটা কঁপিবলৈ ধৰিছে। চকু দুটা ঘনে ঘনে লৰিব লাগিছে। নির্মলৰ সন্দেহ হ'ল— অসীমৰ চকুৰ কোণত যেন পানী জমিবলৈ ধৰিছে। নির্মলে এসময়ত মন কৰিলে— সঁচাকৈয়ে অসীমৰ চকু দুটা পানীৰে উপচি পৰিছে। আজি আৰু অসীমে আগৰ দৰে মুখখন লুকুৱাবলৈ আনফালে ঘূৰাই নিদিলে। নির্মলে আচৰিত হৈ অসীমক ক'লে—

'তই কান্দিছ অসীম?'

'তয়োতো কান্দিছ নির্মল!'— অসীমে নির্মলক ক'লে।

■■■

অংকন ঃ তন্বী

অনুভৱ মাষ্টৰ

অনুভৱ মাষ্টৰৰ স্কুলৰ কাইলৈ গোটেই অসমৰ লগতে, মেট্ৰিকৰ ফল প্ৰকাশ পাব। তেওঁৰ প্ৰথম চাকৰিৰ প্ৰথম স্কুলৰ পৰীক্ষাৰ ফল। তেওঁৰ শিক্ষক জীৱনৰ প্ৰথম পৰীক্ষাৰ ফল যেন। ৪৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিছে। গাঁৱৰ স্কুল। আঠশ ঘৰ মানুহ। অনুভৱ মাষ্টৰৰ নিজৰেই পৰীক্ষা আছিল যেন এয়া।

দৰাচলতে এই পৰীক্ষা আছিল অসীম, নিৰ্মল, সীমান্ত আদি ৪৭টা ল'ৰা-ছোৱালীৰ। এই পৰীক্ষা আছিল সনাতন হেড মাষ্টৰ, জিলমিল মাষ্টৰণী, মহেন্দ্ৰ মাষ্টৰ আদিৰ।

আৰু অনুভৱ মাষ্টৰৰ।

এইসকলৰ স্কুলখনৰ পৰীক্ষাৰ কাহিনীৰেই ড° মৃণাল কলিতাই লিখি উলিয়াইছিল এইখন উপন্যাস 'বকুল ফুলৰ দৰে'। ঔপন্যাসিক নিজেই কেইবাবছৰৰো আগতে ১৯৮৯ চনত শুৱালকুছিৰ সমীপৰ বামুন্দী অঞ্চলৰ পৰা এইটো পৰীক্ষা দি অসমৰ ভিতৰত প্ৰথম স্থান পাইছিল। সেইজন ছাত্ৰই পৰৱৰ্তী কালত আৰু এখন মেট্ৰিকৰ পৰীক্ষা অনুষ্ঠিত কৰি কাইলৈ কি ফলাফল ওলায়, তাৰ কাৰণে যেন বাট চাই আছে— যেন অনুভৱ মাষ্টৰ হৈ।

তেতিয়াও অনুভৱ মাষ্টৰে স্কুলখনত যোগদান কৰা নাই। স্কুলখনলৈ গৈছিল বছৰেকীয়া পৰীক্ষাৰ ৰিজাল্ট দিবৰ দিনা। মহেন্দ্ৰ মাষ্টৰৰ ওচৰতে আছিল। নৱমৰ পৰা দশমলৈ শ্ৰেণীটোৰ একেবাৰে শেষৰ ৪৭সংখ্যক স্থানত সেইবাৰ উত্তীৰ্ণ হৈছিল এসময়ত ক্লাছৰ এক নম্বৰ স্থানৰ কিশোৰ ছাত্ৰজন। অষ্টমৰ পৰা নৱমলৈ উত্তীৰ্ণ হওঁতেও এই ছাত্ৰজন কাণে কাণ মাৰিহে উত্তীৰ্ণ হৈছিল। হ'ব পাৰে ছাত্ৰজনৰ প্ৰতি তেনেই আশাবাদী আছিল, শুভাকাংক্ষী আছিল ছাত্ৰজনৰ— সেয়েহে আজি নৱম শ্ৰেণী উত্তীৰ্ণৰ পৰীক্ষাত ছাত্ৰজনৰ এই ফলাফলত তেনেই ক্ৰোধান্বিত হৈ আচম্বিতে প্ৰচণ্ড কাণতলীয়া চৰ এটা মাৰি দিলে মহেন্দ্ৰ মাষ্টৰে ছাত্ৰজনৰ গালত, অনুভৱৰ সন্মুখতেই। থতমত খালে স্কুলখনৰ শিক্ষক হ'বলৈ অহা যুৱক অনুভৱে। 'তই অধঃপতে গ'লি'— এই উক্তি আছিল মহেন্দ্ৰ মাষ্টৰৰ এই ছাত্ৰৰ প্ৰতি। এসোপা চকুপানী ওলাই আহিছিল ছাত্ৰজনৰ দুগালেদি। সুবিধা বুজি অনুভৱে ছাত্ৰজনক সুধিছিল— 'কি নাম তোমাৰ?'

'অসীম'— অপমানত ভাগি পৰা মাত কিশোৰৰ। এই কাণ্ডবোৰ দূৰৰ পৰা চাই আছিল নিৰ্মলে। ক্লাছত অসীমৰ প্ৰথম স্থানটোলৈ উত্তৰণ কৰা অসীমৰ বন্ধু নিৰ্মল। ওচৰলৈ আহিল নিৰ্মল অসীমৰ। পৰীক্ষাৰ ফলাফল দুই বন্ধুৰে ক্ষন্তেকৰ বাবে পাহৰি গ'ল— এজন প্ৰথম স্থানৰ, এজন অন্তিম স্থানৰ। দুয়ো স্কুল গে'টখনৰ ফালে চাই ৰ'ল। গে'টখন পাৰ হৈ মহেন্দ্ৰ মাষ্টৰৰ লগত সেই ডেকা মানুহজন কোন? অসীমক যে আলফুলে সুধিলে— 'কি নাম তোমাৰ?'

গে'টখনৰ কাষতে বকুলজোপা। একালত অসীমৰ দেউতাকে ৰুইছিল। ডাঙৰ হৈছে। বকুলজোপায়ো চাই থাকিল— সেই ডেকা মানুহজন কোন?

আৰু, তেতিয়া সীমান্ত ক'ত? অসীম-নিৰ্মলহঁতৰ লগৰে!

অনুভৱ মাষ্টৰৰ সেই প্ৰথম দিনটোৰ কথা মনত পৰিল আজি। আৰু এদিন অনুভৱ স্কুলখনলৈ আহিল— মাষ্টৰ হৈ। সকলো ছাত্ৰৰে 'অনুভৱ ছাৰ' হৈ গ'ল অনুভৱ নামৰ এই

ডেকাজন। স্কুলৰ শিক্ষকৰ কমন ৰুমত 'অনুভৱ মাষ্টৰ'— সনাতন হেড মাষ্টৰ, মহেন্দ্ৰ মাষ্টৰৰ দৰেই। কিন্তু শ্ৰেণীকোঠাত সকলো ল'ৰা-ছোৱালীৰে 'অনুভৱ ছাৰ'। প্ৰথম শাৰীত— দশম শ্ৰেণীত— বহি থকা নিৰ্মলৰো আৰু একোবৰে শেষৰ শাৰীত বহি থকা সীমান্তৰো। কিন্তু, অসীম ক'ত? অংকৰ শিক্ষক অনুভৱ ছাৰে খবৰ ল'লে— অসীম ক'ত? বহুদিন হ'ল স্কুললৈ অহা নাই— অসীম ক'ত?

অসীম আজি-কালি দিবাকৰ ঠিকাদাৰৰ পাহাৰতলিত লোহা-লক্কৰেৰে শিল ভঙা কামত ব্যস্ত। হাড়ভগা শ্ৰম, এটা পোন্ধৰ বছৰীয়া ল'ৰাৰ কাৰণে। ঘৰত তাৰ মদ খাই থকা আৰ্জন নোহোৱা বাপেক— ভালেই পাইছে— পুতেকৰ শিলভঙা শ্ৰমৰ আৰ্জনেৰে আকৌ মদ খাব পাব! এইটো এটা স্কুল ড্ৰপ আউট কেছ নেকি? শিক্ষক দিৱসৰ সভা-সমিতিত অসীমৰ স্কুল এৰি শিল ভাঙিবলৈ যোৱা কথাটোক লৈ কি কি পৰ্যায়ত আলোচনা হ'ব, সেই কথা পিছলৈ থৈ 'অনুভৱ মাষ্টৰ' এদিন 'অনুভৱ ছাৰ' হৈ পাহাৰতলি পালেগৈ। বহু কষ্ট হ'ল অসীমৰো অনুভৱক 'অনুভৱ ছাৰ' কৰি শিলবিলাকৰ মাজত বিচাৰি চাবলৈ; অনুভৱৰো বহুত কষ্ট হ'ল শিলবিলাকৰ মাজত নিজকে 'অনুভৱ ছাৰ'লৈ ৰূপান্তৰ হ'বলৈ।

এটা ড্ৰপ আউট কেছ ড্ৰপ পৰিল দেশত। অসীম আকৌ ক্লাছলৈ আহিল। মাজত মাত্ৰ কেইটামান মাহ— দশম শ্ৰেণীৰ টেষ্ট পৰীক্ষালৈ। বহুদিন ক্লাছ ক্ষতি হোৱা এই ল'ৰাটোক কেনেকৈ সাজু কৰি অনা হয় কিতাপৰ সমুদ্ৰত অৱগাহন কৰাবলৈ? হয়, কাইলৈ মেট্ৰিকৰ ৰিজাল্ট ওলোৱাৰ আগদিনা অনুভৱ মাষ্টৰৰ সেইখন সমুদ্ৰৰ তীৰত কিছু বেলি থিয় হৈ থাকিবলৈ মন গ'ল।

হাৰ্টৰ অসুখৰ ৰোগী, মেধাৱী ছাত্ৰ নিৰ্মল। অনুভৱ মাষ্টৰ ডাক্তৰো নহয়, নিৰ্মলৰ অভিভাৱক পিতৃও নহয়। ডাক্তৰৰ চিকিৎসা আৰু অভিভাৱকৰ যতনৰ মাজৰ ঠিক যিটো বিন্দু, সেই বিন্দুটোতে থিয় হৈ ৰ'ল এই ডেকা মানুহজন— 'অনুভৱ ছাৰ' হৈ। কঠিন আছিল, তেনেকৈ কঠিন আছিল অনুভৱ মাষ্টৰৰ পৰা অনুভৱ ছাৰ হৈ নিৰ্মলক জীৱন আৰু যুঁজৰ স'তে হাতত হাত ধৰি আগুৱাই নিয়াৰ। কাইলৈ, বাতৰি কাগজ বিলাই বিলাই সংগ্ৰাম কৰিবলৈ শিকা আৰু হৃদপিণ্ডৰ ধৰফৰণিৰ স'তে যুদ্ধ কৰিবলৈ শিকা, অসীম আৰু নিৰ্মলৰ, মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট ওলাব। সীমান্তৰো। স্কুলখনৰ আৰু ৪৪টা ল'ৰা-ছোৱালীৰো।

সেই যে প্ৰথম দিনা হেড মাষ্টৰে অনুভৱক নিৰ্মলহঁতৰ শ্ৰেণীলৈ লৈ গৈছিল, সেইদিনাই আৰম্ভ হৈছিল এখনি নতুন নদী ব'বলৈ স্কুলখনত, নিৰ্মলহঁতৰ শ্ৰেণী, ছাত্ৰ আৰু অনুভৱ মাষ্টৰৰ মাজত। অনুভৱ মাষ্টৰ আৰু অনুভৱ ছাৰৰ মাজত। কমনৰুমত আলোচনা হয় স্কুলৰ বঁটা বিতৰণী সভাৰ— শিক্ষকৰ মাজত। সকলো স্কুলতে হয়। আলোচনা হয় এটা পুথিভঁৰাল পতাৰ। গাঁৱৰ মানুহৰ সহায় বিচৰা হয়। বৰঙণি নুঠে। বহু গাঁৱতেই হয় এই ঘটনা। শিক্ষাই দেখুৱাই দিয়া বহু পোহৰো এইবোৰত ঘোপ মৰা অন্ধকাৰ হৈ যায়। প্ৰমূল্যক আলোকিত কৰি আনিব খোজা বহু বন্তি, মূল্যহীনতাৰ ধুমুহাত বাটতে নুমাই যায়। প্ৰচলিত ব্যৱস্থাৰ সামান্য কাষেদি যাব খুজিলেও লুকাই থকা কাঁইটবোৰ ওলাই আহে বিন্ধিবলৈ। সদায় দেখি আছিল এইবোৰ গাঁওখনে, স্কুলখনে। অনুভৱ নামৰ এই ডেকাজন এই গাঁওখনৰ এই স্কুলখনলৈ মাষ্টৰ হৈ অহাৰ আগলৈকে। এতিয়াও আছে। তথাপিও তাৰ মাজতেই এদিন অনুভৱ মাষ্টৰে হঠাতেই কৈ দিছিল সেই শাৰীৰিকভাৱে দুৰ্বল ল'ৰাটো নিৰ্মলক— 'ছাত্ৰ হিচাপে তোমাক লগ পোৱাটো মোৰ জীৱনৰ এটা ডাঙৰ প্ৰাপ্তি।'

ভাগি পৰিছিল নিৰ্মল শৰীৰ আৰু মনৰ যন্ত্ৰণাত। ক'ত আছে তাক জীৱনমুখী কৰিব পৰা ঔষধ? ক'ত আছে? সি বিচাৰি পালে এদিন; সি অনুভৱ মাষ্টৰক কৈ দিলে সেয়েহে এদিন— 'মোৰ মন বেয়া লাগিলে আপোনাৰ ওচৰলৈ আহিমনে ছাৰ?' সমগ্ৰ স্কুলবিলাকৰ দশম শ্ৰেণীৰ ছাত্ৰবিলাকৰে কণ্ঠত যেন কোনোবাই শিকাই যাওক এই অমৃত মন্ত্ৰ! কোনে শিকাব এই মন্ত্ৰ? শিক্ষকে। শিক্ষক দিৱসতনে? নহয়। গোটেই বছৰটো। স্কুলৰ শ্ৰেণীকোঠাতনে? নহয়— বাটে-ঘাটে।

দিনবোৰ তেনেকৈয়ে আগবাঢ়ে। গে'টৰ কাষৰ বকুলজোপাও তেনেকৈয়ে আগবাঢ়ে। অনুভৱ মাষ্টৰৰ প্ৰহৰবোৰ বকুল ফুলৰ দৰে হৈ আছে।

দৰিদ্ৰতাই পিষ্ট কৰা অসীমহঁতৰ ঘৰখনেই মাথোঁ দোষী নাছিল এই নৱম-দশমৰ সূৰ্যমুখী হ'ব পৰাৰ সম্ভাৱনা থকা কিশোৰবোৰৰ। চৌপাশৰ ফোঁপোলা, মেৰুদণ্ডহীন সাংস্কৃতিক-বৌদ্ধিক ভাৱৰবোৰো আছিল সমানে দায়ী এই কিশোৰবোৰক পোহৰ-সূৰ্য নেদেখা কৰাৰ। এইবোৰ আঁতৰ কৰাৰ দিনটোৱেই শিক্ষক দিৱসনে? সেই দিনটো শিক্ষক দিৱস নাছিল; আছিল স্কুলৰ আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰহে। স্কুল বাদ দিয়া, পুলিচে থানালৈ বান্ধি নিয়া এই ল'ৰাজন অসীম মঞ্চলৈ উঠিছিল। নিজৰ বিষয়টো ক'বলৈ লৈ এটা শব্দও নকৈ কঁপি কঁপি মঞ্চত থিয় হৈ থাকিল অসীম। অগত্যা বাধ্য হৈ অনুভৱ মাষ্টৰ মঞ্চলৈ উঠিল। অসীমৰ হাতৰ পৰা কাগজৰ টুকুৰাটো লৈ তেওঁ বিষয়টো পঢ়ি চালে— 'মোৰ প্ৰিয় মানুহগৰাকী'।— 'বকুল ফুলৰ দৰে' কিতাপৰ দুটা মাথোঁ বাক্যইনে এয়া? এই প্ৰশ্ন, শিক্ষক দিৱসৰ দিনাই উত্থাপনৰ আটাইতকৈ বেছি প্ৰাসংগিক।

পিছদিনা সময়মতে দিনৰ এঘাৰ বজাত মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাল। বাতৰিকাগজত প্ৰকাশ হৈছিল ১৯৮৯ চনৰ মেট্ৰিকৰ ফলাফলৰ প্ৰকাশৰ বামুন্দীৰ কথা। এতিয়াৰ দৰে তেতিয়া ম'বাইলে ম'বাইলে ৰাতিতেই স্থানপ্ৰাপ্তসকলে নিজৰ ফলাফল পাই নগৈছিল। দিনৰ এঘাৰ বজালৈকে ৰৈ থাকিব লাগিছিল। মৃণাল কলিতাও ৰৈ আছিল ১৯৮৯ চনত দিনৰ ১১ বজালৈ প্ৰথম হোৱাৰ খবৰটো পাবলৈ। ১৯৬৬ চনত অমৰজ্যোতি চৌধুৰীয়ে উজানবজাৰৰ নিজৰ ঘৰৰ পৰা গুৱাহাটীৰ মাজমজিয়াত, বৰষুণীয়া দিনত, বৰষুণ ভাঙি ভাঙি খোজ লৈছিল পাণবজাৰৰ 'ছেবা'ৰ কাৰ্যালয়লৈ পৰীক্ষাৰ প্ৰথম হোৱাৰ নিজৰ খবৰটো পাবলৈ।

এঘাৰ বজাত বামুন্দীৰ নামঘৰত দবা বাজিছিল। গাঁওখনত মানুহে শংখ-ঘণ্টা বজাইছিল। অসীম-নিৰ্মলহঁতো স্কুললৈ আহিছিল। চুচুক-চামাককৈ ৰৈ আছিল। শিক্ষকসকলৰ খুব ভাল লাগিল— স্কুলৰ এজন ল'ৰাৰ বাহিৰে আটায়ে উত্তীৰ্ণ হৈছে— 'তেওঁলোকৰ বাবে এইটো ইমানদিনে এটা অকল্পনীয় কথা আছিল।' শিক্ষক দিৱসৰ দিনা এনেকুৱা অনুভৱ আৰু বহু স্কুলৰ শিক্ষকৰ হ'ব পাৰে— প্ৰথমবাৰৰ বাবে স্কুলখনৰ এজন ল'ৰাৰ বাহিৰে বাকী সকলোৱেই উত্তীৰ্ণ হৈছে। এনেকুৱা খবৰৰ অনুভৱ।

২০২১ বৰ্ষৰ এই ধৰণৰ ফলাফল প্ৰকাশৰ উত্তেজনাৰ উন্মাদনা সুকীয়া আছিল। একেবাৰে নিমিলে— ২০২০ বা তাৰ আগৰ বছৰবোৰৰ দৰে। এইবিলাক বছৰৰ দৰে অনুভৱ মাষ্টৰৰ স্কুলখনৰ পৰীক্ষাৰ ৰিজাল্ট পাই সাংবাদিক আহি জমা হৈছল। কেমেৰা পাৰ্ছনসহ। চুচুক-চামাককৈ গে'টৰ বাহিৰত। স্থানপ্ৰাপ্তসকলৰ তালিকাখনত নিৰ্মল তিনি নম্বৰত আৰু অসীম সাত নম্বৰত। এজনে নিজৰ শৰীৰত জন্মতে লৈ অহা ত্ৰুটিৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে আৰু এজনে নিজৰ ঘৰৰ প্ৰতিকূল অৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম কৰিছে। অনুভৱে ক'বলৈ ধৰিলে সাংবাদিককেইজনক 'ষ্টেণ্ড কৰা-

নকৰাটো হয়তো খুব ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল ইহঁত দুজনৰ সংগ্ৰাম আৰু উত্তৰণৰ কাহিনী। ডাঙৰ কথা হ'ল— সিহঁত বহুত চোকা ল'ৰাৰ দৰে স্বাৰ্থপৰ নহয়। আপোনালোকে নিৰ্মল আৰু অসীমৰ কথা প্ৰচাৰ কৰক যাতে— মানুহে জীৱনত যুঁজিবলৈ সাহস পায়।' শিক্ষক দিৱসৰ দিনা সমগ্ৰ দেশখনৰে সকলো শিক্ষকৰ মুখত অনুভৱ মাষ্টৰৰ এই কথা শুনিবলৈ দেশবাসী উদগ্ৰ হৈ থাকক।

২০২১ চনত সৌ সিদিনা যেতিয়া এই ফলাফল প্ৰকাশ হৈছিল, মই খবৰ লৈছিলোঁ ছয়গাঁৱৰ চম্পকনগৰ ছোৱালী হাইস্কুলৰ এজনী ছোৱালীৰ ফলাফলৰ। দ্বিতীয় বিভাগত ছোৱালীজনী উত্তীৰ্ণ হৈছিল। খবৰটো মই হোৱাটছএপত বাৰ্তা লিখি বহু ছাত্ৰ-ছাত্ৰীলৈ পঠিয়াই দিছিলোঁ। ছুৰফৰাজ হুছেইনকো দিছিলোঁ— অমৰজ্যোতি চৌধুৰী, মৃণাল কলিতাৰ দৰে ছুৰফৰাজ হুছেইনেও মেট্ৰিকৰ পৰীক্ষাত প্ৰথম স্থান পাইছিল অসমত। ২০১৬ চনত।

ছোৱালীজনী ভনিতা দাস। ২০১৫ চনত 'ভিলেজ ৰ'কষ্টাৰ' চিনেমাখনত 'ধুনু' নামৰ শিশু চৰিত্ৰ এটাত অভিনয় কৰি ভনিতাই বছৰটোৰ শ্ৰেষ্ঠ শিশু শিল্পীৰূপে পৰিগণিত হৈ ৰাষ্ট্ৰপতিৰ হাতৰ পৰা পদক পাইছিল। প্ৰথমবাৰৰ বাবে ভনিতাই অসমলৈ কঢ়িয়াই আনিছিল এই বিৰল সন্মান। ছুৰফৰাজৰ মেছেজ আহিল মোৰ ম'বাইললৈ— 'ভনিতা দাসৰ খবৰ আৰু কোনে ৰাখিছে! কোনেও নাই ৰখা। তেওঁ যেতিয়া গম পাব, কোনোবাই তেওঁৰ খবৰ ৰাখে, এক নতুন উদ্যম পাব; আগুৱাই যাবলৈ। আগুৱাই যাওক তেওঁ। অশেষ শুভেচ্ছা।' শিক্ষক দিৱসৰ সভাবোৰত, শিলচৰৰ National Institute of Technologyৰ ছাত্ৰ ছুৰফৰাজ হুছেইনহঁতৰ বয়সৰ ছাত্ৰসকলৰ কথা কোৱাৰ সুযোগ নাথাকেই। কিন্তু, শিক্ষক দিৱসৰ দিনাই, সমগ্ৰ দেশে ছুৰফৰাজ হুছেইনহঁতৰ দৰে ছাত্ৰবিলাকৰ এই কণ্ঠ, ভনিতা দাসহঁতৰ দৰে ছাত্ৰ-ছাত্ৰীবিলাকলৈ নিশ্চয় বিয়পি যাব লাগে। নিশ্চয়।

স্কুলৰ ফলাফলৰ নিশা। নিজৰ কোঠাত অনুভৱ মাষ্টৰ। বাহিৰত বাঁহীৰ কৰুণ সুৰ এটা। অনুভৱ ওলাই আহিল কোঠাৰ পৰা। সীমান্তই বজাইছে বাঁহী। ঘৰৰ পদূলিৰ বকুলজোপাৰ তলত। অনুভৱ সীমান্তৰ কাষত থিয় হ'ল। সীমান্তৰ দুগালেদি বৈ আহিছে চকুলো। ঘৰৰ পৰা দেউতাকৰ তীক্ষ্ণ তীক্ষ্ণ শব্দ কিছুমান তাক উদ্দেশ্যি।

'তোমাৰ বহুত দুখ লাগিছে সীমান্ত?'— অনুভৱ ছাৰে সুধিলে।

'মোৰ বাহিৰেতো সকলোৱেই পাছ কৰিছে। অকল মইহে—।'

'অকল তুমিহে ইমান ধুনীয়াকৈ বাঁহী বজাব পাৰা সীমান্ত। আমাৰ স্কুলৰ কোনেও তোমাৰ দৰে বাঁহী বজাব নাজানে।'

ইমান দিনে সীমান্তই গাঁওখনত দুজোপা বকুল দেখিছিল। এজোপা স্কুলৰ গে'টৰ ওচৰত। এজোপা তাৰ ঘৰৰ পদূলিত।

আৰু এজোপা এইমাত্ৰ ৰুলে অনুভৱ মাষ্টৰে। সীমান্তৰ হৃদয়ত।

ৰবেন্দ্ৰ কুমাৰ দাস, গুৱাহাটী
নিয়মীয়া বাৰ্তা, ৫ ছেপ্তেম্বৰ, ২০২১

বকুল ফুলৰ দৰে

১

জ্ঞানেন্দ্রিয়ৰে যি উজাই লওঁ
প্রগতিৰ সেই বতাহজাক
চিতাৰ ধোঁৱা মিহলি।
পথভ্রষ্ট সংস্কৃতিৰ উৎকট গোন্ধত
সেমেকা বতাহজাক
মৃত সপোনেৰে দুৰ্গন্ধময়,
ক্ষয়প্রাপ্ত শিক্ষাৰ কেচেমা গোন্ধ আৰু
মৃত পাহাৰৰ ওকালি সামৰি
মাতাল নিশাৰ অশ্লীল গোন্ধ উজাই
লয় বতাহজাকে।

২

বকুল ফুলৰ দৰে
সুঘ্রাণ সংপৃক্ত হিয়া মোৰ,
সেই ঘ্রাণ জ্ঞানেন্দ্রিয়ৰ উৰ্ধত
যি ঘ্রাণে স্মৃতি কঢ়িয়ায়;
অথবা স্মৃতিয়ে কঢ়িয়ায় সুবাস।
সেই চিত নিৰ্মল
অসীমলৈ ব্যাপ্ত যাৰ আপোনত্বৰ সুঘ্রাণ
অভিনৱ সসীমৰ সপোন, পৰিৱিত
মানৱতা
স্বচ্ছ নিকা নিষ্কলুষ

৩

কই থ এজুপি বকুল
হিয়াৰ মণিকোঠাত
কই থ আগচোতালত।
জীৱন খহি পৰাৰ পৰত
তলসৰা শুষ্কতায়ো ও বিলায় অমৰ ঘ্রাণ
শূন্যতাক আঁৰ কাপোৰেৰে ঢাকি
ৰিক্ততাক ধুৱাই নিব পৰা ঘ্রাণ
...... বকুল ফুলৰ দৰে

— মনমী ভট্টাচাৰ্য্য, নৱডা

Bal Sahitya Puraskar 2021

Award in Assamese to
Mrinal Chandra Kalita
(Born on 1974)

Mrinal Chandra Kalita, an eminent Assamese writer, was born in Bamundi village, Assam. He holds a Ph.D. and knows English, besidesAssamese. He is Associate Professor of Mathematics at Pandu College. Guwahati, Writing since 1993, he has so far three books of short stories, two essays, one of popular mathematics, a novel and a work of tales to his credit. A few of his prominent publications are *Anusheelan, GanitorBarnil Jagat, Ribrib Moonmeehator Sesh Nohowa Kahini*, among others. His novel *Bakul Phular Dare* has been broadcast over All India Radio in 32 episodes. He is the receipient of Mriganayana Saikia Award.

Bakul Phular Dare, a unique novel for children, narrating the story of a poor but talented student, facing various difficulties in continuing his education and overcoming all hurdles by returning back to school with the motivation received from his classmates and a young teacher, is a poignant portrayal of empathy, friendship and human values. This work aptly deals with some critical issues such as the rural poverty of Assam, the school education system, alcohol addiction and child labour. Mrinal with his intelligent and informed treatment of the subject matter and fascinating narrative technique has managed to awe the readers from across the age dynamic and has strongly made a niche for his debut work. As such, Sahitya Akademi is happy to confer its Bal Sahitya Puraskar in Assamese on Mrinal Chandra Kalita for his novel *Bakul Phular Dare*.

Sahitya Akademi

সাহিত্য অকাডেমিৰ *বাল সাহিত্য পুৰস্কাৰ* গ্ৰহণ কৰি প্ৰদান কৰা ভাষণ*

সাহিত্য অকাডেমিৰ শ্ৰদ্ধেয় সভাপতি, উপ সভাপতি আৰু সদস্যবৃন্দ; বিভিন্ন ভাষাৰ সন্মানীয় বঁটা বিজয়ীসকল আৰু শ্ৰদ্ধাৰ ৰাইজ!

গল্প লিখি ভাল পাওঁ আৰু সেইটো পৰিচয়ে অধিক আনন্দ দিয়ে। সংশয় এটা আছিল, এতিয়াও আছে, কথাটো একাধিকবাৰ লিখিছিলোঁও যে গল্পকাৰে উপন্যাস লিখিলে লেখকগৰাকীৰ তাৰ পিছৰ গল্পবোৰ ক্ষতিগ্ৰস্ত হয়। সেই সংশয়ৰ আঁৰত কিছু কাৰণ ব্যাখ্যা নিশ্চয় আছিল। জানিছিলো যে গল্পতকৈ উপন্যাসৰ পাঠক বেছি। সেই সত্যইও মোক উপন্যাস লিখা কামটোৰ প্ৰতি আগ্ৰহী কৰিব পৰা নাছিল। গল্পই সামৰিব নোৱাৰা কাহিনী বা বিষয় অনেক আছিল, যিবোৰে উপন্যাসৰ বিস্তৃতি দাবী কৰিছিল। তথাপি গল্পকাৰজনক ক্ষতিগ্ৰস্ত কৰিবলৈ মই ৰাজী নাছিলোঁ। গল্প লিখা কামটো উপন্যাস লিখাৰ আগৰ পৰ্যায়ৰ অনুশীলন বুলিও কেতিয়াও ভবা নাই। গল্প মোৰ বাবে এক আকৰ্ষণীয় আৰু প্ৰত্যাহ্বানমূলক স্বতন্ত্ৰ genre। সুলিখিত গল্প একোটা মোৰ বাবে সংখ্যা-তত্ত্বৰ একোটা উপপাদ্যৰ দৰেই মনোৰম। সংখ্যা তত্ত্ববিদ G H Hardy-এ কৈছিল— "In a good proof there is a very high degree of unexpectedness, combined with inevitability and economy." এইখিনি কথাকে এটা ভাল গল্পৰ বিষয়েও ক'ব পাৰি বুলি ভাবোঁ।

তথাপি অৱশেষত উপন্যাস এখন লিখিলোঁ, শুদ্ধকৈ ক'বলৈ গ'লে লিখিবলৈ বাধ্য হ'লোঁ। কিছুমান কথা কোৱাৰ তাড়নাটো অপ্ৰতিৰোধ্য হৈ উঠিছিল, কিছুমান কথা হয়তো নিজকো কোৱাৰ দৰকাৰ হৈ পৰিছিল। অসীম আৰু নিৰ্মল নামৰ দুটি কিশোৰ চৰিত্ৰই বুকুৰ ভিতৰখন ক্ৰমশঃ জোকাৰি দিবলৈ ধৰিছিল। অস্থিৰ হৈ পৰিছিলো আৰু এসময়ত অনুভৱ কৰিবলৈ ধৰিছিলোঁ যে এই উপন্যাসখন নিলিখাকৈ মই থাকিব নোৱাৰো। আৰু এদিন জীৱনৰ প্ৰথমখন উপন্যাস লিখিবলৈ হাতত কলম তুলি লৈছিলো। সৎ হ'ব বিচাৰিছিলোঁ কাহিনীটোৰ প্ৰতি, চৰিত্ৰবোৰৰ প্ৰতি। কাহিনীটোত নিহিত থকা চিন্তা-ভাৱনাবোৰ প্ৰকাশ কৰিব বিচাৰিছিলোঁ অকপটে। প্ৰায়েই খেদ প্ৰকাশ কৰিছিলোঁ— 'বুজি পাওঁ যে পৰীক্ষা-নিৰীক্ষাই কেতিয়াবা কোনো সাহিত্য কৰ্মক জটিল কৰি তুলিব পাৰে; বুজি নাপাওঁ পৰীক্ষা-নিৰীক্ষাই সাহিত্য কৰ্মক

কেতিয়াবা সৰল কৰিও কিয় নোতোলে!' হয়তো সেইবোৰো মোৰ নিজৰ বাবে প্ৰত্যাহ্বান হৈ পৰিছিল। হয়তো নিজকে জুখি চোৱাৰ পৰীক্ষাও আছিল এই প্ৰচেষ্টা।

গল্পলেখকজন যাতে ক্ষতিগ্ৰস্ত নহয় তাৰ বাবে প্ৰতিটো অধ্যায় লিখিছিলোঁ গল্পৰ মেজাজেৰে।

আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশ হৈ থকা গোটেই বছৰটোত প্ৰতিটো অধ্যায় পঢ়ি প্ৰয়োজনত আকৌ সৰু-সুৰা পৰিমাৰ্জন কৰাৰ সুযোগ পোৱা গৈছিল।

এনেদৰে প্ৰায় দুবছৰত উপন্যাসখনে চূড়ান্ত ৰূপ পাইছিল।

মই এগৰাকী শিক্ষক— গণিতৰ শিক্ষক। বহুতেই কয়— শিক্ষকসকলৰ অভিজ্ঞতা সীমাবদ্ধ। আচলতে কথাটো নিৰ্ভৰ কৰে শিক্ষকতাক আপুনি কি ভাবে গ্ৰহণ কৰিছে তাৰ ওপৰত। বছৰে বছৰে আহি থকা, ওলাই গৈ থকা শ শ হাজাৰ হাজাৰ ছাত্ৰই এগৰাকী শিক্ষকক নিৰন্তৰ সমৃদ্ধ কৰি গৈ থাকিব পাৰে।

ছাত্ৰ আৰু শিক্ষক হিচাপে আমাৰ শিক্ষা ব্যৱস্থাটো খুব ওচৰৰ পৰা পৰ্যবেক্ষণ কৰাৰ সুযোগ পাইছিলোঁ। কিছু ক'বলগীয়া কথা মনৰ ভিতৰত ক্ৰমশঃ জমা হৈ গৈ আছিল। সেইবোৰকে 'বকুল ফুলৰ দৰে'ত প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিলোঁ। শিক্ষা ব্যৱস্থাৰ লগতে তাত মই ওচৰৰ পৰা দেখা সমাজখন, অধঃপতিত ৰাজনীতি, সাংস্কৃতিক অৱক্ষয়, প্ৰকৃতি ধ্বংস, শিশু শ্ৰমিক, নিচাসক্তিৰ ভয়াবহতা আদি কথাবোৰেও ঠাই পাইছিল। মই বিচাৰিছিলোঁ— কথাবোৰ আলোচিত হওক, চৰ্চিত হওক; আমি সকলোৱে সততাৰে এটা পোহৰমুখী পথেৰে যাত্ৰা কৰিবলৈ চেষ্টা কৰোঁহক— খুপি খুপি হ'লেও আমি অন্ততঃ পোহৰমুখী হওঁ!

দুই একে কৈছিল— এনেকুৱা ছিৰিয়াছ বিষয়ৰ উপন্যাস মানুহে নপঢ়িব। পিছে এতিয়ালৈ উপন্যাসখনৰ ২২টা সংস্কৰণ হ'ল। ক'ভিডৰ প্ৰতিকূল পৰিৱেশৰ মাজতো ২০২০ চনত ৩টা, ২০২১ চনত ৬টা আৰু ২০২২ চনৰ জুলাই পৰ্যন্ত ৯টা সংস্কৰণ হ'ল। এই কথাখিনি কোৱাৰো কাৰণ আছে। এইখিনি লেখক এজনৰ বাবে নিশ্চয় আনন্দ পাবলগীয়া কথা; এগৰাকী শিক্ষক হিচাবে আৰু সমাজৰ এজন সাধাৰণ মানুহ হিচাবে এই কথাখিনিত মই অতিৰিক্ত আনন্দ পাওঁ— শিক্ষা ব্যৱস্থাক লৈ লিখা উপন্যাসখন মানুহে পঢ়িছে, আলোচনা কৰিছে আৰু বিভিন্ন মাধ্যমত কিতাপখনৰ কথা নিজেই প্ৰচাৰ কৰিছে। সেইবাবেই ক'বলৈ মন যায়— সৰ্বগ্ৰাসী হতাশাৰ মাজতো শীতৰ এচেৰেঙা কোমল ৰ'দৰ দৰে আশা অকণমানো ক'ৰবাত জাগৰূক হৈ আছে! সকলো শেষ হৈ যোৱা নাই এতিয়াও।

বহুত অভিভাৱকেই উৎসাহেৰে জনায়— তেওঁলোকৰ সন্তানে এই উপন্যাসখন পঢ়িয়ে আৰু কিতাপ পঢ়িবলৈ ইচ্ছুক হৈছে বা ইংৰাজী মাধ্যমত পঢ়া সন্তানটোৰ আৰু অসমীয়া কিতাপ পঢ়িবলৈ মন গৈছে। তাৰ বাবে তেখেতসকলে যেতিয়া এই

সামান্য লেখকজনক ধন্যবাদ জনায়— মাতৃভাষাটোক গৌৰাৱৰ দৰে ভাল পোৱা এজন মানুহ হিচাবে বুকুখন ভৰি পৰে! লেখক এজনক ইয়াতকৈ ডাঙৰ পুৰস্কাৰ আৰু কি লাগে! সাহিত্য অকাডেমিৰ এই বঁটাটো লেখকলৈ পাঠকৰ এই অপৰিসীম মৰমৰেই এক আনুষ্ঠানিক স্বীকৃতি।

এতিয়াও বহুতে সুধি থাকে— 'তাৰ পিছত অসীম আৰু নিৰ্মলৰ কি হ'ল?' কি হ'ল ক'বলৈ মন যায়, sequel এখন লিখো বুলি ভাবো, কিন্তু আকৌ সেই পুৰণি দ্বন্দ্ব — গল্প ভাল পোৱা মানুহজনৰপৰা অহা বাধাটো! মানুহজনে যেন কয়— 'হ'ব, উপন্যাস এখন লিখিব খুজিছিলা, লিখিলা; নিজকে জুখি চাব খুজিছিলা, চালা — এতিয়াৰপৰা মাথোঁ গল্প!' আনপিনে অসীম, নিৰ্মলৰ টানটোও পুনৰবাৰ অপ্ৰতিৰোধ্য হৈ উঠিব খোজে।

— মৃণাল কলিতা

* এই ভাষণটো লেখকে ৩১ জুলাই, ২০২২ত কলকাতাত অনুষ্ঠিত সাহিত্য অকাডেমিৰ 'Awardees' Meet' অনুষ্ঠানত প্ৰদান কৰিছিল।

লেখকৰ ঠিকনা ঃ

সহযোগী অধ্যাপক, গণিত বিভাগ, পাণ্ডু কলেজ, গুৱাহাটী-১২

ই-মেইল ঃ bokulmaina2010@gmail.com

mckbamundi@yahoo.co.in

ফোন নং ঃ ৯৪৩৫১-৪৬০৮৪

৮১৩৫০-২৪৪২২

সকলো বয়সৰ পাঠকৰ হিয়া-মন এইদৰে আন্দোলিত কৰিব পৰা এই কিতাপখন অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ আৰু সমাজ জীৱনলৈ এক অনবদ্য উপহাৰ।

....

'বকুল ফুলৰ দৰে' আমাৰ বাবে এক অনন্য পাঠ অভিজ্ঞতা, আকাশৰ সিপাৰে নীৰৱে ৰৈ থকা নতুন পোহৰৰ দৰে — স্নিগ্ধ, শান্ত, শুভ্ৰ।

....

যেতিয়াই কিতাপখন হাতত লওঁ সজীৱ অনুভৱ এটাই চুই যায়।... পাৰিপাৰ্শ্বিকতাই হতাশ কৰি অনাৰ পৰত কিতাপখন মেলি লওঁ। কিবা কৰিবলৈ মন যায়, জীয়াই থাকিবলৈ মন যায়, কিতাপখনে সদায়েই চকু সেমেকায়। বহু পৰলৈ ভাবুক কৰি ৰাখে। এনেকুৱা কিতাপ আমাক আকৌ লাগে। নিজক ভাল পাবলৈ, জীৱনটোৰ মূল্য বুজিবলৈ এনেবোৰ কিতাপৰ প্ৰয়োজন।

....

কিছুমান কিতাপক ৰেটিং দিব পৰা নাযায়। এইখন কিতাপো মোৰ বাবে তেনে এখন কিতাপ।

....

'আজিকালি মানুহে কিতাপ নপঢ়ে, কিতাপ নিকিনে' ইত্যাদি সকলো কথাৰ সুৰ সলনি কৰি দিলে 'বকুল ফুলৰ দৰে'ই। মই এটা কথাকে ভাবি থাকোঁ— তেওঁছুকো কুৰয়ানাগিৰ 'তত্ত-চ্ছান'ৰ দৰে লাখ লাখ মানুহে পঢ়িবলৈ পাওক কিতাপখন। লাখ লাখ কপি বিক্ৰী হওক।

₹ 200

বকুল ফুলৰ দৰে